
বিনামূলীয়া পাঠ্যপুথি

# সমাজ বিজ্ঞান
## (প্ৰথম ভাগ)
## ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথি

3CJQNH



শিক্ষা(প্ৰাথমিক) বিভাগ, অসম চৰকাৰ



## নাগৰিক হিচাপে আমাৰ কৰ্তব্যসমূহ

- সংবিধান মানি চলা আৰু ইয়াৰ সকলো আদৰ্শ আৰু সংস্থা তথা ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক শ্ৰদ্ধা কৰা।
- স্বাধীনতাৰ বাবে কৰা আমাৰ ৰাষ্ট্ৰীয় আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা।
- ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা ৰক্ষা কৰা আৰু তাক অক্ষুণ্ণ ৰখা।
- দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই ৰাষ্ট্ৰীয় সেৱা আগবঢ়োৱা।
- ভাৰতৰ সকলো লোকৰ মাজত, ধৰ্মীয়, ভাষিক আৰু আঞ্চলিক অথবা সাম্প্ৰদায়িক অনৈক্য অতিক্ৰম কৰি সম্প্ৰীতি আৰু সামূহিক ভ্ৰাতৃভাৱ বৃদ্ধি কৰা; নাৰীৰ মৰ্যাদা হানিকৰ আচৰণ ত্যাগ কৰা।
- মিশ্ৰিত সংস্কৃতিৰ মূল্যবান ঐতিহ্যক মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা।
- বন, হ্ৰদ, নদী আৰু বন্য প্ৰাণীকে ধৰি প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰা আৰু তাৰ উন্নয়ন কৰা, তথা সকলো জীৱিত প্ৰাণীৰ প্ৰতি দয়াভাৱ ৰখা।
- বৈজ্ঞানিক দৃষ্টিভংগী, মানৱতাবোধ, অনুসন্ধিৎসা তথা সংস্কাৰৰ মনোভাৱৰ বিকাশ সাধন কৰা।
- ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাত্মক কাৰ্য পৰিহাৰ কৰা; আৰু
- ব্যক্তিগত আৰু সামূহিক কাম-কাজৰ সকলো ক্ষেত্ৰতে উৎকৰ্ষ সাধনৰ বাবে প্ৰয়াস কৰা যাতে ৰাষ্ট্ৰই সফলতাৰ উচ্চতম পৰ্যায়লৈ আগুৱাই যায়।
- ৬-১৪ বছৰ বয়সৰ সকলো শিশুক পিতৃ-মাতৃ / অভিভাৱকে বিদ্যালয়ত ভৰ্তি কৰোৱা।

### পাঠ্যপুথিত সন্নিৱিষ্ট QR ক'ডৰ ব্যৱহাৰৰ নিৰ্দেশনাৱলীঃ

**ম'বাইলত QR ক'ড ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কিদৰে পাব পাৰিব ঃ**

- DIKSHA এপটো খুলি লওক আৰু 'guest' হিচাপে ব্ৰাউজত ক্লিক কৰক।
- শিক্ষাৰ্থী হিচাপে অব্যাহত থাকিবলৈ 'student'ত ক্লিক কৰক।
- পাঠ্যপুথিত থকা QR ক'ড scan কৰিবলৈ QR ক'ডৰ আইকনটোত টিপক।
- QR ক'ডত কেন্দ্ৰ কৰি ম'বাইলটো স্থিৰ কৰি ৰাখক।
- সফলভাৱে scan কৰিলে QR ক'ডত সম্পৰ্কিত হৈ থকা বিষয়বস্তুৰ তালিকাখন পাব।

**ডেস্কটপত ডায়েল (DIAL) ক'ড ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কিদৰে পাব পাৰিব ঃ**

- QR ক'ডৰ তলত থকা ছটা অংকবিশিষ্ট সংখ্যাটোক ডায়েল 'DIAL' ক'ড বুলি কোৱা হয়।
- আপোনাৰ ব্ৰাউজাৰত diksha.gov.in/as/get লিখক।
- ডায়েল ক'ডটো চাৰ্চবাৰডালত লিখক।
- উপলব্ধ বিষয়বস্তুৰ তালিকাখন চাওক আৰু যিকোনো নতুন বিষয়বস্তুত ক্লিক কৰক।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

# সমাজ বিজ্ঞান

(প্ৰথম ভাগ)

## ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথি



প্ৰস্তুতকৰণ ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

নাম ঃ ........................................................................

বিদ্যালয়ৰ নাম ঃ ..........................................................

শ্ৰেণী ঃ ....................................................................

শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ

SAMAJ BIGYAN : Pratham Bhag : A textbook for class VI developed by SCERT, Assam, with financial support of SSA, Assam, through workshops and approved by the Government of Assam vide letter no. AEE/79/05/Pt/137 Dated Dispur, the 27th Sept 2010 and published by the Assam State Textbook Production and Publication Corporation Ltd. on behalf of Govt. of Assam.

FREE TEXTBOOK

---

**All rights reserved** : No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the publisher.

**গ্ৰন্থস্বত্ব** ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**প্ৰথম প্ৰকাশ** ঃ ২০১০ ইং চন
**দ্বিতীয় প্ৰকাশ** ঃ ২০১১ ইং চন
**তৃতীয় প্ৰকাশ** ঃ ২০১২ ইং চন (সংশোধিত)
**চতুৰ্থ প্ৰকাশ** ঃ ২০১৩ ইং চন
পঞ্চম প্ৰকাশ ঃ ২০১৪ ইং চন
ষষ্ঠ প্ৰকাশ ঃ ২০১৫ ইং চন
সপ্তম প্ৰকাশ ঃ ২০১৬ ইং চন
অষ্টম প্ৰকাশ ঃ ২০১৭ ইং চন
নৱম প্ৰকাশ ঃ ২০১৮ ইং চন
দশম প্ৰকাশ ঃ ২০১৯ ইং চন
একাদশ প্ৰকাশ ঃ ২০২০ ইং চন
দ্বাদশ প্ৰকাশ ঃ ২০২১ ইং চন (পুনৰীক্ষিত)

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি।

**প্ৰকাশক** ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে
অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম
লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ অলিম্পিয়া পিকচাৰ প্ৰডাক্টচ্
বামুণীমৈদাম, গুৱাহাটী-২১

ডাঃ ৰনোজ পেগু, এম. বি. বি. এছ
মন্ত্ৰী, অসম

শিক্ষা, ভৈয়াম জনজাতি আৰু
পিছপৰা শ্ৰেণী কল্যাণ বিভাগ



## শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্য্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপটপ্' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পৱিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছোঁ। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ডাঃ ৰনোজ পেগু)
শিক্ষামন্ত্ৰী, অসম

# পাতনি

উন্নতমানৰ পাঠ্যক্ৰমৰ আধাৰতহে গুণগতমানৰ পাঠ্যপুথিৰ সৃষ্টি সম্ভৱ। সংবিধানৰ বাধ্যবাধকতা, ৰাষ্ট্ৰৰ জনগাঁথনি, আৰ্থ-সামাজিক অৱস্থা, শাসনব্যৱস্থা, অৰ্থনৈতিক ক্ৰিয়াকলাপ, বিজ্ঞান প্ৰযুক্তিৰ উপযোগিতা আদি সকলোবোৰ দিশ বিবেচনা কৰি পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ প্ৰস্তুতি নিতান্তই প্ৰয়োজন। আমাৰ ৰাজ্যৰ শিক্ষা বিভাগে এই সকলোবোৰ দিশ চালি-জাৰি চাই প্ৰাথমিক স্তৰৰ পাঠ্যপুথিসমূহ ২০১০ চনৰপৰাই **ৰাষ্ট্ৰীয় কাৰিকুলাম** ২০০৫ৰ আধাৰত প্ৰস্তুত কৰি আহিছে।

ৰাজ্যৰ শিক্ষাবিদ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিষয়াসকল, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শৈক্ষিক বিষয়া, বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ তথা নৰ্মাল স্কুলৰ শিক্ষক-প্ৰশিক্ষকসকলৰ উপস্থিতিত এলানি কৰ্মশালাৰ জৰিয়তে এই পাঠ্যপুথিৰ পৰিকল্পনা, খচৰা আৰু পুনৰীক্ষণৰ কাম সম্পন্ন কৰা হৈছে।

পাঠ্যপুথিৰ প্ৰস্তুতকৰণ কাৰ্যসূচীত উপৰোক্ত ব্যক্তিসকলৰ উপৰি বিষয় বিশেষজ্ঞৰ সহায় লোৱা হয়। এই সুবাদতে শ্ৰদ্ধাৰ এই ব্যক্তিসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

পাঠ্যপুথিখনৰ কাঠামো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা পাঠ্যপুথিসমূহৰ আলম লোৱা হৈছে যাতে আমাৰ পুথিখনৰ গুণগত মান নিশ্চিত কৰিব পাৰি। পাঠ্যপুথিৰ এই মান সুনিশ্চিত কৰাৰ বাবে কিছুসংখ্যক নিৰ্বাচিত বিদ্যালয়ৰ শ্ৰেণীকক্ষত পৰীক্ষামূলকভাৱে পাঠ্যপুথিৰ আদান-প্ৰদানৰ ব্যৱস্থা লোৱা হয়। পৰীক্ষণকালত সদাশয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰপৰা পোৱা প্ৰতিপুষ্টিয়ে পাঠ্যপুথিৰ মান উন্নয়নত যথেষ্ট সহায়ক হৈছে।

সম্প্ৰতি প্ৰযুক্তিসম্বলিত প্ৰেক্ষাপটৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক স্থিতিক সবল কৰাৰ অৰ্থে সমাজ বিজ্ঞানৰ পাঠ্যপুথিত "দীক্ষা"(DIKSHA)ৰ তত্বাৱধানত কিউ আৰ ক'ড(Q.R Code) সংযোজন কৰা হৈছে যাতে ডিজিটেল প্ৰক্ৰিয়াৰ জৰিয়তে কম সময়তে ছাত্ৰ-ছাত্ৰীক বিষয়বস্তুৰ সামগ্ৰিক ধাৰণা আয়ত্ত কৰাই শিকনৰ ফলাফল নিশ্চিত কৰিব পাৰি। এই কাৰ্য সম্পাদনাৰ ক্ষেত্ৰত দীক্ষাকে ধৰি যিসকল পাৰদৰ্শী ব্যক্তিয়ে অতি কম সময়ৰ ভিতৰত আমাৰ লগত সহযোগ কৰিলে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

বিগত দহটা বছৰত দেশৰ সামগ্ৰিক দিশলৈ অহা পৰিৱৰ্তন আৰু ন-ন চিন্তা-চৰ্চাৰ আধাৰত ২০২১ বৰ্ষত পাঠ্যপুথিখনৰ পুনৰীক্ষণৰ কাম হাতত লোৱা হয়। সেইমৰ্মে পাঠ্যপুথিৰ আটাইকেইটা খণ্ড নতুন তথ্য, চিন্তা, ধাৰণা আৰু চিত্ৰৰ সংযোজনেৰে সজাই তোলাৰ প্ৰয়াস কৰা হৈছে। আশা কৰা হৈছে, পাঠ্যপুথিৰ এই পুনৰীক্ষিত সংস্কৰণে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলক সমাজ বিজ্ঞান বিষয়টোৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিব।

অনাগত দিনবোৰত সদাশয় শিক্ষাপ্ৰেমী ৰাইজৰ গঠনমূলক আৰু বহুমূলীয়া দিহা-পৰামৰ্শই পাঠ্যপুথিৰ আঁসোৱাহসমূহ দূৰ কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

(ড° নিৰদা দেৱী)
সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

# পাঠ্যপুথি প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল

## পাঠ প্ৰস্তুতকৰণ

**শ্ৰী গণেশ চন্দ্ৰ গোস্বামী,** অৱসৰী জ্যেষ্ঠ প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা।

**শ্ৰী গোবিন চন্দ্ৰ বৰা,** অৱসৰী অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, লখিমপুৰ।

**ড° নৱনীতা বৰুৱা,** প্ৰৱক্তা, ইতিহাস বিভাগ
পাণ্ডু মহাবিদ্যালয়, গুৱাহাটী।

**শ্ৰীমতী মাইনু বৰুৱা কলিতা,** অৱসৰী প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰীমতী জ্যোৎস্না গগৈ মেদক,** অৱসৰী প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, লখিমপুৰ।

**শ্ৰী ৰাতুল নেওগ,** অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও।

**শ্ৰী অশোক শৰ্মা,** অৱসৰী প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰী দেবেন্দ্ৰ কুমাৰ কলিতা,** জ্যেষ্ঠ প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং।

**শ্ৰী জেহিৰুদ্দিন শ্বেখ,** অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কৰিমগঞ্জ।

**শ্ৰী হৰিনাথ বৰা,** জ্যেষ্ঠ প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰীমতী ভাৰতী কলিতা,** অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোৱালপাৰা।

**শ্ৰীমতী ৰশ্মিৰেখা হাজৰিকা,** প্ৰৱক্তা, বেলতলা মহাবিদ্যালয়।

**শ্ৰীমতী ৰুমী হাজৰিকা,** বিষয় শিক্ষয়িত্ৰী,
দিশপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী।

**শ্ৰীমতী মঞ্জু বৰা শৰ্মা,** অৱসৰী বিষয় শিক্ষয়িত্ৰী,
পাণবজাৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী।

**শ্ৰী দীপক কুমাৰ তালুকদাৰ,** প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও।

**শ্ৰী চিত্ত নাৰায়ণ বৰুৱা,** প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**ছৈয়দা ৰুমেনা বেগম,** অৱসৰী জ্যেষ্ঠ প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়।

**শ্ৰী প্ৰদীপ ৰয়,** প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰীমতী অপৰ্ণা শৰ্মা,** অৱসৰী বিষয় শিক্ষয়িত্ৰী(ইতিহাস),
কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী

**শ্ৰীমতী মিতালী বৰা,** সহকাৰী শিক্ষয়িত্ৰী, নৰ্মাল স্কুল, নগাওঁ।

## পুনৰীক্ষণ

ভূগোল

**প্ৰয়াত ড° মহম্মদ তাহেৰ,** প্ৰাক্তন মুৰব্বী অধ্যাপক
ভূগোল বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ইতিহাস

**প্ৰয়াত মৃদুপৱন গোস্বামী,** প্ৰাক্তন অধ্যক্ষ
শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, যোৰহাট

অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান

**শ্ৰীযুত গৌতম মজুমদাৰ,** সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয়।

**ড° ধ্ৰুৱ প্ৰতীম শৰ্মা,** সহযোগী অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়।

ভাষা বিশেষজ্ঞ

**প্ৰয়াত ড° ৰমেশ চন্দ্ৰ পাঠক,** প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ,
কটন মহাবিদ্যালয়।

## পুনৰীক্ষণ-২০২১

ভূগোল খণ্ড

**অধ্যাপক অৱনী কুমাৰ ভাগৱতী,**
ভূগোল বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

**শ্ৰী দেবেন্দ্ৰ কুমাৰ কলিতা,** জ্যেষ্ঠ প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং।

**শ্ৰী দীপক তালুকদাৰ,** প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও।

**শ্ৰী ৰাজেশ বৰদলৈ,** সহকাৰী শিক্ষক,
আদৰ্শ ট্ৰুইৰেল উচ্চতৰ মাধ্যমিক বিদ্যালয়, যোৰহাট।

**শ্ৰী ৰাজেশ বৰ্মন,** সহকাৰী শিক্ষক,
কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়, কামৰূপ (মহানগৰ)।

ইতিহাস খণ্ড

**ড° মুনীন শইকীয়া,** মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ,
বাপুজী মহাবিদ্যালয়, বৰপেটা।

**শ্ৰী পৰশ গোস্বামী,** জিলা আটানি বিষয়া, সমগ্ৰ শিক্ষা, যোৰহাট

**শ্ৰীমতী হিমাশ্ৰী শৰ্মা,** প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়।

**শ্ৰীমতী ৰশ্মিতা বৰা,** বিষয় শিক্ষক,
লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, মৰিগাঁও।

অৰ্থনীতি খণ্ড

**শ্ৰীযুত গৌতম মজুমদাৰ,** সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ,কটন বিশ্ববিদ্যালয়।

**শ্ৰী হৃদয় মজুমদাৰ,** প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ।

**শ্ৰী কাৰ্ত্তিক ৰাজবংশী,** প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰ।

**শ্ৰীমতী জুনিটি দেৱী,** বিষয় শিক্ষক,
দলৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, কামৰূপ(গ্ৰাম্য)।

ৰাজনীতি খণ্ড

**ড° শান্তনু চক্ৰৱৰ্তী ,** সহযোগী অধ্যাপক, ৰাজনীতি বিভাগ, কটন বিশ্ববিদ্যালয়।

**ড° ছবিকী তালুকদাৰ,** মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ।
কামৰূপ মহাবিদ্যালয়, নলবাৰী।

**ড° ভবেন কাকতি,** সহকাৰী অধ্যাপক,
কামৰূপ মহাবিদ্যালয়, নলবাৰী।

**শ্ৰী প্ৰদীপ দাস,** জ্যেষ্ঠ প্ৰৱক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা।

## সম্পাদনা আৰু সংকলন- ২০২১

**ড° অজন্তা ব্ৰহ্ম,** যুটীয়া সঞ্চালক,
ৰাজিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

**শ্ৰীমতী গীতা দত্ত বৰঠাকুৰ,** উপ সঞ্চালক,
ৰাজিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

**শ্ৰীমতী বন্দনা দুৱৰী,** উপ সঞ্চালক,
ৰাজিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

# শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি

শান্তিপূৰ্ণ সমাজ এখনৰ ভেটি সমৃদ্ধ হয় সমাজ বিজ্ঞান বিষয়ৰ জ্ঞানৰ আধাৰত। দ্বিধাহীনভাৱে ইয়াৰ জ্ঞানে নৱপ্ৰজন্মৰ সামগ্ৰিক স্থিতিক সৱল কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবেও এক সুস্থ আৰু ৰুচিসম্মত মানসিকতাৰ বাট মুকলি কৰে। ক্ৰমবৰ্ধমান পৰস্পৰ নিৰ্ভৰশীল পৃথিৱীত প্ৰতিনিয়ত মুখামুখি হোৱা বাস্তৱতাৰ লগত মোকাবিলা কৰিবলৈ প্ৰয়োজন হোৱা জ্ঞান, বুদ্ধি আৰু কৌশল আয়ত্ত কৰিব পাৰি একমাত্ৰ সমাজ বিজ্ঞানৰ নিৰলস অধ্যয়নৰ যোগেদি। স্বাধীনতা, বিশ্বাস, পাৰস্পৰিক বুজাপৰা, ভ্ৰাতৃত্ববোধ, সন্মান, বৈচিত্ৰ্যৰ প্ৰতি আস্থা তথা সম্ভাৱ আদিৰ দৰে মানৱীয় প্ৰমূল্যৰ শক্তিশালী বোধ সৃষ্টিতো ই অৰিহণা যোগায়। তদুপৰি যিকোনো সময়ৰ ঘটনা বা পৰিঘটনাক এক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চোৱাৰ মানসিকতা ছাত্ৰ-ছাত্ৰীসকলৰ মনত ই গঢ়ি তোলে। সমাজ বিজ্ঞানৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ইয়াৰ লগত জড়িত লোকসকলৰ প্ৰচেষ্টাই সামাজিক প্ৰমূল্যৰ প্ৰতি ভাবুকি স্বৰূপে থিয় দিয়া অপশক্তিসমূহ চিনাক্ত কৰি প্ৰয়োজনত তাক পৰাভূত কৰিবলৈকো ছাত্ৰ-ছাত্ৰীসকলক মনোবল দিয়ে।

এইটো অনস্বীকাৰ্য যে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহ যেনে -ভূগোল, ইতিহাস, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আদি প্ৰতিটোৰে উদ্দেশ্য আৰু বিষয়বস্তুৰ স্বকীয়তা আছে। আনহাতে প্ৰতিটো বিষয়ৰ এনে বিভিন্নতা থাকিলেও তাৰ কিছু উমৈহতীয়া বৈশিষ্ট্যও আছে। এটা বিষয়ক বাদ দি আন এটা বিষয়ৰ আলোচনা স্বাভাৱিকতে ফলপ্ৰসূ নহয়। সুস্থ, সবল, শান্তিপূৰ্ণ সমাজ এখন গঢ়িবলৈ প্ৰতিটো বিষয়ৰে অৰ্হতা ভিত্তিক জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিতান্ত প্ৰয়োজনীয়, কিয়নো ইয়ে তেওঁলোকক ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়ি তোলাত প্ৰভূত অৰিহণা যোগায়। অন্যথা সমাজ বিজ্ঞানৰ জ্ঞান আধৰুৱা হোৱাই নহয়, ই সমাজ জীৱন ঘূৰ্ণীয়া কৰাৰো সম্ভাৱনা থাকে। সেয়েহে বোধহয় আজিৰ এই ক্ৰমবৰ্ধমান, বিজ্ঞান প্ৰযুক্তিৰে সমৃদ্ধ পৃথিৱীখনত সমাজ বিজ্ঞানৰ আদৰ আৰু গ্ৰহণযোগ্যতা দিনক দিনে বাঢ়ি যাব ধৰিছে।

মুখস্থ আৰু পাঠ্যপুথি নিৰ্ভৰশীল শিক্ষাৰপৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখি সৃষ্টিমূলক কাম-কাজ আৰু সন্ধানীসূচক প্ৰশ্নৰ আধাৰত শিক্ষণ কাৰ্য পৰিচালনা কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকক অংশীদাৰ কৰি লোৱাটো বৰ্তমান শিক্ষা ব্যৱস্থাৰ এক এৰাব নোৱাৰা দিশ। তাকে কৰিবলৈ যাওঁতে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহৰ সমন্বয় সাধন অপৰিহাৰ্য। শিশু মনোবিজ্ঞানৰ সু-প্ৰয়োগেৰে শিক্ষাক জীৱনোপযোগী কৰি গঢ়ি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে অভিভাৱক আৰু সমাজৰ গুণী, জ্ঞানীসকলৰ অংশগ্ৰহণ নিশ্চিত কৰি শ্ৰেণী কোঠাত সতৰ্কতাৰে খোজ দিব লাগিব। সচৰাচৰ শ্ৰেণীকোঠাত চলি থকা একঘেয়ামী শিক্ষণ ব্যৱস্থা আঁতৰাই প্ৰয়োজন সাপেক্ষে শিথিল ৰুটিন আৰু দলগত কাৰ্য অৱলম্বনৰ দ্বাৰা প্ৰচেষ্টা চলাব লাগিব যাতে শ্ৰেণীকোঠালৈ এক গতিশীলতা আহে। তদুপৰি শিকনৰ ফলাফল আয়ত্তকৰণৰ উদ্দেশ্য আগত ৰাখি পাঠ আদান-প্ৰদান প্ৰক্ৰিয়াৰ লগত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ বাবে প্ৰয়োজন হেৰা ক্ৰিয়াকলাপসমূহ নিশ্চিত কৰি ছাত্ৰ-ছাত্ৰীৰ লব্ধ জ্ঞানৰ এশ শতাংশই হিচাপ ল'ব লাগিব। তাকে কৰিলেহে শিশুৰ সৰ্বাংগীন বিকাশৰ সম্পূৰ্ণ খতিয়ান লোৱাটো সম্ভৱ হ'ব।

এই সকলোবোৰ উদ্দেশ্য আগত ৰাখি সমাজ বিজ্ঞানৰ পাঠ্যপুথিখন 'ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ ২০০৫'ৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে। পাঠ্যপুথিখনত মূল তিনিটা খণ্ড অন্তৰ্ভুক্ত কৰা হৈছে। সেইকেইটা হ'ল—ভূগোল, ইতিহাস, অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান। আটাইকেইটা খণ্ডৰে বিষয়বস্তু সামৰি মুঠ ২৪ টা পাঠ ইয়াত সন্নিবিষ্ট কৰা হৈছে। পাঠসমূহ অৰ্হতা ভিত্তিক, ক্ৰিয়াকলাপ সমৃদ্ধ, আকৰ্ষণীয় আৰু সময়োপযোগী কৰি তোলাৰ চেষ্টা কৰা হৈছে।

শ্ৰেণীকক্ষত পাঠদানৰ সুবিধাৰ্থে পাঠ্যপুথিখনৰ মূল বৈশিষ্ট্যসমূহ থোৰতে আলোচনা কৰা হ'ল--

**শিকনৰ ফলাফল ঃ** পাঠ্যপুথিখনৰ প্ৰতিটো পাঠৰ আৰম্ভণিতে বাকচৰ ভিতৰত 'শিকনৰ ফলাফল' শিতান এটি ৰখা হৈছে। এই শিতানৰ মুখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উভয়কে পাঠৰ অন্তৰ্নিহিত উদ্দেশ্যৰ লগত পৰিচয় কৰাই দিয়া আৰু পঠন-পাঠন প্ৰক্ৰিয়াৰ জৰিয়তে শিকনৰ ফলাফল আয়ত্তকৰণত সহায় কৰা।

**জানি থওঁ আহা ঃ** পাঠবোৰৰ মাজে মাজে বাকচৰ ভিতৰত 'জানি থওঁ আহা' শিতান এটা ৰখা হৈছে। এই শিতানত পাঠৰ বিষয়বস্তুৰ লগত সম্পৰ্ক থকা অতি প্ৰয়োজনীয় আনুসংগিক কিছু কথাৰ আভাস দিয়া হৈছে। পাঠৰ  লগত সংগতি থকা জ্ঞানৰ ভঁৰাল টনকিয়াল কৰাত ই সহায়ক হ'ব বুলি বুলি ধাৰণা কৰা হৈছে।

**ক্ৰিয়াকলাপ ঃ** পাঠত অন্তৰ্নিহিত হৈ থকা প্ৰতিটো অৰ্হতা যাতে ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব পাৰে আৰু লগতে অবিৰত মূল্যায়নতো সহায়ক হয়, তাৰ বাবে পাঠৰ মাজে মাজে ক্ৰিয়াকলাপ শিতানত কিছুমান চিন্তাৰ উদ্ৰেক কৰিব পৰা প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। এই ক্ৰিয়াকলাপসমূহ ব্যক্তিগত, যুঁৰীয়া, দলীয় আদি শিকন ব্যৱস্থাৰে সম্পন্ন কৰাৰ অৱকাশ ৰখা হৈছে।

**উত্তৰ লিখা ঃ** অবিৰত আৰু সামগ্ৰিক  মূল্যায়নৰ ব্যৱস্থাৰ  লগত সংগতি ৰাখি পাঠত বৰ্ণিত বিষয়বস্তুৰ আধাৰত 'উত্তৰ লিখা' শীৰ্ষক শিতান এটি সন্নিৱিষ্ট কৰা হৈছে যাতে শিক্ষকে পাঠ আদান-প্ৰদানৰ লগতেই ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰাৰ অৱকাশ পায়।

**মানচিত্ৰ/ছবি ঃ** পৰ্যবেক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে  বহুতো কথা নিজে নিজে শিকে। ছাত্ৰ-ছাত্ৰীৰ এনে   মনস্তত্ত্বৰ কথা মনত ৰাখি পাঠ্যপুথিখনত মানচিত্ৰ, ছবি অধ্যয়ন বা অংকনৰ সুবিধা ৰখা হৈছে যাতে তেওঁলোকৰ চিন্তা শক্তিৰ বিকাশ সাধন হয়।

**মনত ৰাখিবলগীয়া কথা ঃ** প্ৰতিটো পাঠৰ সামৰণিত 'মনত ৰাখিবলগীয়া' শীৰ্ষক আন এটি শিতান ৰখা হৈছে। এই শিতানৰ জৰিয়তে প্ৰতিটো পাঠৰ পৰা শিকি অহা কথাবোৰ আঙুলিয়াই দি পুনৰ আলোচনাৰ সুযোগ দিয়া হৈছে।

**অনুশীলন ঃ** পাঠত থকা  অৰ্হতাসমূহ আয়ত্ত হৈছে নে নাই, তাক নিশ্চিত কৰিবলৈ আৰু লব্ধজ্ঞান স্থায়ীকৰণৰ উদ্দেশ্যে প্ৰতিটো পাঠৰ অন্তত অনুশীলনী শিতান এটা ৰখা হৈছে। এই শিতানত থকা ক্ৰিয়াকলাপসমূহ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিয়াৰ উপৰি শিক্ষক বা অভিভাৱকে পাঠৰ লগত সংগতি ৰাখি অধিক ওপৰঞ্চি ক্ৰিয়াকলাপ কৰোৱাটো বাঞ্ছনীয়।

সমাজ বিজ্ঞানৰ পাঠৰপৰা কেৱল বিষয়বস্তুৰ জ্ঞান আহৰণ কৰোৱাটোৱেই শেষ উদ্দেশ্য নহয়, এই পাঠসমূহত নিহিত হৈ থকা প্ৰমূল্যসমূহ যেনে--পৰিৱেশ সংৰক্ষণ, প্ৰকৃতি প্ৰেম, নিজৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি দায়বদ্ধতা, দয়া মৰম, শ্ৰদ্ধা, পৰোপকাৰিতা, শিষ্টাচাৰ আদি গুণবোৰৰ যাতে বিকাশ সাধন হয় আৰু বাস্তৱ জীৱনত  ছাত্ৰ-ছাত্ৰীসকলে তাক প্ৰয়োগ কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰখাটো অৱশ্যেই বাঞ্ছনীয়। ইয়াৰ বাবে আমি বিদ্যালয়ৰ বাহিৰে-ভিতৰে প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীক দলগত কাৰ্য, ক্ষেত্ৰ অধ্যয়ন, প্ৰকল্প প্ৰস্তুত, সমস্যা সমাধান আৰু উৎসৱ আদিত অংশগ্ৰহণ কৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব।

**(পাঠ্যপুথিৰ পাঠসমূহ বিষয় হিচাপে  তিনিটা খণ্ডত ভাগ কৰিলেও গোটে মূল্যায়ন কৰোতে আটাইকেইটা বিষয়ে পাঠঅন্তৰ্ভুক্ত হোৱাটো নিশ্চিত কৰিব লাগিব।)**

# সূচীপত্ৰ


| | | |
|---|---|---|
| | *পাতনি* | iv |
| | *শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি* | vi-vii |
| | *ভূগোল খণ্ড* | |
| | *আগকথা* | ৯ |
| ১ | সৌৰজগতত আমাৰ পৃথিৱী | ১০-১৭ |
| ২ | পৃথিৱীৰ আকাৰ আৰু আকৃতি | ১৮-২৫ |
| ৩ | পৃথিৱীৰ গতি | ২৬-৩২ |
| ৪ | পৃথিৱীৰ প্ৰধান মণ্ডলসমূহ | ৩৩-৪০ |
| ৫ | ভূগোল অধ্যয়নৰ আহিলা ঃ মানচিত্ৰ | ৪১-৪৬ |
| ৬ | পৃথিৱীৰ প্ৰধান ভূঅৱয়ৱ | ৪৭-৫৪ |
| ৭ | অসম ঃ জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, বন্যপ্ৰাণী আৰু কৃষি | ৫৫-৬৭ |
| ৮ | আমাৰ ভাৰত | ৬৮-৭৭ |
| | *ইতিহাস খণ্ড* | |
| | *আগকথা* | ৭৮ |
| ৯ | কি, ক'ত, কেতিয়া আৰু কেনেকৈ | ৭৯-৮৩ |
| ১০ | আদি প্ৰস্তৰ যুগ | ৮৪-৮৯ |
| ১১ | আদিম মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ আৰু স্থায়ী বসবাস (নৱ প্ৰস্তৰ যুগ ) | ৯০-৯৬ |
| ১২ | সিন্ধু উপত্যকাৰ সভ্যতা | ৯৭-১০৩ |
| ১৩ | বৈদিক সভ্যতা | ১০৪-১০৯ |
| ১৪ | মহাজনপদ | ১১০-১১৫ |
| ১৫ | নতুন ভাবৰ উথান | ১১৬-১২২ |
| ১৬ | মৌৰ্য সাম্ৰাজ্য | ১২৩-১২৯ |
| | *অৰ্থনীতি আৰু ৰাজনীতি খণ্ড* | |
| | *আগকথা* | ১৩০ |
| ১৭ | আমাৰ মৌলিক প্ৰয়োজনসমূহ | ১৩১-১৩৮ |
| ১৮ | উন্নত জীৱনৰ প্ৰয়োজনসমূহ (আমাৰ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজন) | ১৩৯-১৪৪ |
| ১৯ | জীৱন-ধাৰণৰ মান উন্নয়নত প্ৰযুক্তিৰ প্ৰভাৱ | ১৪৫-১৫০ |
| ২০ | কৃষি, উদ্যোগ আৰু সেৱা খণ্ডত প্ৰযুক্তিৰ প্ৰভাৱ | ১৫১-১৫৯ |
| ২১ | চৰকাৰৰ ধাৰণা আৰু বিভিন্ন প্ৰকাৰৰ চৰকাৰ | ১৬০-১৬৪ |
| ২২ | গণতন্ত্ৰ আৰু ইয়াৰ নীতিসমূহ | ১৬৫-১৭০ |
| ২৩ | কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ | ১৭১-১৭৫ |
| ২৪ | স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা | ১৭৬-১৮২ |

# ভূগোল খণ্ড

# আমাৰ পৃথিৱী

## আগকথা



মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক বিশ্লেষণ ভূগোল অধ্যয়নৰ মূল উদ্দেশ্য। মানুহ আৰু প্ৰকৃতিৰ এই সম্পৰ্ক বুজিবৰ বাবে প্ৰকৃতিৰ বিভিন্ন উপাদানৰ গঠন, প্ৰকৃতি, বিবৰ্তন আৰু এই উপাদানবোৰৰ মাজৰ আন্তঃসম্পৰ্ক বিতংভাৱে অধ্যয়ন কৰা দৰকাৰ। আনহাতে এনে উপাদানবোৰৰ ভিত্তিত গঢ় লৈ উঠা প্ৰাকৃতিক পৰিৱেশে মানুহৰ বসতি, অৰ্থনৈতিক কাম-কাজ, খাদ্যাভ্যাস, জীৱনধাৰা আদিৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলায় সেয়াও ভূগোল অধ্যয়নে সামৰি লয়। আকৌ মানুহৰ সুবিধাৰ বাবে প্ৰকৃতিক কেনেদৰে সাল-সলনি কৰাৰ চেষ্টা কৰে সেয়াও ভূগোল অধ্যয়নৰ বিষয়বস্তু। প্ৰকৃতি আৰু মানুহৰ মাজৰ এই আন্তঃসম্পৰ্ক বুজিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰকৃতিৰ উপাদানসমূহৰ কাৰ্য আৰু কাৰণ বিশ্লেষণ ক্ষমতা আৰু অনুভৱ সামৰ্থ্যৰ প্ৰয়োজন হয়। সেয়ে ভূগোল বিষয়টি পাঠদানৰ আগতে শিক্ষকসকলে এই গুৰুত্ব বিষয়টি প্ৰদানৰ উদ্দেশ্য সম্পৰ্কে স্পষ্ট ধাৰণা আহৰণ কৰা প্ৰয়োজন। দ্বিতীয়তে, বিষয়টি ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত কৌশলভাৱে উপস্থাপন কৰাৰ বাবে শিক্ষকে প্ৰয়োজনীয় বিষয় জ্ঞান আৰু কৌশল আয়ত্ত কৰিব লাগিব। সঠিক কৌশল অৱলম্বনৰ বাবে ভূগোলৰ শিক্ষণ-শিকন আহিলা যেনে- গোলক, মানচিত্ৰ, ভূচিত্ৰাৱলী, চাৰ্ট, জ্যামিতিক সা-সঁজুলি আদিৰ যথাযথ ব্যৱহাৰ হ'ব লাগে। এই সঁজুলিসমূহ কেৱল শিক্ষকৰ শিক্ষণৰ সমল নহয় ছাত্ৰ-ছাত্ৰীবো শিকন সমল হ'লে ছাত্ৰ-ছাত্ৰীৰ শিকন গভীৰ তথা সম্পূৰ্ণ হোৱাৰ উপৰি ছাত্ৰ-ছাত্ৰীসকল বিষয়টিৰ প্ৰতি অধিক আগ্ৰহী হ'ব।

এনে উদ্দেশ্য আগত ৰাখি পাঠ্যপুথিৰ পাঠসমূহত যথাসাধ্য সঁজুলিৰ চিত্ৰ আৰু তাৰ প্ৰায়োগিক কৌশলৰ বৰ্ণনা দিয়া হৈছে। শিক্ষকসকলে বিদ্যালয়ত উপলব্ধ এই সঁজুলিসমূহ শ্ৰেণীকোঠাত অৰ্থপূৰ্ণভাৱে ব্যৱহাৰ কৰিলে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান গভীৰ হ'ব বুলি আশা কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীয়ে যাতে নিজৰ আৰ্জিত জ্ঞান দৃঢ় কৰিব পাৰে অথবা কোনো কোনো ক্ষেত্ৰত পুথিগত জ্ঞানৰ লগত বাস্তৱ পৰিঘটনাৰ পৰা লব্ধ অভিজ্ঞতাৰ প্ৰতিফলন ঘটাব পাৰে তাৰ বাবে পাঠসমূহত মাজে মাজে কিছুমান ক্ৰিয়াকলাপ সন্নিবিষ্ট কৰা হৈছে। শিক্ষকে এই ক্ৰিয়াকলাপসমূহ অভ্যাসৰ সুবিধা ছাত্ৰ-ছাত্ৰীক দিব। ক্ৰিয়াকলাপ আৰু অনুশীলনীৰ জৰিয়তে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰি অগ্ৰগতি নিশ্চিত কৰিব।

ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথিৰ ভূগোল খণ্ডত উচ্চ প্ৰাথমিক স্তৰৰ পাঠ্যক্ৰমৰ আধাৰত ছাত্ৰ-ছাত্ৰীৰ বাবে নিম্নোক্ত বিষয়বস্তুসমূহৰ ওপৰত আলোচনা দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

- সৌৰজগতৰ এক গ্ৰহ হিচাপে পৃথিৱী আৰু অন্যান্য গ্ৰহ, উপগ্ৰহ, উল্কাপিণ্ড, তৰাকাৰাজ্য আদিৰ বিষয়ে ধাৰণা গঠন।
- পৃথিৱীৰ আকাৰ-আকৃতি, পৃথিৱীৰ গতি, ইয়াৰ ভূ-অৱয়ৱ আদিৰ বিষয়ে তথ্য আৰু ধাৰণা লাভ কৰি, ইয়াৰ উপাদানসমূহৰ মাজত ঘটা প্ৰাকৃতিক ঘটনা-পৰিঘটনাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰা আৰু উপলব্ধি কৰিব পৰা।
- পৃথিৱীৰ বিভিন্ন মণ্ডলসমূহৰ বিষয়ে জানি মানুহৰ লগত ইয়াৰ সম্পৰ্ক সম্বন্ধে অৱগত হোৱা।
- জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, বন্যপ্ৰাণী আৰু কৃষি সম্বন্ধে আলোচনাৰ জৰিয়তে প্ৰাকৃতিক পৰিঘটনা আৰু প্ৰকৃতিৰ ওপৰত মানুহৰ কাৰ্যৰ বিভিন্নতা সম্বন্ধে ধাৰণা আয়ত্ত কৰোৱা।
- ভাৰতৰ প্ৰাকৃতিক আৰু ৰাজনৈতিক বিভাগসমূহৰ বিষয়ে ধাৰণা পোৱা।

# পাঠ নং ১
# সৌৰজগতত আমাৰ পৃথিৱী

R6V8E3

**শিকনৰ ফলাফল ঃ**

- সৌৰজগতৰ বিষয়ে ধাৰণা লাভ কৰিব।
- সৌৰজগতত পৃথিৱীৰ লগতে বিভিন্ন গ্ৰহ, উপগ্ৰহ, নক্ষত্ৰ, গ্ৰহাণুপুঞ্জ, ধূমকেতু আদিৰ অৱস্থান নিৰ্ণয় কৰিব পাৰিব।
- গ্ৰহবোৰৰ আকাৰ-আকৃতিৰ বিষয়ে জানিব আৰু অন্যান্য গ্ৰহৰ সৈতে পৃথিৱীৰ তুলনা কৰিব পাৰিব।

তোমালোকে ৰাতিৰ আকাশলৈ কেতিয়াবা মনোযোগেৰে চাইছানে? যঁৰকাল বতৰত ৰাতিৰ তৰাভৰা আকাশখন চাই বৰ ভাল লাগে। কিছুমান তৰা বৰকৈ উজলি থাকে। (চিত্ৰ-১.১) আন কিছুমান তৰা অনুজ্জ্বল। কিছুমান তৰা আকৌ বেছ ডাঙৰ। বেছিভাগ তৰা দেখাত তেনেই সৰু। তোমালোকে নিশ্চয় জানা–চকুৰ পৰা যিমানে দেখা বস্তুৰ দূৰত্ব বাঢ়ে, বস্তুটো সিমানেই আমি সৰু দেখোঁ। সেইবাবেই আমাৰপৰা অতি দূৰত থকা তৰাবোৰ আমি তেনেই সৰু দেখোঁ।



*চিত্ৰ- ১.১ঃ তৰা ভৰা ৰাতিৰ আকাশ*


ওপৰৰ ছবিখনলৈ মনোযোগেৰে চোৱা। কাঁচি জোনৰে সৈতে কিছুমান থূপ খাই থকা আৰু কিছুমান সিঁচৰতি হৈ থকা জ্যোতিষ্কৰে গোটেই আকাশখন ভৰি আছে। জোনৰ বাহিৰে ৰাতিৰ আকাশত দেখা পোৱা এই জ্যোতিষ্ক বোৰকে আমি তৰা বুলি কওঁ যদিও আটাইবোৰ তৰা নহয়। জ্যোতিষ্কবোৰৰ কিছুমান তৰা বা নক্ষত্ৰ, কিছুমান গ্ৰহ, কিছুমান উপগ্ৰহ। তৰা বা নক্ষত্ৰৰ নিজা তাপ আৰু পোহৰ আছে। ৰাতিৰ আকাশত যিবোৰক তিৰবিৰাই থকা দেখা যায় সেইবোৰেই তৰা বা নক্ষত্ৰ। অতীজৰেপৰা তৰা ভৰা আকাশখনে মানুহক আকৰ্ষণ কৰি আহিছে। এই আকাশখনক লৈ পৌৰাণিক কালত মানুহে বহুতো জল্পনা- কল্পনা কৰিছিল। মহাকাশৰ পৰীয়া তৰা, নেজাল তৰা, সূৰ্য্য, জোনবাই আদিক লৈ বহুতো কাহিনী, সাধুকথাৰ প্ৰচলন হৈ আহিছে। এতিয়া বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে লগে মহাকাশৰ বিষয়ে বিভিন্ন গৱেষণা আৰু অভিযান চলি আছে। এই গৱেষণা আৰু অভিযানে মহাকাশৰ বহুতো নতুন নতুন তথ্যৰ সন্ধেদ দিছে।

সূৰ্যটো কি বাৰু? সূৰ্যটো এটা তৰা বা নক্ষত্ৰ। কেৱল আমি ইয়াক ৰাতিৰ আকাশত নেদেখো। নেদেখাৰ কাৰণটো নিশ্চয় তোমালোকে জানিছা। সূৰ্য হৈছে আমাৰ পৃথিৱীৰ আটাইতকৈ ওচৰত থকা নক্ষত্ৰ। সেয়ে ইয়াক আমি বেছ ডাঙৰ দেখোঁ। সূৰ্যতকৈ বহুগুণে ডাঙৰ নক্ষত্ৰও আকাশত আছে। কিন্তু এই নক্ষত্ৰবোৰ আমাৰপৰা কোটি কোটি কিল'মিটাৰ দূৰত আছে বাবে এইবোৰক আমি অতি সৰু দেখোঁ বা কিছুমান আমি খালি চকুৰে নেদেখো।

> **জানি থওঁ আহা ঃ**
>
> সূৰ্য অতি উত্তপ্ত নক্ষত্ৰ। সূৰ্যৰ ওপৰ অংশৰ উত্তাপ প্ৰায় ৬০০০ ডিগ্ৰী চেলচিয়াছ। সূৰ্যৰ বয়স ৫০০ কোটি বছৰৰ ওচৰা-উচৰি। সূৰ্য প্ৰচুৰ তাপ আৰু পোহৰ শক্তিৰ উৎস আৰু ইয়াৰ বাবেই পৃথিৱী গ্ৰহত জীৱৰ জীৱন-ধাৰণ সম্ভৱ হৈছে। পৃথিৱীত হোৱা দিন-ৰাতি, ঋতু পৰিৱৰ্তন, বতৰৰ সাল-সলনি, এই সকলোৰে প্ৰধান কাৰণ হৈছে সূৰ্য।


আকাশত আৰু কিছুমান তৰা আছে, যিবোৰ তিৰবিৰাই নাথাকে; যদিও উজ্জ্বল দেখা যায়। এই তৰাবোৰেই **গ্ৰহ**। নক্ষত্ৰৰ দৰে গ্ৰহবোৰৰ নিজা পোহৰ নাই। সূৰ্যৰপৰা পোৱা পোহৰেহে গ্ৰহবোৰক পোহৰাই ৰাখে। আমি বাস কৰা পৃথিৱীখনো এটা গ্ৰহ। পৃথিৱীয়ে তাপ আৰু পোহৰ সূৰ্যৰপৰাই পায়। আমাৰ আটাইতকৈ ওচৰত থকা নক্ষত্ৰ-সূৰ্যৰ চাৰিওফালে কেইটামান গ্ৰহ, উপগ্ৰহ, ধূমকেতু, উল্কা আৰু অসংখ্য গ্ৰহাণুপুঞ্জ আছে। সূৰ্যক কেন্দ্ৰ কৰি অৱস্থান কৰা এই গ্ৰহ, উপগ্ৰহ, ধূমকেতু, উল্কা আৰু গ্ৰহাণুপুঞ্জক লৈ সৃষ্টি হোৱা সূৰ্যৰ এই পৰিয়ালটোক সৌৰজগত (Solar System) বোলা হয়। এতিয়ালৈকে জনামতে সৌৰ পৰিয়ালত আঠটা গ্ৰহ, বহুতো উপগ্ৰহ আৰু গ্ৰহাণুপুঞ্জ আছে। সূৰ্যৰপৰা ক্ৰমে আঁতৰলৈ থকা ক্ৰম অনুসৰি গ্ৰহকেইটা হ'ল– বুধ, শুক্ৰ, পৃথিৱী, মঙ্গল, বৃহস্পতি, শনি, ইউৰেনাছ আৰু নেপচুন। সৌৰজগতৰ গ্ৰহ, উপগ্ৰহ আৰু গ্ৰহাণুপুঞ্জসমূহে সূৰ্যৰ চাৰিওফালে নিজ নিজ কক্ষপথেৰে অনবৰতে ঘূৰি থাকে।

আজি কিছু বছৰ আগলৈকে প্লুটো সৌৰজগত পৰিয়ালৰ এটা গ্ৰহ আছিল। কিন্তু এতিয়া প্লুটোক আমি সৌৰজগতৰ এটা গ্ৰহ বুলি গণ্য কৰিব নোৱাৰো কাৰণ প্ৰমাণ হৈছে যে প্লুটো সূৰ্যৰ আন গ্ৰহবোৰৰ দৰে এটা সাধাৰণ গ্ৰহ নহয়। আধুনিক অনুসন্ধানে কিছুমান নতুন নতুন গ্ৰহৰ স্থিতিৰ সম্ভাৱনীয়তা আগবঢ়াইছে যিবোৰক বৰ্তমানলৈকে স্বীকৃতি দিয়া হোৱা নাই।




*চিত্ৰ- ১.২ঃ সৌৰজগত*

> **জানি থওঁ আহা ঃ**
>
> পৃথিৱীৰ আনুমানিক বয়স প্ৰায় ৪৫০০ নিযুত বছৰ। পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে এপাক ঘূৰিবলৈ ৩৬৫ দিন, ৫ ঘণ্টা, ৪৮ মিনিট, ৪৫-৪৭চেকেণ্ড সময় লয়। পৃথিৱীৰপৰা সূৰ্যৰ গড় দূৰত্ব ১৪৯,৫৯৭,৯০০ কিঃ মিঃ। ঘণ্টাত ১৬৭০ কিঃ মিঃ বেগেৰে ই সূৰ্যৰ চাৰিওফালে ঘূৰে।




*চিত্ৰ- ১.৩ঃ সৌৰজগত আৰু ইয়াৰ গ্ৰহসমূহৰ তুলনামূলক আকাৰ*

ওপৰৰ চিত্ৰ-১.৩ খনলৈ চোৱা। সৌৰজগতৰ গ্ৰহবোৰৰ দূৰত্ব যেনেকৈ বেলেগ বেলেগ হয়, গ্ৰহবোৰৰ বৈশিষ্ট্যও বেলেগ বেলেগ। গ্ৰহবোৰৰ ভিতৰত বুধ সূৰ্যৰ আটাইতকৈ ওচৰত থকা গ্ৰহ। ই প্ৰায় সম্পূৰ্ণ গোলাকাৰ।

**জানি থওঁ আহা ঃ**


| সূৰ্যৰপৰা দূৰত্ব অনুসাৰে একাদিক্ৰমে গ্ৰহৰ নাম | গ্ৰহবোৰে সূৰ্যৰ চাৰিওফালে এপাক ঘূৰিবলৈ লোৱা সময় | গ্ৰহৰ ব্যাসৰ দৈৰ্ঘ (কিঃ মিঃ) | উপগ্ৰহৰ সংখ্যা |
|---|---|---|---|
| বুধ (Mercury) | ৮৮ দিন | ৪,৯৮০ | নাই |
| শুক্ৰ (Venus) | ২২৫ দিন | ১২,৩৯০ | নাই |
| পৃথিৱী (Earth) | ৩৬৫ দিন | ১২,৭৪০ | ১ টা |
| মঙ্গল (Mars) | ৬৮৭ দিন | ৬,৭৫০ | ২ টা |
| বৃহস্পতি (Jupiter) | ১২ বছৰ | ১৪২,৮০০ | ৫৭ টা |
| শনি (Saturn) | ২৯ বছৰ | ১২০,৫০০ | ৫৩ টা |
| ইউৰেনাছ (Uranus) | ৮৪ বছৰ | ৪৯,৭০০ | ২৭ টা |
| নেপচুন (Neptune) | ১৬৪ বছৰ | ৪৫,০০০ | ১৪ টা |

উৎস ঃ আন্তৰাষ্ট্ৰীয় জ্যোতি বিজ্ঞান চ'ছাইটি

সূৰ্যৰপৰা দূৰত্ব অনুসাৰে শুক্ৰ গ্ৰহ সৌৰজগতৰ দ্বিতীয় গ্ৰহ। **শুক্ৰ গ্ৰহৰ ঘূৰণ অন্য গ্ৰহৰ ওলোটা, পূবৰপৰা পশ্চিমলৈকেহে ঘূৰে।** আকাৰ আৰু আকৃতিত পৃথিৱীৰ লগতে শুক্ৰ গ্ৰহৰ সাদৃশ্য থকা বাবে শুক্ৰ গ্ৰহক পৃথিৱীৰ যমজ বুলিও কোৱা হয়। তদুপৰি শুক্ৰ গ্ৰহক **পুৱতি ভোটা তৰা** আৰু **সাঁজ ভোটা তৰা** বা **সাঁজলী ভোটা তৰা** বুলিও জনা যায়। সূৰ্যৰপৰা দূৰত্ব অনুসাৰে চতুৰ্থ স্থানত থকা গ্ৰহটি হ'ল মঙ্গল। ই ৰঙচুৱা বৰণৰ। সৌৰজগতৰ বৃহত্তম গ্ৰহ হ'ল বৃহস্পতি। খালী চকুৰে বৃহস্পতি গ্ৰহক আকাশত দেখা যায়। বৃহস্পতি গ্ৰহৰ আয়তন পৃথিৱীৰ আয়তনৰ প্ৰায় ১৩১৭ গুণ। সূৰ্যৰপৰা দূৰত্ব হিচাপে ষষ্ঠ স্থানত থকা শনি সৌৰজগতৰ দ্বিতীয় বৃহৎ গ্ৰহ। চিত্ৰ-১.৩ ত দেখাৰ দৰে বৃহস্পতি, শনি ইউৰেনাচ আৰু নেপচুনৰ বাহিৰ ফালে আঙুঠিৰ দৰে আকৃতি আছে। অৱশ্যে সকলোতকৈ শনি গ্ৰহৰ আঙুঠিৰ সৌন্দৰ্য বেছি।

**ক্ৰিয়াকলাপ ঃ**

*আকাৰ অনুসৰি ডাঙৰৰপৰা সৰুলৈ একাদিক্ৰমে গ্ৰহবোৰৰ নাম বাকচত লিখা*



**জানি থওঁ আহা ঃ**

২০০৬ চনৰ আগষ্ট মাহলৈকে প্লুটোক সৌৰজগতৰ নৱম গ্ৰহ হিচাপে জনা গৈছিল। কিন্তু ২০০৬ চনৰ পাছত আন্তৰ্জাতিক জ্যোতিৰ্বিজ্ঞান সংস্থাই প্লুটো গ্ৰহক অন্যান্য গ্ৰহৰ দৰে নকৈ এক **বাওনা গ্ৰহ** বুলিহে কৈছে। প্লুটো গ্ৰহটোৰ বিষয়ে সংস্থাটোৱে কৈছে যে— এই গ্ৰহই নিজ কক্ষপথেদি ঘূৰাৰ উপৰি আন গ্ৰহৰ কক্ষপথেদিও ঘূৰা দেখা গৈছে। গতিকে ইয়াক এটা প্ৰকৃত গ্ৰহ বোলা নাযায়।

উপগ্ৰহবোৰ গ্ৰহৰ চাৰিওফালে ঘূৰে। আমি আকাশত দেখা চন্দ্ৰটো পৃথিৱীৰ এটা **উপগ্ৰহ**। উপগ্ৰহবোৰৰো নিজা পোহৰ আৰু তাপ নাই। পৃথিৱীৰ চাৰিওফালে পৰিভ্ৰমণ কৰি থকা চন্দ্ৰ হ'ল পৃথিৱীৰ একমাত্ৰ উপগ্ৰহ।

**উত্তৰ লিখা ঃ**

- গ্ৰহ আৰু উপগ্ৰহৰ মাজত কি কি পাৰ্থক্য আছে?
- প্লুটোক কিয় সৌৰজগতৰ আন গ্ৰহবোৰৰ দৰে গ্ৰহ হিচাপে ধৰি লোৱা নহয়?



চিত্ৰ ঃ ১.৪(ক) মহাকাশৰপৰা লোৱা পৃথিৱীৰ ছবি



চিত্ৰ ঃ ১.৪ (খ) এপ'ল'-১১ মহাকাশ যানৰপৰা লোৱা চন্দ্ৰৰ ছবি

**জানি থওঁ আহা ঃ**

- ১৬০৯ চনত গেলিলিঅ' গেলিলিয়ে দূৰবীণেৰে প্ৰথম চন্দ্ৰ পৰ্যবেক্ষণ কৰে।
- নীল আৰ্মষ্ট্ৰং ১৯৬৯ চনৰ ২০ জুলাই তাৰিখে এপ'ল' ১১ মহাকাশ যানেৰে গৈ চন্দ্ৰত পদাৰ্পণ কৰা প্ৰথমজন মানৱ।
- ২০০৮ চনৰ ২২ অক্টোবৰ তাৰিখে ভাৰতে দক্ষিণ ভাৰতৰ শ্ৰীহৰিকোটাৰপৰা চন্দ্ৰায়ন-১ নামৰ মানৱবিহীন মহাকাশযান প্ৰথমবাৰৰ বাবে চন্দ্ৰলৈ প্ৰেৰণ কৰে।

সৌৰজগতত থকা **গ্ৰহাণুপুঞ্জ** হ'ল- কিছুমান সৰু সৰু পদাৰ্থৰ সমষ্টি। এই গ্ৰহাণুপুঞ্জসমূহ মঙ্গল আৰু বৃহস্পতি গ্ৰহৰ মাজত দেখা যায়। [চিত্ৰ - ১.৫ (ক) চোৱা]। গ্ৰহবোৰৰ দৰে গ্ৰহাণুপুঞ্জয়ো সূৰ্যৰ চাৰিওফালে ঘূৰে।

তদুপৰি মাজেসময়ে কিছুমান পদাৰ্থপিণ্ডই সৌৰজগতত ভুমুকি মাৰেহি। এনে পদাৰ্থ পিণ্ডবোৰ সৌৰজগতত স্থায়ীভাবে নাথাকে। বাষ্পীয় আৱৰণ থকা এনে পদাৰ্থ পিণ্ডসমূহেই **ধূমকেতু** বুলি কোৱা হয়। সূৰ্যৰপৰা দূৰত থকা কালত ধূমকেতুৰ নেজ নাথাকে। সূৰ্যৰ ওচৰ চাপিলে সূৰ্যৰ তাপ আৰু পোহৰৰ প্ৰভাৱত নেজ গঢ়ি উঠা দেখা যায়। এতিয়ালৈকে ৭৫০টা মান ধূমকেতুৰ বিষয়ে জনা গৈছে, (চিত্ৰ-৫ (খ)।



চিত্ৰ - ১.৫ (ক) ঃ গ্ৰহাণুপুঞ্জৰ ছবি



চিত্ৰ - ১.৫ (খ) ঃ ধূমকেতুৰ ছবি

The 'Great Comet' of 1996, Hyakutake. Image credit: NASA

আমি দেখি অহা পৰ্ণীয়া তৰাবোৰ কি জানানে? আকাশত তীব্ৰ বেগেৰে গৈ থকা অৱস্থাত হঠাৎ জ্বলি উঠা পদাৰ্থ পিণ্ডবোৰেই **পৰ্ণীয়া তৰা বা উল্কা**। বেছিভাগ উল্কা গ্ৰহাণুপুঞ্জৰ সৈতে পৰস্পৰৰ মাজত ঘটা সংঘাতৰ ফলত ভাগি যায়। ধূমকেতু আৰু অন্যান্য আকাশীপিণ্ডৰ বাবে এনে অতি ক্ষুদ্ৰ গ্ৰহই পথ হেৰুৱাই পৃথিৱীৰ বায়ুমণ্ডলত সোমাই উল্কা হিচাপে জ্বলি যায়।

**ক্ৰিয়াকলাপ ঃ**

ধূমকেতু আৰু উল্কাৰ বিষয়ে দলত আলোচনা কৰি লিখি উলিওৱা।

গোটেই বিশ্বব্ৰহ্মাণ্ডখনত অলেখ তৰা বা নক্ষত্ৰ আছে; কিন্তু এনে তৰাবোৰ সমানে সিঁচৰতি হৈ থকা নাই। কোনোবা অংশত বহুতো তৰা ওচৰা-উচৰিকৈ আছে, আকৌ কোনোবা অংশত হয়তো এটাও তৰা নাই। এনেদৰে বহুতো তৰা থুপ খাই থকা অঞ্চলটোৱে একোখন তাৰকা ৰাজ্য। কাষৰ চিত্ৰ-১.৬ ত থুপ খাই থকা তৰাৰ অঞ্চলটো এখন তাৰকা ৰাজ্য। বিশ্ব ব্ৰহ্মাণ্ড এনেধৰণৰ অসংখ্য তাৰকা ৰাজ্যৰে গঠিত হৈছে।



*চিত্ৰ-১.৬ঃ হাতীপটি তাৰকাৰাজ্য*

আমি জানিব পাৰিলোঁ যে আমি বাস কৰা এই পৃথিৱীখন সৌৰজগতৰ এটা গ্ৰহ। এই সৌৰজগত বহু হেজাৰ কোটি তৰা আৰু পদাৰ্থৰে গঠিত হাতীপটি তাৰকা ৰাজ্যৰ অন্তৰ্গত। বিশ্ব ব্ৰহ্মাণ্ডৰ অলেখ তাৰকা ৰাজ্যৰ ভিতৰত হাতীপটি এক তাৰকা ৰাজ্য।

এতিয়ালৈকে সৌৰজগতকে ধৰি বিশ্বব্ৰহ্মাণ্ডৰ ঘটনাৰাজিৰ সত্যতা প্ৰমাণ কৰি শুদ্ধভাৱে জানিবলৈ মহাকাশলৈ বহুকেইটা কৃত্ৰিম উপগ্ৰহ আৰু মহাকাশ যান প্ৰেৰণ কৰা হৈছে। এনেবোৰ কৃত্ৰিম উপগ্ৰহ আৰু মহাকাশযানে সৌৰজগত আৰু মহাকাশ সম্বন্ধে বহু নতুন নতুন তথ্যৰ সন্ধান দিছে। আমাৰ ভাৰতে প্ৰেৰণ কৰা কেইটামান কৃত্ৰিম উপগ্ৰহ হ'ল-ইনছাট (INSAT), আই আৰ এছ (IRS), এডুছেট (EDUSAT) আদি।



*চিত্ৰ- ১.৭ঃ কৃত্ৰিম উপগ্ৰহ*



*চিত্ৰ ১.৮*

এতিয়া আমাৰ পৃথিৱীখনৰ তুলনাত বিশ্বব্ৰহ্মাণ্ড কিমান বিশাল তোমালোকে চিত্ৰ - ১.৮ ৰ সহায়ত অনুমান কৰাচোন।

**মনত ৰাখিবলগীয়া কথা ঃ**

- সূৰ্য আৰু ইয়াৰ চাৰিওফালে ঘূৰি থকা আঠটা গ্ৰহ, অনেক উপগ্ৰহৰ উপৰি ধূমকেতু, উল্কা আৰু গ্ৰহাণুপুঞ্জ — এই আটাইবোৰ লগ হৈ আমাৰ সৌৰজগতখন গঠিত হৈছে।
- সূৰ্য আমাৰ পৃথিৱীৰ ওচৰত থকা উজ্জ্বল উত্তপ্ত নক্ষত্ৰ। সূৰ্যই হ'ল সকলো শক্তিৰ উৎস।
- গ্ৰহবোৰৰ নিজা পোহৰ নাই। সূৰ্যৰপৰা পোৱা পোহৰেহে গ্ৰহবোৰক পোহৰাই ৰাখে।
- সূৰ্যৰপৰা ক্ৰমে আঁতৰলৈ থকা গ্ৰহকেইটা হ'ল— বুধ, শুক্ৰ, পৃথিৱী, মঙ্গল, বৃহস্পতি, শনি, ইউৰেনাছ আৰু নেপচুন।

- উপগ্ৰহই নিজ নিজ গ্ৰহৰ চাৰিওফালে ঘূৰে। চন্দ্ৰটো পৃথিবীৰ এটা উপগ্ৰহ।
- আকাশত হঠাতে বেগেৰে চলমান অৱস্থাত থাকি জ্বলি উঠা পদাৰ্থপিণ্ডবোৰেই উল্কা।
- বিশ্ব-ব্ৰহ্মাণ্ডৰ ঘটনাৰাজিৰ সত্যতা প্ৰমাণ কৰিবলৈ মহাকাশলৈ কৃত্ৰিম উপগ্ৰহ আৰু মহাকাশ যান প্ৰেৰণ কৰা হয়। ইনছাট (INSAT), আই আৰ এছ (IRS), এডুছেট (EDUSAT) ভাৰতে মহাকাশলৈ প্ৰেৰণ কৰা কেইটামান কৃত্ৰিম উপগ্ৰহ।
- বিশ্ব-ব্ৰহ্মাণ্ডত অজস্ৰ তাৰকা ৰাজ্য আছে। আমাৰ সৌৰজগত হাতীপটি তাৰকা ৰাজ্যৰ অন্তৰ্গত।
- ২০০৬ চনৰ পাছত আন্তৰ্জাতিক জ্যোতিৰ্বিজ্ঞান সংস্থাই প্লুটো গ্ৰহক অন্যান্য গ্ৰহৰ দৰে নহৈ এক বাওনা গ্ৰহ বুলিহে কৈছে।

## অনুশীলনী ঃ

(১) তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা—

(ক) সৌৰজগত বুলিলে কি বুজা ?

(খ) সূৰ্যৰপৰা দূৰত্ব অনুসৰি একাদিক্ৰমে গ্ৰহবোৰৰ নাম লিখা।

(গ) সূৰ্য কি ? সূৰ্যৰ বিষয়ে চমুকৈ লিখা।

(২) উত্তৰ দিয়া—

(ক) নিজৰ পোহৰ থকা জ্যোতিষ্কবোৰক কি বুলি কোৱা হয় ?

(খ) ৰাতিৰ আকাশত গ্ৰহবোৰক কিহে পোহৰাই ৰাখে ?

(গ) আমি তাপ আৰু পোহৰ পোৱা নক্ষত্ৰটোৰ নাম কি ?

(ঘ) ৰাতিৰ আকাশত তীব্ৰভাৱে গতি কৰি ধ্বংস হোৱা উজ্জ্বল পিণ্ডবোৰক কি বুলি জনা যায় ?

(৩) পাঠৰ চিত্ৰ-১.৩ ত থকা সৌৰজগতৰ চিত্ৰখন পৰ্যবেক্ষণ কৰি তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা —

(ক) সূৰ্যৰপৰা আটাইতকৈ দূৰত থকা গ্ৰহটোৰ নাম কি ?

(খ) ইউৰেনাছ গ্ৰহটো কোন দুটা গ্ৰহৰ মাজত অৱস্থিত ?

(গ) সূৰ্যৰপৰা পৃথিৱীৰ অৱস্থান কেই নম্বৰ স্থানত ?

(ঘ) সৌৰজগতৰ আটাইতকৈ ডাঙৰ গ্ৰহটোৰ নাম কি ?

(ঙ) গ্ৰহাণুপুঞ্জবোৰ কোন দুটা গ্ৰহৰ মাজত দেখা যায় ?

(৪) শুদ্ধ উত্তৰটো লিখা —

(ক) পৃথিৱীৰ যমজ বুলি কোনটো গ্ৰহক কোৱা হয়?

(১) বুধ (২) শুক্ৰ (৩) মঙ্গল (৪) শনি

(খ) সৌৰজগতত অস্থায়ীভাৱে ভুমুকি মৰা উজ্জ্বল পদাৰ্থপিণ্ডবোৰ হ'ল—

(১) ধূমকেতু (২) গ্ৰহাণুপুঞ্জ (৩) উপগ্ৰহ (৪) নক্ষত্ৰ

**(৫) খেলোঁ আহা —**

☞ শিক্ষকলৈ নিৰ্দেশনা — ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠাৰ বাহিৰত মুকলি ঠাইলৈ লৈ যাব। এতিয়া ঠাইখনৰ সোঁমাজত এগৰাকী ছাত্ৰীক থিয় কৰাই দিব। ছাত্ৰীগৰাকীৰপৰা ক্ৰমে দূৰলৈ প্ৰায় ডেৰ মিটাৰ দূৰে দূৰে ৮ গৰাকী ছাত্ৰ-ছাত্ৰীক থিয় হ'বলৈ ক'ব। এতিয়া প্ৰথমগৰাকী শিক্ষাৰ্থীক সূৰ্যৰ কাৰ্ডখন আৰি ল'বলৈ দিব। ইয়াৰ পাছতে সৌৰজগতৰ আহিঁত আনসকলেও নিজৰ নিজৰ অৱস্থান মতে গ্ৰহসমূহৰ নামত কাৰ্ড আৰি ল'ব। এইবাৰ খেলপথাৰৰ বাহিৰত থকা শিক্ষাৰ্থীজনে পাঠ্যপুথিৰ ১২ আৰু ১৩ পৃষ্ঠাত থকা গ্ৰহসমূহৰ বিষয়ে লিখা কথাখিনি দুই-তিনিবাৰ ডাঙৰ ডাঙৰকৈ পঢ়িব, খেলপথাৰত থকা বাকীসকলেও মনোযোগেৰে শুনিব। পঠনৰ শেষত সূৰ্যৰপৰা একাদিক্ৰমে সকলোৱে নিজৰ নাম, স্থান, আকাৰ, আকৃতি আদি বিষয়ত ৩টাকৈ বাক্য ক'ব। নিজৰ বিষয়ে কোৱাৰ সময়ত গ্ৰহসমূহে সূৰ্যৰ চাৰিওফালে এপাক ঘূৰিব। এইদৰে শ্ৰেণীৰ সকলো শিক্ষাৰ্থীয়ে এবাৰকৈ অংশগ্ৰহণৰ সুবিধা পাব।




*চিত্ৰ - ১.৯*

**************

## পাঠ নং ২

# পৃথিৱীৰ আকাৰ আৰু আকৃতি

Z2R2M6


**শিকনৰ ফলাফল ঃ**

- ➢ গোলকৰ সহায়ত পৃথিৱীৰ আকৃতি আৰু আকাৰ সম্পৰ্কে জানিব পাৰিব।
- ➢ পৃথিৱীৰ আকাৰ সম্পৰ্কে ধাৰণা স্পষ্ট হ'ব।
- ➢ উত্তৰ মেৰু আৰু দক্ষিণ মেৰু, বিষুবৰেখা, উত্তৰ গোলাৰ্ধ আৰু দক্ষিণ গোলাৰ্ধৰ বিষয়ে জানিব পাৰিব।
- ➢ অক্ষৰেখা আৰু অক্ষাংশৰ বিষয়ে বুজিব।
- ➢ তাপমণ্ডলসমূহৰ বিষয়ে জানিব পাৰিব।
- ➢ দ্ৰাঘিমাৰেখা আৰু দ্ৰাঘিমাংশৰ বিষয়ে বুজিব।
- ➢ অক্ষাংশ আৰু দ্ৰাঘিমাংশৰ সহায়ত ঠাইৰ অৱস্থান নিৰ্ণয় কৰিব।

সোঁ কাষৰ ছবিখনলৈ চোৱা। এইখন মহাকাশৰপৰা লোৱা পৃথিৱীৰ ছবি। ছবিখন চাই পৃথিৱীৰ আকৃতি কেনেকুৱা বুলি ধাৰণা হৈছে? আমি সাধাৰণতে পৃথিৱীখন ঘূৰণীয়া বুলি কওঁ। পিচে ই সম্পূৰ্ণ ঘূৰণীয়া নহয়। ইয়াৰ দুয়ো মুৰ সামান্য চাপ খোৱা আৰু মাজৰ অংশ অলপ ওফন্দি উঠা। তলৰ চিত্ৰত পৃথিৱীখনক এটি বৃত্তৰ লগত তুলনা কৰা হৈছে। বৃত্তটিত দেখুওৱা ধৰণে পৃথিৱীৰ 'ক' আৰু 'খ' অংশ সামান্য চাপ খোৱা আৰু পথালিকৈ 'গ' আৰু 'ঘ' অংশ সামান্য ওফন্দি উঠা।



চিত্ৰ-২.১ঃ মহাকাশৰপৰা লোৱা পৃথিৱীৰ ছবি




চিত্ৰ-২.২ঃ পৃথিৱীৰ উপবৃত্তাকাৰ আকৃতি


তোমালোকে নিশ্চয় গোলক দেখিছা। পৃথিৱীৰ আকৃতিৰ ধাৰণা ল'বলৈ গোলক ব্যৱহাৰ কৰা হয়। গোলক হ'ল বৃহৎ পৃথিৱীখনৰ সূক্ষ্ম আৰ্হি বা নমুনা। গোলক আকৃতিত ঘূৰণীয়া। এই ঘূৰণীয়া গোলকত পৃথিৱীৰ আচল উপবৃত্তাকাৰ আকৃতিটো দেখুৱাবলৈ অসুবিধা। সেয়েহে আমাৰ সুবিধাৰ বাবে গোলকত পৃথিৱীখনক ঘূৰণীয়া কৰি দেখুওৱা হয়।

**জানি থওঁ আহা ঃ**

**আকৃতি ঃ** কোনো এটা বস্তুৰ দেখা ৰূপটোৱেই হ'ল আকৃতি, যেনে— দেখিবলৈ ঘূৰণীয়া, গোলাকাৰ, চেপেটা, তিনিকোণীয়া, চাৰিকোণীয়া ইত্যাদি।

**আকাৰ ঃ** আকাৰ হ'ল কোনো এটা বস্তুৱে আগুৰি থকা ঠাইৰ পৰিমাণ, যেনে— কম ঠাই আগুৰিলে সৰু আকাৰ, বহু ঠাই আগুৰিলে বৃহৎ আকাৰ ইত্যাদি।

পৃথিৱীখন আকাৰত বাৰু কিমান ডাঙৰ, অনুমান কৰাচোন। কাষৰ চিত্ৰত দেখুওৱাৰ দৰে বল এটাত 'ক' এটা বিন্দু লোৱা। এডাল সূতা বা ৰছীৰে 'ক' বিন্দুৰপৰা বলটোৰ সোঁমাজৰ ওপৰেৰে এপাক ঘূৰাই পুনৰ 'ক' বিন্দুলৈ জোখ লোৱা। এতিয়া স্কেলৰ সহায়ত বলটোৰ ঘেৰটোৰে সামৰা সূতাডালৰ অংশটোৰ জোখ লোৱা। দেখিবা কেইচেণ্টিমিটাৰ মানহে হ'ব। এনেকৈ বলটো জোখাৰ দৰে পৃথিৱীখন সোঁমাজৰ ওপৰেৰে জুখিলে তাৰ দৈৰ্ঘ্য পাম ৪০,০০০ কিল'মিটাৰ। গতিকে অনুমান কৰাচোন আমাৰ পৃথিৱীখন কিমান ডাঙৰ!




চিত্ৰ-২.৩ঃ বলৰ সহায়ত পৃথিৱীৰ আকাৰৰ ধাৰণা

তলৰ গোলকটোলৈ মন কৰা। ওপৰৰপৰা তললৈ হেলনীয়া শলা এডাল দেখিছানে? গোলকত থকা শলাডালৰ দৰে পৃথিৱীৰ দুয়ো মেৰু সংযোগ কৰি এডাল ৰেখা কল্পনা কৰা হৈছে। পৃথিৱীৰ কেন্দ্ৰৰে পাৰ হৈ যোৱা এই ৰেখাডালকে পৃথিৱীৰ **মেৰুদণ্ড** বোলে। এই মেৰুদণ্ডডালৰ ওপৰৰ পিনে থকা শীৰ্ষ বিন্দুটোক **উত্তৰ মেৰু বা সুমেৰু** (North Pole) আৰু তলৰ পিনে থকা শীৰ্ষ বিন্দুটোক **দক্ষিণ মেৰু বা কুমেৰু** (South Pole) বোলা হয়।




চিত্ৰ- ২.৪ঃ (ক) গোলকত মেৰুদণ্ড দেখুওৱা হৈছে




চিত্ৰ- ২.৪ঃ (খ) চিত্ৰ ত সুমেৰু আৰু কুমেৰু দেখুওৱা হৈছে




চিত্ৰ-২.৫ ঃ উত্তৰ গোলাৰ্ধ আৰু দক্ষিণ গোলাৰ্ধ

শলাডালৰ ওপৰত গোলকটো ঘূৰাৰ দৰে পৃথিৱীখনেও নিজ মেৰুদণ্ডৰ ওপৰত পশ্চিমৰপৰা পূবলৈ অনবৰতে ঘূৰি আছে। মনত ৰাখিবা, প্ৰকৃত পৃথিৱীখনত মেৰু দুটা স্থায়ী। গোলকত মেৰুদণ্ড বুজাবলৈ ব্যৱহাৰ কৰা শলাডালৰ দৰে আমাৰ পৃথিৱীৰ কোনো শলা নাই। পৃথিৱীৰ দুয়োমেৰু সংযোগী মেৰুদণ্ডডাল এডাল কাল্পনিক ৰেখাহে।

চিত্ৰ - ২.৫ ৰ গোলকটোলৈ মন কৰা। গোলকত পথালিকৈ সোঁমাজেৰে এডাল ভগ্ন ৰেখা অংকন কৰা হৈছে। ঠিক একেদৰে আমাৰ পৃথিৱীৰ উপৰিভাগত সোঁমাজেৰে দুয়ো মেৰুৰপৰা সমদূৰত পূবা- পশ্চিমাকৈ এডাল ৰেখা কল্পনা কৰি লোৱা হৈছে। ইয়াকে **বিষুৱৰেখা** (Equator) বুলি কোৱা হয়।

এই ৰেখাডালে পৃথিৱীখনক সমানে দুভাগত ভাগ কৰিছে। ইয়াৰ উত্তৰ অংশক **উত্তৰ গোলাৰ্ধ** (Northern Hemisphere) আৰু দক্ষিণ অংশক **দক্ষিণ গোলাৰ্ধ** (Southern Hemisphere)বোলা হয়। ইয়াৰপৰা আমি জানিলোঁ যে **বিষুৱ** হ'ল পৃথিৱীক সমানে দুভাগ কৰা এডাল **কাল্পনিক বৃত্তাকাৰ ৰেখা।**

**ক্ৰিয়াকলাপ ঃ**

(১) গোলকত বিচাৰি উলিওৱা —
(ক) উত্তৰ মেৰু বা সুমেৰু, (খ) দক্ষিণ মেৰু বা কুমেৰু, (গ) বিষুৱ ৰেখা

(২) বহীত এটি গোলক আঁকি তলত দিয়াবোৰ চিহ্নিত কৰা —
(ক) মেৰুদণ্ড, (খ) উত্তৰ মেৰু, (গ) দক্ষিণ মেৰু, (ঘ) বিষুৱৰেখা

(৩) গোলকত চাই আমাৰ দেশ ভাৰত কোন গোলাৰ্ধত কোৱা।

পৃথিৱীৰ উপৰিভাগত কোনো ঠাইৰ অৱস্থিতি নিৰ্ণয় কৰাৰ ক্ষেত্ৰত বিষুৱৰেখাৰ সহায় লোৱা হয়। অৰ্থাৎ কোনো এখন ঠাই বিষুৱৰ উত্তৰে নে দক্ষিণে তাক বিষুৱৰেখাৰপৰা জানিব পাৰি। আকৌ ঠাইখন বিষুৱ ৰেখাৰ কিমান উত্তৰে বা কিমান দক্ষিণে তাক জানিবৰ বাবে বিষুৱৰেখাৰ সমান্তৰালকৈ ক্ৰমে উত্তৰলৈ আৰু দক্ষিণলৈ কিছুমান বৃত্তাকাৰ ৰেখা কল্পনা কৰা হৈছে। এই ৰেখাবোৰক **অক্ষৰেখা** (Parallels)বোলে।




*চিত্ৰ- ২.৬ ঃ পৃথিৱীৰ অক্ষাংশ*

প্ৰতিডাল অক্ষৰেখাৰ মান বা জোখক **অক্ষাংশ** (Latitude) বোলে। বিষুৱৰ উত্তৰলৈ থকা অক্ষৰেখাসমূহৰ মান বা জোখক উত্তৰ অক্ষাংশ আৰু দক্ষিণলৈ থকা অক্ষৰেখাসমূহৰ মান বা জোখক দক্ষিণ অক্ষাংশ বোলে। সাধাৰণতে আমি দূৰত্ব মিটাৰ, কিল'মিটাৰ আদিৰে জোখোঁ। গোলাকাৰ পৃথিৱীখনৰ উপৰিভাগত অক্ষৰেখাসমূহৰ দূৰত্ব ডিগ্ৰী (°) ৰে জুখি উলিওৱা হয়। বিষুৱৰেখাৰ মান হ'ল ০° অৰ্থাৎ ০° অক্ষাংশ।

**জানি থওঁ আহা ঃ**

বিষুৱৰেখাৰপৰা কেন্দ্ৰলৈ কল্পনা কৰা ৰেখাৰ সৈতে পৃথিৱীৰ কোনো স্থান বা বিন্দুৰপৰা কেন্দ্ৰলৈ কল্পনা কৰা ৰেখাই কেন্দ্ৰত সৃষ্টি কৰা কোণৰ মান বা জোখকে সেই স্থান বা বিন্দুৰ অক্ষাংশ বোলে।




*চিত্ৰ-২.৭ ঃ অক্ষাংশ নিৰ্ণয়*

সেই অনুসাৰে ০° অক্ষাংশৰপৰা ক্ৰমে উত্তৰলৈ ১° অক্ষাংশত একোডাল অক্ষৰেখা কল্পনা কৰি আগবাঢ়িলে উত্তৰ মেৰুত ৯০° পাম। আকৌ দক্ষিণলৈ ১° কৈ আগবাঢ়িলে দক্ষিণ মেৰুত ৯০° পাম। নিৰীক্ষণৰ সুবিধাৰ বাবে গোলকত প্ৰতিডাল অক্ষৰেখা অংকন নকৰি একোটা নিৰ্দিষ্ট অক্ষাংশৰ অন্তৰে অন্তৰে একোডাল অক্ষৰেখা অংকন কৰা হয়। যেনে— উত্তৰ গোলাৰ্ধত ৫° উত্তৰ অক্ষাংশ (5° North Latitude), ১০° উত্তৰ অক্ষাংশ, ১৫° উত্তৰ অক্ষাংশ ইত্যাদি। আকৌ দক্ষিণ গোলাৰ্ধত ৫° দক্ষিণ অক্ষাংশ (5° South Latitude), ১০° দক্ষিণ অক্ষাংশ, ১৫° দক্ষিণ অক্ষাংশ ইত্যাদি। অক্ষৰেখাৰ মান অৰ্থাৎ অক্ষাংশ কেনেদৰে নিৰ্ণয় কৰা হয় তাক পাছলৈ বিতংকৈ জানিব পাৰিবাহঁক।

আচলতে প্ৰতিডাল অক্ষৰেখা একোটা বৃত্তহে। ওপৰৰ চিত্ৰত দেখা গৈছে যে বিষুৱৰপৰা ক্ৰমে উত্তৰলৈ আৰু দক্ষিণলৈ অক্ষৰেখাৰ দ্বাৰা গঠিত বৃত্ত (অক্ষবৃত্ত)সমূহৰ আকাৰ ক্ৰমে সৰু হৈ আহে আৰু ৯০° উত্তৰ আৰু দক্ষিণ অক্ষাংশত এটা বিন্দুত পৰিণত হয়, (চিত্ৰ-২.৬)।


বিষুৱৰেখাৰ উপৰি সততে ব্যৱহাৰ হোৱা কেইডালমান প্ৰধান অক্ষৰেখা হ'ল —

(ক) কৰ্কট ক্ৰান্তি (Tropic of Cancer)(২৩ $^1/_2$° উঃ অক্ষাংশ)/(23$^1/_2$° N. Lat)

(খ) মকৰ ক্ৰান্তি (Tropic of Capricorn)(২৩$^{১}$/২° দঃ অক্ষাংশ)/(23$^{1}$/2° S. Lat)


(গ) সুমেৰু বৃত্ত (Arctic Circle) (৬৬$^{১}$/২° উঃ অক্ষাংশ)/(66$^{1}$/2° N. Lat)

(ঘ) কুমেৰু বৃত্ত (Antarctic Circle) (৬৬$^{১}$/২° দঃ অক্ষাংশ)/(66$^{1}$/2° S. Lat)




চিত্ৰ-২.৮ঃ পৃথিৱীৰ তাপমণ্ডলসমূহ

সূৰ্যৰ ৰশ্মি পৃথিৱীৰ উপৰিভাগৰ সকলো ঠাইতে একে সমান তীব্ৰতাৰে নপৰে। যি অঞ্চলত সূৰ্যৰ ৰশ্মি পোনে পোনে পৰে তেনেবোৰ অঞ্চলত তাপমাত্ৰা অধিক। আনহাতে যিবোৰ অঞ্চলত ৰশ্মি হেলনীয়াভাৱে পৰে সেই অঞ্চলৰ উত্তাপ কম, অৰ্থাৎ শীতৰ প্ৰকোপ বেছি। কথাখিনি বুজিবলৈ এটি পৰীক্ষা কৰি চোৱা, (চিত্ৰ-৮)।



চিত্ৰ- ২.৯(ক)ঃ পোন হৈ পৰা পোহৰ উজ্জ্বল আৰু ই কম ঠাই আগুৰিছে



চিত্ৰ-২.৯(খ)ঃ হেলনীয়া হৈ পৰা পোহৰ কম উজ্জ্বল আৰু বেছি ঠাই আগুৰিছে

আন্ধাৰ কোঠা এটিৰ বেৰত পোনে পোনে টৰ্চ মাৰি পঠিওৱা। কি দেখিলা? টৰ্চৰ পোহৰ বেৰৰ এটা নিৰ্দিষ্ট অংশত বৃত্তৰ আকৃতিত থুপ খাই পৰিছে আৰু ঠাইখিনি অধিক উজ্জ্বল দেখা গৈছে। আনহাতে টৰ্চটি এইবাৰ চিত্ৰত দেখুওৱা ধৰণে বেৰত হেলনীয়াভাৱে মাৰি পঠিওৱা। এইবাৰ কি পৰিৱৰ্তন দেখিলা? টৰ্চৰ পোহৰ অধিক ঠাইত সিঁচৰতি হৈ পৰিছে আৰু পোহৰৰ তীব্ৰতাও কম দেখা গৈছে। এইদৰে সূৰ্যৰ ৰশ্মিও পৃথিৱীৰ

উপৰিভাগত পোনপটীয়াকৈ অথবা হেলনীয়াভাৱে পৰে। ফলত উপৰিভাগত তাপ আৰু পোহৰৰ তীব্ৰতাৰ তাৰতম্য হয়, [চিত্ৰ-২.৯(ক) আৰু চিত্ৰ-২.৯(খ)]।

সূৰ্যৰ ৰশ্মিৰ তীব্ৰতাৰ ওপৰত নিৰ্ভৰ কৰি পৃথিৱীৰ উপৰিভাগক কেইটামান তাপমণ্ডল (Heat Zone)ত ভাগ কৰা হৈছে। বিষুৱৰ দুয়োফালে কৰ্কটক্ৰান্তি (২৩ ১/২° উঃ অক্ষাংশ) আৰু মকৰক্ৰান্তি (২৩ ১/২° দঃ অক্ষাংশ) ৰেখাৰ মাজত বছৰৰ প্ৰায়ভাগ সময়তে সূৰ্যৰ ৰশ্মি প্ৰায় পোনপটীয়াভাৱে পৰে। ফলত এই অঞ্চলৰ উষ্ণতা যথেষ্ট বেছি আৰু বছৰৰ প্ৰায় সকলো সময়তে ইয়াৰ উত্তাপ প্ৰায় সমানে থাকে। সেয়েহে এই অঞ্চলটিক **গ্ৰীষ্ম বা উষ্ণমণ্ডল** (Torrid Zone)বোলে।

> **জানি থওঁ আহা**
> গ্ৰীষ্ম মণ্ডলত সূৰ্যৰ ৰশ্মিৰ তীব্ৰতা অত্যধিক হোৱা বাবে এই অঞ্চলৰ মানুহৰ গাৰ বৰণ সাধাৰণতে ক'লা হোৱা দেখা যায়। সেয়েহে আফ্ৰিকা মহাদেশৰ বিষুৱীয় অঞ্চলৰ স্থায়ী বাসিন্দাসকলৰ গাৰ বৰণ পৃথিৱীৰ আন আন অঞ্চলৰ লোকসকলৰ তুলনাত ক'লা।

কৰ্কট ক্ৰান্তি আৰু মকৰ ক্ৰান্তিৰপৰা দুয়ো মেৰুৰ পিনে সূৰ্যৰ ৰশ্মি হেলনীয়াভাৱে পৰে। দুয়ো মেৰুৰ পিনে আমি যিমানেই আগবাঢ়ি যাম, সিমানেই সূৰ্যৰ ৰশ্মি অধিককৈ হেলনীয়াভাৱে পৰা দেখিবলৈ পাম। সেয়েহে উত্তৰ গোলাৰ্ধৰ কৰ্কট ক্ৰান্তি আৰু সুমেৰু বৃত্ত (৬৬ ১/২° উঃ অক্ষাংশ)ৰ মাজত আনহাতে দক্ষিণ গোলাৰ্ধৰ মকৰ ক্ৰান্তি আৰু কুমেৰু বৃত্ত (৬৬ ১/২° দঃ অক্ষাংশ)ৰ মাজৰ অঞ্চলটিত উষ্ণতাৰ তীব্ৰতা কম। অৰ্থাৎ অধিক গৰমো নহয় আৰু অধিক শীতো নহয়। সেয়েহে এই অঞ্চল দুটিক ক্ৰমে **উত্তৰ নাতিশীতোষ্ণ মণ্ডল** (North Temperate Zone)আৰু **দক্ষিণ নাতিশীতোষ্ণ মণ্ডল** (South Temperate Zone) বোলা হয়।


সুমেৰুকে সামৰি লৈ সুমেৰু বৃত্তৰ ওপৰ অংশ আৰু কুমেৰুকে সামৰি লৈ কুমেৰু বৃত্তৰ তলৰ অংশত শীতৰ তীব্ৰতা অধিক। অতিপাত শীতৰ বাবে বছৰৰ প্ৰায় বাৰ মাহে এই অঞ্চলৰ বহু অংশত পানী গোট মাৰি বৰফ হৈ থাকে। ইয়াৰ কাৰণ হ'ল ইয়াত ছমাহ কাল সূৰ্যৰ ৰশ্মি অতি হেলনীয়াভাৱে পৰে আৰু ছমাহ কাল সূৰ্যৰ ৰশ্মি প্ৰায় নপৰে। বৰফে আবৰি থকা অঞ্চল হোৱা বাবে এই অঞ্চল দুটিক ক্ৰমে **উত্তৰ শীতমণ্ডল বা উত্তৰ হিমমণ্ডল** (North Frigid Zone) আৰু **দক্ষিণ শীতমণ্ডল** বা **দক্ষিণ হিমমণ্ডল** (South Frigid Zone) বোলে।

> **ক্ৰিয়াকলাপ ঃ**
> (১) মানচিত্ৰ চাই কৰ্কট ক্ৰান্তিৰেখা ভাৰতৰ কোন কোন ৰাজ্যৰ ওপৰেৰে পাৰ হৈ গৈছে, দলত আলোচনা কৰি লিখা।
> (২) তলত উল্লেখ কৰা দেশসমূহ তাপমণ্ডলৰ কোন অংশৰ অন্তৰ্গত, গোলক অথবা মানচিত্ৰ চাই কোৱা—
> (ক) জাপান, (খ) ফ্ৰান্স, (গ) দক্ষিণ আফ্ৰিকা, (ঘ) ছুডান।

এতিয়া আহোঁ আন এটি বিষয়লৈ। অসমৰ দৰং জিলাখন ক'ত বুলি সুধিলে আমি হয়তো উত্তৰ পাম— ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে অথবা শোণিতপুৰ জিলাৰ পশ্চিমে অৱস্থিত বুলি। আকৌ গোৱালপাৰা চহৰখনৰ অৱস্থান সম্পৰ্কে সুধিলে উত্তৰ পাম- ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে অথবা গুৱাহাটীৰপৰা প্ৰায় ১৫০ কিলোমিটাৰ পশ্চিমে অৱস্থিত বুলি। অৰ্থাৎ কোনো এখন ঠাইৰ অৱস্থান আন এখন ঠাই বা প্ৰধান অৱয়ৱৰ প্ৰসংগ তথা পৰিপ্ৰেক্ষিতত্তহে নিৰ্ণয় কৰা হ'ল।

ইতিমধ্যে আমি পাই আহিছোঁ যে পৃথিৱীৰ উপৰিভাগত কোনো ঠাইৰ অৱস্থান নিৰ্ণয়ৰ বাবে অক্ষৰেখা ব্যৱহাৰ কৰা হয়। যেনে— গুৱাহাটী মহানগৰখন ২৬ ১/২° উত্তৰ অক্ষাংশত অৱস্থিত। কিন্তু একেডাল অক্ষৰেখাত অৱস্থিত দুখন ঠাইৰ অৱস্থান কেৱল অক্ষাংশৰে নিৰ্ণয় কৰা অসুবিধা। উদাহৰণস্বৰূপে, ঝাৰখণ্ডৰ হাজাৰিবাগ আৰু মধ্যপ্ৰদেশৰ ৰাজগড় প্ৰায় একে অক্ষাংশ (প্ৰায় ২৪° উঃ অক্ষাংশ)ত অৱস্থিত যদিও ঠাই দুখনৰ অৱস্থান একেলগে নহয়। সেয়েহে, কোনো ঠাইৰ অৱস্থান নিৰ্ণয়ৰ বাবে অক্ষৰেখাৰ উপৰি উত্তৰ মেৰু আৰু দক্ষিণ মেৰু সংযোগী কিছুমান কাল্পনিক ৰেখাৰ সহায় লোৱা হয়। এই ৰেখাবোৰকে **দ্ৰাঘিমাৰেখা** (Meridians) বোলে। প্ৰতিডাল দ্ৰাঘিমা

ৰেখাৰ মান বা জোখক ডিগ্ৰী (°) **দ্ৰাঘিমাংশ** (Longitude) ৰে প্ৰকাশ কৰা হয়। দ্ৰাঘিমাসমূহৰ মাজৰ দূৰত্ব বিষুৱৰ ওচৰত সৰ্বাধিক আৰু এই দূৰত্ব বিষুৱৰপৰা ক্ৰমান্বয়ে কমি গৈ দুয়ো মেৰুবিন্দুত একলগ হৈ যায়।



*চিত্ৰ- ২.১০ঃ দ্ৰাঘিমাংশ*


দ্ৰাঘিমাৰেখাসমূহক গণনাৰ সুবিধাৰ বাবে লণ্ডন চহৰৰ কাষৰ গ্ৰীনিজ (Greenwich) মান মন্দিৰৰ ওপৰেৰে কল্পনা কৰা দ্ৰাঘিমাৰেখাডালৰ সহায়ত গণনা আৰম্ভ কৰিছে। সেয়েহে, এই ৰেখাডালক **মুখ্য দ্ৰাঘিমাৰেখা** (Prime Meridian) হিচাপে নামকৰণ কৰা হৈছে। এই ৰেখাডালক ০° দ্ৰাঘিমাংশ মান ধৰি লৈ পূবলৈ ১৮০° আৰু পশ্চিমলৈ ১৮০° গণনা কৰা হয়। মুখ্য দ্ৰাঘিমাৰেখা আৰু ১৮০° দ্ৰাঘিমাৰেখাই আমাৰ পৃথিৱীখনক সমানে দুভাগ কৰিছে। সেয়ে মুখ্য দ্ৰাঘিমাৰেখাৰ পূবৰ এখন ঠাইৰ দ্ৰাঘিমাংশৰ পাছত পূঃ (E) আৰু পশ্চিমৰ এখন ঠাইৰ দ্ৰাঘিমাংশৰ পাছত পঃ ( W) লিখি ঠাইখনৰ অৱস্থিতি বুজোৱা হয়। মন কৰিবলগীয়া কথাটি হ'ল ১৮০° পূঃ আৰু ১৮০° পঃ দ্ৰাঘিমা ৰেখা প্ৰকৃততে একেডাল ৰেখাহে, (চিত্ৰ- ২.১০)।

**ক্ৰিয়াকলাপ ঃ**

(১) গোলক বা পৃথিৱীৰ মানচিত্ৰত মুখ্য দ্ৰাঘিমা ৰেখাৰ অৱস্থিতি নিৰ্ণয় কৰা ।

(২) গোলকত চাই ভাৰত মুখ্য দ্ৰাঘিমাৰেখাৰ পূব নে পশ্চিম দিশে অৱস্থিত, কোৱা।


গোলকটোলৈ পুনৰ মন কৰা। দেখিবা যে পূবা-পশ্চিমাকৈ অক্ষৰেখা আৰু উত্তৰা- দক্ষিণাকৈ দ্ৰাঘিমাৰেখা অংকন কৰা আছে। ভালদৰে মন কৰিলে দেখিবা যে প্ৰতিডাল অক্ষৰেখাই প্ৰতিডাল দ্ৰাঘিমাৰেখাক কাটিছে। আনহাতে প্ৰতিডাল দ্ৰাঘিমাৰেখাই প্ৰতিডাল অক্ষৰেখাক কাটিছে। অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ ই এখন জালিকা। চিত্ৰ -২.১১ ত অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ জালিকা দেখুওৱা হৈছে।



*চিত্ৰ- ২.১১ঃ অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ জালিকা*

কোনো এখন ঠাইৰ অক্ষাংশ আৰু দ্ৰাঘিমাংশ জনা থাকিলে তুমি সহজতে গোলকত ঠাইখনৰ অৱস্থান নিৰ্ণয় কৰিব পাৰিবা। উদাহৰণ স্বৰূপে অসমৰ ধুবুৰী চহৰৰ অক্ষাংশ আৰু দ্ৰাঘিমাংশ ক্ৰমে ২৬° উঃ অক্ষাংশ আৰু ৯০° পূঃ দ্ৰাঘিমাংশ। এতিয়া গোলকত এই দুয়োডাল ৰেখাই কটা কটি কৰা বিন্দুটো নিৰ্ণয় কৰা। এই বিন্দুটোৱেই হ'ব ধৰাপৃষ্ঠত বা পৃথিৱীত ধুবুৰীৰ অৱস্থান। ওপৰৰ কথাখিনি ভালদৰে বুজিবলৈ তলৰ কাৰ্যটি কৰি চাওঁ আহা।

এখন কাগজত সিপিঠিত দিয়াৰ দৰে সম দূৰত্বত থিয় আৰু পথালিকৈ কেইডালমান ৰেখা অংকন কৰা। এতিয়া থিয় ৰেখাসমূহত ২০°, ২৫°, ৩০°, ৩৫° আদি মান বহুওৱা। আকৌ পথালি ৰেখা কেইডালত তলৰ পিনৰপৰা ৫৫°, ৬০°, ৬৫° আৰু ৭০° আদি মান বহুওৱা, (চিত্ৰ-২.১২)।




*চিত্ৰ- ২.১২ ঃ অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ সহায়ত কোনো স্থানৰ অৱস্থান নিৰ্ণয়*

এইবাৰ ৰেখাসমূহে কটাকটি কৰা কেইটামান স্থান চিহ্নিত দেখুওৱাৰ দৰে মাজে মাজে সৰু ঘেৰেৰে চিন দিয়া। এতিয়া এই ঘেৰসমূহক ক, খ, গ, ঘ আদি নামেৰে নামকৰণ কৰা। থিয় ৰেখাবোৰক পূব দ্ৰাঘিমাংশ আৰু পথালি ৰেখাবোৰক উত্তৰ অক্ষাংশ বুলি ধৰি লোৱা। এতিয়া 'ক' ঘেৰটি ৭০° উঃ অক্ষাংশ আৰু ২৫° পূঃ দ্ৰাঘিমাংশত অৱস্থিত পাবা। আন আন ঘেৰ কেইটিৰ অৱস্থান নিৰ্ণয় কৰিবলৈ যত্ন কৰা। এনেদৰে অক্ষাংশ আৰু দ্ৰাঘিমাংশৰ সহায়ত পৃথিৱীৰ যি কোনো স্থানৰ অৱস্থান নিৰ্ণয় কৰিব পাৰি। পাছৰ শ্ৰেণীত তোমালোকে এই বিষয়ে বিতংকৈ জানিবা।

**মনত ৰাখিবলগীয়া কথা ঃ**

- পৃথিৱীৰ কেন্দ্ৰৰে উত্তৰ মেৰু আৰু দক্ষিণ মেৰু সংযোগ কৰি এডাল ৰেখা কল্পনা কৰা হৈছে। এই ৰেখাডালকে পৃথিৱীৰ মেৰুদণ্ড বোলে।
- পৃথিৱীৰ উপৰিভাগত সোঁমাজেৰে পূবা-পশ্চিমাকৈ এডাল ৰেখা কল্পনা কৰা হৈছে। ইয়াকে বিষুৱৰেখা বোলে।
- বিষুৱৰেখা সমান্তৰালকৈ ক্ৰমে উত্তৰলৈ আৰু দক্ষিণলৈ কিছুমান বৃত্তাকাৰ ৰেখা কল্পনা কৰা হৈছে। এইবোৰকে অক্ষৰেখা বোলে।
- পৃথিৱীৰ উপৰিভাগৰ কোনো ঠাইৰ অৱস্থান নিৰ্ণয় কৰিবলৈ অক্ষাংশৰ উপৰি উত্তৰ মেৰু আৰু দক্ষিণ মেৰু সংযোগী কিছুমান কাল্পনিক ৰেখাৰ সহায় লোৱা হয়। এই ৰেখাবোৰকে দ্ৰাঘিমাৰেখা বোলা হয়।
- বিষুৱৰপৰা উত্তৰে থকা অক্ষৰেখাসমূহৰ মান বা জোখক উত্তৰ অক্ষাংশ আৰু দক্ষিণে থকা অক্ষৰেখাসমূহৰ মানক দক্ষিণ অক্ষাংশ হিচাপে নামকৰণ কৰা হয়।
- লণ্ডন চহৰৰ কাষৰ গ্ৰীনিজ মান মন্দিৰৰ ওপৰেৰে যোৱা দ্ৰাঘিমাৰেখা ডালক মুখ্য দ্ৰাঘিমাৰেখা হিচাপে ধৰা হয়।
- ১৮০° পূব আৰু ১৮০° পশ্চিম দ্ৰাঘিমাৰেখাডাল প্ৰকৃততে একেডাল ৰেখা।
- সূৰ্যৰ ৰশ্মিৰ তীব্ৰতাৰ ভিত্তিত পৃথিৱীৰ উপৰিভাগক তিনিটা তাপমণ্ডলত ভাগ কৰা হয় — গ্ৰীষ্মমণ্ডল, নাতিশীতোষ্ণ মণ্ডল আৰু শীতমণ্ডল।
- অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ সহায়ত পৃথিৱীৰ যিকোনো ঠাইৰ অৱস্থান নিৰ্ণয় কৰিব পাৰি।

**অনুশীলনী ঃ**

(১) তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া—

(ক) কৰ্কট ক্ৰান্তি ৰেখা কাক বোলে?

(খ) তাপ মণ্ডল তিনিটা কি কি?

(গ) অক্ষৰেখা কাক বোলে?

(ঘ) দ্ৰাঘিমাৰেখা কাক বোলে?

(ঙ) গ্ৰীষ্মমণ্ডল আটাইতকৈ উষ্ম কিয় হয়?

(চ) বিষুবৰেখা কোনটো তাপমণ্ডলত অৱস্থিত?

(ছ) মেৰু অঞ্চলত সাগৰৰ পানী কিয় গোট মাৰি থাকে?

(২) কেৱল উত্তৰ দিয়া —

(ক) কৰ্কটক্ৰান্তি বৃত্তটো পৃথিবীৰ কোনটো গোলাৰ্ধত কল্পনা কৰা হৈছে?

(খ) কি কাল্পনিক ৰেখাই পৃথিবীৰ কেন্দ্ৰৰ দুই মেৰুবিন্দুক সংযোগ কৰিছে?

(গ) গোলকৰ কোনটো ফালে উত্তৰ মেৰু থাকে?

(ঘ) বিষুবৰেখাৰ অক্ষাংশ কিমান?

(ঙ) তুমি কোন গোলাৰ্ধৰ বাসিন্দা?

(৩) শুদ্ধটোত (✓) চিন দিয়া—

(ক) মুখ্য দ্ৰাঘিমাৰেখাৰ মান হৈছে—

(১) ৯০° (২) ০° (৩) ৬৬°

(খ) শীত মণ্ডলৰ অৱস্থান হৈছে—

(১) মেৰু অঞ্চলত, (২) বিষুৱীয় অঞ্চলত

(গ) বিষুবৰপৰা কিমান ডিগ্ৰী অক্ষাংশত মকৰ ক্ৰান্তি পোৱা যাব?

(১) ৬৬ ১/২° দক্ষিণ অক্ষাংশ (২) ২৩ ১/২° দক্ষিণ অক্ষাংশ (৩) ২৩ ১/২° উত্তৰ অক্ষাংশ

(ঘ) ১° ৰ অন্তৰে অন্তৰে দ্ৰাঘিমাৰেখাৰ মুঠ সংখ্যা হ'ব—

(১) ১৮০ ডাল (২) ৩৬০ ডাল (৩) ৯০ ডাল

(৪) (ক) বিষুবৰেখাৰপৰা উত্তৰ আৰু দক্ষিণ দিশে বিস্তৃত হৈ থকা তাপমণ্ডলটোৰ নাম কি?

(খ) সূৰ্যৰ ৰশ্মি অতি হেলনীয়াভাবে পৰা অঞ্চলত সাগৰৰ পানী সাধাৰণতে কি অৱস্থাত থাকে?

***************

# পাঠ নং ৩
# পৃথিৱীৰ গতি

B4K3B2

**শিকনৰ ফলাফল ঃ**

- পৃথিৱীৰ গতি সম্বন্ধে ধাৰণা স্পষ্ট হ'ব।
- পৃথিৱীৰ আহ্নিক গতি বা আৱৰ্তন কি তাক বুজিব পাৰিব।
- পৃথিৱীৰ পোহৰ বৃত্ত কি তাক জানিব পাৰিব।
- পৃথিৱীৰ বাৰ্ষিক গতি বা পৰিভ্ৰমণ কি তাক বুজিব পাৰিব।
- আহ্নিক গতি আৰু বাৰ্ষিক গতিৰ ফলাফল ব্যাখ্যা কৰিব পাৰিব।

তোমালোকে আগৰ পাঠত পাই আহিছা যে আমি বসবাস কৰা পৃথিৱীখন সৌৰজগতৰ এটা গ্ৰহ। আমাৰ দৃষ্টিত পৃথিৱীখন স্থিৰ যেন লাগিলেও প্ৰকৃততে ই স্থিৰ নহয়। সৌৰজগতৰ আন গ্ৰহ, উপগ্ৰহৰ দৰে পৃথিৱীও গতিশীল। সৌৰজগতৰ নক্ষত্ৰ আৰু গ্ৰহবোৰে ইটোৱে সিটোক আকৰ্ষণ কৰি থাকে, এই আকৰ্ষণৰ ফলত গ্ৰহবোৰ গতিশীল হৈ থাকে। গ্ৰহ হিচাপে পৃথিৱীয়েও গতি কৰি আছে। এই গতি দুই ধৰণৰ। এটা গতিৰে পৃথিৱীয়ে নিজ মেৰুদণ্ডৰ ওপৰত ঘূৰে আৰু আনটো গতিৰে ই সূৰ্যৰ চাৰিওফালে ঘূৰে। এনেধৰণে পৃথিৱীয়ে গতিৰ জৰিয়তে নিজৰ স্থান সলনি কৰাকে **পৃথিৱীৰ গতি** বোলে। পৃথিৱীয়ে নিজ মেৰুদণ্ডত ঘূৰা যি গতি সেয়াই **আৱৰ্তন বা আহ্নিক গতি** (Rotation)। আনহাতে পৃথিৱীয়ে নিজ কক্ষপথেৰে সূৰ্যৰ চাৰিওফালে ঘূৰা যি গতি তাকেই **পৰিভ্ৰমণ বা বাৰ্ষিক গতি** (Revolution) বোলা হয়।

**ক্ৰিয়াকলাপ ঃ**

তোমালোকে নিশ্চয় লাটুম দেখিছা। এতিয়া লাটুম এটা লৈ ইয়াক যি কোনো সমতল ঠাইত হাতেৰে ঘূৰাই দিয়া। ভালকৈ লক্ষ্য কৰাচোন। কি দেখিছা? লাটুমটোৱে সমতল পিঠিত নিজে ঘূৰাৰ উপৰি ঘূৰি ঘূৰি কোনো এটা দিশত আগবাঢ়ি যোৱা নাইনে বাৰু? এইদৰে পৃথিৱীয়েও নিজ মেৰুদণ্ডৰ ওপৰত ঘূৰাৰ উপৰি একে সময়তে সূৰ্যৰ চাৰিওফালে এটা নিৰ্দিষ্ট পথেৰে ঘূৰা কাৰ্য সম্পন্ন কৰে।

**আহ্নিক গতি ঃ** তোমালোকে আগৰ পাঠত পাই আহিছা যে পৃথিৱীৰ মেৰুদণ্ডডাল উত্তৰ আৰু দক্ষিণ মেৰুক সংযোগ কৰা এডাল কাল্পনিক ৰেখা। পৃথিৱীয়ে নিজ মেৰুদণ্ডৰ ওপৰত পশ্চিমৰপৰা পূৱলৈ সম্পূৰ্ণ এপাক ঘূৰাকে আৱৰ্তন বা আহ্নিক গতি বোলা হয়। পৃথিৱীয়ে এনেদৰে সম্পূৰ্ণ এপাক ঘূৰিবলৈ প্ৰায় ২৪ ঘণ্টা সময় লয়। পৃথিৱীৰ গতিৰ এই নিৰ্দিষ্ট সময়ছোৱাক এদিন হিচাপে ধৰা হয়। সেইবাবে ইয়াক পৃথিৱীৰ **দৈনিক গতি** বুলিও কোৱা হয়।

এতিয়া পৃথিৱীয়ে কেনেকৈ নিজ মেৰুদণ্ডৰ ওপৰত ঘূৰে তাক বুজিবলৈ এটা গোলক লোৱা। গোলকত ভাৰতখন চিনাক্ত কৰি তোমাৰ সন্মুখত ৰাখা। বাঁওহাতৰ এটা আঙুলিৰে ভাৰতৰ কোনো এক স্থানত ধৰা। এতিয়া আনখন হাতেৰে গোলকটো লাহে লাহে পশ্চিমৰপৰা পূৱলৈ এপাক ঘূৰাই ভাৰতখন তোমাৰ সন্মুখলৈ আনা। এতিয়া কি পালা বাৰু? গোলকৰ ওপৰত ভাৰতৰ নিৰ্দিষ্ট স্থানত ধৰা তোমাৰ বাঁওহাতৰ আঙুলিয়ে কিছু সময়ৰ পাছত সম্পূৰ্ণ এপাক ঘূৰিহে তোমাৰ সন্মুখলৈ আহিছে। ঠিক তেনেদৰে পৃথিৱীৰ ঘূৰ্ণনত কোনো এখন ঠাই পশ্চিমৰ পৰা পূৱলৈ গতি কৰি আগৰ অৱস্থান পাবলৈ ২৪ ঘণ্টা সময় লাগে, (চিত্ৰ-৩.১)।




*চিত্ৰ-৩.১ : গোলকৰ সহায়ত মেৰুদণ্ডৰ ওপৰত পৃথিৱীৰ ঘূৰণ দেখুওৱা হৈছে*

**জানি থওঁ আহা :**

পুৰণিকালত জ্যোতির্বিদসকলে পৃথিৱী স্থিৰ আৰু সূৰ্যই পৃথিৱীৰ চাৰিওফালে ঘূৰে বুলি বিশ্বাস কৰিছিল। পাছত ১৫১৪ খ্ৰীষ্টাব্দত **কপাৰনিকাছ্** নামৰ জ্যোতির্বিদজনে প্ৰমাণ কৰিছিল যে সূৰ্য স্থিৰ আৰু পৃথিৱীয়েহে সূৰ্যৰ চাৰিওফালে ঘূৰে।


তোমালোকে এটা কথা মন কৰিছানে বাৰু? আমি প্ৰতিদিনে সূৰ্যটো পূব দিশত ওলাই পশ্চিম দিশত মাৰ যোৱা যেন পাওঁ। প্ৰকৃততে স্থিৰে থকা সূৰ্যটো পৃথিৱীৰ পূব দিশত উদয় আৰু পশ্চিম দিশত অস্ত যায়নে বাৰু? ইয়াক বুজিবলৈ তলৰ কথাখিনিলৈ মন কৰা। আমি বাছ বা ৰে'লগাড়ীত উঠি যাওঁতে বাহিৰলৈ মন কৰিলে দেখোঁ যেন গছ-গছনি, ঘৰ-দুৱাৰ আদি পাছলৈ দৌৰি আছে। কিন্তু প্ৰকৃততে এইবোৰ পিছফালে নাযায়। আচলতে বাছ বা ৰে'লগাড়ীখনে আগফালে গতি কৰি থকাৰ বাবে দুকাষৰ গছ-গছনি, ঘৰ আদিবোৰ পাছলৈ যোৱা যেন লাগে। সেইদৰে পৃথিৱীৰ তুলনাত সূৰ্যটো একে ঠাইতে আছে। পৃথিৱীখনে নিজ মেৰুদণ্ডত পশ্চিমৰপৰা পূবলৈ ঘূৰি থকা বাবে সূৰ্যটো পূবৰপৰা পশ্চিমলৈ যোৱা যেন লাগে।

তোমালোকে জানা যে পৃথিৱীৰ নিজা পোহৰ নাই। পৃথিৱীয়ে সূৰ্যৰপৰাহে পোহৰ আৰু তাপ পায়। পৃথিৱীখনৰ আকৃতি প্ৰায় ঘূৰণীয়া হোৱা বাবে সূৰ্যৰ পোহৰ কোনো এটা মুহূৰ্তত ইয়াৰ আধা অংশতহে পৰে। অৰ্থাৎ পৃথিৱীয়ে নিজ মেৰুদণ্ডৰ ওপৰত পশ্চিমৰপৰা পূবলৈ ঘূৰি থাকোঁতে যিটো ফাল সূৰ্যৰ মুখা-মুখি হয় তাত পোহৰ পৰে আৰু তাৰ বিপৰীত ফালত পোহৰ নপৰে। পোহৰ পৰা অংশত **দিন** আৰু তাৰ বিপৰীতে থকা পোহৰ নপৰা অংশত **ৰাতি** হয়। এইক্ষেত্ৰত পৃথিৱীখনৰ পোহৰ পৰা আৰু নপৰা অৰ্থাৎ দিন আৰু ৰাতি হোৱা অংশ দুটাক এটা কাল্পনিক বৃত্তই দুভাগ কৰিছে। এই বৃত্তটোক **পোহৰ বৃত্ত** বোলা হয়, (চিত্ৰ-৩.২)।




*চিত্ৰ-৩.২ : পোহৰ বৃত্ত*

দিন আৰু ৰাতিৰ ধাৰণাটো ভালকৈ বুজিবৰ বাবে এটা গোলক আৰু এটা টৰ্চ লাইট লোৱা। এতিয়া গোলকটো আন্ধাৰ কোঠাত ৰাখি গোলকটোৰ আধা অংশত পোহৰ পৰাকৈ টৰ্চ লাইটটো জ্বলাই স্থিৰ কৰি ৰাখা। আন এজনে গোলকটো লাহে লাহে পশ্চিমৰপৰা পূবলৈ ঘূৰাই দিয়া। এইদৰে ঘূৰাই থাকোঁতে গোলকটোৰ আধা অংশত পোহৰ পৰিব আৰু আনটো অংশ আন্ধাৰ হ'ব। এইদৰেই পৃথিৱীৰ উপৰিভাগত দিন আৰু ৰাতি হয়, (চিত্ৰ-৩.৩)।




*চিত্ৰ- ৩.৩ঃ পৃথিৱীৰ আৱৰ্তনৰ ফলত হোৱা দিন আৰু ৰাতি*

**ক্ৰিয়াকলাপ ঃ**


পৃথিৱী যদি নিজ মেৰুদণ্ডত নুঘূৰি স্থিৰ হৈ থাকিলেহেঁতেন, তেতিয়া কি কি হ'লহেঁতেন ভাবি চোৱা আৰু কোৱা।

পৃথিৱীৰ উপৰিভাগত আহ্নিক গতিৰ প্ৰভাৱ পৰিলক্ষিত হয়। আহ্নিক গতিৰ ফলত দিন আৰু ৰাতি হয় বাবে পৃথিৱীৰ উপৰিভাগত জীৱ-জন্তু, উদ্ভিদ আদিৰ জন্ম আৰু বৃদ্ধি সম্ভৱ হৈছে। আহ্নিক গতি নাথাকিলে পৃথিৱীৰ এটা ফালত সদায় দিন আৰু আনটো ফালত সদায় ৰাতি হৈ থাকিলহেঁতেন। ফলত আন্ধাৰ হৈ থকা অংশত সূৰ্যৰ ৰশ্মিৰ অভাৱত চেঁচা হৈ থাকিলহেঁতেন। আনহাতে পোহৰ পৰা অংশত উত্তাপ বাঢ়ি গৈ সেই অংশটো জীৱৰ বসতিৰ অনুপযোগী হ'লহেঁতেন। এই পোহৰ পৰা অংশত উত্তাপ বাঢ়ি গৈ কেনেকৈ জীৱৰ বসতিৰ অনুপযোগী হ'ব পাৰে ভাবি চোৱাচোন।

**পৰিভ্ৰমণ বা বাৰ্ষিক গতি ঃ** পৃথিৱীৰ আন এটা গতি হ'ল **পৰিভ্ৰমণ** বা **বাৰ্ষিক** গতি। পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে এটা নিৰ্দিষ্ট পথেৰেহে ঘূৰে। এই পথটো কিন্তু ঘূৰণীয়া নহয়, উপবৃত্তাকাৰহে। সূৰ্যৰ চাৰিওফালে ঘূৰা এই উপবৃত্তাকাৰ পথটোক পৃথিৱীৰ **কক্ষপথ** বোলে। পৃথিৱীৰ উপবৃত্তাকাৰ কক্ষপথৰ ধাৰণাটো ভালদৰে বুজিবলৈ তলৰ কাৰ্যটো কৰি চোৱা।

**ক্ৰিয়াকলাপ ঃ**

তোমালোকে পৃথিৱীৰ কক্ষপথ কেনেকৈ আঁকিব লাগে জানানে? ইয়াৰ বাবে এডাল কাঠ পেঞ্চিল, দুটা আলপিন, অলপ দীঘল টান সূতা এডাল আৰু এখন ডাঠ কাগজ লোৱা। এতিয়া ডাঠ কাগজৰ মাজঅংশত দুই ইঞ্চিমান দূৰত্বত আলপিন দুটা আধাঁলৈকে বহুৱাই লোৱা। এইবাৰ সূতাডালৰ মূৰ দুটা এনেদৰে গাঁথি দি লোৱা যাতে গাঁথি দিয়াৰ পাছত ইয়াৰ দৈৰ্ঘ আলপিন দুটাৰ মাজৰ দূৰত্বতকৈ কিছু পৰিমাণে বেছি হয়। এতিয়া আলপিন দুটা সূতাডালৰ ঘেৰৰ ভিতৰত ৰাখা। এইবাৰ চিত্ৰত দেখুওৱা ধৰণে কাঠ পেঞ্চিলডাল সূতাৰ ঘেৰৰ ভিতৰত লৈ এটি বৃত্ত আঁকিবলৈ চেষ্টা কৰা। দেখিবা যে ইয়াৰ আকৃতি বৃত্তাকাৰ নহৈ উপবৃত্তাকাৰ হ'ব। পৃথিৱীৰ কক্ষপথটো এনেকুৱা **উপবৃত্তাকাৰ**, (চিত্ৰ-৩.৪)।




*চিত্ৰ- ৩.৪ ঃ পৃথিৱীৰ কক্ষপথ অংকণ*

পৃথিৱীয়ে নিজ কক্ষপথেৰে এটা নিৰ্দিষ্ট গতিত সূৰ্যৰ চাৰিওফালে সম্পূৰ্ণ এপাক ঘূৰিবলৈ ৩৬৫ দিন আৰু প্ৰায় ৬ ঘণ্টা সময় লাগে। সাধাৰণতে পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে সম্পূৰ্ণ এপাক ঘূৰিবলৈ ৩৬৫ দিন আৰু প্ৰায় ৬ ঘণ্টা সময় লাগে যদিও গণনাৰ সুবিধাৰ বাবে ৩৬৫ দিনত এবছৰ হিচাপে ধৰি লোৱা হয়। অৰ্থাৎ প্ৰতি বছৰে আমি প্ৰায় ৬ ঘণ্টা সময় বাদ দিওঁ। এই বাদ দিয়া প্ৰায় ৬ ঘণ্টা সময়খিনি ৪ বছৰত লগ লাগি প্ৰায় ২৪ ঘণ্টা অৰ্থাৎ এদিন হয়। সেয়েহে সময়ৰ গণনা সঠিক ৰাখিবলৈ প্ৰতি ৪ বছৰৰ মূৰে মূৰে ফেব্ৰুৱাৰী মাহটোত এদিন বঢ়াই ২৮ দিনৰ পৰিবৰ্তে ২৯ দিন গণনা কৰা হয়। এনেকৈ যিটো বছৰত এটা দিন বঢ়াই লোৱা হয় সেই বছৰটো **অধিবৰ্ষ বা লিপ্ ইয়েৰ** (leap year) বোলা হয়। কোনটো বছৰ অধিবৰ্ষ বা লিপ ইয়েৰ তাক জানিবলৈ এটা সহজ উপায় জানি লোৱা। যিটো খ্ৰীষ্টীয় বছৰ চাৰিৰে হৰণ কৰিলে ভাগশেষ নাথাকে তেনে বছৰকে অধিবৰ্ষ বুলি ধৰা হয়। উদাহৰণস্বৰূপে ২০২০ বৰ্ষটো অধিবৰ্ষ আছিল।

**জানি থওঁ আহা ঃ**

কাষৰ আলোচনাত আমি এটা বছৰত ৩৬৫ দিন আৰু প্ৰায় ৬ ঘণ্টা থাকে বুলি কৈছো যদিও দৰাচলতে এটা বছৰত ৩৬৫ দিন ৫ ঘণ্টা ৪৮ মিনিট ৪৫-৪৭ চেকেণ্ডহে থাকে। গতিকে চাৰি বছৰৰ মূৰত অধিবৰ্ষত আমি এটা দিন বঢ়াই দিওঁ যদিও আচলতে এই সময় ২৪ ঘণ্টাতকৈ অলপ (৪৫ মিনিট৫ চেকেণ্ড) কম। ইয়াক মিলাবলৈ চাৰিশ বছৰত তিনিবাৰ অধিবৰ্ষ ধৰা নহয়। উদাহৰণ স্বৰূপে ৪ ৰে মিলি যোৱাকৈ হৰণ কৰিব পৰা হ'লেও ১৭০০ খ্ৰীষ্টাব্দৰপৰা ২০০০ খ্ৰীষ্টাব্দৰ ভিতৰত ১৭০০, ১৮০০ আৰু ১৯০০ চনকেইটা অধিবৰ্ষ বুলি ধৰা নহয়। কিন্তু ২০০০ চনটো অধিবৰ্ষ।


**উত্তৰ লিখা ঃ**

(১) ২০২০ চনৰ পাছৰ অধিবৰ্ষ কোনটো হ'ব?

(২) ২০২০ চনৰ আগৰ দহটা অধিবৰ্ষ কোন কেইটা?


**অনুসূৰ আৰু অপসূৰ দূৰত্ব ঃ**

কাষৰ চিত্ৰটিলৈ ভালদৰে লক্ষ্য কৰা (চিত্ৰ- ৩.৫)। আমি জানো যে পৃথিৱীয়ে যিটো পথেৰে সূৰ্যৰ চাৰিওফালে ঘূৰে সেই পথটো গোলাকাৰ নহয়, উপবৃত্তাকাৰহে। সেয়েহে পৃথিৱীৰ পৰা সূৰ্যৰ দূৰত্ব কেতিয়াবা সবাতোকৈ কম আৰু কেতিয়াবা সবাতোকৈ বেছি হয়। ৪ জুলাই তাৰিখে সূৰ্যৰপৰা পৃথিৱীৰ দূৰত্ব আটাইতকৈ অধিক হয়। এই দূৰত্ব প্ৰায় ১৫২ নিযুত কিল'মিটাৰ। এই দূৰত্বটোক **অপসূৰ** (Aphelion) বুলি কোৱা হয়। আকৌ ৩ জানুৱাৰী তাৰিখে পৃথিৱী আৰু সূৰ্যৰ মাজৰ দূৰত্ব আটাইতকৈ কম হয়। এই দূৰত্বটোক **অনুসূৰ** (Perihelion) বুলি কোৱা হয়। এই অৱস্থানত পৃথিৱীৰপৰা সূৰ্যৰ দূৰত্ব ১৪৭.৫ নিযুত কিল'মিটাৰ হয়।




*চিত্ৰ- ৩.৫ ঃ অনুসূৰ আৰু অপসূৰ*

অৱশ্যে পৃথিৱী আৰু সূৰ্যৰ মাজৰ এই দূৰত্বৰ পাৰ্থক্যৰ বাবে পৃথিৱীৰ উপৰিভাগত তাপ আৰু পোহৰৰ উল্লেখযোগ্য পৰিবৰ্তন পৰিলক্ষিত নহয়।




*চিত্ৰ- ৩.৬ ঃ পৃথিৱীৰ পৰিভ্ৰমণৰ ফলত হোৱা ঋতু পৰিৱৰ্তন*

ওপৰৰ চিত্ৰটিলৈ মন কৰাচোন। চিত্ৰত দেখুওৱাৰ দৰে পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে উপবৃত্তাকাৰ পথেৰে পৰিভ্ৰমণ কৰোঁতে অনবৰতে ইয়াৰ কক্ষতলৰ লগত ৬৬$^{1}/2^{\circ}$ কোণ কৰি আগবাঢ়ে। ফলত পৃথিৱীখন এটা নিৰ্দিষ্ট দিশত হেলনীয়া হৈ আগবাঢ়ে। পৃথিৱীখন এইদৰে হেলনীয়া হৈ ঘূৰি থকা বাবে বছৰৰ একোটা নিৰ্দিষ্ট সময়ত পৃথিৱীৰ উপৰিভাগৰ কোনো এটা গোলাৰ্ধ সূৰ্যৰ মুখামুখি হয়। অৰ্থাৎ সেই গোলাৰ্ধৰ কিছু অঞ্চলত সূৰ্যৰ ৰশ্মি পোনপটীয়াকৈ পৰে। ফলত এই গোলাৰ্ধত বায়ুমণ্ডলৰ উত্তাপ বাঢ়ে। আকৌ একে সময়তে আনটো গোলাৰ্ধত সূৰ্যৰ ৰশ্মি হেলনীয়াভাৱে পৰে। ফলত সেই কালছোৱাত এই গোলাৰ্ধত বায়ুমণ্ডলৰ উত্তাপ হ্ৰাস পায়। বায়ুমণ্ডলৰ উত্তাপৰ হ্ৰাস-বৃদ্ধিয়ে বায়ুৰ চাপ আৰু আৰ্দ্ৰতাৰো হ্ৰাস-বৃদ্ধি ঘটায়। ফলত বতৰৰ পৰিৱৰ্তন হয়। এইদৰেই সূৰ্যৰ ৰশ্মিৰ তীব্ৰতাৰ তাৰতম্যৰ ফলত পৃথিৱীৰ উপৰিভাগত ঋতুৰ পৰিৱৰ্তন হয়। তাপ, চাপ, আৰু আদ্ৰতাৰ ভিত্তিত বছৰটোক প্ৰধানকৈ গ্ৰীষ্ম, শৰৎ, শীত আৰু বসন্ত ঋতুত ভাগ কৰা হয়।

ওপৰৰ চিত্ৰত সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰি থকা অৱস্থাত পৃথিৱীৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰি থাকোঁতে ২১ জুন তাৰিখে সূৰ্যৰ ৰশ্মি কৰ্কট ক্ৰান্তিৰ ওপৰত পোনপটীয়াভাৱে পৰে আৰু এই অৱস্থাটোক **কৰ্কট সংক্ৰান্তি** বোলা হয়। সেইদিনা কৰ্কট ক্ৰান্তি আৰু ইয়াৰ উত্তৰে থকা ঠাইসমূহত বছৰটোৰ ভিতৰতে দিন আটাইতকৈ দীঘল আৰু ৰাতি আটাইতকৈ চুটি হয়। উক্ত সময়ছোৱাত উত্তৰ গোলাৰ্ধত গ্ৰীষ্মকাল হয়। আনহাতে এই সময়ছোৱাত দক্ষিণ গোলাৰ্ধত শীতকাল বিৰাজ কৰে। পৃথিৱী ইয়াৰ কক্ষপথেদি আগবাঢ়ি গৈ থাকোঁতে ২৩ ছেপ্টেম্বৰৰ দিনা পুনৰাই সূৰ্যৰ ৰশ্মি বিষুৱত লম্বভাৱে পৰে। এই দিনা গোটেই ধৰাপৃষ্ঠত দিন-ৰাতি সমান হয়। ইয়াকেই **জলবিষুৱ** (Autumnal Equinox) বোলে। আনহাতে পৃথিৱী আগবাঢ়ি গৈ থাকোঁতে ২২ ডিচেম্বৰৰ দিনা সূৰ্যৰ ৰশ্মি মকৰ ক্ৰান্তিত লম্বভাৱে পৰে। ইয়াকে **মকৰ সংক্ৰান্তি** বোলে। এই মকৰ সংক্ৰান্তিৰ সময়ত দক্ষিণ গোলাৰ্ধত গ্ৰীষ্মকাল আৰু উত্তৰ গোলাৰ্ধত শীতকাল হয়। দক্ষিণ গোলাৰ্ধত দিন দীঘল, ৰাতি চুটি আৰু উত্তৰ গোলাৰ্ধত ৰাতি দীঘল, দিন চুটি হয়। পুনৰ পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘূৰি থাকোঁতে ২১ মাৰ্চৰ দিনা সূৰ্যৰ ৰশ্মি বিষুৱ ৰেখাৰ ওপৰত লম্বভাৱে পৰে। এই সময়ত দুই গোলাৰ্ধত সূৰ্যৰ ৰশ্মি সমানে হেলনীয়া হৈ পৰে। এই দিনটোত সমগ্ৰ ধৰাপৃষ্ঠত দিন-ৰাতি সমান হয়। ইয়াকেই **মহাবিষুৱ** (Vernal Equinox) বোলে।

বাৰ্ষিক গতিৰ ফলত একোটা অঞ্চলত বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন ঋতু বিৰাজ কৰা দেখিবলৈ পোৱা যায়। ঋতুৰ পৰিবৰ্তনৰ বাবেই আমাৰ সাজ-পাৰ, খাদ্য আদিৰ পৰিবৰ্তন ঘটে। ঋতুৰ পৰিবৰ্তনৰ বাবে মানুহৰ উপৰি উদ্ভিদৰো যথেষ্ট পৰিবৰ্তন ঘটে। ঋতু অনুযায়ী মানুহে বিভিন্ন উৎসৱ-পাৰ্বণ আদি পালন কৰি আহিছে।

ক্ৰিয়াকলাপ ঃ

১। ঋতুৰ পৰিবৰ্তনৰ ফলত আমাৰ অঞ্চলত তলত দিয়া দিশসমূহত কোন ঋতুত কি কি পৰিবৰ্তন ঘটা দেখিবলৈ পাওঁ, লিখা।

ক) উদ্ভিদ খ) কৃষিকাৰ্য গ) সাজ-পাৰ ঘ) খাদ্য

২। আমাৰ অঞ্চলত বিভিন্ন ঋতুত পালন কৰা বিভিন্ন উৎসৱ-পাৰ্বণৰ নাম লিখা।

**মনত ৰাখিবলগীয়া কথা ঃ**

- পৃথিবীৰ গতি দুটা— আৱৰ্তন বা আহ্নিক গতি আৰু পৰিভ্ৰমণ বা বাৰ্ষিক গতি।
- পৃথিবীৰ আৱৰ্তনৰ সময় ২৪ ঘণ্টা, অৰ্থাৎ এদিন। আৱৰ্তনৰ ফলত দিন আৰু ৰাতি হয়।
- পৃথিবীখনত দিন আৰু ৰাতি হোৱা অংশ দুটা এটা কাল্পনিক বৃত্তই দুভাগ কৰিছে। এই বৃত্তটোক পোহৰ বৃত্ত বোলা হয়।
- পৃথিবীৰ বাৰ্ষিক গতিৰ সময় ৩৬৫ দিন আৰু প্ৰায় ৬ ঘণ্টা।
- পৃথিবীয়ে যিটো উপবৃত্তাকাৰ পথেৰে সূৰ্যৰ চাৰিওফালে ঘূৰে সেই পথটোক পৃথিবীৰ **কক্ষপথ** বোলে।
- পৃথিবীৰ বাৰ্ষিক গতিৰ ফলত ঋতু পৰিৱৰ্তন হয়।
- প্ৰতি চাৰি বছৰৰ মূৰে মূৰে ফেব্ৰুৱাৰী মাহত এদিন বঢ়াই ২৮ দিনৰ পৰিবৰ্তে ২৯ দিন গণনা কৰা হয়। এনেকৈ যিটো বছৰত এটা দিন বঢ়াই লোৱা হয় সেই বছৰটোক **অধিবৰ্ষ** বা **লিপ্ ইয়েৰ** বোলে।
- পৃথিৱী আৰু সূৰ্যৰ মাজৰ দূৰত্ব ৪ জুলাই তাৰিখত সবাতোকৈ বেছি হয়, সেয়াই **অপসূৰ** (Aphelion), আনহাতে পৃথিৱী আৰু সূৰ্যৰ মাজৰ দূৰত্ব ৩ জানুৱাৰী তাৰিখত সবাতোকৈ কম হয়, সেয়াই **অনুসূৰ** (Perihelion)।

**অনুশীলনী ঃ**

(১) তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া —

(ক) পৃথিবীৰ মেৰুদণ্ডডাল কক্ষতলৰ লগত কিমান ডিগ্ৰী কোণ কৰি আছে?

(খ) পৃথিবীয়ে নিজ কক্ষপথত সূৰ্যৰ চাৰিওফালে এপাক ঘূৰিবলৈ কিমান সময় লাগে?

(গ) পোহৰ বৃত্ত কাক বোলা হয়?

(ঘ) বছৰৰ কোন কোন তাৰিখত বিষুব ৰেখাৰ ওপৰত সূৰ্যৰ ৰশ্মি হেলনীয়াভাৱে পৰে?

(২) তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া—

(ক) আহ্নিক গতি আৰু বাৰ্ষিক গতি বুলিলে কি বুজা?

(খ) আহ্নিক গতিৰ ফলত পৃথিবীত দিন-ৰাতি কেনেকৈ হয় বুজাই লিখা।

(গ) অধিবৰ্ষ বুলিলে কি বুজা?

(ঘ) কৰ্কট সংক্ৰান্তি আৰু মকৰ সংক্ৰান্তিৰ পাৰ্থক্য বুজাই লিখা।

(ঙ) পৃথিবীৰ বাৰ্ষিক গতি নথকাহেঁতেন ধৰাপৃষ্ঠত কেনেধৰণৰ পৰিবেশ বিৰাজ কৰিলেহেঁতেন বুজাই লিখা।

(চ) পৃথিবীৰ কক্ষপথ বুলিলে কি বুজা? কক্ষপথৰ এটা চিত্ৰ আঁকি দেখুওৱা।

(৩) শুদ্ধ উত্তৰবোৰত (✓) চিহ্ন দিয়া—

(ক) পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘূৰা গতিটোৰ নাম কি?

(১) আহ্নিক গতি (২) মেৰুদণ্ড (৩) বাৰ্ষিক গতি

(খ) বিষুৱ ৰেখাত সূৰ্যৰ পোহৰ কোন তাৰিখত পোনে পোনে পৰে?

(১) ২১ মাৰ্চ (২) ২১ জুন (৩) ২২ ডিচেম্বৰ

(গ) পৃথিৱীৰ উপৰিভাগত ঋতু পৰিৱৰ্তন হোৱাৰ কাৰণ —

(১) বাৰ্ষিক গতি (২) আহ্নিক গতি (৩) এই দুটা দৈনিক গতিৰ এটাও নহয়

(ঘ) অধিবৰ্ষৰ মুঠ দিনৰ সংখ্যা হ'ল—

(১) ৩৬৫ দিন (২) ৩৬৬ দিন (৩) ৩৬৫ ১/২ দিন

(ঙ) মকৰ সংক্ৰান্তি হোৱা দিনটো হ'ল—

(১) ২৩ ছেপ্টেম্বৰ (২) ২১ মাৰ্চ (৩) ২২ ডিচেম্বৰ

(৪) খালী ঠাই পূৰ কৰা—

(ক) পৃথিৱীয়ে নিজ মেৰুদণ্ডৰ ওপৰত এপাক মৰা ঘূৰণকে ......................... বোলে।

(খ) পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে ঘূৰা পথটোক ..................... বোলে।

(গ) ................. ঋতুৰ সময়ত দিন আটাইতকৈ চুটি হয়।

(ঘ) পৃথিৱীৰ সোঁমাজেৰে উত্তৰ মেৰু আৰু দক্ষিণ মেৰু সংযোগ কৰা কাল্পনিক ৰেখাডালৰ নাম.............।

(ঙ) মকৰক্ৰান্তি বৃত্তটো পৃথিৱীৰ .................... গোলাৰ্ধত কল্পনা কৰা হৈছে।

(চ) পৃথিৱীয়ে ইয়াৰ কক্ষতলৰ লগত ......................... কোণ কৰি হেলনীয়া হৈ থাকে।

**************

# পাঠ নং ৪
# পৃথিৱীৰ প্ৰধান মণ্ডলসমূহ

3CTLQJ

**শিকনৰ ফলাফল ঃ**

- পৃথিৱীৰ প্ৰধান মণ্ডল কেইটাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- স্থলমণ্ডলৰ বিষয়ে জানিব পাৰিব।
- স্থলমণ্ডলৰ ভাগ — মহাদেশকেইখনৰ বিষয়ে জানিব পাৰিব।
- জলমণ্ডলৰ ভাগ — মহাসাগৰকেইখনৰ বিষয়ে জানিব পাৰিব।
- বায়ুমণ্ডলৰ বিষয়ে জ্ঞান লাভ কৰিব।
- জীৱ মণ্ডল সম্পৰ্কে ধাৰণা লাভ কৰিব।


তোমালোকে ইতিমধ্যে প্ৰথম পাঠত পাই আহিছা যে পৃথিৱীয়েই হ'ল সৌৰজগতৰ একমাত্ৰ গ্ৰহ য'ত জীৱই বসবাস কৰে। জীৱৰ বসবাসৰ বাবে প্ৰয়োজনীয় উপাদানসমূহ হ'ল - বায়ু, পানী, মাটি, তাপ আৰু পোহৰ। ইয়াৰ ভিতৰত আমি সূৰ্যৰপৰা তাপ আৰু পোহৰ পাওঁ। আন তিনিটা উপাদান— বায়ু, পানী আৰু মাটি আমাৰ পৃথিৱীতে পোৱা যায়।

পৃথিৱীৰ উপৰিভাগ বা ভূপৃষ্ঠ এটি জটিল অঞ্চল। বায়ু, পানী, মাটি আৰু তাপ, পৰিৱেশৰ এই চাৰিটা প্ৰধান প্ৰাকৃতিক উপাদানে এই ধৰাপৃষ্ঠতে গাত গা লগাই আছে। ভূপৃষ্ঠক স্থলভাগ আৰু জলভাগ হিচাপে দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। পৃথিৱীৰ উপৰিভাগৰ কঠিন অংশ য'ত আমি বসবাস কৰো তাকে স্থলভাগ বা **স্থলমণ্ডল** বোলা হয়। পৃথিৱীৰ উপৰিভাগৰ এই অংশটো শিল, মাটি, বোকা, আদি তুলনামূলকভাৱে কঠিন উপাদানেৰে গঠিত। পৃথিৱীৰ উপৰিভাগৰ বিস্তীৰ্ণ দ অংশবোৰত পানী জমা হৈ থাকে। পানীৰে ভৰি থকা সেই অংশবোৰক জলভাগ বা **জলমণ্ডল** বোলে। আমি বাস কৰা পৃথিৱীখনক আবৰি থকা গেছীয় আৱৰণটোক **বায়ুমণ্ডল** বুলি কোৱা হয়। বায়ুমণ্ডলত নাইট্ৰ'জেন, অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড আদি বিভিন্ন গেছ পোৱা যায়। মানুহকে ধৰি বিভিন্ন জীৱ-জন্তু বসবাস কৰা স্থলমণ্ডল, জলমণ্ডল আৰু বায়ুমণ্ডলক একেলগে সামৰি লৈ **জীৱমণ্ডল** বুলি কোৱা হয়।

## স্থলভাগ বা স্থলমণ্ডল ঃ

পৃথিৱীৰ উপৰিভাগৰ গোটা বা কঠিন অংশকে **স্থলভাগ** বোলা হয়। পৃথিৱীৰ খোলাটোত থকা বিভিন্ন প্ৰকাৰৰ শিলা আৰু জীৱৰ জীৱন-ধাৰণৰ বাবে প্ৰয়োজনীয় খাদ্য দ্ৰব্য যোগান ধৰা মাটিৰ তৰপ বা স্তৰটোৰে এই অংশ গঠিত। স্থলভাগৰ একো একোটা বৃহৎ খণ্ডক **মহাদেশ** (Continent) আনহাতে বিশাল পানীভাগৰ একো একোটা বৃহৎ খণ্ডক **মহাসাগৰ** (Ocean) বুলি কোৱা হয়। পৃথিৱীৰ আটাইকেইখন মহাসাগৰ ইখনৰ লগত সিখন সংলগ্ন হৈ আছে। মানচিত্ৰ -৪.১ অথবা গোলক এটা ভালদৰে চোৱাচোন, মহাসাগৰবোৰ সংলগ্ন হৈ থকা নাইনে?


স্থলভাগৰ উচ্চতা পৃথিৱীৰ সকলো ঠাইতে সমান নহয়। স্থলভাগৰ উচ্চতা কেনেকৈ নিৰ্ণয় কৰা হয় জানানে? সাগৰ পৃষ্ঠৰ গড় উচ্চতাৰপৰা স্থলভাগৰ উচ্চতা নিৰ্ণয় কৰা হয়। তোমালোকে নিশ্চয় জানা যে পৃথিৱীৰ উচ্চতম পৰ্বত শৃংগ মাউণ্ট এভাৰেষ্টৰ উচ্চতা ৮,৮৪৮ মিটাৰ। শৃংগটোৰ এই উচ্চতা সাগৰপৃষ্ঠৰ তুলনাত নিৰ্ণয় কৰা হৈছে।




*চিত্ৰ- ৪.১ ঃ পৃথিৱীৰ মহাদেশ আৰু মহাসাগৰবোৰ*

প্ৰশান্ত মহাসাগৰৰ বুকুত থকা মেৰিয়ানা খাতৰ গভীৰতা ১১,০২২ মিটাৰ। এই যে স্থলভাগত থকা আটাইতকৈ উচ্চ অংশ — মাউণ্ট এভাৰেষ্টতকৈ জলভাগৰ বুকুত থকা আটাইতকৈ গভীৰ অংশ মেৰিয়ানাখাতৰ জোখ বেছি— এই কথাটো তোমালোকে বাৰু অনুমান কৰিব পাৰিছানে? কাষৰ চিত্ৰ - ৪.২ চাই অনুমান কৰা।

এতিয়া মাউণ্ট এভাৰেষ্টৰ উচ্চতম বিন্দু আৰু মেৰিয়ানা খাতৰ নিম্নতম বিন্দুৰ মাজত উচ্চতা আৰু নিম্নতাৰ পাৰ্থক্য অৰ্থাৎ পৃথিৱীৰ খলা–বমাৰ পাৰ্থক্য কিমান হ'ব কাষৰ চিত্ৰখনৰ আধাৰত গণনা কৰি উলিওৱা।




*চিত্ৰ - ৪.২*

**ক্ৰিয়াকলাপ ঃ**

তলত দিয়া খালী বাকচসমূহত পৃথিৱীৰ মণ্ডলসমূহৰ নাম লিখা—



### মহাদেশ (Continent)ঃ

পৃথিবীৰ প্ৰধান মহাদেশ সাতখন। এই মহাদেশবোৰ হ'ল— এছিয়া, ইউৰোপ, আফ্ৰিকা, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, ওচেনিয়া আৰু এণ্টাৰ্কটিকা বা কুমেৰু মহাদেশ। বিশাল জলভাগে এই মহাদেশবোৰৰ কেইখনমানক ইখনৰপৰা সিখনক পৃথক কৰিছে। মানচিত্ৰ -৪.১ ভালদৰে মন কৰিলে দেখিবা যে পৃথিৱীৰ মুঠ স্থলভাগৰ অধিক অংশই উত্তৰ গোলাৰ্ধত পৰে।

আটাইতকৈ ডাঙৰ মহাদেশখন হ'ল **এছিয়া**। পৃথিৱীৰ মুঠ মাটিভাগৰ ১/৩ অংশ এই মহাদেশখনতে আছে। এই মহাদেশখনৰ অধিক অংশ উত্তৰ গোলাৰ্ধত অৱস্থিত। মহাদেশখনৰ দক্ষিণ অংশৰ মাজেৰে পুবা-পশ্চিমাকৈ কৰ্কট ক্ৰান্তি ৰেখা পাৰ হৈ গৈছে। এই মহাদেশতে থকা আমাৰ দেশ ভাৰতৰ উত্তৰে হিমালয় পৰ্বতমালা অৱস্থিত। এছিয়াৰ উত্তৰ-পশ্চিম অংশত উত্তৰা-দক্ষিণাকৈ য়ুৰাল পৰ্বতমালা আছে। এই পৰ্বতমালাৰ পশ্চিমে যি বিশাল স্থলভাগ আছে তাকে ইউৰোপ মহাদেশ বোলে। এই পৰ্বতমালাই মহাদেশ দুখন পৃথক কৰিছে।

**ইউৰোপ** মহাদেশখন এছিয়া মহাদেশতকৈ ভালেখিনি সৰু। এই মহাদেশখন এছিয়া মহাদেশৰ পশ্চিমে অৱস্থিত। মহাদেশখনৰ উত্তৰ অংশৰ মাজেৰে পুবা-পশ্চিমাকৈ সুমেৰু বৃত্ত পাৰ হৈ গৈছে। এই মহাদেশ তিনিওফালে পানীৰে আগুৰা।

এছিয়াৰ পাছতেই দ্বিতীয় সৰ্ববৃহৎ মহাদেশ হ'ল **আফ্ৰিকা**। বিষুৱ ৰেখা মহাদেশখনৰ প্ৰায় সোঁমাজেদি পাৰ হৈ গৈছে। গতিকে এই মহাদেশখন উত্তৰ আৰু দক্ষিণ দুয়োটা গোলাৰ্ধতে সমানভাৱে বিস্তৃত হৈ আছে। পৃথিৱীৰ মানচিত্ৰখন ভালদৰে মন কৰিলে দেখিবা যে কেৱল এইখন মহাদেশৰ মাজেদিয়েই কৰ্কট ক্ৰান্তি ৰেখা, বিষুৱ ৰেখা আৰু মকৰ ক্ৰান্তি ৰেখা পাৰ হৈ গৈছে। বিষুৱীয় অঞ্চলত অৱস্থিত হোৱা বাবে আফ্ৰিকা মহাদেশৰ জলবায়ু তুলনামূলকভাৱে অধিক উষ্ণ। পৃথিৱীৰ সৰ্ববৃহৎ উষ্ণ মৰুভূমি **ছাহাৰা** আফ্ৰিকাতেই অৱস্থিত। আফ্ৰিকা মহাদেশক চাৰিওফালে কেইবাখনো সাগৰ-মহাসাগৰে আগুৰি আছে। পৃথিৱীৰ আটাইতকৈ দীঘল নদী— **নীল** নদী আফ্ৰিকা মহাদেশতে আছে।

পৃথিৱীৰ তৃতীয় বৃহত্তম মহাদেশ হ'ল- **উত্তৰ আমেৰিকা**। এটি বৰ ঠেক ভূখণ্ডেৰে এই মহাদেশখন দক্ষিণ আমেৰিকাৰ লগত লগ লাগি আছে। এই ঠেক ভূখণ্ডক পানামা যোজক বুলি কোৱা হয়। এই মহাদেশখন সম্পূৰ্ণৰূপে উত্তৰ গোলাৰ্ধত অৱস্থিত। ৰকি পৰ্বতমালা উত্তৰ আমেৰিকাৰ উল্লেখযোগ্য পৰ্বতমালা। মহাদেশখনক তিনিখন মহাসাগৰে আগুৰি আছে। উত্তৰ আমেৰিকাক আগুৰি থকা মহাসাগৰ কেইখনৰ নাম মানচিত্ৰ -১ত চাই লোৱাচোন।

**দক্ষিণ আমেৰিকাৰ** অধিক অংশই দক্ষিণ গোলাৰ্ধত পৰিছে। পৃথিৱীৰ দীৰ্ঘতম পৰ্বতমালা **এণ্ডিজ** এই মহাদেশৰ পশ্চিম ফালেদি উত্তৰা-দক্ষিণাকৈ বিস্তৃত হৈ আছে। এই মহাদেশৰ উত্তৰ অংশৰ মাজেৰে পৃথিৱীৰ আটাইতকৈ বহল নদী **আমাজান** পশ্চিমৰপৰা পূবলৈ বৈ গৈছে।

**জানি থওঁ আহা ঃ**

- দুই বহল জলভাগক লগ কৰা ঠেক জলভাগক **প্ৰণালী** (strait) বোলে। যেনে - পক্ প্ৰণালী, (চিত্ৰ-৪.৩(ক)।
- দুই বহল স্থলভাগক লগ কৰা ঠেক স্থলভাগক **যোজক** (isthmus) বোলে। যেনে- পানামা যোজক, (চিত্ৰ- ৪.৩(খ)।




চিত্ৰ - ৪.৩ (ক) ঃ প্ৰণালী দেখুওৱা মানচিত্ৰ




চিত্ৰ - ৪.৩ (খ) ঃ যোজক দেখুওৱা মানচিত্ৰ

পৃথিৱীৰ মহাদেশবোৰৰ ভিতৰত **ওচেনিয়া** আটাইতকৈ সৰু মহাদেশ। এই মহাদেশখন সম্পূৰ্ণৰূপে দক্ষিণ গোলাৰ্ধত পৰে। ইয়াৰ চাৰিওপিনে সাগৰ-মহাসাগৰে আগুৰি আছে। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড হ'ল ওচেনিয়া মহাদেশৰ দুটা প্ৰধান ভূখণ্ড। চাৰিওফালে পানীয়ে আগুৰি থকা বাবে ওচেনিয়াৰ ঘাই দ্বীপ অষ্ট্ৰেলিয়াক **দ্বীপ মহাদেশ** বুলিও কোৱা হয়।

**এণ্টাৰ্কটিকা** বা **কুমেৰু মহাদেশ** সম্পূৰ্ণৰূপে দক্ষিণ গোলাৰ্ধত অৱস্থিত। এই মহাদেশখনৰ প্ৰায় সোঁমাজতে কুমেৰু বিন্দু পৰিছে। যিহেতু এই মহাদেশখন দক্ষিণ মেৰু অঞ্চলত অৱস্থিত গতিকে ই সদায়েই বৰফেৰে ঢাক খাই থাকে। ইয়াত মানুহৰ কোনো স্থায়ী বসতি নাই। পৃথিৱীৰ বহু দেশে বৰফে ঢকা এই মহাদেশত গৱেষণা কেন্দ্ৰ স্থাপন কৰিছে। এণ্টাৰ্কটিকা বা কুমেৰু মহাদেশত আমাৰ দেশৰো তিনিটা গৱেষণা কেন্দ্ৰ আছে ক্ৰমে দক্ষিণ গংগোত্ৰী, মৈত্ৰী আৰু ভাৰতী। ইয়াৰে মৈত্ৰী আৰু গংগোত্ৰী হে বৰ্তমান কাৰ্যক্ষম হৈ আছে। এই স্থলভাগত মানুহৰ স্থায়ী বসতি নথকা বাবে ইয়াক বহুতো লোকে মহাদেশ বুলিব নোখোজে।

**ক্ৰিয়াকলাপ ঃ**

(১) ভূচিত্ৰাৱলী চাই দলত আলোচনা কৰি লিখা —

(ক) পৃথিৱীৰ প্ৰধান মহাদেশ কেইখন আৰু কি কি?

(খ) বিষুৱ ৰেখা, কৰ্কট ক্ৰান্তি আৰু মকৰ ক্ৰান্তি ৰেখা তিনিডাল কোনখন মহাদেশৰ মাজেৰে পাৰ হৈ গৈছে?

(গ) পানামা যোজকে কোন কোন মহাদেশক লগ লগাইছে?

(২) উত্তৰ দিয়া —

(ক) পৃথিৱীৰ দীৰ্ঘতম পৰ্বতমালাৰ নাম কি?

(খ) পৃথিৱীৰ আটাইতকৈ ডাঙৰ মৰুভূমি কোনখন?

(গ) পৃথিৱীৰ আটাইতকৈ দীঘল নদীখনৰ নাম কি?

(ঘ) পৃথিৱীৰ আটাইতকৈ বহল নদীখনৰ নাম কি?

(ঙ) পৃথিৱীৰ আটাইতকৈ ডাঙৰ মহাদেশখনৰ নাম কি?

## জলমণ্ডল (Hydrosphere)ঃ

প্ৰায় তিনি-চতুৰ্থাংশ ঠাই পানীয়ে আগুৰি থকা আমাৰ পৃথিৱীখনক এটি নীলা গ্ৰহ বুলিও কোৱা হয়। পৃথিৱীৰ উপৰিভাগৰ শতকৰা ৭১ ভাগৰো বেছি অংশ পানী। সাগৰ-মহাসাগৰ, নদী আৰু হ্ৰদ আদিৰ বোঁৱতী পানী ভাগ, হিমবাহবোৰত থকা বৰফ, ভূগৰ্ভত থকা পানীভাগ; বায়ুমণ্ডলত থকা জলীয় ভাপ— এই সকলোবোৰ লগ লাগি **জলমণ্ডল** গঠিত হৈছে।

পৃথিৱীৰ মুঠ জলৰ ৯৭% ভাগ সাগৰ-মহাসাগৰত আছে আৰু এই জল মানুহৰ ব্যৱহাৰৰ বাবে অনুপযোগী, কাৰণ এই জল বৰ লুণীয়া। বাকীখিনি জলৰ বেছিভাগ ভূগৰ্ভৰ পানী আৰু বৰফৰ ৰূপত পোৱা যায়। মুঠ পানীৰ এটি সামান্য অংশহে মানুহে ব্যৱহাৰ কৰিব পৰা পৰিষ্কাৰ পানী। এই সামান্য পৰিমাণৰ ব্যৱহাৰযোগ্য পানীখিনিও মানুহে বিবেচনাহীন ভাবে অপচয় কৰা দেখা গৈছে। তদুপৰি কল-কাৰখানাৰপৰা নিৰ্গত ৰাসায়নিক পদাৰ্থ, খেতি পথাৰত ব্যৱহাৰ কৰা কীট-নাশক দ্ৰব্য, ঘৰুৱা কাম-কাজ আদিৰ জৰিয়তে ব্যৱহাৰযোগ্য পানীখিনি প্ৰদূষিত কৰিছো। আনহাতে ভূগৰ্ভত সঞ্চিত পানী অত্যধিক উত্তোলনৰ ফলত ঠায়ে-ঠায়ে ভূগৰ্ভৰ পানীৰ নাটনি হ'বলৈ ধৰিছে। এনে কাৰ্য মানৱ জাতিৰ বাবে বিপদজনক নহয়নে?




*চিত্ৰ-৪.৪ঃ পৃথিৱীৰ মুঠ জলভাগৰ বিতৰণ*

> **ক্ৰিয়াকলাপ ঃ**
>
> (১) পানী আমি কি দৰে অপচয় কৰো, কেইটামান উদাহৰণ দিয়া।
>
> (২) পৃথিৱীত ব্যৱহাৰযোগ্য পানীৰ নাটনিয়ে মানৱ সমাজলৈ কি কি বিপদ মাতি আনিব পাৰে, দলত আলোচনা কৰি এটি টোকা লিখা।

## মহাসাগৰ (Ocean) ঃ


জলমণ্ডলৰ প্ৰধান অংশ হ'ল মহাসাগৰবোৰ। এই মহাসাগৰবোৰ ইখনৰ লগত সিখন সংলগ্ন হৈ আছে। পৃথিৱীৰ মহাসাগৰ পাঁচখন হ'ল— **প্ৰশান্ত মহাসাগৰ, আটলাণ্টিক মহাসাগৰ, ভাৰত মহাসাগৰ, উত্তৰ মহাসাগৰ** আৰু **দক্ষিণ মহাসাগৰ**। মহাসাগৰৰ পানীভাগ সদায় গতিশীল। মহাসাগৰবোৰত আমি প্ৰধানকৈ তিনি প্ৰকাৰৰ গতি বা চলন দেখিবলৈ পাওঁ। সেইবোৰ হ'ল— ঢৌ, জোঁৱাৰ-ভাটা আৰু সাগৰীয় সোঁত।

**প্ৰশান্ত মহাসাগৰ** পৃথিৱীৰ বৃহত্তম আৰু গভীৰতম মহাসাগৰ। পৃথিৱীৰ উপৰিভাগৰ তিনিভাগৰ এভাগ ই অধিকাৰ কৰি আছে। এই মহাসাগৰত **মেৰিয়ানা খাত** অৱস্থিত। পৃথিৱীৰ দ্বিতীয় বৃহত্তম মহাসাগৰখন হ'ল— **আটলাণ্টিক মহাসাগৰ**। এই মহাসাগৰখনৰ আকৃতি প্ৰায় ইংৰাজী 'S' আখৰটোৰ দৰে। ইয়াৰ পশ্চিমত উত্তৰ আৰু দক্ষিণ আমেৰিকা আৰু পূবত ইউৰোপ আৰু আফ্ৰিকা মহাদেশ। এই মহাসাগৰৰ ভগ্ন উপকূল ৰেখাই প্ৰাকৃতিক বন্দৰ আৰু পোতাশ্ৰয়ৰ বাবে উপযুক্ত সুবিধা প্ৰদান কৰিছে। ব্যৱসায়-বাণিজ্যৰ দিশৰপৰা এই মহাসাগৰখন আটাইতকৈ ব্যস্ত। **ভাৰত মহাসাগৰেই** একমাত্ৰ মহাসাগৰ যিখন মহাসাগৰৰ নাম এখন দেশৰ নামেৰে ৰখা হৈছে। এই মহাসাগৰখন ত্ৰিভূজ আকৃতিৰ। ইয়াৰ উত্তৰ দিশত এছিয়া, পশ্চিমত আফ্ৰিকা আৰু পূবত অষ্ট্ৰেলিয়া অৱস্থিত।

**উত্তৰ মহাসাগৰ** উত্তৰ মেৰু বৃত্তৰ ভিতৰত অৱস্থিত। এই মহাসাগৰক বেৰিং প্ৰণালীয়ে প্ৰশান্ত মহাসাগৰৰ লগত সংলগ্ন কৰিছে। উত্তৰ মহাসাগৰৰ অধিকাংশ জলভাগ সাধাৰণতে বছৰটোৰ প্ৰায়ভাগ সময় বৰফ হৈ থাকে। এণ্টাৰ্কটিকা বা কুমেৰু মহাদেশৰ চাৰিওফালে যি জলভাগ আছে তাকেই দক্ষিণ মহাসাগৰ বোলা হয়। ৬০° অক্ষাংশৰ দক্ষিণে অৱস্থিত বৰফে আবৰা দক্ষিণ মহাসাগৰৰ জলভাগ বিভিন্ন সাগৰীয় প্ৰাণীৰ বিচৰণ ভূমি। বৰ্তমান উন্নত দেশসমূহৰ গৱেষকসকলৰ বাবে এই মহাসাগৰ গৱেষণাৰ স্থল হৈ পৰিছে।

**ক্রিয়াকলাপ ঃ**

তলৰ মানচিত্ৰখনত মহাসাগৰসমূহৰ অৱস্থান দেখুৱাই বাকচত মহাসাগৰৰ বিপৰীতে থকা সংখ্যাবোৰ লিখা -



*চিত্ৰ-৪.৫ ঃ মহাসাগৰৰ অৱস্থান*

মহাসাগৰসমূহ মাছকে ধৰি অনেক প্ৰাণীৰ বাসস্থান। ইয়াৰ উপৰি মহাসাগৰসমূহৰ তলিত অনেক বিচিত্ৰ উদ্ভিদো পোৱা যায়। তোমালোকে টেলিভিজনত নিশ্চয় মহাসাগৰৰ তলি সম্বন্ধে তথ্যচিত্ৰ দেখিছা। ই অতি আমোদজনক নহয়নে? আনহাতে ভূমিকম্প, আগ্নেয়গিৰি উদ্‌গিৰণৰ উপৰি চুনামী, মহাসাগৰীয় সোঁত আদি বিভিন্ন কাৰ্যৰ উৎস হ'ল এই মহাসাগৰসমূহ। স্থলভাগৰ জলবায়ু নিয়ন্ত্ৰণত মহাসাগৰসমূহে বিশেষ ভূমিকা পালন কৰে। মুঠতে বিচিত্ৰতাৰে ভৰা মহাসাগৰসমূহৰ বিষয়ে আৰু বহু কথা জানিবলগীয়া আছে। তোমালোকে সেইবোৰ জানিবলৈ চেষ্টা কৰিবাহঁক।

**বায়ুমণ্ডল (Atmosphere) ঃ**

এটি গেছীয় বা বায়বীয় আৱৰণে পৃথিৱীখন আগুৰি আছে, ইয়াকে **বায়ুমণ্ডল** বুলি কোৱা হয়। বায়ুৰ এই আৱৰণটো, পৃথিৱীৰ এটি অতি দৰকাৰী আৰু এৰাব নোৱাৰা অংগ। ই আমাৰ শ্বাস-প্ৰশ্বাসৰ বাবে প্ৰয়োজনীয় বায়ুৰ যোগান ধৰে। আনহাতে, ই সূৰ্যৰপৰা বিকিৰিত অতি বেঙুনীয়া ৰশ্মিৰ কুপ্ৰভাৱৰপৰা জীৱ জগতক ৰক্ষা কৰে।

পৃথিৱীৰ উপৰিভাগৰপৰা মোটামোটিভাৱে বায়ুমণ্ডল প্ৰায় ১৬০০ কিল'মিটাৰ উচ্চতা পৰ্যন্ত প্ৰসাৰিত হৈ আছে। উষ্ণতা, গেছৰ উপস্থিতি আৰু আন কিছুমান বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বায়ুমণ্ডলক চাৰিটা স্তৰত ভাগ কৰা হৈছে। ভূপৃষ্ঠৰপৰা আৰম্ভ কৰি স্তৰবোৰৰ নাম ক্ৰমে— **ট্ৰপ'স্ফিয়েৰ, ষ্ট্ৰেট'স্ফিয়েৰ, মেছ'স্ফিয়েৰ** আৰু **থাৰ্ম'স্ফিয়েৰ**। থাৰ্ম'স্ফিয়েৰৰ তলৰ অংশক আয়ন'স্ফিয়েৰ আৰু ওপৰ অংশক এক্স'স্ফিয়েৰ বোলা হয়।

বায়ুমণ্ডল মুখ্যতঃ নাইট্ৰ'জেন আৰু অক্সিজেন গেছেৰে গঠিত। গাইগুটীয়াকৈ চাবলৈ গ'লে ৭৮% নাইট্ৰ'জেন, ২১% অক্সিজেন আৰু বাকী ১% কাৰ্বন-ডাই-অক্সাইড, আৰ্গন আৰু আন আন গেছেৰে বায়ুমণ্ডল গঠিত। জীৱই জীয়াই থকাৰ বাবে উশাহত বায়ুমণ্ডলৰপৰা অক্সিজেন গেছ আহৰণ কৰে। আনহাতে বায়ুমণ্ডলত থকা কাৰ্বন-ডাই-অক্সাইড গেছ উদ্ভিদে খাদ্য প্ৰস্তুত কৰাৰ বাবে গ্ৰহণ কৰে। কাৰ্বন-ডাই-অক্সাইডৰ আন এটা গুৰুত্বপূৰ্ণ ভূমিকা হ'ল – পৃথিৱীয়ে বিকিৰণ কৰা তাপ ই শোষণ কৰে। কল-কাৰখানা, যান-বাহন আদিৰপৰা নিৰ্গত কাৰ্বন-ডাই-অক্সাইড বায়ুত মিহলি হোৱাৰ ফলত বায়ুত এই গেছৰ পৰিমাণ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। ফলত ই অধিক পৰিমাণে তাপ শোষণ কৰিবলৈ লৈছে আৰু ই বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধিত অৰিহণা যোগাইছে।

সাগৰপৃষ্ঠত বায়ুৰ ঘনত্ব আটাইতকৈ বেছি। ইয়াৰপৰা যিমানে ওপৰলৈ যোৱা যায় বায়ুমণ্ডলৰ ঘনত্ব সিমানেই কমি যায়। তোমালোকে বাৰু জানানে যে - পৰ্বতৰ ওপৰত বায়ুৰ ঘনত্ব কম বাবে পৰ্বত আৰোহণকাৰীসকলে তাত উশাহ-নিশাহ লোৱাত কষ্ট পায়। সেয়েহে তেওঁলোকে অক্সিজেন গেছৰ চিলিণ্ডাৰ লগত লৈ যায়। আমি যিমানে ওপৰলৈ যাওঁ বায়ুমণ্ডলৰ ঘনত্বৰ নিচিনাকৈ উষ্ণতাও কিছু দূৰলৈ কমি যায়। তোমালোকে নিশ্চয় জানা যে বায়ুৰ চাপ আছে। এই চাপ সকলো ঠাইতে সমান নহয়। কিছুমান ঠাইত উচ্চ চাপ আৰু কিছুমান ঠাইত নিম্ন চাপ দেখা যায়। উচ্চ চাপ থকা অঞ্চলৰপৰা বায়ু নিম্ন চাপ থকা অঞ্চললৈ গতি কৰে। এইদৰে চলাচল কৰা বায়ুকে আমি **বতাহ** বুলি কওঁ। **বায়ুমণ্ডলৰ নিম্নস্তৰ — ট্ৰপ'স্ফিয়েৰতেই মেঘ, বৰষুণ আৰু বতাহ আদিৰ সৃষ্টি হয়।**

### জীৱমণ্ডল (Biosphere) ঃ

**মাটি, পানী আৰু বায়ু** — এই তিনিটা প্ৰধান প্ৰাকৃতিক উপাদান গুচৰা উচৰিকৈ থাকি জীৱ বৰ্তি থাকিবপৰা পৰিৱেশ সৃষ্টি কৰা মণ্ডলটোক **জীৱমণ্ডল** বোলে। অতি ক্ষুদ্ৰ ক্ষুদ্ৰ অনুজীৱ, বেক্টেৰীয়া আদিৰপৰা বৃহৎ আকাৰৰ স্তন্যপায়ী প্ৰাণীবোৰলৈ বিভিন্ন প্ৰকাৰৰ জীৱ এই মণ্ডলত বাস কৰে, (চিত্ৰ-৪.৬)। বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ যেনে — ভূমিকম্প, বানপানী, আগ্নেয়গিৰি আদিৰ বাবে পৃথিৱীৰ উপৰিভাগলৈ চকুত লগা পৰিবৰ্তন আহিব পাৰে।




*চিত্ৰ- ৪.৬ ঃ জীৱমণ্ডল*

জীৱ মণ্ডলত থকা জীৱবোৰক দুটা বহল ভাগত ভাগ কৰিব পাৰি — **উদ্ভিদ জগত** আৰু **প্ৰাণী জগত**। এই উদ্ভিদ জগত আৰু প্ৰাণী জগতৰ মাজত ইটোৱে সিটোক কিবা নহয় কিবা প্ৰকাৰে প্ৰভাৱান্বিত কৰে। গছ কাটিলে বা কৃষিকাৰ্যৰ বাবে অৰণ্যভূমি পৰিষ্কাৰ কৰিলে ভূমি ক্ষয় হয়। আনহাতে অৰণ্যত থকা প্ৰাণীৰ বাসস্থানৰো অভাৱ হয়। অপৰিকল্পিতভাৱে ঘৰ-দুৱাৰ, কল-কাৰখানা, নদীবান্ধ আদিৰ নিৰ্মাণে জীৱমণ্ডলৰ অন্তৰ্গত বায়ু, পানী আৰু মাটি প্ৰদূষিত কৰে। বায়ুৰ এটি গুৰুত্বপূৰ্ণ উপাদান হ'ল **কাৰ্বন-ডাই-অক্সাইড**। কিন্তু, এইবিধ গেছৰ পৰিমাণ বৃদ্ধিয়ে গোটেই পৃথিৱীতে তাপ বৃদ্ধি কৰে। এনে কাৰ্যৰ ফলত ধৰাপৃষ্ঠত তাপ বৃদ্ধি হোৱাকে **গোলকীয় উষ্ণতা বৰ্ধন** (Global Warming) বুলি কোৱা হয়। সেইবাবে পৃথিৱীৰ সম্পদসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত আমি সচেতন হ'ব লাগিব, তেতিয়াহে স্থলমণ্ডল, জলমণ্ডল, বায়ুমণ্ডল আৰু জীৱমণ্ডলৰ মাজত ভাৰসাম্য ৰক্ষা হ'ব আৰু পৃথিৱীখন জীৱৰ বসবাসৰ বাবে উপযোগী হৈ থাকিব।

**মনত ৰাখিবলগীয়া কথা ঃ**

- পৃথিৱীৰ চাৰিটা মণ্ডল হৈছে— স্থলমণ্ডল, জলমণ্ডল, বায়ুমণ্ডল আৰু জীৱমণ্ডল।
- পৃথিৱীৰ গভীৰতম অংশ প্ৰশান্ত মহাসাগৰৰ তলিভাগত থকা মেৰিয়ানা খাত আৰু ইয়াৰ গভীৰতা ১১,০২২ মিটাৰ।
- পৃথিৱীৰ মহাদেশ সাতখন। এছিয়া, ইউৰোপ, আফ্ৰিকা, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, ওচেনিয়া আৰু এণ্টাৰ্কটিকা বা কুমেৰু মহাদেশ।
- আটাইতকৈ ডাঙৰ মহাদেশখন হ'ল এছিয়া আৰু আটাইতকৈ সৰু মহাদেশখন হ'ল ওচেনিয়া।
- পৃথিৱীৰ উপৰিভাগৰ শতকৰা ৭১ ভাগৰো অধিক পানী আৰু শতকৰা ২৯ ভাগতকৈ কম ঠাই মাটিয়ে আগুৰি আছে।
- পৃথিৱীৰ মহাসাগৰ কেইখন হ'ল— প্ৰশান্ত মহাসাগৰ, আটলাণ্টিক মহাসাগৰ, ভাৰত মহাসাগৰ, উত্তৰ মহাসাগৰ আৰু দক্ষিণ মহাসাগৰ।
- প্ৰশান্ত মহাসাগৰ পৃথিৱীৰ বৃহত্তম আৰু গভীৰতম মহাসাগৰ।
- পৃথিৱীৰ উপৰিভাগৰপৰা প্ৰায় ১৬০০ কি. মি. দূৰলৈ বায়ুমণ্ডল প্ৰসাৰিত হৈ আছে।
- বায়ুমণ্ডলক চাৰিটা স্তৰত ভাগ কৰা হৈছে। ভূপৃষ্ঠৰপৰা আৰম্ভ কৰি স্তৰবোৰ হ'ল- ট্ৰপ'স্ফিয়েৰ, ষ্ট্ৰেট'স্ফিয়েৰ, মেছ'স্ফিয়েৰ আৰু থাৰ্মস্ফিয়েৰ।

**অনুশীলনী ঃ**

(১) তলৰ প্ৰশ্নবোৰৰ উত্তৰ চমুকৈ লিখা —

(ক) পৃথিৱীৰ প্ৰধান চাৰিটা মণ্ডল কি কি?

(খ) পৃথিৱীৰ মহাদেশবোৰৰ নাম কি কি?

(গ) সম্পূৰ্ণৰূপে দক্ষিণ গোলাৰ্ধত পৰা মহাদেশখনৰ নাম কি?

(ঘ) বায়ুমণ্ডলৰ বিভিন্ন স্তৰবোৰৰ নাম কি কি?

(ঙ) জীৱৰ বাবে বায়ুমণ্ডল কিয় প্ৰয়োজনীয়?

(চ) মহাসাগৰসমূহৰ নাম কি কি?

(ছ) জীৱ মণ্ডলত মানুহে কি কি পৰিবৰ্তন সাধন কৰিছে?

(২) শুদ্ধ উত্তৰটোত ✓ চিন দিয়া—

(ক ) এছিয়া মহাদেশৰপৰা ইউৰোপক পৃথক কৰা পৰ্বতমালা—

(১) এণ্ডিজ (২) হিমালয় (৩) য়ুৰাল

(খ) শতকৰা হিচাপত বায়ুমণ্ডলত আটাইতকৈ বেছিকৈ থকা উপাদানবিধ—

(১) নাইট্ৰ'জেন (২) অক্সিজেন (৩) কাৰ্বন-ডাই-অক্সাইড

(গ) কঠিন শিলাৰে গঠিত পৃথিৱীৰ প্ৰধান মণ্ডলটো—

(১) বায়ুমণ্ডল (২) জলমণ্ডল (৩) স্থলমণ্ডল

(ঘ) আটাইতকৈ বৃহৎ মহাদেশখন হ'ল—

(১) আফ্ৰিকা (২) এছিয়া (৩) ওচেনিয়া

(৩) জীৱমণ্ডলত জীৱৰ বসবাসৰ উপযোগী পৰিৱেশ ৰক্ষা কৰিবলৈ আমি কি কৰা উচিত? দলত আলোচনা কৰি লিখা।

***************

# পাঠ নং ৫
# ভূগোল অধ্যয়নৰ আহিলা ঃ মানচিত্ৰ

V8T1F7

**শিকনৰ ফলাফল ঃ**

- ➢ ভূগোল অধ্যয়নত আহিলাৰ প্ৰয়োজনীয়তা বুজিব পাৰিব।
- ➢ মানচিত্ৰৰ প্ৰয়োজনীয়তা বুজিব পাৰিব।
- ➢ বিভিন্ন প্ৰকাৰৰ মানচিত্ৰৰ বিষয়ে জানিব পাৰিব।
- ➢ মানচিত্ৰত ব্যৱহাৰ হোৱা উপাদানসমূহ যেনে — মাপনী, দিশ, সাংকেতিক চিহ্নৰ বিষয়ে ধাৰণা লাভ কৰিব।
- ➢ মানচিত্ৰ, গোলক আদি দক্ষতাৰে অধ্যয়ন কৰিব।
- ➢ মানচিত্ৰ বা আহিঁচিত্ৰ অংকনত দিন, সাংকেতিক চিহ্ন আদিৰ সঠিক ব্যৱহাৰ কৰিব পাৰিব।

### ভূগোল অধ্যয়নৰ আহিলাসমূহ ঃ

ভূগোল বিষয়টো অধ্যয়ন কৰিবলৈ কিছুমান আহিলাৰ প্ৰয়োজন। এই আহিলাবোৰৰ সহায়ত ভূগোল বিষয়টো সহজতে আৰু প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰিব পাৰি। বৰ্তমান সময়ত ভূগোল অধ্যয়নৰ বাবে বিভিন্ন প্ৰকাৰৰ আহিলা ব্যৱহাৰ কৰা হয়। এইবোৰৰ ভিতৰত গোলক, মানচিত্ৰ, ভূচিত্ৰাৱলী, আহিঁ চিত্ৰ, কম্পাছ, নক্সা, লেখ, মডেল আদি ভূগোল অধ্যয়নত বেছিকৈ ব্যৱহাৰ হয়। এই পাঠত আমি যাইকৈ মানচিত্ৰ, আহিঁচিত্ৰ, কম্পাছ আৰু নক্সাৰ বিষয়ে আলোচনা কৰিম।

### মানচিত্ৰ ঃ

আগৰ পাঠত তোমালোকে ভূগোল অধ্যয়নত গোলকৰ ব্যৱহাৰৰ কথা শিকিছা। এই গোলকৰ ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান সীমাবদ্ধতা আছে। গোটেই পৃথিৱীখনৰ বিষয়ে একেলগে অধ্যয়ন কৰাৰ ক্ষেত্ৰতহে গোলকটো উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰি। আমি যেতিয়া পৃথিৱীৰ কোনো এটি অংশৰ বিষয়ে অৰ্থাৎ কোনো দেশ, ৰাজ্য, জিলা, চহৰ বা গাঁও আদিৰ বিষয়ে বিতংকৈ অধ্যয়ন কৰিবলৈ লওঁ তেতিয়া আমি গোলকৰ সলনি মানচিত্ৰৰ সহায় ল'বলগীয়া হয়। কাগজ বা তেনে কোনো সমতলপৃষ্ঠত দিশ আৰু দূৰত্বৰ অনুপাত ঠিক ৰাখি পৃথিৱীখন বা ইয়াৰ কোনো এটা অংশ সৰু আকাৰলৈ পৰিবৰ্তন কৰি অংকন কৰা চিত্ৰই হ'ল - **মানচিত্ৰ**।

যেনেদৰে কেইবাটাও পাঠ লগ লগাই একোটা বিষয়ৰ একোখন পাঠ্যপুথি প্ৰস্তুত কৰা হয়, তেনেদৰে কেইটামান নিৰ্দিষ্ট উদ্দেশ্যেৰে প্ৰস্তুত কৰা মানচিত্ৰ কিছুমান লগ লগাই এখন ভূচিত্ৰাৱলী প্ৰস্তুত কৰা হয়। ভূচিত্ৰাৱলীত গোটেই ভূপৃষ্ঠ বা তাৰ একো একোটা অংশৰ বিভিন্ন তথ্য পোৱা যায় বাবে ইয়াক ভূগোল অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ আহিলা বুলি ধৰা হয়।

মানচিত্ৰত কোনো এক ধৰণৰ তথ্য বা বহুধৰণৰ অৱস্থান তথা তথ্যৰ বিতৰণ একেলগে দেখুৱাব পাৰি। মানচিত্ৰ বিভিন্ন প্ৰকাৰৰ আছে, যেনে- প্ৰাকৃতিক মানচিত্ৰ, ৰাজনৈতিক মানচিত্ৰ, বতৰ মানচিত্ৰ, জনসংখ্যা মানচিত্ৰ, যাতায়াত আৰু পৰিবহণ মানচিত্ৰ, কৃষি মানচিত্ৰ, উদ্যোগ মানচিত্ৰ ইত্যাদি। প্ৰাকৃতিক মানচিত্ৰত নদী, পৰ্বত, উদ্ভিদ আদি ভৌগোলিক তথ্যবোৰ দেখুওৱা হয়। ৰাজনৈতিক মানচিত্ৰত দেশ-মহাদেশ, ৰাজ্য, জিলা আদিৰ অৱস্থান, চাৰিসীমা, ৰাজধানী, নগৰ, চহৰ

আদি দেখুওৱা হয়। তেনেদৰে জনসংখ্যা মানচিত্ৰত জনসংখ্যাৰ বিতৰণ, ঘনত্ব আদি দেখুওৱা হয়। অংকন পদ্ধতি, বিষয়বস্তু, উদ্দেশ্য আদিৰ ওপৰত নিৰ্ভৰ কৰি মানচিত্ৰক সাধাৰণ মানচিত্ৰ আৰু বিষয় ভিত্তিক মানচিত্ৰ হিচাপে ভগাব পাৰি। ইতিমধ্যে উল্লেখ কৰা প্ৰাকৃতিক আৰু ৰাজনৈতিক মানচিত্ৰবোৰক **সাধাৰণ মানচিত্ৰ** (General Map) আৰু জনসংখ্যা বিতৰণ, যাতায়াত ব্যৱস্থা, জলবায়ু, বৃষ্টিপাত, অৰণ্য আদি বিশেষ বিষয় দেখুওৱাবলৈ অঁকা মানচিত্ৰবোৰক **বিষয় ভিত্তিক মানচিত্ৰ** (Thematic Map)বোলে। ইয়াৰ উপৰি মাপনী বা স্কেলৰ ওপৰত ভিত্তি কৰি মানচিত্ৰক দুই ভাগত ভগাব পাৰি। সৰু মাপনীৰ মানচিত্ৰ ( Small Scale Map) আৰু ডাঙৰ মাপনীৰ মানচিত্ৰ (Large Scale Map)।

**ক্ৰিয়াকলাপ ঃ**

শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীসকলে দলগতভাৱে অসমৰ প্ৰাকৃতিক, ৰাজনৈতিক আৰু যাতায়াত, কৃষি আৰু জনসংখ্যাৰ মানচিত্ৰ ভূচিত্ৰাৱলীত চাই তাত কি কি দেখুওৱা হয় লিখি উলিয়াব।


| প্ৰাকৃতিক | ৰাজনৈতিক | যাতায়াত | কৃষি | জনসংখ্যা |
|---|---|---|---|---|
| | | | | |

মানচিত্ৰ এখন প্ৰস্তুত কৰা আৰু অধ্যয়ন কৰাৰ সময়ত কেইটামান উপাদানৰ প্ৰয়োজন হয়। সেই উপাদানকেইটা হ'ল— দূৰত্ব, দিশ আৰু সাংকেতিক চিহ্ন।

**দূৰত্ব ঃ**

দুখন ঠাইৰ মাজৰ প্ৰকৃত দূৰত্বক মানচিত্ৰত সেই একে পৰিমাণৰ জোখতে দেখুৱাবলৈ হ'লে প্ৰকৃত ঠাইখনৰ সমানেই মানচিত্ৰখন হ'ব লাগিব। কিন্তু মানচিত্ৰ সিমান ডাঙৰ কৰা সম্ভৱ নহয়। সেয়েহে মানচিত্ৰখনৰ আকাৰ সুবিধাজনকভাৱে সৰু কৰি লোৱা হয়। তেতিয়া ভূপৃষ্ঠৰ ওপৰৰ প্ৰকৃত দূৰত্বক মানচিত্ৰত এটা নিৰ্দিষ্ট অনুপাতত হ্ৰাস কৰি দেখুওৱা হয়। ভূপৃষ্ঠৰ ওপৰৰ দূৰত্বক মানচিত্ৰৰ দূৰত্বৰ লগত যি অনুপাতত হ্ৰাস কৰি দেখুওৱা হয় তাকেই **স্কেল বা মাপনী** বোলে। কথাটো ভালদৰে বুজিবলৈ এটি উদাহৰণ লোৱা — ধৰি লোৱা তোমাৰ ঘৰ আৰু জিলা সদৰৰ মাজৰ দূৰত্ব ২০কি. মি.। এতিয়া তুমি যদি ধৰাপৃষ্ঠৰ এই ২০ কি. মি. দূৰত্বক মানচিত্ৰত ২ চে. মি.ত দেখুওৱা, ইয়াৰ অৰ্থ হ'ব মানচিত্ৰৰ ১ চে. মি. দূৰত্বই ধৰাপৃষ্ঠত ১০ কি. মি. দূৰত্বক বুজাইছে। গতিকে তোমাৰ মানচিত্ৰখনৰ মাপনী হ'ব ১ চে. মি. = ১০ কি. মি.। তোমালোকে যদি এখন মানচিত্ৰৰ মাপনী জানা, তেতিয়া সেই মানচিত্ৰত থকা দুখন ঠাইৰ মাজৰ দূৰত্ব উলিয়াব পাৰিবা।


যেতিয়া দেশ বা মহাদেশৰ দৰে ডাঙৰ অঞ্চল একোটা, এখন কাগজত দেখুৱাবলগীয়া হয়, তেতিয়া আমি সৰু মাপনীৰ সহায় লওঁ। উদাহৰণস্বৰূপে মানচিত্ৰৰ ১ চে. মি. দূৰত্বই ধৰাপৃষ্ঠৰ ১০০ কি. মি. বুজাব। এনেবোৰ মানচিত্ৰক আমি **সৰু মাপনীৰ মানচিত্ৰ** বুলি কওঁ। তেনেদৰে যেতিয়া আমাৰ গাঁওখন বা চহৰখন কাগজত দেখুৱাব লাগে, তেতিয়া ডাঙৰ মাপনী ব্যৱহাৰ কৰিব লাগিব। উদাহৰণস্বৰূপে মানচিত্ৰত ১ চে. মি. য়ে ধৰাপৃষ্ঠৰ ১০০ মি. বুজাইছে এনে মানচিত্ৰক **ডাঙৰ মাপনীৰ মানচিত্ৰ** বুলি কোৱা হয়,(চিত্ৰ- ৫.১)। সৰু মাপনীৰ (Small Scale) মানচিত্ৰতকৈ ডাঙৰ মাপনীৰ (Large Scale) মানচিত্ৰই আমাক অধিক তথ্য জনাব পাৰে।





*চিত্ৰ-৫.১ ঃ এখন গাঁৱৰ মানচিত্ৰ*

## দিশ ঃ

বেছিভাগ মানচিত্ৰতে সোঁফালে ওপৰত লম্বভাৱে আঁকা এডাল কাঁড় চিনেৰে 'উঃ' বা N আখৰটো লিখা থাকে, (চিত্ৰ-৫.১)।কাঁড় চিনেৰে দেখুওৱা এই 'উঃ' আখৰটোৱে উত্তৰ দিশ বুজায়। তোমালোকে যেতিয়া মানচিত্ৰ এখনৰ উত্তৰ দিশটো জানিব পাৰিবা, তেতিয়া দক্ষিণ, পূব আৰু পশ্চিম— এইকেইটা দিশ সহজে চিনি উলিয়াব পাৰিবা। তোমালোকে জানা যে প্ৰধান দিশ চাৰিটা হ'ল— উত্তৰ, দক্ষিণ, পূব আৰু পশ্চিম। ইয়াৰ মাজৰ দিশবোৰ হ'ল— উত্তৰ-পূব, দক্ষিণ-পূব, দক্ষিণ-পশ্চিম আৰু উত্তৰ-পশ্চিম, (চিত্ৰ-৫.২ (ক)। এই দিশবোৰৰ সহায়ত আমি ধৰাপৃষ্ঠত কোনো এখন ঠাইৰ অৱস্থান শুদ্ধকৈ জানিব পাৰোঁ। দিশ নিৰ্ণয় যন্ত্ৰ বা কম্পাছৰ সহায়ত আমি কোনো এখন ঠাইৰ দিশ শুদ্ধকৈ জানিব পাৰো। জানি থোৱা যে কম্পাছৰ চুম্বকীয় কাঁটা সদায় উত্তৰ-দক্ষিণ মুৱা হৈ থাকে, (চিত্ৰ- ৫.২ (খ)।




*চিত্ৰ-৫.২ (ক)-দিশ*




*চিত্ৰ- ৫.২ (খ) দিশ নিৰ্ণয় যন্ত্ৰ বা কম্পাছ*

## সাংকেতিক চিহ্ন ঃ

মানচিত্ৰ এখনৰ বাবে প্ৰয়োজনীয় তৃতীয় বিধ উপাদান হ'ল **সাংকেতিক চিহ্ন (Symbols)**। মানচিত্ৰত কোনো এখন ঠাইৰ ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, দলং, গছ-গছনি, ৰে'লপথ, পুখুৰী, কুঁৱা, খেতি-পথাৰ আদি তথ্যবোৰ প্ৰকৃত আকাৰ আৰু আকৃতিত

আঁকি দেখুৱাব নোৱাৰি। গতিকে এই তথ্যবোৰ বিভিন্ন আখৰ, ৰং, ৰেখা, চিহ্ন আদিৰে দেখুওৱা হয়। এই চিহ্নবোৰে এখন নিৰ্দিষ্ট ঠাইৰ বিভিন্ন ধৰণৰ তথ্য সম্পৰ্কে আমাক জনাব পাৰে। সাধাৰণতে মানচিত্ৰত ব্যৱহাৰ হোৱা চিহ্নবোৰ গোটেই পৃথিৱীতে একে। পৃথিৱীৰ যিকোনো ঠাইৰ মানচিত্ৰৰ এই চিহ্নবোৰ অধ্যয়ন কৰি আমি সেই ঠাইখনৰ বিভিন্ন তথ্য জানিব পাৰোঁ। কোনো এখন নতুন ঠাইলৈ গৈ সেই ঠাইখনৰ ভাষা নজনাৰ বাবে ঠাইখনৰ বিভিন্ন তথ্য জনাৰ ক্ষেত্ৰত অসুবিধা হ'লে সেই ঠাইৰ মানচিত্ৰখন উলিয়াই লৈ এই চিহ্নবোৰৰ সহায়ত প্ৰয়োজনীয় তথ্য জানিব পাৰি। উদাহৰণস্বৰূপে দিল্লী মহানগৰীৰ মানচিত্ৰ এখন অধ্যয়ন কৰি তুমি দিল্লীৰ বিভিন্ন ৰাস্তা-ঘাট, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ভ্ৰমণ কৰিবলগীয়া স্থানসমূহৰ অৱস্থান সহজতে জানি লৈ ভ্ৰমণ কৰিব পাৰা। মানচিত্ৰত ব্যৱহাৰ হোৱা সাংকেতিক চিহ্নবোৰক **স্বীকৃত** বা **প্ৰচলিত চিহ্ন** (Conventional Symbols) বোলা হয়। তলত এনে প্ৰচলিত চিহ্নৰ এখন তালিকা দিয়া হ'ল, (চিত্ৰ-৫.৩)।




*চিত্ৰ-৫.৩ ঃ মানচিত্ৰত ব্যৱহাৰ কৰা কেতবোৰ সাংকেতিক চিহ্ন*

বিভিন্ন চিহ্নৰ নিচিনাকৈ তথ্য উপস্থাপনৰ বাবে মানচিত্ৰত বিভিন্ন ৰঙবো ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে পানী দেখুৱাবলৈ মানচিত্ৰত নীলা ৰং, পাহাৰ-পৰ্বত দেখুৱাবলৈ ডাঠ মুগা ৰং আৰু মালভূমি দেখুৱাবলৈ হালধীয়া ৰং আৰু নিম্ন সমভূমি দেখুৱাবলৈ সেউজীয়া ৰং ব্যৱহাৰ কৰা হয়।


**ক্ৰিয়াকলাপ ঃ**

তলত দিয়া উপাদানসমূহৰ প্ৰচলিত সাংকেতিক চিহ্নবোৰ অংকন কৰা —

(ক) ডাকঘৰ (খ) নদী (গ) ৰে'ল ষ্টেচন (ঘ) মন্দিৰ (ঙ) কেঁচা পথ

**আহিঁ চিত্ৰ অংকন ঃ**

মাপনীৰ সহায় নোলোৱাকৈ কেৱল পৰ্যবেক্ষণ কৰি বা মনৰ ধাৰণা বা স্মৃতিৰ ওপৰত ভিত্তি কৰি অংকন কৰা চিত্ৰ হ'ল **আহিঁ চিত্ৰ** বা **স্কেচ্** (sketch)। কেতিয়াবা কোনো এখন ঠাইৰ অৱস্থান দেখুৱাবলৈ এটি অঞ্চলৰ আনুমানিক চিত্ৰ আঁকিবলগীয়া হয়। ধৰা হ'ল তুমি তোমাৰ বন্ধু এজনৰ ঘৰলৈ যাবা, কিন্তু তালৈ যোৱা বাটটো চিনি নোপোৱা। তোমাক বন্ধুজনে তেওঁৰ ঘৰলৈ যোৱা বাটটো দেখুৱাবলৈ সেই ঠাইখনৰ এটি আনুমানিক চিত্ৰ আঁকি তোমাক বুজাই দিলে। তেনেকুৱা মাপনীৰ সহায় নোলোৱাকৈ অঁকা আনুমানিক চিত্ৰকে **আহিঁ চিত্ৰ** বোলা হয়। অৰ্থাৎ কোনো এখন ঠাইৰ প্ৰাকৃতিক আৰু মানৱ সৃষ্ট




চিত্ৰ- ৫.৪ ঃ এখন গাঁৱৰ আহিঁ চিত্ৰ

উপাদানসমূহৰ থূল-মূল অৱস্থান দেখুৱাই প্ৰস্তুত কৰা চিত্ৰই আহিঁচিত্ৰ, (চিত্ৰ-৫.৪)।

**নক্সা ঃ**

ডাঙৰ মাপনীৰ সহায় লৈ অংকন কৰা সৰু ঠাই এখনৰ চিত্ৰই হ'ল **নক্সা** বা প্লেন (Plan)। ডাঙৰ মাপনীৰ মানচিত্ৰৰ পৰা আমি বহুতো তথ্য জানিব পাৰোঁ। কিন্তু কেতিয়াবা এনে কিছুমান তথ্যৰ প্ৰয়োজন হয়, যাক মানচিত্ৰত দেখুৱাব নোৱাৰি। উদাহৰণস্বৰূপে যদি আমি এটি কোঠালিৰ দীঘ, প্ৰস্থ জানিব বিচাৰোঁ সেই টো আমি মানচিত্ৰত দেখুৱাব নোৱাৰোঁ। তেতিয়া উপযুক্ত মাপনীৰ সহায় লৈ আমি কোঠালিটোৰ এখন নক্সা অংকন কৰিব পাৰোঁ।

**মনত ৰাখিবলগীয়া কথা ঃ**

- কাগজ বা তেনেকুৱা সমান পিঠিত স্কেল বা মাপনী অনুসৰি পৃথিৱীৰ উপৰিভাগ বা তাৰ কোনো অংশ অংকন কৰা চিত্ৰই হ'ল মানচিত্ৰ।
- মানচিত্ৰ বিভিন্ন প্ৰকাৰৰ আছে, যেনে— প্ৰাকৃতিক মানচিত্ৰ, ৰাজনৈতিক মানচিত্ৰ, বতৰ মানচিত্ৰ, জনসংখ্যা মানচিত্ৰ, যাতায়াত আৰু পৰিবহণ মানচিত্ৰ, কৃষি মানচিত্ৰ, উদ্যোগ মানচিত্ৰ ইত্যাদি।
- স্কেলৰ ওপৰত ভিত্তি কৰি মানচিত্ৰক দুই প্ৰকাৰত ভগাব পাৰি— সৰু মাপনীৰ মানচিত্ৰ আৰু ডাঙৰ মাপনীৰ মানচিত্ৰ।
- মানচিত্ৰৰ প্ৰধান উপাদান কেইটা হ'ল— দূৰত্ব, দিশ আৰু সাংকেতিক চিহ্ন।
- ধৰাপৃষ্ঠত দুখন ঠাইৰ প্ৰকৃত দূৰত্ব আৰু মানচিত্ৰত একে ঠাই দুখনৰ দূৰত্বৰ অনুপাতেই হ'ল সেই মানচিত্ৰখনৰ মাপনী।
- মানচিত্ৰত বিভিন্ন ভৌগোলিক তথ্য বুজাবলৈ ব্যৱহাৰ কৰা বিশেষ চিনবোৰক সাংকেতিক চিহ্ন বোলা হয়।

**অনুশীলনী ঃ**

(১) তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া—

(ক) মানচিত্ৰৰ উপাদান কেইবিধ আৰু কি কি?

(খ) প্ৰধান দিশ চাৰিটা কি কি?

(গ) মানচিত্ৰৰ মাপনী বুলিলে কি বুজা?

(ঘ) কিছু ক্ষেত্ৰত গোলকতকৈ মানচিত্ৰ কিয় বেছি সুবিধাজনক?

(ঙ) মানচিত্ৰ আৰু নক্সাৰ মাজত পাৰ্থক্য কি?

(চ) মানচিত্ৰ অধ্যয়নৰ ক্ষেত্ৰত সাংকেতিক চিহ্নবোৰে কি দৰে সহায় কৰে?

(২) শুদ্ধ উত্তৰটোত ✓ চিহ্ন দিয়া—

(ক) উদ্ভিদৰ বিতৰণ দেখুওৱা মানচিত্ৰবিধ হ'ল—

(১) বতৰৰ মানচিত্ৰ (২) বিষয় ভিত্তিক মানচিত্ৰ (৩) ৰাজনৈতিক মানচিত্ৰ

(খ) তলৰ কোনটো দেখুৱাবলৈ মানচিত্ৰত নীলা ৰং ব্যৱহাৰ কৰা হয়—

(১) পানী ভাগ, (২) পৰ্বত, (৩) সমভূমি

(গ) কম্পাছ ব্যৱহাৰ কৰা হয়—

(১) সাংকেতিক চিহ্ন দেখুৱাবলৈ।

(২) প্ৰধান দিশ নিৰ্ণয় কৰিবলৈ।

(৩) দূৰত্ব জুখিবলৈ।

(ঘ) তলৰ কোনটোৰ বাবে মাপনীৰ প্ৰয়োজন?

(১) মানচিত্ৰ অংকন, (২) আহিঁ চিত্ৰ, (৩) চিহ্ন

**(৩) কৰি চাওঁ আহা ঃ**

(ক) তোমাৰ শ্ৰেণীকোঠাটোৰ এটি নক্সা অংকন কৰা আৰু শিক্ষকৰ মেজ, ব্লেক ব'ৰ্ড, দুৱাৰ আৰু খিৰিকীৰ অৱস্থান দেখুওৱা।

(খ) তোমালোকৰ বিদ্যালয়ৰ এখন আহিঁ চিত্ৰ (স্কেচ্) অংকণ কৰা আৰু তলত দিয়াবোৰৰ অৱস্থান দেখুওৱা—

(১) প্ৰধান শিক্ষক /অধ্যক্ষৰ কোঠা।

(২) তোমালোকৰ শ্ৰেণী কোঠা।

(৩) খেলপথাৰ।

(৪) পুথিভঁৰাল।

(৫) ডাঙৰ গছ অথবা ফুলনি।

(৬) খোৱাপানীৰ ব্যৱস্থা — দমকল।

***************

# পাঠ নং ৬

# পৃথিৱীৰ প্ৰধান ভূঅৱয়ৱ

3D3HS7

**শিকনৰ ফলাফল ঃ**


- ভূঅৱয়ৱ গঠন কৰা আভ্যন্তৰীণ আৰু বাহ্যিক প্ৰক্ৰিয়া সম্পৰ্কে জানিব।
- পৰ্বতৰ উৎপত্তি, প্ৰকাৰ আৰু মানুহৰ জীৱন নিৰ্বাহৰ লগত ইয়াৰ সম্পৰ্ক বুজিব পাৰিব।
- মালভূমিৰ উৎপত্তি সম্পৰ্কে জানিব।
- সমভূমি কি, ইয়াৰ বৈশিষ্ট্য বুজিব পাৰিব।

## পৃথিৱীৰ প্ৰধান ভূঅৱয়ৱ ঃ

তোমালোকে কেতিয়াবা বাছ বা ৰে'ল যোগে দূৰণিবটীয়া ঠাইলৈ যাওঁতে পথৰ দুয়োকাষে থকা ঠাইসমূহ মন কৰিছানে? তুমি দেখা ঠাইসমূহৰ উপৰিভাগ সকলোতে একে নহয়। ইয়াৰ কোনো ঠাই ওখোৰা-মোখোৰা, আকৌ কোনো ঠাই সমান। পৃথিৱীৰ উপৰিভাগ এনে বিভিন্ন ভূআকৃতি বা ভূঅৱয়ৱেৰে গঠিত।

পৃথিৱীৰ উপৰিভাগত এই ভূঅৱয়ৱসমূহ বিভিন্ন সময়ত গঠিত হৈছে। ই প্ৰধানকৈ দুই ধৰণৰ প্ৰক্ৰিয়াৰ দ্বাৰা গঠিত হৈছে। সেয়া হৈছে **আভ্যন্তৰীণ প্ৰক্ৰিয়া** আৰু **বাহ্যিক প্ৰক্ৰিয়া**। পৃথিৱীখন আদিতে অতি উত্তপ্ত অৱস্থাত আছিল। ক্ৰমে ক্ৰমে উত্তাপ এৰি দি ইয়াৰ উপৰিভাগ শীতল হ'ল যদিও ভিতৰভাগ এতিয়াও অতি উত্তপ্ত অৱস্থাতে আছে। এনে উত্তপ্ত পদাৰ্থৰ উত্তাপ আৰু চাপৰ ফলত পৃথিৱীৰ ভিতৰভাগ অস্থিৰ অৱস্থাত থাকে। এই অস্থিৰতাই পৃথিৱীৰ খোলাটোৰ কোনো কোনো অংশৰ মাজত হেঁচা-ঠেলা বা টনা-আজোৰাৰ সৃষ্টি কৰে।

আনহাতে তোমালোকে জানি আচৰিত হ'বা যে পৃথিৱীৰ খোলাটো কিছুমান প্লেট বা ফলকেৰে গঠিত। এই ফলকসমূহ বিভিন্ন দিশত গতি কৰি আছে। এনেক্ষেত্ৰত এখন গতিশীল ফলক আনখন প্ৰায় স্থিৰ ফলকৰ পিনে অথবা দুয়োখন গতিশীল ফলক এখনে আনখনৰ পিনে মুখামুখিকৈ গতি কৰিলে ফলক দুখনৰ মাজত হেঁচুকি ধৰা অৱস্থাৰ সৃষ্টি হয়। আকৌ কেতিয়াবা দুখন বিপৰীত দিশত গতি কৰা ফলকৰ মাজৰ অংশত টনা-টনি অৱস্থাৰ সৃষ্টি হয়। এই হেঁচুকি ধৰা বা দুৰ্বলৈ আঁতৰি যোৱা সময়ত সৃষ্টি হোৱা জোকাৰণি ওপৰ-তললৈ অথবা পথালিকৈ হ'ব পাৰে।




*চিত্ৰ- ৬.১ ঃ ভূঅৱয়ৱ*

আকৌ এই জোকাৰণি একে দিশত অথবা বিভিন্ন দিশত বিয়পি যাব পাৰে ভূপৃষ্ঠৰ এই জোকাৰণিকে **ভূআন্দোলন** বুলি কোৱা হয়। এনে ভূআন্দোলনৰ ফলত পৃথিৱীৰ উপৰিভাগত কোনো অংশ ওপৰলৈ উঠি বা কোনো অঞ্চল তললৈ বহি যায়; ফলত বিভিন্ন ভূ অৱয়বৰ সৃষ্টি হয়। কেতিয়াবা কেতিয়াবা ভূআন্দোলনৰ ফলত পৃথিৱীৰ অভ্যন্তৰ ভাগৰ পৰা খোলাটোৰ কোনো দুৰ্বল অংশৰে উত্তপ্ত পদাৰ্থ ওলাই আহি ভূপৃষ্ঠত জমা হৈয়ো ভূঅৱয়ব গঠন কৰে। এনে ভূঅৱয়বসমূহক আভ্যন্তৰীণ প্ৰক্ৰিয়াৰ দ্বাৰা গঠিত হোৱা বুলি কোৱা হয়।

আনহাতে, পৃথিৱীৰ ওপৰত থকা বিভিন্ন ভূঅৱয়বৰ উপৰিভাগত ৰ'দ, বতাহ, বৰষুণে ক্ৰিয়া কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত পৰিণত কৰে। এনে ক্ষয়প্ৰাপ্ত শিল, মাটি, বালি আদি বতাহ, বৰষুণ, নৈ, জান-জুৰি আদিয়ে কঢ়িয়াই নি দ ঠাইত জমা কৰে। এনেদৰে বাহ্যিক প্ৰক্ৰিয়াৰ ফলত ভূআকৃতিৰ সলনি হৈ আহিছে। ভূঅৱয়বক উচ্চতা আৰু ঢাল (গড়া)ৰ ওপৰত নিৰ্ভৰ কৰি প্ৰধানকৈ পৰ্বত-পাহাৰ, মালভূমি আৰু সমভূমি হিচাপে ভাগ কৰা হয়।

### পৰ্বত-পাহাৰ (Mountains and Hills) ঃ

পৰ্বত-পাহাৰ বুলিলে প্ৰাকৃতিকভাৱে থকা **অতি ওখ ঠাইকেই** বুজায়। পৰ্বত আৰু পাহাৰ ইয়াৰ চাৰিওফালৰ ভূ ভাগতকৈ যথেষ্ট উচ্চ হয়। পৰ্বত-পাহাৰৰ ওপৰত সাধাৰণতে শিখৰ থাকে আৰু ইয়াৰ ভূমিভাগ বহল হয়। তুলনামূলকভাৱে কম উচ্চতাৰ শিখৰযুক্ত উচ্চ ভূমিক **পাহাৰ** বোলে।

> **জানি থওঁ আহা ঃ**
>
> কোনো এখন ঠাইৰ উচ্চতা গড় সমুদ্ৰপৃষ্ঠৰপৰা জোখা হয়। এনে জোখ-মাপৰ বাবে বিভিন্ন বৈজ্ঞানিক যন্ত্ৰ-পাতি ব্যৱহাৰ কৰা হয়।

অতি উচ্চ পৰ্বতৰ উপৰিভাগত সাধাৰণতে বায়ুমণ্ডল শীতল হোৱা বাবে বছৰৰ প্ৰায় সকলো সময়তে বৰফেৰে ঢাক খাই থাকে। পৰ্বতৰ ঢালেৰে নামি অহা বৰফৰ এনে খণ্ডকেই **হিমবাহ** বুলি কোৱা হয়।

পৃথিৱীৰ স্থলভাগতে কেৱল পৰ্বত-পাহাৰ নাথাকে। সাগৰ-মহাসাগৰ আদিৰ তলিতো এনে প্ৰকাণ্ড উচ্চ অঞ্চল আছে। অৱশ্যে পানীৰ তলত ডুব গৈ থকা বাবে সাধাৰণতে আমি তাক দেখা নাপাওঁ। আকৌ যদি কেতিয়াবা এনে পৰ্বত-পাহাৰৰ এটা অংশ সাগৰ-মহাসাগৰৰ পানীৰ ওপৰলৈ ওলাই থাকে, তেতিয়া তাক **দ্বীপ** বুলি কওঁ। অৱশ্যে অন্য ধৰণেও দ্বীপৰ সৃষ্টি হয়। পাছলৈ তাক ভালদৰে জানিব পাৰিবাহঁক।

একেলগে শাৰী শাৰীকৈ থকা পৰ্বতৰ সমষ্টিক **পৰ্বতমালা** বোলে। হিমালয় তেনে এখন পৰ্বতমালা। ই পশ্চিমে কাশ্মীৰৰপৰা পুবে উত্তৰ-পূব ভাৰতলৈকে প্ৰায় ৩০০০ কিলোমিটাৰ জুৰি আছে। ইয়াৰ উপৰি আল্পচ, ৰকি আৰু এণ্ডিজ ক্ৰমে ইউৰোপ, উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকাৰ পৰ্বতমালা।

উৎপত্তিৰ ফালৰপৰা পৰ্বত আৰু পাহাৰক তিনি ভাগত ভাগ কৰা হয় — **আগ্নেয় পৰ্বত, ভংগিল পৰ্বত** আৰু **স্তূপ পৰ্বত**। তোমালোকে ইতিমধ্যে পঢ়ি আহিছা যে পৃথিৱীৰ ভিতৰভাগত থকা পদাৰ্থসমূহ এতিয়াও অতি উত্তপ্ত অৱস্থাতে




চিত্ৰ-৬.২ (ক) আগ্নেয় পৰ্বত




চিত্ৰ-৬.২ (খ) আগ্নেয়গিৰি গঠন


আছে। পৃথিৱীৰ ভিতৰভাগত প্ৰায় গলিত অৱস্থাত থকা এই পদাৰ্থসমূহ প্ৰচণ্ড তাপ আৰু চাপৰ ফলত কেতিয়াবা ভূ-পৃষ্ঠৰ দুৰ্বল অংশেদি হঠাতে বাহিৰলৈ ওলাই আহে। এনে অৱস্থাকে **জ্বালামুখী বা আগ্নেয়গিৰি উদ্‌গিৰণ** বোলে। আগ্নেয়গিৰি উদ্‌গিৰণৰ ফলত ওলোৱা পদাৰ্থসমূহ ইয়াৰ ছিদ্ৰ বা ফাটৰ ওচৰে-পাজৰে জমা হয় আৰু ক্ৰমান্বয়ে শীতল হৈ গোট মাৰি পৰ্বতৰ আকৃতি লয়। এনেদৰে পৃথিৱীৰ আদি অৱস্থাত সঘনাই ঘটি থকা আগ্নেয়গিৰি উদ্‌গিৰণৰ ফলত এই শ্ৰেণীৰ পৰ্বতৰ সৃষ্টি হৈছিল। আগ্নেয়গিৰিৰপৰা ওলোৱা লাভা জমা হৈ সৃষ্টি হোৱা বাবে এনে শ্ৰেণীৰ পৰ্বতক **সঞ্চয়জাত পৰ্বতো** বোলে। জাপানৰ ফুজিয়ামা এখন আগ্নেয় পৰ্বত, (চিত্ৰ- ৬.২(ক), (চিত্ৰ- ৬.২(খ), (চিত্ৰ ৬.৩,৬.৪)।

পাঠৰ আৰম্ভণিতে পাই আহিছা যে, আমাৰ পৃথিৱীৰ খোলাটো কিছুসংখ্যক **প্লেট বা ফলকৰ** সমষ্টি। এই ফলকসমূহ বিভিন্ন দিশত গতিশীল। এনেক্ষেত্ৰত মুখামুখিকৈ গতি কৰা দুখন ফলকৰ মাজত থকা অঞ্চলটিত প্ৰচণ্ড চাপৰ সৃষ্টি হয়। ফলত এই অঞ্চলৰ ভূভাগ ভাঁজ লৈ ওপৰলৈ উঠি গৈ ভংগিল পৰ্বতৰ সৃষ্টি কৰে। পৃথিৱীৰ প্ৰায়বোৰ পৰ্বতমালাই এনেদৰে দুখন ফলকৰ মাজত উৎপন্ন হোৱা চাপৰ ফলত সৃষ্টি হৈছে। হিমালয় পৰ্বতমালাও ইণ্ডো-অষ্ট্ৰেলিয়ান ফলক আৰু ইউৰেচিয়ান ফলকৰ মাজত থকা **'টেথিচ'** নামৰ সাগৰৰ তলিখন ফলক দুখনৰ মাজত উৎপন্ন হোৱা চাপৰ ফলত ক্ৰমান্বয়ে ওপৰলৈ উঠি আহি সৃষ্টি হোৱা বুলি ঠাৱৰ কৰা হৈছে। ভাৰতৰ আৰাৱলী পৰ্বত পৃথিৱীৰ ভিতৰতে এখন অতি পুৰণি ভংগিল পৰ্বত।



*চিত্ৰ- ৬.৩ ঃ ভংগিল পৰ্বত* উৎস: https://images.app.goo.gl/jb7ovhNQKXVdrEW8

ভূগৰ্ভত বিভিন্ন কাৰণত সংঘটিত ভূআন্দোলনৰ ফলত পৃথিৱীৰ উপৰিভাগৰ কোনো এটা অঞ্চলত থিয়কৈ ফাট মেলিব পাৰে। ভূআন্দোলনৰ ফলত ফাটৰ যি অংশ ওপৰলৈ উঠি আহি পৰ্বত হয় তাক **স্তূপ পৰ্বত** বোলে আৰু যি অংশ তললৈ বহি উপত্যকা হয় তাক **গ্ৰস্ত উপত্যকা** বোলে। জাৰ্মানীৰ ব্ৰেক ফৰেষ্ট পাৰ্বত্য অঞ্চলটো এটা স্তূপ পৰ্বত আৰু তাৰ ওচৰত থকা ৰাইন উপত্যকা এটা **গ্ৰস্ত উপত্যকা**। ইউৰোপ মহাদেশৰ ৰাইন ভেলি এনে স্তূপ পৰ্বত।




*চিত্ৰ- ৬.৪ ঃ স্তূপ পৰ্বত আৰু গ্ৰস্ত উপত্যকা*

পৰ্বত-পাহাৰ আদি উচ্চ ভূমি সাধাৰণতে থিয় ঢালযুক্ত আৰু শিলাময় হয়। ইয়াৰ উপৰিভাগত সাধাৰণতে অধিক সমান ঠাই পাবলৈ টান। ফলত কৃষি কাৰ্য আৰু গৃহ নিৰ্মাণৰ বাবে সমতলৰ অভাৱ হয়। আনহাতে এনে অঞ্চলৰ জলবায়ু মানুহৰ জীৱন-নিৰ্বাহৰ বাবে অধিক উপযোগী নহয়। সেয়েহে পাহাৰীয়া অঞ্চলত মানুহৰ জনবসতি সেৰেঙা।

মানুহৰ জীৱন-যাপনত পৰ্বতে অনেক বৰঙণি দিব পাৰে। এই পৰ্বত-পাহাৰবোৰত থকা খনিজ সম্পদবোৰ আহৰণ কৰি মানুহে অনেক কামত খটুৱাইছে। পৃথিৱীৰ বেছি ভাগ প্ৰধান নদীয়েই পৰ্বতৰ হিমবাহ আৰু নিজৰাৰপৰা উৎপত্তি হোৱা। গতিকে ই মানুহৰ ব্যৱহাৰ উপযোগী পানীৰ ভঁৰাল বুলি ক'ব পাৰি। দুখন পৰ্বতৰ মাজৰ দ অঞ্চলত নদী আৰু জুৰিত বান্ধ দি জলাশয়ৰ সৃষ্টি কৰা হয়। এনে জলভাণ্ডাৰৰপৰা জলবিদ্যুৎ শক্তি উৎপাদন কৰা হয়। আকৌ নামনি অংশত এই পানী খেতি-বাতিকে ধৰি মানুহৰ বিভিন্ন কামত ব্যৱহাৰ কৰা হয়। পাহাৰৰ এঢলীয়া ঢালত মানুহে ঢাপ কাটি ধান, গম, আলু, কচু আৰু ফল-মূল আদিৰ খেতি কৰে। আনহাতে পৰ্বত-পাহাৰবোৰ বিভিন্ন প্ৰকাৰৰ উদ্ভিদ আৰু প্ৰাণীৰে অতি চহকী। পৰ্বত-পাহাৰত থকা অৰণ্যসমূহে ইয়াৰ ওচৰৰ বাসিন্দাসকলক খৰি, ফল-মূল, গৃহ নিৰ্মাণৰ সামগ্ৰী, পশু খাদ্য আৰু অনেক ঔষধি উদ্ভিদৰ যোগান ধৰে। আনহাতে পৰ্বতৰ গাত থকা অৰণ্যই তাত বাস কৰা প্ৰাণীবোৰৰ বাসস্থানৰ কাম কৰে। একোখন পৰ্বত আৰু ইয়াত থকা উদ্ভিদে ইয়াৰ ওচৰ-পাজৰ অঞ্চলৰ, বায়ুমণ্ডলৰ উত্তাপ, বতাহ, বৰষুণ নিয়ন্ত্ৰণত বিশেষ ভূমিকা পালন কৰে। উদাহৰণ হিচাপে আমাৰ দেশৰ উত্তৰে থকা হিমালয় পৰ্বতে গ্ৰীষ্মকালত ভাৰত মহাসাগৰৰপৰা বৈ অহা জলীয় ভাপযুক্ত (দক্ষিণ-পশ্চিম মৌছুমী) বতাহ বাধা দি ইয়াৰ দক্ষিণৰ নামনি অঞ্চলত প্ৰচুৰ বৰষুণ হোৱাত সহায় কৰে। আনহাতে, শীতকালত উত্তৰৰ চাইবেৰিয়া অঞ্চলৰপৰা অহা চেঁচা বতাহক হিমালয়ে বাধা দি ভাৰতক প্ৰচণ্ড শীতৰপৰা ৰক্ষা কৰে। পৰ্বতৰ কিছুমান স্থান স্বাস্থ্যৰ বাবে উপযোগী। সেয়ে এনেবোৰ ঠাই মানুহৰ ভ্ৰমণ স্থান হিচাপে গঢ়ি উঠিছে। হিমালয়ৰ মুছৌৰী, কুলু, মানালী, ছিমলা, দেৰাডুন, দাৰ্জিলিং আৰু খাছি পাহাৰৰ শ্বিলং আদি কিছুমান উল্লেখযোগ্য স্বাস্থ্যকৰ ঠাই।

আজিকালি মানুহে পৰ্বতত বিভিন্ন দুঃসাহসিক খেলো খেলিবলৈ লৈছে। পৰ্বতাৰোহণ, স্কিয়িং আদি খেল নিশ্চয় টিভিত দেখিছা। গছ-গছনিৰে ভৰা সেউজীয়া পৰ্বত-পাহাৰে মানুহৰ মনতো আনন্দ দিয়ে। তোমালোকে বাৰু দূৰৈৰ সেউজীয়া পৰ্বত-পাহাৰবোৰ দেখি মনত আনন্দ অনুভৱ নকৰানে?

এতিয়া ভাবি চোৱাচোন, এই পৰ্বত-পাহাৰবোৰে আমাক কিমান ধৰণে সহায় কৰে? পিছে কিছুমান মানুহে বিচাৰ-বিবেচনা নকৰাকৈ পৰ্বত-পাহাৰৰ গছ-গছনি আৰু শিল-মাটি আদি কাটিবলৈ লৈছে।

**ক্ৰিয়াকলাপ ঃ**

(১) তুমি দেখা এখন পাহাৰৰ ছবি আঁকি তলত পাহাৰখনৰ নাম আৰু পাহাৰখনত মানুহৰ কাম-কাজ (যদি কৰিছে) সম্পৰ্কে চমুকৈ লিখা।

(২) পৰ্বত – পাহাৰত গছ-গছনি আৰু শিল-মাটি আদি কটাৰ ফলত নামনিত কি কি প্ৰভাৱ পৰিব পাৰে লিখা।

### মালভূমি (Plateau)ঃ

কিছুমান পৰ্বত বা পাহাৰৰ ওপৰত বহল সমতল ঠাই দেখা যায়। ইয়াকেই **মালভূমি** বোলে, (চিত্ৰ - ৬.৫)। পৰ্বত-পাহাৰৰ লগত মালভূমিৰ পাৰ্থক্য হ'ল পৰ্বত-পাহাৰৰ থিয় শিখৰ থাকে। আনহাতে মালভূমিৰ শিখৰৰ পৰিবৰ্তে ওপৰভাগ বহল আৰু সমতল। মালভূমিৰ এক বা একাধিক ফাল থিয় ঢাল যুক্ত হ'ব পাৰে। ইয়াৰ উচ্চতা মাত্ৰ কেইমিটাৰমানৰপৰা কেইবাহেজাৰ মিটাৰ হ'ব পাৰে। দাক্ষিণাত্য মালভূমি ভাৰতৰ এটি বহু পুৰণি মালভূমি। আকৌ ভাৰতৰ উত্তৰে থকা তিব্বত মালভূমি পৃথিৱীৰ আটাইতকৈ উচ্চ মালভূমি (৪,০০০ পৰা ৬,০০০ মিটাৰ উচ্চ)।



*চিত্ৰ-৬.৫ ঃ দাক্ষিণাত্যৰ মালভূমি*

উৎস: https://images.app.goo.gl/4U8TpEdDqnCaBt47A

মালভূমিসমূহ সাধাৰণতে খনিজ সম্পদত চহকী। মালভূমি অঞ্চলত লোৰ আকৰ, কয়লা, মেঙ্গানিজ, সোণ আদি খনিজ সম্পদ পোৱা যায়। সেয়ে পৃথিৱীৰ বহু খনি মালভূমি অঞ্চলত দেখা যায়। ভাৰতৰ চোটনাগপুৰ মালভূমিত প্ৰচুৰ পৰিমাণে লোৰ আকৰ আৰু কয়লা পোৱা যায়, (চিত্ৰ - ৬.৫)। আগ্নেয়গিৰিৰপৰা নিৰ্গত লাভাৰে গঠিত মালভূমি অঞ্চলত উৎকৃষ্ট কপাহ খেতি হয়। দাক্ষিণাত্য মালভূমিৰ ক'লা মাটি অঞ্চল সেয়ে কপাহ খেতিৰ বাবে উপযোগী। কিছুমান মালভূমিৰ থিয় ঢালত জুৰিৰ পানী থিয়ৈ তললৈ পৰি জলপ্ৰপাতৰ সৃষ্টি কৰে। এনে জলপ্ৰপাতসমূহ মানুহৰ আকৰ্ষণৰ স্থান হৈ পৰে, (চিত্ৰ- ৬.৬)। চোটনাগপুৰ মালভূমিৰ **হুনব্ৰু** আৰু কৰ্ণাটকৰ **জগ** এনে দুটি জলপ্ৰপাত। আমাৰ ওচৰতে থকা মেঘালয়তো **বিদন** আৰু **বিছপ** নামৰ দুটি জলপ্ৰপাত আছে।





*চিত্ৰ - ৬.৬ঃ হুনব্ৰু আৰু জগ জলপ্ৰপাত*

উৎস: (ক) https://images.app.goo.gl/U8brYaxi3JjDYDF49; (খ) https://images.app.goo.gl/Vk9pig3FBuoo5WHX8

## সমভূমি (Plains) ঃ

সমভূমি হ'ল চাপৰ, বিস্তৃত সমান ঠাই। ই সাধাৰণতে সাগৰ পৃষ্ঠৰপৰা ২০০মিটাৰ উচ্চতাৰ অধিক নহয়। কিছুমান সমভূমি অতিপাত সমান। আন কিছুমান সামান্য পৰিমাণে ওখ-চাপৰ। পৃথিৱীৰ বেছিভাগ সমভূমিয়েই নৈ, জান, জুৰি আদিৰ দ্বাৰা গঠিত। নৈ, জান-জুৰিৰ বোৱতী পানীয়ে উচ্চ ভূমিৰপৰা শিল, বালি, মাটি আদি উটুৱাই নি নিম্নভূমি অঞ্চলত জমা কৰে। লাখ লাখ বছৰ জুৰি চলি থকা এই কাৰ্যৰ ফলত উচ্চ ভূমিসমূহ ক্ষয়প্ৰাপ্ত হৈ উচ্চতা কমি যায় আৰু সমভূমিৰ সৃষ্টি কৰে। আনহাতে নিম্ন ভূমিসমূহত গেদবোৰ জমা হোৱাৰ ফলত গভীৰতা কমি গৈ তাতো সমভূমিৰ সৃষ্টি হয়। আনহাতে ভূআন্দোলনৰ ফলতো কোনো নিম্ন ভূমি উঠি আহি সমভূমিৰ ৰূপ ল'ব পাৰে, (চিত্ৰ- ৬.৭)।



*চিত্ৰ-৬.৭ঃ সমভূমি*

সাধাৰণতে সমভূমিসমূহ সাৰুৱা হোৱা কাৰণে কৃষি কাৰ্যৰ বাবে অতি উপযোগী। আনহাতে ই বাট-পথ নিৰ্মাণৰ বাবেও সুবিধাজনক। নিৰ্মাণ কাৰ্য আৰু পৰিবহণৰ সুবিধাৰ বাবে সমভূমিত কল-কাৰখানা আদিও গঢ়ি উঠে। এনেবোৰ সুবিধা থকাৰ বাবে সমভূমি অঞ্চলত জনবসতি অধিক হোৱা দেখা যায়। সেয়ে পৃথিৱীৰ প্ৰধান নৈসমূহে সৃষ্টি কৰা সমভূমিসমূহত জনবসতি আটাইতকৈ ঘন। অৱশ্যে কিছুমান সমভূমি সমতল হ'লেও পানীৰ অনাটনৰ বাবে ইয়াত জনবসতি সেৰেঙা।

উত্তৰ ভাৰতৰ প্ৰধান নৈ গংগা, ব্ৰহ্মপুত্ৰ, সিন্ধু আদিৰ দুয়োপাৰ সমতল হোৱা বাবে এই অঞ্চলত অতি পুৰণি কালৰেপৰা মানুহে বসতি স্থাপন কৰি কৃষ্টি-সংস্কৃতিৰ বিকাশ ঘটাইছে।

**ভূঅৱয়ৱ আৰু মানুহ ঃ**

ভূঅৱয়ৱৰ প্ৰকৃতিয়ে মানুহৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াত বিশেষভাৱে প্ৰভাৱ পেলায়। মানুহে বেলেগ বেলেগ ভূপ্ৰকৃতিত বেলেগ বেলেগ ধৰণৰ জীৱন-ধাৰণ প্ৰক্ৰিয়া গ্ৰহণ কৰিবলগীয়া হয়। পাহাৰীয়া আৰু মালভূমি অঞ্চলত উৎপাদিত শস্য অনুসাৰে মানুহৰ খাদ্যাভ্যাস কিছু পৰিমাণে বেলেগ হয়। আনহাতে পাহাৰীয়া অঞ্চলত তুলনামূলকভাৱে জলবায়ু শীতল হোৱা বাবে সাজ-পাৰতো ভিন্নতা দেখা যায়। পৰ্বত-পাহাৰৰ এঢলীয়া ঢালত মানুহে প্ৰায়ে চাংঘৰ নিৰ্মাণ কৰা দেখা যায়। এই অঞ্চলত প্ৰয়োজনীয় পানী সহজলভ্য নোহোৱা বাবে দূৰ-দুৰণিৰ জান-জুৰি আদিৰপৰা পানী সংগ্ৰহ কৰিবলগীয়া হয়। পাহাৰীয়া অঞ্চলত কৃষি ভূমিৰ পৰিমাণ কম, সেয়ে ইয়াৰ মানুহে কৃষিৰ উপৰি পশুপালন আৰু অৰণ্যৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হয়। উচ্চ ভূমিত বাস কৰা লোকসকলৰ জীৱন-যাপনৰ উপায় সীমিত হোৱা বাবে তেওঁলোকে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হয়। এইবোৰ কাৰণতে উচ্চভূমি অঞ্চলত সাধাৰণতে সমভূমিতকৈ জনবসতি পাতলীয়া হোৱা দেখা যায়।

ইয়াৰ বিপৰীতে সমভূমিত কৃষি, যাতায়াত, উদ্যোগ, ব্যৱসায়-বাণিজ্য আদি সকলো কাৰ্য তুলনামূলকভাৱে সহজসাধ্য হয়। সেয়েহে এনে অঞ্চলত জনবসতিৰ ঘনত্ব অধিক হোৱা দেখা যায়। এনে ঘন বসতিপূৰ্ণ অঞ্চলত অপৰিকল্পিতভাৱে ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, নলা-নৰ্দমা নিৰ্মাণৰ ফলত বন্ধ পানী ওলাই যাব নোৱাৰা আৰু য'তে-ত'তে জাবৰ-জোথৰ পেলাই পৰিৱেশ দূষিত কৰা আদি সমস্যাই দেখা দিছে। কৃষিকৰ্মৰ সম্প্ৰসাৰণ আৰু ঘৰ-দুৱাৰ নিৰ্মাণে অৰণ্যৰ গছ-গছনি ধ্বংস কৰিছে। ফলত হাবি–বননিত বাস কৰা ক্ষুদ্ৰ প্ৰাণী, কীট–পতঙ্গকে ধৰি প্ৰকাণ্ড হাতীটোলৈকে প্ৰাণীসমূহৰ বাসস্থান দিনে দিনে সংকুচিত হৈ আহিছে। মানুহে এনেদৰে প্ৰাণীসমূহৰ বিপদ মাতি অনা নাইনে? পৃথিৱীৰ উপৰিভাগত বসবাস কৰাৰ অধিকাৰ কেৱল মানুহৰেই আছেনে? গছ–গছনি বিহীন লেতেৰা পৰিৱেশত আমাৰ জীৱন–যাপন কিমান কষ্টকৰ হ'ব ভাবি চোৱাচোন?

**মনত ৰাখিবলগীয়া কথা ঃ**

- পৃথিৱীৰ উপৰিভাগত থকা ভূঅৱয়ৱসমূহ আভ্যন্তৰীণ আৰু বাহ্যিক প্ৰক্ৰিয়াৰ দ্বাৰা গঠিত হৈছে।
- ভূঅৱয়ৱসমূহক প্ৰধানকৈ পৰ্বত, পাহাৰ, মালভূমি আৰু সমভূমি হিচাপে ভাগ কৰা হৈছে।
- শাৰী শাৰীকৈ থকা পৰ্বতৰ সমষ্টিক পৰ্বতমালা বোলে।
- উৎপত্তি অনুসৰি পৰ্বতক তিনিটা ভাগত বিভক্ত কৰা হৈছে। যেনে- আগ্নেয় পৰ্বত, ভংগিল পৰ্বত আৰু স্তূপ পৰ্বত।
- ভাৰতৰ উত্তৰে থকা তিব্বত মালভূমি পৃথিৱীৰ আটাইতকৈ উচ্চ মালভূমি।
- আগ্নেয়গিৰিৰপৰা নিৰ্গত লাভাৰে গঠিত দাক্ষিণাত্য মালভূমিৰ ক'লা মাটি অঞ্চলটো কপাহ খেতিৰ বাবে বিখ্যাত।

## অনুশীলনী ঃ

(১) তলৰ প্ৰশ্নবোৰৰ উত্তৰ চমুকৈ লিখা—

(ক) প্ৰধান ভূঅবয়ৱকেইটা কি কি?

(খ) পৰ্বত আৰু মালভূমিৰ পাৰ্থক্য কি কি?

(গ) উৎপত্তিৰ ফালৰপৰা পৰ্বত-পাহাৰক কি কি ভাগত ভাগ কৰা হয়?

(ঘ) পৰ্বত-পাহাৰ মানুহৰ কি কি কামত আহে?

(ঙ) সমভূমি কেনেকৈ গঠিত হয়?

(চ) নদী উপত্যকা কিয় ঘন জনবসতিপূৰ্ণ?

(ছ) পাৰ্বত্য অঞ্চলসমূহত সাধাৰণতে কিয় জনবসতি সেৰেঙা?

(২) শুদ্ধটোত (✓) চিন দিয়া—

(ক) পাহাৰতকৈ পৰ্বত বেলেগ হোৱাৰ মূল কাৰণ—

(১) উচ্চতা (২) ঢাল (৩) গঠন প্ৰক্ৰিয়া

(খ) হিমবাহ থকা স্থান হ'ল—

(১) সমভূমি (২) পৰ্বত (৩) মৰুভূমি

(গ) দাক্ষিণাত্য মালভূমিৰ অবস্থান—

(১) চীনত (২) নেপালত (৩) ভাৰতত

(৩) খালী ঠাই পূৰ কৰা—

(ক) ৰ'দ, বতাহ, বৰষুণ আদিৰ ফলত ভূআকৃতিৰ পৰিবৰ্তন হ'লে তাক.................................... প্ৰক্ৰিয়াৰ দ্বাৰা পৰিবৰ্তন হোৱা বুলি কোৱা হয়।


(খ) হিমালয় আৰু আল্পচ একোখন .............................. পৰ্বত।

(গ)............................. সমূহ সাধাৰণতে খনিজ সম্পদত চহকী।

(ঘ) ............................. অঞ্চলত যাতায়াত ব্যৱস্থা আটাইতকৈ সহজসাধ্য।

(ঙ) বোৱতী পানীৰ সোঁতে................................ সৃষ্টিত বিশেষ ভূমিকা লয়।

(৪) তলত দিয়া পৃথিবীৰ মানচিত্ৰখনত কেইখনমান পৰ্বতমালাৰ অৱস্থান দিয়া আছে। ভূচিত্ৰাৱলী চাই প্ৰতিখনৰ কাষৰ খালী ঘৰত তলত দিয়া ক্ৰমিক নম্বৰসমূহ বহুওৱা —




(৫) মানুহে পৰ্বত-পাহাৰ, গছ-গছনি, শিল-মাটি আদি অপৰিকল্পিতভাৱে কাটি থাকিলে এদিন আমাৰ কি কি অসুবিধা হ'ব পাৰে, পাঠৰ আধাৰত এটি টোকা লিখা।

(৬) ভূচিত্ৰাৱলী চাই হিমালয় পৰ্বতৰপৰা উৎপত্তি হোৱা কেইখনমান নৈৰ নাম লিখা।

**************

পাঠ নং ৭

# অসম ঃ জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, বন্যপ্ৰাণী আৰু কৃষি

3PGR8R

**শিকনৰ ফলাফল ঃ**

- অসমৰ জলবায়ুৰ বিষয়ে ধাৰণা কৰিব পাৰিব।
- অসমৰ প্ৰাকৃতিক উদ্ভিদৰ বিতৰণ সম্বন্ধে জানিব পাৰিব।
- অসমৰ বন্যপ্ৰাণী সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব।
- প্ৰাকৃতিক উদ্ভিদ আৰু বন্যপ্ৰাণীক পৰিবেশৰ এক অংশ হিচাপে ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা অনুভৱ কৰিব।
- অসমত জলবায়ুৰ লগত কৃষিৰ সম্পৰ্ক বুজি পাব।

| ২৯ নৱেম্বৰ ২০২০ | | | ৩০ নৱেম্বৰ ২০২০ | | |
|---|---|---|---|---|---|
| আকাশ | ঃ ৰাতিপুৱা- কুঁৱলী<br>দুপৰীয়া- ফৰকাল আকাশ | | আকাশ | ঃ ৰাতিপুৱা- কুঁৱলী<br>দুপৰীয়া- আংশিক ডাৱৰীয়া | |
| আপেক্ষিক আৰ্দ্ৰতা | ঃ ৮২% | | আপেক্ষিক আৰ্দ্ৰতা | ঃ ৬৩% | |
| বৰষুণ | ঃ নাই | | বৰষুণ | ঃ নাই | |
| বতাহ | ঃ নাই | | বতাহ | ঃ নাই | |
| **তাপ** | **সৰ্বোচ্চ** | **সৰ্বনিম্ন** | **তাপ** | **সৰ্বোচ্চ** | **সৰ্বনিম্ন** |
| **গুৱাহাটী** | ২৭.৬°C | ১৪.৪°C | **গুৱাহাটী** | ২৭.০°C | ১৪.৬°C |
| **যোৰহাট** | ২৬.৪°C | ১৩.৪°C | **যোৰহাট** | ২৬.০°C | ১৩.০°C |
| **ধুবুৰী** | ২৪.৭°C | ১৭.০°C | **ধুবুৰী** | ২৪.৯°C | ১৬.৪°C |

ওপৰৰ তালিকাখনত অসমৰ নিৰ্দিষ্ট দুটা দিনৰ বতৰ সম্বন্ধীয় কিছু তথ্য দেখুওৱা হৈছে। তথ্যখিনি ভালকৈ মন কৰাচোন। তথ্যখিনিত দুটা দিনৰ বায়ুমণ্ডলৰ তাপ, আপেক্ষিক আৰ্দ্ৰতা, বতাহ আৰু বৰষুণকে ধৰি বায়ুমণ্ডলৰ এটা অৱস্থা দেখুওৱা হৈছে। কোনো এখন ঠাইৰ সূৰ্যৰ পোহৰ আৰু তাপ, বায়ুৰ চাপ, বতাহ, বৰষুণ, জলীয় বাষ্পৰ আপেক্ষিক পৰিমাণ আদি উপাদানসমূহ লগ লাগি এক অৱস্থাৰ সৃষ্টি কৰে। এনে অৱস্থাকে ঠাইখনৰ সেই সময়ৰ **বতৰ** বুলি কোৱা হয়। একেদৰে দিনটোৰ বায়ুমণ্ডলৰ তাপ, চাপ, আৰ্দ্ৰতা, বতাহ, বৰষুণ আদিৰ সন্মিলিত অৱস্থাকেই সেই নিৰ্দিষ্ট দিনটোৰ বতৰ বুলি কোৱা হয়। বতৰৰ কোনো এটা উপাদানৰ পৰিমাণ দিনটোৰ সকলো সময়তে একে নাথাকে। গতিকে প্ৰতিদিনৰ বতৰৰ উপাদানসমূহৰ পৰিমাণৰ গড় উলিয়াব পাৰি। দিনটোৰ এনে গড় বতৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতৰ বতৰৰ আগলি বতৰা অনুমান কৰিব পাৰোঁ। তোমালোকে নিশ্চয় ৰেডিঅ', বাতৰি কাকত বা দূৰদৰ্শনৰ বাতৰিত বতৰৰ

আগজাননী দিয়া মন কৰিছা। ঠিক তেনেকৈ একোটা অঞ্চলৰ কমেও ৫০ বছৰৰ সূৰ্যৰ পোহৰ, বায়ুৰ উষ্ণতা আৰু চাপ, বতাহ, বৰষুণ, আদ্ৰতাৰ গড় অৱস্থাটোক সেই অঞ্চলটোৰ **জলবায়ু** বোলা হয়। গতিকে বতৰ বুলি ক'লে আমি এখন নিৰ্দিষ্ট ঠাইৰ এক নিৰ্দিষ্ট দিন, সপ্তাহ, মাহ আদিৰ বায়ুমণ্ডলৰ অৱস্থাক বুজোঁ। আনহাতে জলবায়ু বুলিলে আমি ঠাই এখনৰ ৪০-৫০ বছৰৰ বতৰৰ গড় অৱস্থাক বুজোঁ।

**ক্ৰিয়াকলাপ ঃ**

- শিক্ষকৰ সন্মতিক্ৰমে তোমালোকে শ্ৰেণী কোঠাৰ বাহিৰলৈ ওলাই আহা। এতিয়া তোমালোকে বায়ুমণ্ডলৰ অৱস্থাৰ পৰ্যবেক্ষণ কৰা। ভালকৈ পৰ্যবেক্ষণ কৰি তলৰ প্ৰশ্নবোৰৰ উত্তৰ উলিয়াবলৈ চেষ্টা কৰি তথ্য সংগ্ৰহ সম্পৰ্কে সাধাৰণ ধাৰণা লোৱা —

(১) পৰ্যবেক্ষণ কৰা দিনটোৰ তাৰিখ আৰু সময়।

(২) কালিতকৈ আজি গৰম বেছিকৈ অনুভৱ কৰিছা নেকি?

(৩) বৰ্তমান আকাশৰ অৱস্থা—

(ক) ফৰকাল, (খ) ডাৱৰীয়া

(৪) বৰ্তমান সূৰ্যৰ পোহৰ—

(ক) প্ৰখৰ, (খ) প্ৰখৰ নহয়

(৫) বৰ্তমান বতাহৰ অৱস্থা—

(ক) বতাহ আছে, (খ) বতাহ নাই

(৬) বতাহ বলাৰ দিশ—

(ক) পূবৰপৰা পশ্চিমলৈ

(খ) দক্ষিণৰপৰা উত্তৰলৈ

(গ) অথবা কোন ফালৰপৰা কোন ফাললৈ বৈছে?

- বতৰ আৰু জলবায়ুৰ মাজত সম্পৰ্ক আছে বুলি ভাবানে? দলত আলোচনা কৰি লিখা।


**অসমৰ জলবায়ু ঃ**

এখন ঠাইৰ জলবায়ু নিৰ্ভৰ কৰে সেই ঠাই বা অঞ্চলটোৰ ভৌগোলিক অৱস্থান (বিষুৱৰপৰা দূৰত্ব), ভূপ্ৰকৃতি, সাগৰ পৃষ্ঠৰপৰা ইয়াৰ উচ্চতা, সাগৰৰপৰা ইয়াৰ দূৰত্ব, প্ৰবাহিত বায়ু, মাটিৰ ঢাল, অৰণ্যৰ উপস্থিতি আদিৰ ওপৰত। এনে কিছু কাৰকৰ প্ৰভাৱৰ বাবে অসমৰ জলবায়ুৰ লগত ভাৰতৰ আন ঠাইৰ জলবায়ুৰ মাজত কিছু তাৰতম্য থকা দেখা যায়।

**জানি থওঁ আহা ঃ**

জলবায়ুৰ কিছু কাৰকৰ প্ৰভাৱৰ বাবেই ৰাজস্থানৰ থৰ এখন মৰুভূমি। ইয়াৰ অন্তৰ্গত **'জয়চালমাৰ'** আৰু **'বিকানেৰ'**বৰ গৰম ঠাই। আনহাতে জম্মু-কাশ্মীৰৰ **দ্ৰাচ,কাৰ্গিল** আদি অঞ্চল বৰ ঠাণ্ডা। সাগৰৰ পাৰত অৱস্থিত বাবে মুম্বাই আৰু কলকাতা চহৰ বেছি ঠাণ্ডাও নহয়, বেছি গৰমো নহয়। আমাৰ ৰাজ্যৰ ওচৰতে থকা মেঘালয়ৰ শ্বিলং চহৰ অসমতকৈ ঠাণ্ডা, কাৰণ সমুদ্ৰপৃষ্ঠৰ পৰা ই বহুত ওপৰত অৱস্থিত।

তোমালোকে ইতিমধ্যে আগৰ পাঠত পাই আহিছা যে কৰ্কটক্ৰান্তি ৰেখাডাল অসমৰ চুবুৰীয়া ৰাজ্য ত্ৰিপুৰাৰ মাজ অংশেৰে পাৰ হৈ গৈছে। ঠিক তাৰ উত্তৰত প্ৰায় ২৪° উত্তৰ আৰু ২৮° উত্তৰ অক্ষাংশৰ মাজত অসম অৱস্থিত। সেয়েহে অসমৰ জলবায়ু নাতিশীতোষ্ণ। আনহাতে অসমখন দক্ষিণ এছিয়াৰ মৌচুমী জলবায়ুৰ অন্তৰ্গত বাবে ইয়াত ক্ৰান্তীয় মৌচুমী জলবায়ুৰ প্ৰভাৱ দেখা যায়। গতিকে ৰাজ্যখনৰ দক্ষিণ-পশ্চিম মৌচুমী বতাহ, উত্তৰ-পূব মৌচুমী বতাহ, অসমৰ তিনিওফালে থকা পৰ্বত-পাহাৰ-মালভূমি, খাল-বিল, জলাশয় আদিৰ প্ৰভাৱত অসমত এক নিৰ্দিষ্ট জলবায়ু বিৰাজ কৰে, (চিত্ৰ-৭.১)।




চিত্ৰ-৭.১ ঃ অসমত দক্ষিণ-পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱ

**ক্রিয়াকলাপ ঃ**

অসমৰ জলবায়ু শ্বিলং চহৰৰ জলবায়ুতকৈ বেলেগ হোৱাৰ কাৰণ কি বুলি ভাবা?

জলবায়ুৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি অসমত গোটেই বছৰটোক ঘাইকৈ চাৰিটা ঋতুত (Seasons) ভাগ কৰা হৈছে। এই ঋতু চাৰিটা হ'ল—

**(ক) গ্ৰীষ্ম কাল (Summer Season)ঃ** ফাগুনৰ শেষভাগ, চ'ত, ব'হাগ আৰু জেঠ মাহত (মাৰ্চৰ আগভাগৰপৰা জুন মাহৰ মাজভাগলৈ) অসমত গ্ৰীষ্মকাল হয়। এই সময়ছোৱাত গৰম অধিক আৰু সাধাৰণতে বৃষ্টিপাত কম। অৱশ্যে এই সময়ছোৱাত মাজে মাজে ধুমুহা-বৰষুণ আৰু শিল-বৰষুণ হোৱাও দেখা যায়। গ্ৰীষ্মকালত ব'হাগ মাহত হোৱা এনে ধুমুহা - বৰষুণ, ধূলি-ধুমুহাক অসমত স্থানীয়ভাৱে **বৰদৈচিলা** বোলা হয়। এই সময়ত কেতিয়াবা আকৌ ঘূৰ্ণী বতাহো হোৱা দেখা যায়। এই কালছোৱাত অসমৰ কৃষকে বিভিন্ন খাৰিফ শস্য যেনে—ধান, মৰাপাট, মাকৈ, আদিৰ খেতি আৰম্ভ কৰে।

**(খ) বৰ্ষাকাল (Monsoon Season)ঃ** আহাৰ মাহৰপৰা শাওন, ভাদ আৰু আহিন মাহৰ মাজভাগলৈ (জুন মাহৰ শেষভাগৰপৰা ছেপ্টেম্বৰ মাহৰ শেষভাগলৈ) বৰ্ষাকাল ধৰা হয়। এই সময়ছোৱাত বংগ উপসাগৰৰ ওপৰেদি অহা দক্ষিণ-পশ্চিম মৌচুমী বতাহ অসমৰ ওপৰেদি বয়। সাগৰৰ ওপৰেদি অহাৰ সময়ত এই বতাহে যথেষ্ট পৰিমাণে জলীয় বাষ্প কঢ়িয়াই আনে। চিত্ৰ-৭.১ত দিয়াৰ দৰে এই বতাহ মেঘালয়, মিজোৰাম আদি পাহাৰৰ ওপৰেদি পাৰ হওঁতে ওপৰলৈ উঠে। কিছু বায়ুপুঞ্জ উত্তৰৰ হিমালয় পৰ্বততো খুন্দা মাৰি ওপৰলৈ উঠে। এইদৰে জলীয় ভাপ বহন কৰি অনা দক্ষিণ-পশ্চিম মৌচুমী বায়ু চেঁচা হৈ অসমত প্ৰচুৰ পৰিমাণে বৰষুণ দিয়ে।

**জানি থওঁ আহা ঃ**

মেঘালয় অসমৰ এখন চুবুৰীয়া ৰাজ্য। দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ বাবে মেঘালয়ৰ মৌচিনৰামত পৃথিৱীৰ ভিতৰত সৰ্বোচ্চ বৰষুণ হয়। এই বৰষুণৰ পৰিমাণ বছৰি প্ৰায় ১২৫০ চেণ্টিমিটাৰ।

**(গ) শৰৎকাল (Autumn Season)ঃ** আহিন মাহৰ শেষভাগৰপৰা আঘোণ মাহৰ মাজভাগলৈকে (ছেপ্টেম্বৰৰ শেষৰপৰা ডিচেম্বৰৰ আগভাগলৈ) অসমত শৰৎকাল হয়। এই সময়ত বৰ্ষাকালৰ তুলনাত বৃষ্টিপাত আৰু উত্তাপ দুয়োটাই কমি আহে। কাৰণ এই সময়ত সূৰ্যৰ স্থিতি উত্তৰ গোলাৰ্ধৰপৰা লাহে লাহে আঁতৰি দক্ষিণ গোলাৰ্ধলৈ আগবাঢ়ি যায়। সেয়েহে উত্তৰ গোলাৰ্ধত উষ্ণতা কমিবলৈ ধৰে, আকাশ ফৰকাল হয় আৰু বৃষ্টিপাত কমি আহে। শৰৎকালত শুক্লপক্ষৰ ৰাতিবোৰ ফটফটীয়া হয়। শৰৎকালৰ শেষৰফালে অৰ্থাৎ কাতি মাহৰ শেষৰ ফালে আৰু আঘোণৰ প্ৰথম ভাগত ৰাতিপুৱা-গধূলি ঠাণ্ডা পৰে আৰু দিগন্তত কুঁৱলী দেখা যায়। সেইবাবে এই চুটি সময়খিনিক **হেমন্ত কাল** বুলি কোৱা হয়।

**(ঘ) শীতকাল (Winter Season) ঃ** আঘোণৰ শেষৰপৰা ফাগুনৰ মাজভাগলৈ (ডিচেম্বৰৰ মাজভাগৰ পৰা ফেব্ৰুৱাৰীৰ শেষলৈ) অসমত শীতকাল বিৰাজ কৰে। এই সময়ছোৱাত বৰষুণ প্ৰায় নোহোৱাৰ নিচিনা হয়। সূৰ্যৰ দক্ষিণায়নৰ ফলত এই সময়ছোৱাত উত্তৰ গোলাৰ্ধত সূৰ্যৰ ৰশ্মি হেলনীয়া হৈ পৰে। এইবাবে আমাৰ ইয়াত উত্তাপ কমি আহি প্ৰায় ৮°-২০°চেণ্টিগ্ৰেডৰ ভিতৰত থাকে। এই সময়ত উত্তৰ-পূব মৌচুমী বতাহ উত্তৰৰ হিমালয় পৰ্বতৰ ওপৰেদি কিছু পৰিমাণে পাৰ হৈ অহা বাবে অসমত কেতিয়াবা অধিক শীত অনুভৱ কৰা যায়। স্থলভাগৰপৰা এই বতাহ পাৰ হৈ অহা বাবে ই শুকান, সেয়ে এই সময়ছোৱাত সাধাৰণতে বৰষুণ নহয়। এইখিনিতে মন কৰিবলগীয়া যে, শীতৰ শেষত আৰু গ্ৰীষ্মৰ আৰম্ভণিতে অৰ্থাৎ ফাগুনৰ মাজভাগৰ পৰা ব'হাগৰ আগভাগলৈকে এই সময়খিনিত অসমত উত্তাপ অধিক নহয়। গছ-বনত কুঁহিপাত আৰু ফুল-ফল ওলায় আৰু চৰাই-চিৰিকটিয়ে গীত-মাতেৰে পৰিৱেশ মনোৰম কৰি তোলে। এই চুটি সময়খিনিক অসমত **বসন্ত কাল** বোলা হয়। গতিকে শীত আৰু গ্ৰীষ্মৰ দোমোজাক বসন্ত কাল বুলিলে অশুদ্ধ নহয়।

**ক্ৰিয়াকলাপ ঃ**

(১) ঋতু ভেদে বতাহ, বৰষুণ, উষ্ণতা, ধুমুহা আদিৰ পৰিমাণ বেলেগ বেলেগ। এতিয়া ঋতুভেদে হোৱা বতৰৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি তলৰ তালিকাখন পূৰ কৰা—

| ঋতুৰ নাম | মাহৰ নাম | বতৰৰ অৱস্থা |
|---|---|---|
| গ্ৰীষ্মকাল | | |
| বৰ্ষাকাল | | |
| শৰৎকাল | | |
| শীতকাল | | |

(২) কোনো বছৰৰ বৰ্ষা কালত যদি মৌছুমী বায়ুৰ প্ৰভাৱত বৰষুণ নহয়, তেতিয়া—

(ক) বৰ্ষাকাল চুটি /দীঘল হ'ব।

(খ) কুঁৱা বা দমকলৰ পানী ভাগ বেছি তললৈ যাব /ওপৰলৈ আহিব।

(গ) খেতি-বাতি কৰাৰ ক্ষেত্ৰত সুবিধা হ'ব /অসুবিধা হ'ব।

(৩) বছৰটোৰ কোন সময়ছোৱাক অসমত বসন্ত কাল বোলে? বসন্ত কালৰ প্ৰাকৃতিক পৰিৱেশ বৰ্ণনা কৰা।

**জানি থওঁ আহা**

বছৰটোক প্ৰধানকৈ চাৰিটা ঋতুত ভাগ কৰিলেও কোনো কোনোৱে ইয়াক আকৌ ছয়টা ঋতুত ভাগ কৰে। সেইবোৰ হ'ল— গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত।

### অসমৰ প্ৰাকৃতিক উদ্ভিদ আৰু বন্যপ্ৰাণী ঃ

আমাৰ চাৰিওফালে কেনে ধৰণৰ গছ-গছনি আছে তোমালোকে নিশ্চয় লক্ষ্য কৰিছা। এনে গছ-গছনি বিলাকৰ কিছুমান আমি লালন-পালন কৰা আৰু আন কিছুমান ধৰাপৃষ্ঠত স্বাভাৱিকভাৱে গজি ডাঙৰ-দীঘল হোৱা। মানুহৰ প্ৰভাৱ নপৰাকৈ বা লালন-পালন নোপোৱাকৈ প্ৰাকৃতিকভাৱে ডাঙৰ-দীঘল হোৱা গছ-গছনিক **প্ৰাকৃতিক উদ্ভিদ** বোলা হয়। অসমৰ এই প্ৰাকৃতিক উদ্ভিদ সকলো ঠাইতে একে নহয়। অৰ্থাৎ অসমৰ মাটিৰ গুণাগুণ, বৰষুণৰ পৰিমাণ, উষ্ণতা, পৰ্বতৰ এঢলীয়া ঠাই আদিৰ বাবে এই উদ্ভিদ বেলেগ বেলেগ হ'ব পাৰে। ইয়াৰ উপৰি ৰাজ্যখনৰ জলাশয়, পিটনি, পৰ্বতৰ ওখ ঠাই আদি বিভিন্ন ভূঅৱয়ৱত প্ৰাকৃতিক উদ্ভিদ ভিন ভিন হোৱা দেখা যায়। অসমৰ উদ্ভিদক ইহঁতৰ গঠন, চাৰিত্ৰিক বৈশিষ্ট্য জলবায়ু আৰু ভূপ্ৰকৃতিৰ তাৰতম্যৰ ওপৰত ভিত্তি কৰি নিম্নলিখিত মূল ভাগকেইটাত ভগাব পাৰি—

#### (ক) ক্ৰান্তীয় চিৰ সেউজীয়া উদ্ভিদ ঃ

অসমৰ যিবোৰ অঞ্চলত গড়ে ২০০ চেণ্টিমিটাৰতকৈ বেছি বৰষুণ আৰু ২৫° চেণ্টিগ্ৰেডতকৈ বেছি উষ্ণতা আছে তেনে ঠাইবোৰত ক্ৰান্তীয় চিৰসেউজীয়া গছ-গছনি পোৱা যায়। এইবিধ উদ্ভিদৰ প্ৰধান বৈশিষ্ট্য হ'ল— ইহঁতৰ পাত সদায় সেউজীয়া হৈ থাকে, সেয়ে ইয়াক **চিৰসেউজীয়া উদ্ভিদ** বোলে। উত্তৰ–পূব অসমৰ পাহাৰৰ কাষৰীয়া অঞ্চল, উত্তৰ কাছাৰ জিলা, বৰাক উপত্যকাৰ কোনো কোনো ঠাইত এই ধৰণৰ উদ্ভিদ পোৱা যায়। এই উদ্ভিদৰ হাবিত সাধাৰণতে নাগেশ্বৰ, হলং, হলখ, শিশু, গমাৰি, অগৰু, খোকন আদি মূল্যবান উদ্ভিদ পোৱা যায়।

**জানি থওঁ আহা ঃ**

ক্রান্তীয় অঞ্চলৰ যিবোৰ ঠাইত বৃষ্টিপাত অধিক, তেনে ঠাইত ক্রান্তীয় চিৰসেউজীয়া বৰ্ষাৰণ্য পোৱা যায়। এনে অৰণ্য অতি ঘন আৰু বিভিন্ন উচ্চতাৰ গছ-গছনিৰে পৰিপূৰ্ণ। এনে উদ্ভিদৰ পাতবোৰ বছৰৰ বিভিন্ন সময়ত সৰে। সেইবাবে এই অৰণ্য দেখাত চিৰসেউজীয়া। অসমৰ শোণিতপুৰ জিলাৰ নামেৰী আৰু তিনিচুকীয়া জিলাৰ জয়দিহিং, পানী দিহিং এনে ধৰণৰ বৰ্ষাৰণ্য, (চিত্ৰ-৭.২)।

### (খ) ক্রান্তীয় পৰ্ণপাতী উদ্ভিদ ঃ

এনেধৰণৰ উদ্ভিদৰ সকলোবোৰ পাত বছৰটোৰ ভিতৰত এবাৰ সৰি যায় আৰু কিছুদিন পাছত পুনৰ কুঁহিপাত ওলাবলৈ ধৰে। এই উদ্ভিদক সাধাৰণতে ৮০ চেণ্টিমিটাৰৰ পৰা ২০০ চেণ্টিমিটাৰ গড় বৰষুণ লাগে। অসমৰ ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা, কোকৰাঝাৰ, বৰপেটা, নলবাৰী, কামৰূপ, দৰং, মৰিগাঁও, নগাঁও, শোণিতপুৰ আৰু কাৰ্বি আংলং জিলাত এইবিধ উদ্ভিদ প্ৰচুৰ পৰিমাণে পোৱা যায়। এইবিধ উদ্ভিদৰ ভিতৰত চেগুন, শাল, সোণাৰু, গমাৰি, শিমলু, খয়েৰ, কদম, শিলিখা, ভোমোৰা, নিম আদি মূল্যৱান গছ, (চিত্ৰ-৭.৩)।




*চিত্ৰ- ৭.২ ঃ ক্রান্তীয় চিৰসেউজীয়া বৰ্ষাৰণ্য (উদ্ভিদৰ স্তৰসমূহৰ গঠনৰ আহিঁ চিত্ৰ)*



*চিত্ৰ- ৭.৩ ঃ ক্রান্তীয় পৰ্ণপাতী উদ্ভিদ*

### (গ) ক্রান্তীয় তৃণভূমি উদ্ভিদ ঃ

ক্রান্তীয় তৃণভূমি অসমৰ এক উল্লেখযোগ্য প্ৰাকৃতিক উদ্ভিদ। অসমৰ ব্ৰহ্মপুত্ৰ সমতলৰ উত্তৰ অংশত অৰ্থাৎ হিমালয়ৰ পাদদেশ বা তৰাই অঞ্চলত আৰু ব্ৰহ্মপুত্ৰকে ধৰি ডাঙৰ ডাঙৰ নৈবোৰৰ কাষৰীয়া অঞ্চলত এই তৃণভূমি বিস্তৃত হৈ থকা দেখা যায়। অসমৰ বাক্‌সা জিলাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত এনে ধৰণৰ ঘাঁহনি অঞ্চল পোৱা যায়। তদুপৰি মাজুলী, কাজিৰঙা, ভুৰবন্ধা, পৱিতৰা, ওৰাং আদি অঞ্চল এনেধৰণৰ ঘাঁহনিৰ বাবে বিখ্যাত।


এই তৃণভূমি অঞ্চলত বিভিন্ন ধৰণৰ ঘাঁহ জাতীয় উদ্ভিদ, সৰু-বৰ বাঁহ গছ, বিভিন্ন ধৰণৰ ফলৰ গছ, খেৰ, ইকৰা, খাগৰি, নল, কঁহুৱা, তৰাগছ আদি বহুতো পৰিমাণে পোৱা যায়। এনেবোৰ উদ্ভিদৰ উপৰি অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ঠায়ে ঠায়ে থকা বিল, জলাশয়, পিটনিসমূহত বিভিন্ন ধৰণৰ জলাশ্ৰিত ঘাঁহ, মেটেকা, ভেট ফুল, পদুম ফুল আদিও পোৱা যায়।



*চিত্ৰ- ৭.৪ ঃ ক্রান্তীয় তৃণভূমি*

উৎস: https://images.app.goo.gl/3KScDVmwCteDPsqd7

ইতিমধ্যে বৰ্ণনা কৰা উদ্ভিদৰ মূল ভাগ তিনিটাৰ লগতে তলৰ মানচিত্ৰ (চিত্ৰ নং ৭.৫)ত দেখুওৱাৰ দৰে সেৰেঙাৰ পৰা কিছু ঘন ৰূপত স্থান বিশেষে বেলেগ বেলেগ উদ্ভিদৰ অৱস্থিতি দেখা যায়। সেইবোৰৰ ভিতৰত বাঁহ, অৱনমিত বনানী আৰু ৰোপণ উদ্ভিদৰ বনানী উল্লেখযোগ্য।




*চিত্ৰ- ৭.৫ ঃ অসমৰ মানচিত্ৰত প্ৰাকৃতিক উদ্ভিদৰ বিতৰণ দেখুওৱা হৈছে*

**ক্ৰিয়াকলাপ ঃ**

তোমাৰ অঞ্চলত সাধাৰণতে কি কি গছ বেছিকৈ পোৱা যায় তাৰ তালিকা এখন প্ৰস্তুত কৰা। লগতে উদ্ভিদবোৰৰ তলত দিয়া বৈশিষ্ট্যবোৰ লিপিবদ্ধ কৰা —

(ক) আনুমানিক উচ্চতা

(খ) চিৰ সেউজীয়া নে পৰ্ণপাতী?

(গ) গা-গছ, পাতৰ ধৰণ

(ঘ) ইয়াৰপৰা আমি কি কি পাওঁ ইত্যাদি।

## উদ্ভিদ আমাক কিয় লাগে?

উদ্ভিদ মানুহৰ জীৱনত প্ৰচুৰভাবে ব্যৱহাৰ হোৱা এবিধ প্ৰকৃতিৰ উপাদান। আমাৰ কামত আহে বাবে ইয়াক আমি প্ৰাকৃতিক সম্পদ বুলি কওঁ। গছ-গছনিয়ে এৰি দিয়া অক্সিজেন গেছ আমি উশাহত লওঁ আৰু আমি উৎপন্ন কৰা কাৰ্বন-ডাই-অক্সাইড গেছ গছ-গছনিয়ে শুহি লয়। গছ-গছনিৰ বাবেই আমাৰ বায়ুমণ্ডলৰ প্ৰদূষণ বহুপৰিমাণে নিয়ন্ত্ৰণ হয়। ইয়াৰ উপৰি গছৰ শিপাই মাটিত খামোচ মাৰি ধৰি ভূমিক্ষয় ৰোধ কৰে। গছৰপৰাই আমি ঘৰ — দুৱাৰ, চাং, দলং আদি নিৰ্মাণ কৰি লওঁ। তাৰোপৰি চকী — মেজ আদিকে ধৰি অনেক আচবাব তৈয়াৰ কৰি লওঁ। ইয়াক আমি ইন্ধন হিচাপেও ব্যৱহাৰ কৰো। তদুপৰি অসমৰ হাবিত পোৱা বিভিন্ন ধৰণৰ ঔষধি গছ বিভিন্ন বেমাৰৰ ঔষধ হিচাপে ব্যৱহাৰ কৰোঁ। অসমত কপৌফুল, ভাটৌফুলকে ধৰি ভিন ভিন প্ৰজাতিৰ অৰ্কিড পোৱা যায়। ৰাজ্যখনৰ হাবিত হোৱা শাল, নিম, চম্পা, সোণাৰু, বনচোম, ৰবৰ আদি বিভিন্ন ধৰণৰ গছ, ফল-মূল আদি মূল্যবান সম্পদ। এতিয়া সিপিঠিৰ ছবিখনলৈ ভালকৈ লক্ষ্য কৰা। ছবিখনৰপৰা গছ-গছনি আমাৰ কি কি কামত আহে তাক ভালদৰে বুজিব পাৰিবা, (চিত্ৰ-৭.৬)।




চিত্ৰ- ৭.৬ ঃ উদ্ভিদৰ ব্যৱহাৰ

**বন্যপ্ৰাণী ঃ**

অৰণ্য বিভিন্ন ধৰণৰ বন্যপ্ৰাণীৰ বাসস্থান। অসমৰ হাবিত বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তু, সৰীসৃপ, চৰাই-চিৰিকটি, উভচৰ প্ৰাণী, পোক-পৰুৱা, মৌ মাখি আদি থাকে। ইয়াৰ হাবিত এশিঙীয়া গঁড়, হাতী, বাঘ, বনৰীয়া ম'হ, ভালুক, গাহৰি, হলৌ বান্দৰ, সোণালী আৰু টুপীমূৰীয়া বান্দৰ, পহু, চৰাই, নেউল, কেৰ্কেটুৱা আদি প্ৰচুৰ পৰিমাণে পোৱা যায়। অসমত সিঁচৰতি হৈ থকা খাল-বিল, পিটনি, পুখুৰী আদিত বিভিন্ন প্ৰজাতিৰ মাছ, কাছ, সাপ, ভেকুলী আদিও পোৱা যায়। অসমৰ বন্যপ্ৰাণীৰ ভিতৰত হাতী, এশিঙীয়া গঁড়, হলৌ বান্দৰ, বনৰীয়া ম'হ আৰু দেওহাঁহ বৰ মূল্যবান প্ৰাণী। হাতী দাঁতৰপৰা আগৰ দিনত নানাবিধ মূল্যবান আ-অলংকাৰ আৰু বিনোদনৰ সামগ্ৰী তৈয়াৰ কৰা হৈছিল।



চিত্ৰ-৭.৭ ঃ অসমৰ বন্যপ্ৰাণী

বৰ্তমান চৰকাৰে বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰিছে। ইয়াৰ ওপৰত ভিত্তি কৰিয়ে অসমত সাতখন ৰাষ্ট্ৰীয় উদ্যান আৰু সোতৰখন অভয়াৰণ্য চৰকাৰীভাৱে স্বীকৃতি দিয়া হৈছে। ইয়াৰ উপৰি দুখন অভয়াৰণ্যৰ বাবে প্ৰস্তাৱ বিবেচনাধীন হৈ আছে। পৰৱৰ্তী দুটি পৃষ্ঠাত দিয়া তালিকা আৰু মানচিত্ৰৰপৰা এই ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যসমূহৰ অৱস্থান সম্পৰ্কে জানি লোৱা।

## জানি থওঁ আহা ঃ

| ক্ৰমিক নং | ৰাষ্ট্ৰীয় উদ্যানৰ নাম | জিলা | উল্লেখযোগ্য বন্যপ্ৰাণীৰ আৰু প্ৰাকৃতিক অৱয়ৱৰ নাম |
|---|---|---|---|
| ১ | কাজিৰঙা | গোলাঘাট আৰু নগাঁও জিলাৰ কিছু অংশ | এশিঙীয়া গঁড়, হাতী, বাঘ, হলৌ বান্দৰ, ভালুক, বনৰীয়া ম'হ, দল হৰিণ, বনৰীয়া গৰু, শিহু, মাছ, নানাবিধ চৰাই; পিটনি |
| ২ | মানাহ | বাক্সা আৰু চিৰাং | ঢেকীয়াপতীয়া বাঘ, সোণালী বান্দৰ, নল গাহৰি, ময়ুৰ, ম'হ |
| ৩ | ডিব্ৰু-চৈখোৱা | তিনিচুকীয়া | বন ঘৰচীয়া ঘোঁৰা, দেওহাঁহ, বনৰীয়া ম'হ, জলচৰ প্ৰাণী |
| ৪ | নামেৰী | শোণিতপুৰ | ঢেকীয়াপতীয়া বাঘ, দেওহাঁহ, হাতী, চাৰি প্ৰজাতিৰ ধনেশ |
| ৫ | ওৰাং | দৰং আৰু ওদালগুৰি | গঁড়, বাঘ, উলু-ম'ৰা চৰাই, উদ, হাতী |
| ৬ | দিহিং-পাটকাই | ডিব্ৰুগড় আৰু তিনিচুকীয়া | হলৌ বান্দৰ, হাতী, দেওহাঁহ, বাঘ, ধনেশ পক্ষী; বৰ্ষাৰণ্য, |
| ৭ | ৰাইমনা | কোকৰাঝাৰ | সোনালী বান্দৰ, হাতী, বাঘ, মহ, হৰিণ |
| | **বন্যপ্ৰাণী অভয়াৰণ্যৰ নাম** | | |
| ১ | গৰমপানী | গোলাঘাট | হাতী, গৰমপানীৰ উঁহ |
| ২ | লাওখোৱা | নগাঁও | হাতী, বাঘ, উলু-ম'ৰা চৰাই, বনৰীয়া ম'হ |
| ৩ | বৰনদী | ওদালগুৰি | খাগৰিকটা শহা, নল গাহৰি, হাতী, বাঘ, ৰাজ ধনেশ |
| ৪ | চক্ৰশীলা | ধুবুৰী | সোণালী বান্দৰ, বনৰীয়া গৰু, সুগৰি পহু, শৰ পহু |
| ৫ | বুঢ়া চাপৰি | শোণিতপুৰ | হাতী, জলচৰ পক্ষী, বাঘ, উলু-ম'ৰা চৰাই, বনৰীয়া ম'হ |
| ৬ | পানী দিহিং | শিৱসাগৰ | পৰিভ্ৰমী চৰাই, সাময়িক ভ্ৰমণৰত হাতী, জলাহ |
| ৭ | হোলোংগাপাৰ গিবন | যোৰহাট | বিভিন্ন প্ৰজাতিৰ বান্দৰ, হাতী, নাহৰফুটুকী বাঘ |
| ৮ | পবিতৰা | মৰিগাঁও | গঁড়, পৰিভ্ৰমী চৰাই, নাহৰফুটুকী বাঘ, সুগৰি পহু |
| ৯ | সোণাই-ৰূপাই | শোণিতপুৰ | দেওহাঁহ, হাতী, বাঘ, বন গৰু, শৰ পহু |
| ১০ | ডেৰজান-বৰজান-পদুমণি | তিনিচুকীয়া | বিভিন্ন প্ৰজাতিৰ বান্দৰ, নাহৰফুটুকী বাঘ |
| ১১ | পূব কাৰ্বি আংলং | কাৰ্বি আংলং | বন গৰু, হাতী, বাঘ, বিভিন্ন প্ৰজাতিৰ বান্দৰ, ধনেশ পক্ষী, শৰ পহু, সুগৰি পহু, বন মেকুৰী |
| ১২ | নামবৰ | কাৰ্বি আংলং | বন গৰু, হলৌ বান্দৰ, বাঘ, টুপীমূৰীয়া বান্দৰ, হাতী, ধনেশ পক্ষী, শৰ পহু, সুগৰি পহু, বন মেকুৰী |
| ১৩ | মৰত লংৰী | কাৰ্বি আংলং | বাঘ, বন গৰু, হাতী, হলৌ বান্দৰ |
| ১৪ | নামবৰ দৈগুৰুং | কাৰ্বি আংলং আৰু গোলাঘাট জিলা | বন গৰু, হাতী, হলৌ বান্দৰ, বাঘ, টুপীমূৰীয়া বান্দৰ, ধনেশ পক্ষী, শৰ পহু, সুগৰি পহু, বন মেকুৰী |
| ১৫ | আমচাং | কামৰূপ (মেট্ৰ') | হাতী, বন গৰু, নাহৰফুটুকী বাঘ, টুপীমূৰীয়া বান্দৰ, লাজুকী বান্দৰ, হলৌ বান্দৰ, বন মেকুৰী, |
| ১৬ | বৰাইল | কাছাৰ | পাহাৰীয়া ছাগলী, হিমালয়ৰ ক'লা ভালুক, হলৌ বান্দৰ, চশ্মা পিন্ধা বান্দৰ |
| ১৭ | দীপৰ বিল (পক্ষী অভয়াৰণ্য) | কামৰূপ (মেট্ৰ') | বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী পক্ষী, সাময়িক ভ্ৰমণৰত হাতী; জলাশয় |
| | **প্ৰস্তাৱিত বন্যপ্ৰাণী অভয়াৰণ্য** | | |
| ১ | বৰদৈবাম বিলমুখ | লখিমপুৰ আৰু ধেমাজি | বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাই, মাছ; জলাশয় |
| ২ | উত্তৰ কাৰ্বি আংলং | কাৰ্বি আংলং | হাতী, হলৌ বান্দৰ, টুপীমূৰীয়া বান্দৰ, বাঘ |




*চিত্ৰ- ৭.৮ ঃ অসমৰ ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণী অভয়াৰণ্যসমূহ*

## প্ৰাকৃতিক উদ্ভিদ আৰু বন্যপ্ৰাণী সংৰক্ষণ ঃ

প্ৰাকৃতিক উদ্ভিদ অবিহনে পৃথিৱীৰ উপবিভাগ সৌন্দৰ্যহীন। পৃথিৱীৰ সৌন্দৰ্য ৰক্ষাত প্ৰাকৃতিক উদ্ভিদে সহায় কৰে। উদ্ভিদৰ বাবে পৃথিৱীৰ জলবায়ুৰ ওপৰত বিশেষ প্ৰভাৱ পৰিলক্ষিত হয়। এই উদ্ভিদে প্ৰাণী জগতক সুৰক্ষা দি থকাৰ উপৰি মানুহৰ জীৱন-ধাৰণত বিশেষভাৱে সহায় কৰি আহিছে। মানুহৰ মৌলিক প্ৰয়োজনীয় সা-সামগ্ৰী, খাদ্য সামগ্ৰী, ঔষধ আদি সকলোবোৰ প্ৰাকৃতিক উদ্ভিদৰপৰাই আহৰণ কৰা হয়। জনসংখ্যা বাঢ়ি অহাৰ লগে লগে খেতি-বাতি কৰা, বাট-পথ নিৰ্মাণ, গাঁও-চহৰ আদি স্থাপনৰ বাবে অধিক ঠাইৰ আৱশ্যক হৈছে। ফলত অধে-মধে গছ-গছনি কটা, বনৰ জীৱ-জন্তু হত্যা কৰা, পাহাৰ কাটি দ ঠাই পুৰোৱা, যতে ততে খনন কাৰ্য কৰা দেখা যায়। এনে কাৰ্যই বন্যপ্ৰাণীৰ বাসস্থান,



*চিত্ৰ-৭.৯ ঃ মানুহ আৰু বন্যপ্ৰাণী*

খাদ্য আদিৰ ক্ষেত্ৰত সংকটৰ সৃষ্টি কৰিছে। শেহতীয়াভাৱে অসমৰ বিভিন্ন অঞ্চলত খাদ্যৰ সন্ধানত হাতী, বাঘ, গড় আদি জনবসতি স্থলত প্ৰবেশ কৰাৰ ইয়েই মূল কাৰণ নহয় নে? তদুপৰি, মানুহৰ এনে ধ্বংসমূলক কাৰ্যৰ বাবে গোটেই পৰিবেশৰ ভাৰসাম্য নষ্ট হৈছে। অসমৰ হাবিত পোৱা মূল্যবান জীৱ-জন্তু যেনে—গঁড়, হাতী, হৰিণা, বাঘ, বনৰীয়া ম'হ আদি চোৰাং চিকাৰী আৰু দুষ্ট প্ৰকৃতিৰ মানুহে হত্যা কৰি তাৰ অংগ-প্ৰত্যংগ অবৈধভাৱে বজাৰত বিক্ৰী কৰিছে। তদুপৰি অসমৰ

হাবিত পোৱা বিভিন্ন ধৰণৰ মূল্যবান গছ, কাঠ, চোৰাং বেপাৰীয়ে অবৈধভাৱে কাটি বিক্ৰী কৰা দেখা যায়। ইয়াৰ উপৰি আমাৰ ৰাজ্যখনত পোৱা বিভিন্ন ধৰণৰ অলংকাৰিক মাছ যেনে— খলিহনা, পুঠি, পাটীমুতুৰা, গঙাটোপ, বটিয়া, মাগুৰ আদিৰ জনপ্ৰিয়তা বিদেশৰ বজাৰত বৃদ্ধি পোৱাৰ ফলত ইয়াৰ গুৰুত্ব বৃদ্ধি পাইছে। সেয়েহে এনেবোৰ কাৰণৰ ওপৰত ভিত্তি কৰি আমি এই প্ৰাকৃতিক উদ্ভিদৰ লগতে বন্যপ্ৰাণীসমূহক সংৰক্ষণৰ চিন্তা কৰিব লগা হৈছে। আমি সকলোৰে এই সম্পদবোৰৰ পৰিমিত ব্যৱহাৰ কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। এনেবোৰ কথাৰ ওপৰত ভিত্তি কৰিয়ে কেইবাটাও বেচৰকাৰী সংস্থাই প্ৰাকৃতিক উদ্ভিদৰ লগতে বন্যপ্ৰাণীৰ সংৰক্ষণ তথা লালন-পালন কৰাৰ বাবে আগবাঢ়ি আহি বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লোৱা দেখা গৈছে। এনে সংস্থাবোৰৰ ভিতৰত বৰ্ল্ড হেৰিটেজ গ্ৰুপ, বৰ্ল্ড ৱাইল্ড লাইফ ফাণ্ড, নেচাৰ্ছ বেকন, প্ৰভাতী পখী আদিয়ে উল্লেখযোগ্য। উদ্ভিদ আৰু বন্যপ্ৰাণী সুৰক্ষাৰ বাবে অকলশৰীয়া প্ৰচেষ্টাৰে বনভূমি সৃষ্টি কৰা অসমৰ অৰণ্যমানৱ **যাদৱ পায়েঙৰ** নাম ল'ব লাগিব। আজিকালি বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠানে বন্যপ্ৰাণী সংৰক্ষণৰ বাবে বিভিন্ন পাঠ্যক্ৰম আৰম্ভ কৰিছে। তোমালোকে এনে পাঠ্যক্ৰমৰ বিষয়ে আগলৈ ভালকৈ জানিব পাৰিবা।

**ক্ৰিয়াকলাপ ঃ**

(১) পৃথিৱীৰ উপৰিভাগত গছ-গছনি নাথাকিলে আমাৰ কি কি অসুবিধা হ'ব পাৰে?

(২) চিৰিয়াখানাৰ বাঘ আৰু অভয়াৰণ্যৰ বাঘৰ জীৱন-নিৰ্বাহৰ কি কি পাৰ্থক্য আছে?
(দলত আলোচনা কৰি লিখা।)

## কৃষি ঃ

যিকোনো এখন ঠাইৰ কৃষি সেইখন ঠাইৰ জলবায়ু আৰু মাটিৰ ওপৰত নিৰ্ভৰশীল। অসমৰ ভূপ্ৰাকৃতিক গঠন, মৌচুমী বতাহৰ প্ৰভাৱ, মাটি আদি কৃষিৰ উপযোগী বাবে অসমৰ জনসাধাৰণ প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে অসমৰ প্ৰায় ৭০% মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱিকা নিৰ্বাহ কৰি আছে। তোমালোকে জানা যে, জলবায়ুৰ ওপৰত ভিত্তি কৰি অসমত গোটেই বছৰটোক প্ৰধানকৈ চাৰিটা ঋতুত ভাগ কৰা হৈছে। এই চাৰিটা ঋতুত বায়ুৰ চাপ-তাপ, বৰষুণৰ পৰিমাণ আদি বেলেগ বেলেগ বাবে ঋতু অনুসৰি ভিন ভিন খেতি কৰা হয়। বৰ্ষাকালত অসমত দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ ফলত যথেষ্ট বৰষুণ হয় আৰু সেই সময়ত ইয়াত উষ্ণতাও বেছি থাকে। সেয়েহে গ্ৰীষ্ম আৰু বৰ্ষাকালত এনে বতৰৰ উপযোগী খেতি, যেনে— ধান, মৰাপাট, জিকা, লাউ, কোমোৰা আদিৰ খেতি কৰা হয়। আনহাতে খৰালি কালত এনে বতৰৰ উপযোগী খেতি যেনে— বড়ো ধান,গম বা ঘেঁহু, মাকৈ, সৰিয়হ, তিচি, আলু, কবি, মিঠা আলু আৰু বিভিন্ন শাক-পাচলিৰ খেতি কৰা হয়। তদুপৰি যথোপযুক্ত জলবায়ুৰ বাবে অসমত যথেষ্ট পৰিমাণে চাহ, ৰবৰ, নাৰিকল, তামোল-পাণ আদিৰ খেতিও কৰা হয়। চাহ, কফি, ৰবৰ আদিৰ খেতি ৰোপণ কৃষি। চাহ উৎপাদনৰ ক্ষেত্ৰত অসমৰ স্থান সমগ্ৰ ভাৰতৰ ভিতৰতে প্ৰথম।

**জানি থোৱা ভাল ঃ**

বাণিজ্যিক ভিত্তিক কৃষিক **ৰোপণ খেতি** বোলে। এই পদ্ধতিত বহুত পৰিমাণৰ মূলধন খটুৱাই, বেছি ঠাই সামৰি খেতি কৰা হয়। এই খেতি বিজ্ঞানসম্মত পদ্ধতিৰে কৰা হয় বাবে ইয়াত উৎপাদনৰ পৰিমাণ অধিক আৰু এনে ফচল বহু বছৰলৈ পাব পাৰি। এনে কৃষিত যি উৎপাদন হয়, তাক কৃষি কাৰ্য কৰা স্থানতে ব্যৱহাৰৰ উপযোগী কৰা হয়। চাহ, ৰবৰ, নুনি আদি অসমৰ উল্লেখযোগ্য ৰোপণ খেতি।

ওপৰৰ আলোচনাৰপৰা আমি বুজিলোঁ যে অসমত গ্ৰীষ্ম আৰু বৰ্ষা কালত তাপ আৰু বৰষুণৰ পৰিমাণ বেছি বাবে

সেই সময়ত তেনে বতৰৰ উপযোগী শস্যৰ খেতি কৰা হয়। আনহাতে শীতকালত তাপ আৰু বৰষুণৰ পৰিমাণ কম বাবে তাপ আৰু পানী কম পৰিমাণে লগা খেতি কৰা হয়। এনেকৈয়ে জলবায়ু আৰু কৃষিৰ মাজত এটা ওতঃপ্ৰোত সম্বন্ধ আছে।

**মনত ৰাখিবলগীয়া কথা ঃ**

- কোনো এখন ঠাইৰ সূৰ্যৰ পোহৰ আৰু তাপ, বায়ুৰ চাপ, বতাহ, বৰষুণ, জলীয় বাষ্পৰ আপেক্ষিক পৰিমাণ আদি লগ লাগি যি অৱস্থাৰ সৃষ্টি কৰে তাকেই বতৰ বুলি কোৱা হয়।
- একোটা অঞ্চলৰ কমেও ৫০ বছৰৰ সূৰ্যৰ পোহৰ, বায়ুৰ উষ্ণতা আৰু চাপ, বতাহ, বৰষুণ, আৰ্দ্ৰতাৰ গড় অৱস্থাটোক সেই অঞ্চলৰ জলবায়ু বোলে।
- জলবায়ুৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি অসমত গ্ৰীষ্ম, বৰ্ষা, শৰৎ আৰু শীত ঋতু হিচাপে ভাগ কৰা হৈছে।
- উদ্ভিদৰ গঠন, চাৰিত্ৰিক বৈশিষ্ট্য, জলবায়ু আৰু ভূপ্ৰকৃতিৰ ওপৰত ভিত্তি কৰি অসমৰ প্ৰাকৃতিক উদ্ভিদক ঘাইকৈ ক্ৰান্তীয় চিৰ সেউজীয়া উদ্ভিদ, ক্ৰান্তীয় পৰ্ণপাতী উদ্ভিদ, ক্ৰান্তীয় তৃণভূমি উদ্ভিদ হিচাপে বিভক্ত কৰা হৈছে।
- বৰ্তমান অসমত সোতৰখন অভয়াৰণ্য, সাতখন ৰাষ্ট্ৰীয় উদ্যান আৰু দুখন প্ৰস্তাবিত বন্যপ্ৰাণী অভয়াৰণ্য আছে।
- জলবায়ু আৰু কৃষিৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে।

**অনুশীলনী ঃ**

(১) উত্তৰ লিখা—

(ক) অসমৰ একেবাৰে পশ্চিম সীমাত অৱস্থিত ৰাষ্ট্ৰীয় উদ্যানখনৰ নাম কি?

(খ) চিৰসেউজীয়া উদ্ভিদৰ প্ৰধান বৈশিষ্ট্য কি?

(গ) মানাহ ৰাষ্ট্ৰীয় উদ্যান কোন জিলাত অৱস্থিত?

(ঘ) প্ৰাকৃতিক উদ্ভিদ বুলিলে কি বুজা?

(২) চমু উত্তৰ লিখা—

(ক) জলবায়ু বুলিলে কি বুজা?

(খ) অসমৰ প্ৰধান ঋতু কেইটা আৰু কি কি?

(গ) বৰ্ষাকাল ধান খেতিৰ বাবে উপযোগী হোৱাৰ কাৰণ কি?

(ঘ) কৃষিৰ লগত জলবায়ুৰ সম্পৰ্ক কেনে ধৰণৰ?

(ঙ) চিৰসেউজীয়া উদ্ভিদ আৰু পৰ্ণপাতী উদ্ভিদৰ প্ৰধান পাৰ্থক্যসমূহ কি কি?

(চ) গছ-গছনি আমাক কিয় লাগে আলোচনা কৰা।

(ছ) গছ-গছনি আৰু বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰয়োজনীয়তা কি? আলোচনা কৰা।

(৩) খালী ঠাই পূৰ কৰা—

(ক) কোনো এটা অঞ্চলৰ কমেও ৫০ বছৰৰ সূৰ্যৰ পোহৰ, উষ্ণতা, বায়ুৰ চাপ, বৃষ্টিপাত, আৰ্দ্ৰতা আদিৰ গড় অৱস্থাকে ............................................বুলি কোৱা হয়।

(খ) জলবায়ুৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি অসমত বছৰটোক.........................ঋতুত ভাগ কৰিব পাৰি।

(গ) ভাৰতৰ চাহ উৎপাদনৰ ক্ষেত্ৰত অসমৰ স্থান.............................................................।

(ঘ) ......................................বতাহৰ বাবে বৰ্ষাকালত অসমত প্ৰচুৰ পৰিমাণে বৰষুণ হয়।

(ঙ) বৰ্তমান অসমত মুঠ .............................................খন অভয়াৰণ্য আছে।

(চ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান............................................. বাবে বিখ্যাত।

(ছ) শীতকালত দিন চুটি আৰু ৰাতি.............................. হয়।

(৪) শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) পৃথিৱীৰ ভিতৰত সৰ্বোচ্চ বৰষুণ হোৱা ঠাইখন হ'ল—

(১) চেৰাপুঞ্জী, (২) মৌচিনৰাম, (৩) শ্বিলং

(খ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অসমৰ কোন জিলাত অৱস্থিত?

(১) গোলাঘাট, (২) যোৰহাট, (৩) মৰিগাঁও, (৪) কামৰূপ

(গ) এবছৰত একোবাৰকৈ নিজৰ পাত সলোৱা উদ্ভিদ বিধ হ'ল—

(১) পৰ্ণপাতী, (২) চিৰ সেউজীয়া, (৩) তৃণভূমি

(ঘ) উদ্ভিদে এৰি দিয়া গেছ বিধৰ নাম—

(১) কাৰ্বন-ডাই-অক্সাইড, (২) অক্সিজেন, (৩) নাইট্ৰ'জেন

(৫) সমভূমি অঞ্চলৰ কৃষি আৰু পাহাৰীয়া অঞ্চলৰ কৃষিৰ মাজত কি কি পাৰ্থক্য আছে? লিখা।

(৬) **প্ৰকল্পঃ**

তোমালোকৰ চাৰিওফালে পোৱা যিকোনো ছটা চৰাইৰ নাম তালিকাভুক্ত কৰাৰ লগতে তলত দিয়া বিষয় অনুসাৰে টোকা প্ৰস্তুত কৰা —

(ক) চৰাইৰ ৰং

(খ) চৰাইৰ বাহৰ ধৰণ

(গ) খোৱা খাদ্য

(ঘ) মাত

(ঙ) আন আন বৈশিষ্ট্যসমূহ, ইত্যাদি।

**************

# পাঠ নং ৮

# আমাৰ ভাৰত

3PQHAE

**শিকনৰ ফলাফল ঃ**

- গোলাৰ্ধ, কৰ্কট ক্ৰান্তিৰেখা, অক্ষাংশ আৰু দ্ৰাঘিমাংশৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ অৱস্থান ক'ব আৰু মানচিত্ৰত দেখুৱাব পাৰিব।
- ভাৰতৰ চাৰিসীমাৰ ৰাষ্ট্ৰসমূহৰ নাম আৰু অৱস্থান সম্পৰ্কে ক'ব বা মানচিত্ৰত দেখুৱাই দিব পাৰিব।
- ভাৰতৰ প্ৰাকৃতিক বিভাগ কেইটাৰ অৱস্থান মানচিত্ৰত চিনাক্ত কৰিব পাৰিব আৰু তাৰ চমু বিৱৰণ দিব পাৰিব।
- ভাৰতৰ প্ৰশাসনিক বিভাগসমূহৰ সৈতে পৰিচিত হ'ব।
- ভাৰতৰ ভাষা, ধৰ্ম আৰু সংস্কৃতি সম্পৰ্কে থূল-মূলকৈ ধাৰণা লাভ কৰিব।
- মানচিত্ৰ ব্যৱহাৰৰ জৰিয়তে ভাৰত সম্পৰ্কে তথ্য আহৰণ কৰিব পাৰিব।

আমাৰ ভাৰত এখন বিশাল দেশ। দেশখনৰ উত্তৰে নেপাল, ভূটান আৰু হিমালয় পৰ্বতমালা; দক্ষিণে ভাৰত মহাসাগৰ আৰু শ্ৰীলংকা। আনহাতে পশ্চিমে আৰব সাগৰ আৰু পাকিস্তান, পূবে বংগোপসাগৰ, বাংলাদেশ আৰু ম্যানমাৰ ৰাষ্ট্ৰই আমাৰ ভাৰত পৰিবেষ্টিত কৰি ৰাখিছে।


সিপিঠিৰ চিত্ৰ-৮.১ত তোমালোকে ভাৰতৰ অৱস্থান লক্ষ্য কৰিছানে? উত্তৰা-দক্ষিণাকৈ ভাৰতৰ উত্তৰ সীমাত অৱস্থিত কাশ্মীৰৰ পৰা একেবাৰে দক্ষিণত অৱস্থিত কন্যাকুমাৰীলৈ দূৰত্ব প্ৰায় ৩২০০ কিল'মিটাৰ। আনহাতে পূবা-পশ্চিমাকৈ দেশখনৰ অৰুণাচল প্ৰদেশৰ পূব সীমাৰপৰা কচ্ছ অঞ্চলৰ পশ্চিম সীমালৈ দেশখনৰ বিস্তৃতি প্ৰায় ২,৯০০ কিল'মিটাৰ। সুউচ্চ পৰ্বতমালা, মৰুভূমি, বিস্তৃত সমতল ভূমি, মালভূমি, উপকূল, দ্বীপ আদি প্ৰকৃতিৰ ভিন্ন অৱয়বে আমাৰ ভাৰত ভূখণ্ডক বৈচিত্ৰ্যময় কৰি তুলিছে। ভাৰতৰ জনসংখ্যা ২০১১ চনৰ লোকপিয়ল অনুসৰি প্ৰায় ১২০ কোটি আছিল যদিও বৰ্তমান ইয়াৰ জনসংখ্যা ১৩৬ কোটি মান হোৱা বুলি ঠাৱৰ কৰা হৈছে। জনসংখ্যাৰ ফালৰপৰা আমাৰ দেশে পৃথিৱীৰ ভিতৰত চীনৰ পাছতে দ্বিতীয় বৃহত্তম দেশ হিচাপে স্থান পাইছে।

**জানি থোৱা আহা ঃ**

সময়ক বুজাবলৈ যেনেদৰে ঘণ্টা ব্যৱহাৰ কৰা হয়, তেনেদৰে পৃথিৱীৰ উপৰিভাগৰ দূৰত্ব (কৌণিক) বুজাবলৈ ডিগ্ৰীৰ ব্যৱহাৰ কৰা হয়। প্ৰতি ঘণ্টাক ৬০ মিনিটত ভাগ কৰাৰ দৰে, প্ৰতি ডিগ্ৰীৰ দূৰত্বক ৬০ভাগত ভাগ কৰিলে প্ৰতি ভাগে মিনিট বুজায়। অৰ্থাৎ ১° দূৰত্বত ৬০ মিনিট দূৰত্ব থাকে। সেই অনুসাৰে পাঠত দিয়া ২৩° ৩০′ (২৩১/২°) মানে ২৩ ডিগ্ৰী আৰু ৬০ ভাগৰ ৩০ ভাগ দূৰত্ব সূচাইছে। ইয়াক তেইছ ডিগ্ৰী ত্ৰিছ মিনিট হিচাপে পঢ়া হয়।

### ভাৰতৰ অৱস্থান ঃ

তোমালোকে আগৰ পাঠত পাই আহিছা যে— ভাৰত উত্তৰ গোলাৰ্ধত অৱস্থিত। কৰ্কট ক্ৰান্তিৰেখাডালে ভাৰতক পূবা-পশ্চিমাকৈ প্ৰায় সমানে দুভাগ কৰিছে। উত্তৰা-দক্ষিণাকৈ ভাৰতৰ মূল ভূখণ্ড ৮°৪′ উত্তৰ অক্ষাংশ আৰু ৩৭°৬′ উত্তৰ অক্ষাংশৰ মাজত অৱস্থিত। ভাৰতৰ উত্তৰ অংশ বিষুৱৰপৰা কিছুদূৰত বাবে এই অংশ দক্ষিণ ভাৰতকৈ তুলনামূলকভাৱে শীতল। হিমালয় পৰ্বতমালাৰ অৱস্থিতিয়েও এই অঞ্চলৰ জলবায়ু শীতল হোৱাত অৰিহণা যোগাইছে, (চিত্ৰ-৮.১)।




*চিত্ৰ-৮.১ঃ প্ৰতিবেশী ৰাষ্ট্ৰৰ সৈতে ভাৰত*

ওপৰৰ মানচিত্ৰ-৮.১ ত দেখিছা যে সাতখন ৰাষ্ট্ৰই ভাৰতৰ পশ্চিমৰপৰা উত্তৰ সীমাৰে পূবলৈ আগুৰি আছে। ইয়াৰে আফগানিস্তান আৰু পাকিস্তান উত্তৰ-পশ্চিমে অৱস্থিত প্ৰতিবেশী ৰাষ্ট্ৰ। চীন, নেপাল আৰু ভূটান ভাৰতৰ উত্তৰ সীমাত অৱস্থিত। ভাৰতৰ পূব দিশত বাংলাদেশ আৰু ম্যানমাৰ ৰাষ্ট্ৰ অৱস্থিত। আমাৰ ভাৰতৰ দক্ষিণ দিশে অৱস্থিত দ্বীপ ৰাষ্ট্ৰ হ'ল শ্ৰীলংকা। মান্নাৰ উপসাগৰ আৰু পক্ প্ৰণালীয়ে ভাৰতক শ্ৰীলংকাৰপৰা পৃথক কৰিছে।

**ক্ৰিয়াকলাপ**

তোমালোকে ভূচিত্ৰাৱলী চাই মানচিত্ৰৰপৰা তলত উল্লেখ কৰা ঠাইসমূহৰ অৱস্থান জানি লোৱা —

থাইলেণ্ড, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, লাডাখ, কন্যাকুমাৰী, পক্ প্ৰণালী, লাক্ষাদ্বীপ, মান্নাৰ উপসাগৰ, ফিলিপাইন, আফগানিস্তান, চীন, পাকিস্তান, তিব্বত, ম্যানমাৰ।

### ভাৰতৰ প্ৰাকৃতিক বিভাগসমূহ ঃ

বিভিন্ন সময়ত ঘটা ভূআন্দোলন আৰু ভূপৃষ্ঠৰ বাহ্যিক শক্তিৰ ফলত আমাৰ ভাৰতত বিভিন্ন ধৰণৰ ভূঅৱয়ৱ গঠন হৈছে। এনে ভূঅৱয়ৱবোৰ হ'ল— পৰ্বত, মালভূমি, মৰুভূমি, সমভূমি, উপকূল, দ্বীপ ইত্যাদি। এনে ভূঅৱয়ৱৰ উৎপত্তিৰ বিষয়ে কিছু কথা তোমালোকে আগৰ পাঠত জানি আহিছা। এনেধৰণৰ ভূঅৱয়ৱৰ ওপৰত ভিত্তি কৰি ভাৰতক কেইটামান প্ৰাকৃতিক ভাগত ভাগ কৰা হৈছে।




*চিত্ৰ- ৮.২ ঃ ভাৰতৰ প্ৰাকৃতিক বিভাগ*

ভাৰতৰ প্ৰধান প্ৰাকৃতিক বিভাগকেইটা হ'ল—

(১) উত্তৰৰ পাৰ্বত্য অঞ্চল, (২) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল, (৩) দাক্ষিণাত্য মালভূমি; (৪) উপকূলীয় নিম্নভূমি অঞ্চল আৰু দ্বীপসমূহ, (চিত্ৰ-৮.২)।

**উত্তৰৰ পাৰ্বত্য অঞ্চল ঃ**

কাশ্মীৰৰ নংগ পৰ্বতৰপৰা অৰুণাচল প্ৰদেশৰ পূব প্ৰান্তলৈকে হিমালয় পৰ্বতমালা বিস্তৃত হৈ আছে। ইয়াৰ ঠাল-ঠেঙুলিবে ভাৰতৰ উত্তৰৰ পাৰ্বত্য অঞ্চল গঠিত।

হিমালয় পৃথিৱীৰ সৰ্বোচ্চ পৰ্বতমালা। ভাৰতৰ উত্তৰ সীমাত ই প্ৰাচীৰৰ দৰে থিয় হৈ আছে। উচ্চতা অনুসৰি হিমালয়ক তিনিটা ভাগত ভগোৱা হৈছে। সেইকেইটা হ'ল — উচ্চ হিমালয়, নিম্ন হিমালয় আৰু বহিঃ হিমালয়। হিমালয় পৰ্বতৰ একেবাৰে দক্ষিণ পিনে থকা তুলনামূলকভাৱে চাপৰ পৰ্বতশাৰীয়েই বহিঃ হিমালয়। এইশাৰী পৰ্বতৰ পশ্চিম অংশক শিৱালিক হিমালয় বোলা হয়। পূবৰ অংশ ভূটানৰপৰা অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ হৈ মিজোৰামলৈকে বিস্তৃত হৈ আছে। এই অংশক কোনো কোনোৱে **পূৰ্বাচল** বুলিও কয়। বহিঃ হিমালয়ৰ উত্তৰে মজলীয়া উচ্চতাৰ পৰ্বতশাৰী নিম্ন হিমালয়ৰ শ্ৰেণীভুক্ত কৰা হৈছে। এই অঞ্চলতে কাশ্মীৰ উপত্যকা, কুলু, মানালি, নাইনিতাল, মুছৌৰী, দাৰ্জিলিং আৰু নেপালৰ কাঠমাণ্ডু আদি স্বাস্থ্যকৰ স্থানসমূহ অৱস্থিত।


নিম্ন হিমালয়ৰ উত্তৰে উচ্চ বা বৃহৎ হিমালয় পৰ্বতশ্ৰেণী অৱস্থিত। ইয়াৰ নেপাল অংশত থকা মাউণ্ট এভাৰেষ্ট, কাঞ্চনজংঘা, ধবলগিৰি, অন্নপূৰ্ণা; ভাৰত অংশত থকা নংগ পৰ্বত আৰু তিব্বত অংশত থকা নামছাবাওঁৱা আদি উল্লেখযোগ্য শৃংগ। এইশাৰী পৰ্বতৰ উচ্চ অংশ সদায়েই বৰফে আবৰি থাকে। ইয়াত থকা গঙ্গোত্ৰী আৰু যমুনোত্ৰী নামৰ হিমবাহৰ পৰা ক্ৰমে গঙ্গা আৰু যমুনা নৈৰ উৎপত্তি হৈছে। কৈলাশ পৰ্বত আৰু মানস সৰোবৰ এই অঞ্চলতে অৱস্থিত। একেদৰে এই অঞ্চলত থকা হিমবাহৰপৰা উৎপত্তি হোৱা সিন্ধু নদী পশ্চিমলৈ আৰু ব্ৰহ্মপুত্ৰ নদী পূবলৈ বৈ আহিছে, (চিত্ৰ-৮.৩)।

**জানি থওঁ আহা ঃ**

পৃথিৱীৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট নেপালৰ অন্তৰ্গত বৃহৎ হিমালয়ত অৱস্থিত। ইয়াৰ উচ্চতা ৮,৮৪৮ মিটাৰ। ১৯৫৩ চনৰ ১৯ মে'ত এড্‌মাণ্ড হিলাৰী আৰু টেনজিং নৰ্গেই পোন প্ৰথমে এই শৃংগ আৰোহণ কৰে।

**ক্রিয়াকলাপ ঃ**

ভূচিত্ৰাৱলী চাই কুলু, মানালি, নাইনিতাল, মুছৌৰী, দাৰ্জিলিং, এভাৰেষ্ট, কাঞ্চনজংঘা আদি ঠাইৰ অৱস্থান বিচাৰি উলিওৱা।




*চিত্ৰ-৮.৩ঃ উত্তৰ ভাৰতৰ পাৰ্বত্য অঞ্চল*

**উত্তৰ ভাৰতৰ সমভূমি অঞ্চল ঃ**


এই সমভূমিক তিনিটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হৈছে — পশ্চিমৰ পঞ্জাব, হাৰিয়ানা আৰু ৰাজস্থান সমভূমি; মাজৰ গংগা-যমুনা সমভূমি আৰু পূবৰ ব্ৰহ্মপুত্ৰ- বৰাক উপত্যকা। উত্তৰ ভাৰতৰ এই বিশাল নদীগঠিত সমভূমি অঞ্চলটো সিন্ধু, গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ পলসুৱা মাটিৰে গঠিত। এনে পলসুৱা মাটি কৃষিৰ বাবে উপযোগী বাবে এই অঞ্চলত জনবসতিও ঘন। সিন্ধু, গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ বহুতো উপনৈ আছে। গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ মুখত সৃষ্টি হোৱা **সুন্দৰবন** পৃথিৱীৰ বৃহত্তম ব-দ্বীপ। গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকাত বহুতো অশ্বখুৰা আকৃতিৰ হ্ৰদ, জলাহ, চৰ-চাপৰি, বিল আদি আছে, (চিত্ৰ-৮.৪)।

**ক্রিয়াকলাপ ঃ**

ভূচিত্ৰাৱলীৰ আলমত শিক্ষকৰ সহায় লৈ ব্ৰহ্মপুত্ৰ নদীৰ উপনৈসমূহ জানি লোৱা।

**জানি থওঁ আহা ঃ**

কোনো এখন প্ৰধান নদী আৰু ইয়াৰ উপনৈসমূহে সৃষ্টি কৰা সমতল ভূমিয়েই সেই নদীৰ উপত্যকা, যেনে- ব্ৰহ্মপুত্ৰ উপত্যকা, গংগা উপত্যকা, সিন্ধু উপত্যকা ইত্যাদি।




*চিত্ৰ- ৮.৪ঃ উত্তৰ ভাৰতৰ সমভূমি অঞ্চল*

উত্তৰ ভাৰতৰ সমভূমিৰ দক্ষিণ-পশ্চিম অংশত ৰাজস্থান সমভূমি। থৰ মৰুভূমি ইয়াতেই অৱস্থিত। ইয়াৰ মাটিভাগ শুকান, বালিময় আৰু উষ্ণ। পানীৰ অভাৱত এই অঞ্চল কৃষিৰ বাবে উপযোগী নহয় আৰু গছ-গছনিও ইয়াত একেবাৰে কম। এই অঞ্চলৰ প্ৰধান নদী **লুণী** আৰু বৃহৎ লুণীয়া পানীৰ হ্ৰদ হ'ল **সম্বৰ**।

### দাক্ষিণাত্য মালভূমি ঃ

উত্তৰ ভাৰতৰ সমভূমিৰ দক্ষিণে থকা তিনিকোণীয়া আকৃতিৰ মালভূমি ভাগেই **দাক্ষিণাত্য মালভূমি**। এই মালভূমি অঞ্চলৰ তিনিওফালে আৰব সাগৰ, ভাৰত মহাসাগৰ আৰু বংগোপসাগৰে বেৰি আছে। উত্তৰত আছে উত্তৰ ভাৰতৰ সমতল। দাক্ষিণাত্য মালভূমিৰ উত্তৰ-পূব অংশত ৰাজমহল, উত্তৰ-পশ্চিমত আৰাৱলী, বিন্ধ্য আৰু সাতপুৰা; পূবফালে পূৰ্বঘাট আৰু পশ্চিমফালে পশ্চিমঘাট পৰ্বত আছে। দাক্ষিণাত্য মালভূমি উত্তৰৰ আৰাৱলী পৰ্বতৰপৰা দক্ষিণৰ কন্যাকুমাৰীলৈ বিস্তৃত হৈ আছে। ইয়াৰ নৰ্মদা আৰু গোদাবৰী নদীৰ মাজৰ অংশ- ঘাইকৈ মহাৰাষ্ট্ৰ ৰাজ্যৰ অংশটো ক'লা মাটিৰে গঠিত। এই অঞ্চলটো কপাহ খেতিৰ বাবে বিখ্যাত। নীলগিৰি অঞ্চলত প্ৰচুৰ পৰিমাণে চাহ আৰু কফি খেতি হয়, (চিত্ৰ-৮.৫)।




*চিত্ৰ- ৮.৫ঃ দাক্ষিণাত্য মালভূমি অঞ্চল*

**জানি থওঁ আহা ঃ**


দাক্ষিণাত্য মালভূমি অঞ্চলটো উত্তৰ-পশ্চিমৰপৰা দক্ষিণ-পূবলৈ ক্ৰমান্বয়ে এঢলীয়া। এনে হোৱাৰ বাবে দাক্ষিণাত্যৰ প্ৰায়বোৰ প্ৰধান নদী, যেনে- মহানদী, গোদাৱৰী, কৃষ্ণা, উত্তৰ পেন্নাৰ, দক্ষিণ পেন্নাৰ, কাবেৰী, ৰাইগাই আদি পশ্চিমঘাট পৰ্বতৰপৰা ওলাই পূবলৈ বৈ গৈ বংগোপসাগৰত পৰিছে। নৰ্মদা আৰু তাপ্তী পশ্চিমৰ আৰব সাগৰত পৰা উল্লেখযোগ্য নদী।

**উপকূলীয় নিম্নভূমি অঞ্চল ঃ**

ভাৰতৰ উপকুল অঞ্চল পূব আৰু পশ্চিম এই দুই ভাগত বিভক্ত। পূব উপকূল তুলনামূলকভাৱে বহল আৰু সাৰুৱা, আনহাতে পশ্চিম উপকূল ঠেক, শিলাময় আৰু অসাৰুৱা।এই উপকূলীয় অঞ্চলত অৱস্থিত সাগৰীয় বন্দৰসমূহৰ যোগেদি ভাৰতৰ অধিকাংশ বহিৰ্বাণিজ্য সম্পাদন হয়।

**ক্ৰিয়াকলাপ ঃ**

তোমালোকে পাঠৰপৰা পূব উপকূল আৰু পশ্চিম উপকূলৰ মাজত কি কি পাৰ্থক্য পোৱা লিখি উলিওৱা।




চিত্ৰ- ৮.৬ঃ ভাৰতৰ প্ৰাকৃতিক মানচিত্ৰ

### দ্বীপসমূহ ঃ

ভাৰতৰ প্ৰাকৃতিক বিভাগসমূহে সামৰা অঞ্চলসমূহৰ উপৰি দুটি দ্বীপপুঞ্জ আছে। তাৰে এটা হ'ল আৰব সাগৰত থকা লাক্ষাদ্বীপ, আমিনদিবি আৰু মিনিকয় দ্বীপপুঞ্জ আৰু আনটো বংগোপসাগৰৰ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ। এই দুয়োটা দ্বীপপুঞ্জ সৰু-বৰ বহু কেইটি দ্বীপৰ সমষ্টি। এই দ্বীপসমূহৰ সকলোতে জনবসতি নাই। তোমালোকে নিশ্চয় শুনিছা— ২০০৪ চনৰ প্ৰলয়ংকৰী প্ৰাকৃতিক দুৰ্যোগ চুনামীয়ে ইণ্ডোনেচিয়াৰ সুমাত্ৰা দ্বীপ অঞ্চলত বৰ ক্ষতি সাধন কৰাৰ লগতে আমাৰ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ আৰু তামিলনাডু উপকূলত যথেষ্ট ক্ষতিসাধন কৰিছিল।

**জানি থওঁ আহা ঃ**

**চুনামী ঃ** সাগৰৰ তলিত হোৱা আগ্নেয়গিৰি উদগীৰণ বা ভূমিকম্পৰ ফলত সৃষ্টি হোৱা বিশাল সাগৰীয় ঢৌকে চুনামী বোলে। ইয়াৰ প্ৰবল ঢৌ আৰু কম্পনৰ ফলত সাগৰীয় অঞ্চল আৰু উপকূলত মানুহকে ধৰি জীৱ জগতৰ বিস্তৰ ক্ষতিসাধন হয়।




*চিত্ৰ- ৮.৭ ঃ ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ*

আমাৰ ভাৰত ২৮ খন ৰাজ্য আৰু ৮ খন কেন্দ্ৰীয় শাসিত অঞ্চলক লৈ গঠিত। প্ৰশাসনীয় আৰু পৰিচালনাৰ সুবিধাৰ বাবে ৰাজ্যসমূহক পুনৰাই কেতবোৰ জিলাত ভাগ কৰা হৈছে। চিত্ৰ-৮৭ ৰপৰা তোমালোকে ৰাজ্যসমূহৰ অৱস্থান জানিব পাৰিবা।

**জানি থওঁ আহা ঃ**

ভাৰতৰ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ হ'ল— ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল দিল্লী ,চণ্ডীগড় ,পণ্ডিচেৰী (পুডুচেৰী), আন্দামান নিকোবৰ দ্বীপপুঞ্জ, লাক্ষাদ্বীপ, দাদৰ নগৰ হাভেলী আৰু দমন ডিউ, লাডাখ, জম্মু আৰু কাশ্মীৰ।

ভাৰত এখন বৈচিত্ৰ্যপূৰ্ণ দেশ। ইয়াত বহু ভাষা-ভাষী লোক বাস কৰে। এই ভাষাসমূহৰ ভিতৰত ২২ টা ভাষা চৰকাৰী কাম-কাজত ব্যৱহাৰ কৰাৰ বাবে স্বীকৃতি লাভ কৰিছে। হিন্দী অধিকাংশলোকৰ ভাষা হিচাপে ব্যৱহৃত হোৱাৰ লগতে যোগাযোগৰ ভাষা হিচাপে ইংৰাজী ভাষাই প্ৰাধান্য লাভ কৰিছে।

ভাষাৰ নিচিনাকৈ ভাৰতত বিভিন্ন ধৰ্মৰ লোকে যুগ যুগ ধৰি বাস কৰি আহিছে। হিন্দু, ইছলাম, খ্ৰীষ্টান, শিখ, জৈন, বৌদ্ধ আদি ভাৰতীয় লোকৰ উল্লেখযোগ্য ধৰ্ম। ভাৰতীয় গণতন্ত্ৰই ধৰ্মনিৰপেক্ষ নীতি অৱলম্বন কৰি সকলো ধৰ্মৰ প্ৰতি সমভাৱ প্ৰকাশ কৰিছে।

ইতিহাসে চুকি পোৱা কালৰেপৰা ভাৰতে কৃষ্টি-সংস্কৃতিৰ ক্ষেত্ৰত চহকী হিচাপে পৰিচয় দি আহিছে। ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন জাতি-উপজাতিয়ে পৃথিৱীৰ বেলেগ বেলেগ স্থানৰপৰা আহি ইয়াত বসবাস কৰিবলৈ লৈছিল। এনে জাতি-উপজাতিসমূহৰ ভাষা, কৃষ্টি, সংস্কৃতি আদি পূৰ্বৰেপৰা বাস কৰি থকা লোকসকলৰ কৃষ্টি-সংস্কৃতিৰ লগ লাগি এক সমৃদ্ধ সংস্কৃতি গঢ় লৈ উঠিছে।

আয়তনৰ বিশালতা, প্ৰাকৃতিক অৱয়বৰ বিভিন্নতা, ভাষা, ধৰ্ম, সাজ-পাৰ, ৰীতি-নীতি আদিৰ বিভিন্নতা ভাৰতত বিদ্যমান। এনে বিভিন্নতা থকা সত্বেও সকলো ভাৰতীয়ই 'আমি এক ভাৰতীয়' বুলি পৰিচয় দি গৌৰৱ অনুভৱ কৰে। ভাৰতীয় মানুহে সহনশীলতা, সহযোগিতা আৰু ঐক্য, ভ্ৰাতৃত্ববোধৰ পৰিচয় দি পৃথিৱীৰ ভিতৰতে এখন সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে।

**মনত ৰাখিবলগীয়া কথা ঃ**

- ভাৰতৰ উত্তৰে হিমালয় পৰ্বতমালা, দক্ষিণে আৰব সাগৰ, বংগোপসাগৰ আৰু ভাৰত মহাসাগৰ অৱস্থিত।
- পূবা-পশ্চিমকৈ থকা কৰ্কট ক্ৰান্তিৰেখাই ভাৰতক প্ৰায় সমানে দুভাগ কৰিছে।
- ভাৰতৰ প্ৰধান প্ৰাকৃতিক বিভাগকেইটি হ'ল— উত্তৰৰ পাৰ্বত্য অঞ্চল, উত্তৰ ভাৰতৰ সমভূমি অঞ্চল, দাক্ষিণাত্য মালভূমি অঞ্চল আৰু উপকূলীয় নিম্নভূমি আৰু দ্বীপ অঞ্চল।
- সিন্ধু, গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ পলসুৱা মাটিৰে উত্তৰ ভাৰতৰ সমভূমি গঠিত। এনে মাটি কৃষি উপযোগী বাবে ইয়াত জনবসতিও ঘন।
- উত্তৰ ভাৰতৰ সমভূমিৰ অংশ- ৰাজস্থানত থৰ মৰুভূমি অৱস্থিত। এই অঞ্চলৰ লুণী প্ৰধান নদী আৰু সম্বৰ বৃহৎ লুণীয়া পানীৰ হ্ৰদ।
- আৰব সাগৰত থকা লাক্ষাদ্বীপপুঞ্জ আৰু বংগোপসাগৰত থকা আন্দামান নিকোবৰ দ্বীপপুঞ্জ ভাৰতৰ কেন্দ্ৰীয় শাসিত অঞ্চল।
- ভাৰতীয় সমাজত বিভিন্নতা থকা সত্বেও লোকসকলে সমিল - মিলে বসবাস কৰি অহিছে
- পূব উপকূলৰ সমভূমি অঞ্চল পশ্চিম উপকূলৰ সমভূমিতকৈ বহল আৰু সাৰুৱা।
- আমাৰ ভাৰত ২৮খন ৰাজ্য আৰু ৮খন কেন্দ্ৰীয় শাসিত অঞ্চলেৰে গঠিত।

## অনুশীলনী ঃ

**(ক) উত্তৰ দিয়া—**

(১) ভাৰতৰ প্ৰধান প্ৰাকৃতিক বিভাগবোৰ কি কি?

(২) দক্ষিণ ভাৰতৰ চাৰিখন প্ৰধান নদীৰ নাম লিখা।

(৩) ভাৰতৰ চাৰিসীমাত থকা ৰাষ্ট্ৰ সাতখনৰ নাম লিখা।

(৪) ভাৰতত মুঠতে কিমান ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আছে?

(৫) উত্তৰ ভাৰতৰ সমভূমি অঞ্চলত কিয় জনবসতি ঘন?

(৬) ভাৰতৰ পূব উপকূল আৰু পশ্চিম উপকূলৰ মাজত কি কি পাৰ্থক্য আছে?

(৭) ভাৰতক কিয় এখন বৈচিত্ৰ্যপূৰ্ণ দেশ বুলি কোৱা হয়?

**(খ) সোঁফালৰ লগত বাঁওফাল মিলোৱা—**

| বাঁওফাল | সোঁফাল |
|---|---|
| এভাৰেষ্ট | ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ |
| তাপ্তী | স্বাস্থ্যকৰ ঠাই |
| আন্দামান আৰু নিকোবৰ | পৃথিৱীৰ সৰ্বোচ্চ পৰ্বত শৃংগ |
| নেপাল | বংগোপসাগৰত থকা দ্বীপপুঞ্জ |
| নাইনিতাল | দক্ষিণ ভাৰতৰ নদী |

**(গ) খালী ঠাই পূৰ কৰা —**

(১) ভাৰতৰ মূল ভূখণ্ডৰ একেবাৰে দক্ষিণত থকা ঠাইখন হ'ল.................... (কন্যাকুমাৰী/পণ্ডিচেৰী)।

(২) ভাৰতক..............প্ৰায় সমানে দুভাগ কৰিছে (বিষুৱ ৰেখাই/মকৰ ক্ৰান্তি ৰেখাই/কৰ্কটক্ৰান্তি ৰেখাই)।

(৩) গংগা নদীৰ উৎস হিমবাহ...................... (টামছুক খাম্বাৰ/গংগোত্ৰী)।

(৪) ...................ভাৰতক শ্ৰীলংকাৰপৰা পৃথক কৰিছে। (চুৱেজ খালে/পানামা খালে/পক্ প্ৰণালীয়ে)।

**(ঘ) ভূচিত্ৰাৱলী বা মানচিত্ৰৰ সহায় লৈ উত্তৰ উলিওৱা —**

(১) আৰব সাগৰত পৰা দুখন উল্লেখযোগ্য নদীৰ নাম ।

(২) হিমালয় পৰ্বতমালাৰ একেবাৰে ওচৰা-ওচৰিকৈ থকা তিনিখন দেশৰ নাম ।

(৩) ভাৰতৰ প্ৰতিবেশী দ্বীপ ৰাষ্ট্ৰ কি?

(৪) ভাৰতৰ পূব উপকূল আৰু পশ্চিম উপকূলত পৰা নদীসমূহ চিনাক্ত কৰি নাম লিখা।


(ঙ) মানচিত্ৰ নং-৭ অধ্যয়ন কৰি ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ৰাজধানীসহ এখন তালিকা প্ৰস্তুত কৰা।

***************

# ইতিহাস খণ্ড

# আমাৰ অতীত আৰু ঐতিহ্য

## আগকথা



ভাৰত ভূখণ্ডত প্ৰাক্ ঐতিহাসিক যুগৰপৰা মৌৰ্যসকলৰ সময়লৈ মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ এক খতিয়ান থূল-মূলকৈ এই খণ্ডত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। আজিৰ সভ্যতা আৰু সংস্কৃতি বহু হেজাৰ বছৰৰ বিবৰ্তন, পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ মাজেদি গঢ় লৈ উঠিছে। হাজাৰ হাজাৰ বছৰ পূৰ্বে মানুহৰ জীৱন-যাপন প্ৰণালী কেনে আছিল, তেওঁলোকে ক'ত বাস কৰিছিল, তেওঁলোকৰ অৰ্থনৈতিক কাৰ্যকলাপ কেনেধৰণৰ আছিল আদি কথাবোৰ এই খণ্ডত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ উপৰি ৰাজ্য- সাম্ৰাজ্যৰ ধাৰণা, নগৰৰ উত্থান, বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰতৰ নিচিনা ঐতিহাসিক সাহিত্যৰ সৃষ্টিৰ কথাবোৰো থূল-মূলভাৱে ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে।

আশা কৰা হৈছে যে **আমাৰ অতীত আৰু ঐতিহ্য খণ্ড** অধ্যয়নৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে তলত উল্লেখ কৰা শিকনৰ ফলাফল সমূহ আয়ত্ত কৰিবলৈ সমৰ্থ হ'ব—

- ★ ইতিহাসৰ অৰ্থ অনুধাৱন কৰাৰ লগতে নিজৰ সভ্যতা-সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব।
- ★ ইতিহাস অধ্যয়নৰ বিভিন্ন সমলৰ বিষয়ে জানি সেইবোৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজি পাব।
- ★ মানৱ সভ্যতাৰ বিকাশৰ বিভিন্ন স্তৰ সম্বন্ধে ধাৰণা লাভ কৰিব।
- ★ প্ৰাচীন লিপি, সাহিত্য আৰু নতুন চিন্তা-ধাৰা আদিৰ সৃষ্টিৰ বিষয়ে থূল-মূল আভাস পাব।
- ★ ৰাজ্য-সাম্ৰাজ্য গঠনৰ বিভিন্ন প্ৰক্ৰিয়াৰ বিষয়ে অৱগত হ'ব।
- ★ পুৰণি মানচিত্ৰ, লিপি, মুদ্ৰা, বিৱৰণী আদিৰ অধ্যয়নৰ প্ৰতি আগ্ৰহশীল হ'ব, ইত্যাদি।

# পাঠ নং ৯
# কি, ক'ত, কেতিয়া আৰু কেনেকৈ

P6U8E7

**শিকনৰ ফলাফল ঃ**

- বুৰঞ্জী, ইতিহাস কাক কয় সেই সম্পৰ্কে সংক্ষিপ্ত জ্ঞান আহৰণ কৰিব।
- বাস্তব পৰিস্থিতিৰ ভিত্তিত ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব।
- ঐতিহাসিক আৰু প্ৰাক্ ঐতিহাসিক, খৃষ্টাব্দ আৰু খৃষ্টপূৰ্বৰ মাজৰ পাৰ্থক্য বুজিব।
- প্ৰাচীন ভাৰতবৰ্ষৰ ইতিহাস লিখাৰ উৎসসমূহৰ বিষয়ে জানিব পাৰিব।
- ঐতিহাসিক সমল সংৰক্ষণৰ প্ৰতি আগ্ৰহ জন্মিব।

আমিনা আৰু জুমনৰ ঘৰ শুৱালকুছিত। তেওঁলোক দুয়ো শুৱালকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী। এদিনাখন তেওঁলোকৰ শ্ৰেণী শিক্ষকগৰাকীয়ে শ্ৰেণী আৰম্ভ কৰাৰ পূৰ্বে তলত উল্লেখ কৰা তথ্যসমূহ অন্তৰ্ভুক্ত কৰি এটি টোকা প্ৰস্তুত কৰিবলৈ দিলে।

**তথ্যসমূহ —**

ক) তেওঁলোকে বাস কৰা ঠাইখন কিমান পুৰণি?

খ) ঠাইখনৰ বাসিন্দাসকলৰ জীৱিকা কি? পূৰ্বতে জীৱিকা কি আছিল?

গ) ঠাইখনৰ বাসিন্দাসকলে বৰ্তমানে কি সাজ-পাৰ পৰিধান কৰে? অতীতত তেওঁলোকৰ সাজ-পাৰ কি আছিল?

ঘ) তেওঁলোকৰ প্ৰচলিত উৎসৱ পাৰ্বণ কি? সেই উৎসৱবোৰ তেওঁলোকৰ ককাক, আজো ককাক অথবা কোটিকালৰ পৰা একেধৰণে চলি আছেনে?

ঙ) তেওঁলোকৰ ককাক, আজো ককাকসকল ক'ত আছিল? তেওঁলোকৰ দিনৰ কথাবোৰ বিতংকৈ কেনেকৈ জানিব পাৰি?

উপৰোক্ত তথ্যসমূহ সংগ্ৰহ কৰিবলৈ প্ৰত্যেক গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ব্যস্ত হৈ পৰিল। কিন্তু কোনেও সকলো কথাৰ সঠিক উত্তৰ বিচাৰি নাপালে। তেতিয়া শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক ঘৰৰ জ্যেষ্ঠজনৰ বা চুবুৰীয়া জনা-শুনা মানুহৰ পৰা সুধি তথ্যসমূহ আনিবলৈ ক'লে।

এই টোকাৰ বাবে তথ্য আহৰণ কৰি থকা সময়ছোৱাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে এটা কথা উপলব্ধি কৰিলে যে তেওঁলোকৰ সৰহ সংখ্যকেই ককাক-আইতাকৰ বাহিৰে আন পূৰ্বপুৰুষসকলৰ বিষয়ে সঠিককৈ নাজানে। অনেক পৰিয়ালৰ জ্যেষ্ঠজনেও এই বিষয়ে অধিক তথ্য দিব নোৱাৰিলে। কিয়নো পূৰ্বপুৰুষসকলৰ দিনৰ কথাবোৰ সংৰক্ষিত হৈ থকা নাই। বহু কথা মুখে মুখেহে চলি আহিছে। ফলত অতীতৰ বহুতো কথা পাহৰণিৰ গৰ্ভত সোমাই পৰিল। ছাত্ৰ-ছাত্ৰীসকল, পাহৰণিৰ গৰ্ভত হেৰাই যোৱা কথাবোৰ জনাৰ কিবা উপায় আছেনে? **ইতিহাস অধ্যয়নৰ** যোগেদি তেনে হেৰাই যোৱা কথাবোৰ পুনৰ আমি জনাটো সম্ভৱ। ইতিহাস অধ্যয়ন কৰি অতীতৰ মানুহ আৰু সমাজ জীৱনৰ বহু কথা নিৰ্ভুলভাৱে জানিব পাৰি। অতীতকালৰ কথা গ্ৰহণযোগ্যভাৱে জানিবলৈ ইতিহাস একমাত্ৰ মাধ্যম।

প্ৰাচীন কালৰপৰা বৰ্তমানলৈকে পৃথিৱীৰ বিভিন্ন প্ৰান্তত ঘটি থকা ঘটনাৱলীয়েই হ'ল **ইতিহাসৰ মূল বিষয়বস্তু**। পিছে এটি কথা মনত ৰখা ভাল যে ইতিহাস **আখ্যান** বা **সাধুকথা** নহয়। ইতিহাস হ'ল অতীতত ঘটা প্ৰকৃত ঘটনাৰ ধাৰাবাহিক বিৱৰণী। সত্যতা নিৰূপণ কৰিব নোৱাৰা সাধু বা কাহিনীক ইতিহাস হিচাপে বিবেচনা কৰা নহয়। নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিতহে ইতিহাস ৰচনা কৰা হয়।

বৰ্তমানৰ ঘটনাবোৰ অৰ্থপূৰ্ণভাৱে বিচাৰ কৰিবলৈ গ'লে আমি অতীতলৈ যাব লগা হয়। আকৌ বৰ্তমানৰ ঘটনাৱলীৰ ধাৰাই ভৱিষ্যতৰ ইতিহাসৰ ইংগিত দাঙি ধৰে। আমাৰ নিজৰ ঐতিহ্য, পৰম্পৰা, কলা-সংস্কৃতিৰ প্ৰতি আস্থা আৰু সন্মানৰ মনোভাৱ গঢ়ি তোলাৰ প্ৰয়োজন আছে। সেই কামৰ বাবে ইতিহাস অধ্যয়ন নিতান্তই দৰকাৰ বুলি ভবা হয়।

অসমীয়া ভাষাত **বুৰঞ্জী** আৰু **ইতিহাস** একেটা অৰ্থত ব্যৱহাৰ কৰা দেখা যায়। কিন্তু বুৰঞ্জী আৰু ইতিহাস একে নহয়। দুয়োটা শব্দৰ মাজত কিছু গুণগত পাৰ্থক্য আছে। বুৰঞ্জী শব্দটো মূলতঃ টাই ভাষাৰ। মধ্যযুগত ৰচনা কৰা বুৰঞ্জীবোৰত যথাৰ্থতে ঘটনাৰ কাৰণ বা পৰিণতি উল্লেখ কৰা হোৱা নাছিল। ঘটনা সম্পৰ্কে মন্তব্য নকৰাকৈ সময়ানুক্ৰমিক ভাবে কাহিনীবোৰ লিখি ৰখা হৈছিল। সাধাৰণতে বুৰঞ্জীত ৰজা বা সম্ভ্ৰান্ত পৰিয়ালৰ বিৱৰণহে পোৱা যায়। ইয়াত সাধাৰণ প্ৰজা বা জনসাধাৰণৰ বিষয়ে উল্লেখ নাথাকে। যাৰ বাবে বুৰঞ্জীক ইতিহাস আখ্যা দিয়া নাযায়। কিন্তু ইতিহাস ৰচনা কৰাৰ বাবে বুৰঞ্জীবোৰ এক উল্লেখযোগ্য সমল হ'ব পাৰে।

### ইতিহাসৰ পৰা আমি কি জানিব পাৰোঁ ?

এই পাঠৰ প্ৰথম পৃষ্ঠাৰ টোকাটো যুগুত কৰিলে ছাত্ৰ-ছাত্ৰীসকলে অতীত কালত পূৰ্বপুৰুষসকলৰ আৰ্থ-সামাজিক আৰু ধৰ্মীয় ব্যৱস্থা, সাজ-পোছাক আদি কেনে আছিল সেই বিষয়ে থূল-মূলকৈ জানিবলৈ সক্ষম হ'ব। এয়াই প্ৰকৃততে ইতিহাস। 'ইতিহাস' শব্দটো সংস্কৃত ভাষাৰপৰা উৎপত্তি হোৱা। ইতিহাস শব্দৰ অৰ্থ হ'ল- 'ইতি' মানে এইবিলাক 'হ' মানে নিশ্চয় আৰু 'আস' মানে হৈছিল বা ঘটিছিল। অৰ্থাৎ যিবোৰ ঘটনা সঁচাকৈ ঘটিছিল বা যিবোৰ ঘটনাৰ প্ৰমাণ আছে তেনেবোৰ ঘটনাহে ইতিহাসৰ বিষয়বস্তু। ইতিহাসে অতীতৰ কোনো এটা নিৰ্দিষ্ট সময়ত ঘটা ঘটনাৱলীৰ লগতে মানৱ জীৱনৰ পৰিৱৰ্তনৰ বিভিন্ন দিশ সামৰি লয়। গতিকে ইতিহাস অধ্যয়নৰ যোগেদি আমি অতীতৰ মানুহৰ খাদ্যাভ্যাস, বাসস্থান, সাজ-পোছাক, আ-অলঙ্কাৰ আদিৰ বিষয়ে জানিব পাৰোঁ। ইয়াৰ উপৰি আমোদ-প্ৰমোদৰ বিভিন্ন ব্যৱস্থা, সাহিত্য-সংস্কৃতি আদিৰ বিষয়েও ইতিহাসত পোৱা যায়। ইতিহাসে ৰজা-প্ৰজা সকলোকে সামৰি লয়। বুৰঞ্জী বা ইতিহাস লিখিবলৈ আমি কিছুমান উৎস বা সমলৰ সহায় লওঁ। এই উৎস কেতিয়াবা লিখিত ৰূপত পোৱা যায় আৰু কেতিয়াবা ধ্বংসাৱশেষ, স্মৃতিচিহ্ন আদি ৰূপত পোৱা যায়। যিবোৰ ঘটনা লিখিত তথ্য অৱিষ্কাৰ হোৱাৰ আগত ঘটিছিল, বা ঘটনাবিলাকৰ বিষয়ে জানিবলৈ লিপি থকা সত্ত্বেও লিপিৰ পাঠোদ্ধাৰ কৰিব পৰা হোৱা নাই সেই যুগক প্ৰাক্ ঐতিহাসিক যুগ বোলা হয়। অন্যহাতেদি ইতিহাস বা বুৰঞ্জী লিখিবলৈ যেতিয়াৰপৰা লিখিত তথ্য পোৱা গৈছে আৰু সেইবোৰৰ পাঠোদ্ধাৰ হৈছে তেতিয়াৰপৰা আমি ঐতিহাসিক যুগ বুলি কওঁ। ছাত্ৰ-ছাত্ৰীসকল, আমি জানি থোৱা ভাল যে যীশুখ্ৰীষ্টৰ জন্মৰ সময়ৰপৰা পাছৰ বছৰবিলাক খৃষ্টাব্দ আৰু যীশুখ্ৰীষ্টৰ জন্মৰ পূৰ্বৰ বা আগৰ সময়খিনিক খৃষ্টপূৰ্ব বুলি গণনা কৰোঁ।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে ইতিহাস লিখিবলৈ আমি বিভিন্ন উৎসৰ সহায় লওঁ। বিশেষকৈ প্ৰাচীন ভাৰতবৰ্ষৰ ইতিহাস লিখিবলৈ সহায়ক হোৱা উৎসসমূহ থূল-মূলকৈ তলত দিয়া ধৰণে বুজিব পাৰো —

- উৎস
  - দেশীয়
    - সাহিত্যিক
      - ব্ৰাহ্মণ্য সাহিত্য
      - বৌদ্ধ সাহিত্য
      - জৈন সাহিত্য
    - প্ৰত্নতাত্ত্বিক
      - লিপি
      - মুদ্ৰা
      - স্মৃতিচিহ্ন
  - বিদেশী
    - শাস্ত্ৰীয় উৎস
    - চীনা উৎস
    - ইছলামিক উৎস

## ইতিহাস অধ্যয়নৰ সমল ঃ



*চিত্ৰ - ৯.১ ঃ বাচন-বৰ্তন, লিপি, আ-অলংকাৰ, সঁজুলি, মূৰ্তি আৰু পুৰণি ভগ্নাৱশেষৰ চিত্ৰ*

via Wikimedia Commons

ওপৰৰ চিত্ৰখনত থকা বস্তুবোৰ কিমান পুৰণি বুলি ভাবা? সেই চিত্ৰবোৰ চাই মানুহৰ কাম-কাজ, ৰুচি-অভিৰুচি বিনোদন আদিৰ আভাস পাব নোৱাৰিবিনে? এই সমলবোৰ অধ্যয়ন কৰি আজিৰ মানুহে পুৰণি দিনৰ বহুতো কথা জানিব পাৰিছে।



*চিত্ৰ - ৯.২ ঃ গছৰ বাকলিৰ লিপি*

via Wikimedia Commons

মানুহে আৰম্ভণিতে কথাবোৰ শিলত খোদিত কৰিছিল। আকৌ কেতিয়াবা কথাবোৰ গছৰ বাকলিতো লিখিছিল। এনে লিখিত উপাদানসমূহৰপৰা মানৱ সমাজৰ অতীতৰ ছবি এখন সুস্পষ্টভাৱে পাব পাৰি। দেশ আৰু সমাজ ভেদে মানুহৰ ভাষা সুকীয়া সুকীয়া হয়। সেয়েহে, অতীজৰ লিখনিবোৰো সুকীয়া সুকীয়া ভাষাত পোৱা যায়। পুৰণি ভাৰতত বহু পুথি সংস্কৃত ভাষাত লিখা হৈছিল। আন কিছুমান পালি আৰু প্ৰাকৃত ভাষাত লিখা হৈছিল। প্ৰাকৃত ভাষা অধিক সংখ্যক মানুহে ক'ব পাৰিছিল বা বুজি পাইছিল।

অতীতত আমাৰ দেশত **তামৰ ফলিতো** ৰজা-মহাৰজাই কিছুমান কথা লিখোৱাইছিল। এনে লেখাবোৰক তামৰ লিপি বুলি কোৱা হয়। তামৰ ফলিবোৰো ইতিহাস ৰচনাৰ আন এটা ডাঙৰ সমল।

ইয়াৰ উপৰি **প্ৰাচীন মুদ্ৰাও** আন এক ঐতিহাসিক সমল। মুদ্ৰাৰ ওপৰত খোদিত চিত্ৰ, লিপি, চন, তাৰিখ, ৰজাৰ নাম আদিৰ পৰা সমসাময়িক সমাজৰ বহুতো মূল্যবান তথ্য পোৱা যায়। তেনে প্ৰাচীন মুদ্ৰাৰপৰা অতীজৰ ধৰ্ম বিশ্বাস, অৰ্থনৈতিক অৱস্থা, সাহিত্য-সংস্কৃতি আদিৰ ইংগিত পোৱা যায়।

আমাৰ দেশৰ পুৰণি সাহিত্য যেনে - বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, পুৰাণ, তন্ত্ৰশাস্ত্ৰ আৰু বিদেশী পৰ্যটকসকলে লিখি থৈ যোৱা টোকা বা পুথিসমূহো ইতিহাস অধ্যয়নৰ আন এক উল্লেখযোগ্য সমল। এই সমলবোৰৰ আলমত যুগুতোৱা

বিবৰণৰ দ্বাৰাই সকলো ঘটনাৰ সত্যাসত্য নিৰূপণ নহ'বও পাৰে । তেনেক্ষেত্ৰত অন্যান্য সমল অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰে। সেইবোৰ হ'ল— অট্টালিকাৰ ভগ্নাৱশেষ, শিলালিপি, তামৰ লিপি, চিত্ৰ-ভাস্কৰ্য, বিভিন্ন সা-সঁজুলি, পাত্ৰ, আ-অলঙ্কাৰ, আদি। যিসকলে তেনে প্ৰাচীন সামগ্ৰীৰ অধ্যয়ন কৰে তেওঁলোকক **প্ৰত্নতত্ত্ববিদ** বুলি কোৱা হয়। প্ৰত্নতত্ত্ববিদসকলে অতীতৰ মানুহৰ জীৱন প্ৰণালীৰ বিষয়ে জানিবলৈ জীৱ-জন্তু, চৰাই আদিৰ হাড়, মাছৰ কাঁইট আদি বিচাৰিও অধ্যয়ন চলায়।

জানি থওঁ আহা ঃ

- বেদ চাৰিখন- ঋকবেদ, যৰ্জুবেদ, অথৰ্ববেদ, সামবেদ।
- ব্ৰাহ্মণ্য সাহিত্য হৈছে, বেদৰ লগত জড়িত পদ্যত লিখা ধাৰাভাস্য বা টিপ্পনি।
- উপনিষদ হৈছে আৰ্যসকলৰ সাংস্কৃতিক আৰু ধৰ্মীয় জীৱনধাৰাৰ বিষয়ে আৰু নীতিসম্পৰ্কীয় গ্ৰন্থ।
- ইতিহাস অধ্যয়নে বিভিন্ন ৰাষ্ট্ৰ বা ৰাজ্যৰ ভাষাগত সংঘাট, জাতি-জনগোষ্ঠীয় সংঘাট, সীমা বিবাদ আদিৰ উৎপত্তিৰ কাৰণ সম্পৰ্কে জ্ঞান দিয়াৰ লগতে সমস্যাবোৰৰ সমাধানৰ উপায় বিচাৰি উলিওৱাত সহায় কৰে।

ক্ৰিয়াকলাপ ঃ

**আমাৰ দেশত প্ৰচলিত মুদ্ৰা কেইটামান সংগ্ৰহ কৰি তাত কি কি তথ্য আছে এখন তালিকা প্ৰস্তুত কৰা।**

## ঐতিহাসিক সমলসমূহ সংৰক্ষণৰ প্ৰয়োজনীয়তা ঃ

*চিত্ৰ*-৯.১ ত দিয়া ধৰণৰ ছবিসমূহৰ তথ্যৰ ভিত্তিত যুগুত কৰা বিবৰণীকপৰা অতীতৰ এক নিৰ্ভৰযোগ্য আভাস পাব পাৰি। এতেকে আমি আমাৰ কিছুমান বস্তু বা সামগ্ৰী সংৰক্ষণ কৰি ৰাখিব লাগে। কিয়নো ভৱিষ্যতে এইদৰে সংৰক্ষণ কৰা বস্তুবোৰে ইতিহাসৰ মূল্যবান সমলৰূপে গণ্য হ'ব পাৰে। সেয়ে আমাৰ দেশে আমাৰ পুৰণি ভগ্নাৱশেষ, স্মৃতি চিহ্ন, মুদ্ৰা, সাঁচিপাতৰ পুথি আদি সম্পদবোৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰিছে।

এতিয়া তোমালোকে কেইটামান দলত বিভক্ত হৈ নিজ নিজ জিলাত থকা নিম্নলিখিত সম্পদবোৰৰ তথ্য সংগ্ৰহ কৰি তালিকাখন পূৰ কৰা—

**তালিকা**

| সম্পদ | কেতিয়া, কোনে প্ৰতিষ্ঠা/ ৰচনা কৰিছিল | বৰ্তমান সংৰক্ষণৰ ব্যৱস্থা |
|---|---|---|
| ক) পুৰণি মঠ-মন্দিৰ, নামঘৰ , মছজিদ, গীৰ্জা, দৌল দেবালয়, স্তম্ভ আদি | | |
| খ) পুৰণি ৰাস্তা-ঘাট , পুখুৰী | | |
| গ) পুৰণি পুথি, গীত-মাত | | |

ওপৰৰ তালিকাখন পূৰ কৰিবলৈ লওঁতে নিজৰ জিলাখনৰ বিষয়ে বহুতো কথাৰ সন্ধেদ পোৱা যাব। সেইবোৰৰ সহায়েৰে জিলাখনৰ বিষয়ে কিছু ধাৰণা লাভ কৰিব পাৰিবা। এনেবোৰ তথ্যৰ সহায়ত আমাৰ সমাজত ঘটি থকা পৰিবৰ্তনবোৰ প্ৰকাশ কৰিবলৈ সুচল হয়। গতিকে এই ঐতিহাসিক সমলবোৰৰ গুৰুত্বলৈ চাই ইয়াক সম্পদ বুলি আখ্যা দিব পাৰোঁ। সেইবোৰক আমি সযত্নে সংৰক্ষণ কৰি ৰখাৰ প্ৰয়োজনীয়তা আছে ।এতিয়া তোমালোকে পৰ্যালোচনা কৰি চোৱাচোন, তোমালোকৰ অঞ্চলত থকা ঐতিহাসিক স্থানবোৰ সযত্নে সংৰক্ষণ কৰি ৰখা হৈছেনে? যদি হৈছে কেনেকৈ ?

**মনত ৰাখিবলগীয়া কথা ঃ**

- ইতিহাস অধ্যয়নৰ জৰিয়তে মানুহৰ অতীত জীৱনৰ বিষয়ে সবিশেষ জানিব পাৰি।
- ইতিহাস আৰু সাধুকথা একে নহয়।
- ইতিহাস হ'ল অতীতত ঘটা প্ৰকৃত ঘটনাৰ নিৰ্ভৰযোগ্য ধাৰাবাহিক বিৱৰণী।
- ইতিহাস অধ্যয়নৰ জৰিয়তে ঐতিহ্য, পৰম্পৰা আৰু সংস্কৃতিৰ পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ ধাৰা উপলব্ধি কৰিব পাৰি।
- নিজৰ সভ্যতা-সংস্কৃতিৰ বিষয়ে জানিবলৈ ইতিহাস অধ্যয়ন অপৰিহাৰ্য ।
- ইতিহাস অধ্যয়নৰ সমল হ'ল— ভগ্নাৱশেষ, শিলালিপি, তামৰ লিপি, মুদ্ৰা, সাহিত্য, বিদেশী পৰ্যটকসকলৰ বিৱৰণী, ইত্যাদি।
- ঐতিহাসিক সমলসমূহ আমাৰ সভ্যতাৰ ক্ৰমবিকাশৰ চানেকি, এইবোৰক সযত্নে সংৰক্ষণ কৰি ৰাখিব লাগে।

**অনুশীলনী ঃ**

১) উত্তৰ লিখা ঃ-

ক) ইতিহাস কাক বোলে?

খ) সাধুকথা আৰু ইতিহাসে একে অৰ্থ নুবুজায় কিয়?

গ) ইতিহাস অধ্যয়নৰ সমলবোৰ কি কি?

ঘ) বেদ, পুৰাণ, মহাভাৰত আদি ইতিহাস অধ্যয়নৰ সমলনে? যদি হয়, সেইবোৰ কোনবিধ সমলৰ অন্তৰ্গত?

ঙ) বৰ্তমান সময়ত ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তা কি আছে বুলি ভাবা?

চ) বুৰঞ্জী আৰু ইতিহাসৰ পাৰ্থক্য কি?

২) তুমি জনা যিকোনো এটি আখ্যান বা সাধুকথা দলত আলোচনা কৰা ।

৩) দলগত কাৰ্য—

(ক) তোমাৰ অঞ্চলৰ যোৱা দহটা বছৰত কি কি পৰিৱৰ্তন হৈছে তাৰ তথ্য সংগ্ৰহ কৰি এটি টোকা প্ৰস্তুত কৰা।

(খ) তোমাৰ জিলাত কিবা ঐতিহাসিক সমল আছেনে? যদি আছে তাৰ তথ্য সংগ্ৰহ কৰি শ্ৰেণীকোঠাত আলোচনা কৰা। (প্ৰয়োজনবোধে শিক্ষকৰ সহায় ল'বা।)

(গ) ঐতিহাসিক ঠাই এখনলৈ যোৱাৰ ভ্ৰমণসূচী প্ৰস্তুত কৰা।


***************

# পাঠ নং ১০
# আদি প্ৰস্তৰ যুগ

**শিকনৰ ফলাফল ঃ**

- আদিম মানুহৰ বিষয়ে জনাৰ বিভিন্ন উৎসসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব।
- আদিম মানুহৰ খাদ্যাভ্যাস, বাসস্থান, জীৱন-ধাৰণ প্ৰণালীৰ বিষয়ে ধাৰণা লাভ কৰিব।
- জুইৰ আৱিষ্কাৰৰ বিষয়ে জানিব।
- আদিম মানুহৰ সা-সঁজুলিৰ বিষয়ে জানিব।

তোমালোকে আগৰ পাঠত অতীতৰ কথা জানিবলৈ কেনেদৰে সমলবোৰৰ সহায় লোৱা হয় জানিব পাৰিছা। এই লিখিত তথ্য, মুদ্ৰা, স্থাপত্য-ভাস্কৰ্য্যৰ প্ৰচলনৰ হাজাৰ হাজাৰ বছৰ পূৰ্বে পৃথিৱীত মানুহৰ বসতি আৰম্ভ হৈছিল। আফ্ৰিকা মহাদেশৰ ইথিওপিয়া নামৰ দেশত প্ৰথম মানুহৰ বসতিৰ প্ৰমান পোৱা যায়। সেই সময়ত তেওঁলোকে কেনেদৰে জীৱন নিৰ্বাহ কৰিছিল, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সকলো সুবিধা অবিহনে প্ৰকৃতিৰ বুকুত নিজৰ মৌলিক প্ৰয়োজনসমূহ কেনেকৈ পূৰণ কৰিছিল, এই সকলোবোৰ কথা আমি এই পাঠত আলোচনা কৰিম।



*চিত্ৰ - ১০.১ ঃ প্ৰাচীন মানুহৰ চিকাৰ আৰু খাদ্য সংগ্ৰহ*

ওপৰৰ ছবিখনলৈ মন কৰাচোন, কি দেখিছা বাৰু? ছবিখনত আমি কিছুমান মানুহক জন্তুৰ ছাল পৰিধান কৰি শিলেৰে

সজা সঁজুলিৰে জীৱ-জন্তু চিকাৰ কৰি থকা দেখিবলৈ পাইছা। এই ছবিখনৰপৰা আমি ভালদৰে অনুমান কৰিব পাৰো যে আদিম মানুহে মাথোঁ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিয়ে নিজৰ প্ৰয়োজনসমূহ পূৰণ কৰিছিল।


## খাদ্যাভ্যাস ঃ

আদিম লোকসকলে প্ৰথম অৱস্থাত চিকাৰ কৰিব নাজানিছিল। তেওঁলোকে প্ৰকৃতিত পোৱা বিভিন্ন গছৰ ফল-মূল, ফলৰ ৰস, বীজ, পাত আদি খাইছিল। এইসমূহৰ উপৰি নানা ধৰণৰ পতংগ, পলু, চৰাই-চিৰিকতি, পোক আৰু জলাশয়ৰ পৰা মাছ মাৰিও তেওঁলোকে আহাৰ হিচাপে গ্ৰহণ কৰিছিল। ক্ৰমান্বয়ে আদিম লোকসকলে আন জীৱ-জন্তুৰ গতি-বিধি অনুসৰণ কৰি গৰু, ছাগলী, নিগনি, শহাপহু আদিৰ দৰে সহজে ধৰিব পৰা জীৱ-জন্তুসমূহ চিকাৰ কৰিছিল। আদিম লোকসকলে শিল, গছৰ ডাল আদিৰে প্ৰথমাৱস্থাত চিকাৰ কাৰ্য চলাইছিল বুলি অনুমান কৰা হয়। অৰ্থাৎ ভোক নিবাৰণৰ বাবে তেওঁলোকে কেতিয়াবা প্ৰকৃতিৰপৰা খাদ্যসংগ্ৰহ কৰিছিল আৰু কেতিয়াবা চিকাৰো কৰিছিল। কিন্তু সংগ্ৰহ কৰা খাদ্য সাঁচি ৰখাৰ কোনো ব্যৱস্থা সেই সময়ত নাছিল।

ঋতু সলনিৰ লগে লগে গছৰ ফল-মূল, খোৱা পানী আদিৰ নাটনি হোৱাত নাইবা চিকাৰৰ অভাৱত আদিম মানুহে খাদ্য সংকটত ভুগিছিল। সেয়েহে তেওঁলোকে খাদ্যৰ সন্ধানত প্ৰায়ে এঠাইৰপৰা আন এঠাইলৈ ঘুৰি ফুৰিবলগীয়া হৈছিল।

## বাসস্থান ঃ

আদিম মানুহে খাদ্যৰ কাৰণে এঠাইৰপৰা আনঠাইলৈ ঘুৰি ফুৰিবলগীয়া হৈছিল। ফলত তেওঁলোকে স্থায়ীভাৱে এঠাইতে থাকিব পৰা নাছিল। তাৰোপৰি এতিয়াৰ নিচিনাকৈ সা-সঁজুলি গোটাই গৃহ নিৰ্মাণ কৰাও তেওঁলোকৰ বাবে সম্ভৱপৰ নাছিল। বতাহ, বৰষুণ, হাবিত বাস কৰা বিষাক্ত তথা হিংস্ৰ জীৱ- জন্তুৰপৰা নিজক বচাবলৈ তেওঁলোকে ডাঙৰ গছৰ খোৰোং বা গুহাত আশ্ৰয় লৈছিল। এনে আশ্ৰয় স্থলবোৰতো তেওঁলোকে দল বান্ধি থাকিছিল। তেওঁলোকে সকলো কাম দল বান্ধি এঠাইতে কৰিছিল। এতিয়াৰ নিচিনা গাইগুটীয়া পৰিয়ালৰ ধাৰণা সেই সময়ত নাছিল।



চিত্ৰ -১০.২ ঃ গুহাৰ ছবি

ক্ৰিয়াকলাপ ঃ

(ক) আদিম মানুহৰ জীৱন কঠিন বুলি কিয় ভবা হয়?

(খ) মানুহে দলবান্ধি ফুৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰি শ্ৰেণীত সমূহীয়াকৈ আলোচনা কৰা।

## সাজ-পোছাক ঃ

আদিম লোকসকলে শীত - তাপ আদিৰপৰা নিজকে ৰক্ষা কৰিবলৈ গছৰ বাকলি, জন্তুৰ ছাল, নোম আদিৰদ্বাৰা সাজ পোছাক তৈয়াৰ কৰি লৈছিল। পাছলৈ তেওঁলোকে শিল, জন্তুৰ হাড়, দাঁত, খোলা, উট পক্ষীৰ কণীৰ বাকলি আদিৰে আ - অলংকাৰ বনাই পিন্ধিছিল।

## জুইৰ আৱিষ্কাৰ ঃ

প্ৰত্নতত্ত্ববিদসকলে প্ৰাচীন গুহাসমূহ পৰিদৰ্শন কৰোঁতে তাৰ কিছুমান ঠাইত ছাইৰ চিন দেখা পায়। এই চিনসমূহৰ পৰা প্ৰত্নতত্ত্ববিদসকলে ধাৰণা কৰে যে আদিম মানুহৰ জুইৰ লগত সম্পৰ্ক আছিল। আদিম যুগৰ কোনো চিকাৰী নাইবা খাদ্য সংগ্ৰহকাৰীৰ জৰিয়তেই জুইৰ আৱিষ্কাৰ হৈছিল বুলি তেওঁলোকে অনুমান কৰে। খাদ্যৰ সন্ধানত আদিম মানুহে হাবিত ঘূৰি ফুৰোঁতে হয়তো ঘটনা ক্ৰমে শিলে শিলে ঘঁহনি খাই ফিৰিঙতিৰ উৎপত্তি হোৱা দেখিবলৈ পাইছিল আৰু সেই ফিৰিঙতিয়ে শুকান পাত আৰু কাঠৰ সংস্পৰ্শলৈ আহি জুইৰ সৃষ্টি কৰিছিল। তেতিয়াৰপৰাই হয়তো তেওঁলোকে জুইৰ ব্যৱহাৰ কৰিবলৈ শিকিছিল। জুইৰ আৱিষ্কাৰ মানৱ সভ্যতাৰ অগ্ৰগতিৰ এক উল্লেখনীয় অধ্যায়।

জুইৰ আৱিষ্কাৰ হোৱাৰ আগলৈ আদিম লোকসকলে খাদ্য বস্তুবোৰ কেঁচাই খাইছিল। তাৰ পাছতহে তেওঁলোকে মাংস পুৰি বা সেকি খাবলৈ আৰম্ভ কৰিলে। লাহে লাহে পাত্ৰ সাজি তাত খাদ্য বস্তু সিজাই খোৱা প্ৰক্ৰিয়া আৰম্ভ হ'ল। খাদ্যৰ বাহিৰে তেওঁলোকে শীতৰ প্ৰকোপৰপৰা হাত সাৰিবলৈ, হিংস্ৰ জন্তুক আঁতৰাই পঠিয়াবলৈ আৰু তেওঁলোকে বাস কৰা গুহাত পোহৰ আৰু উত্তাপ সৃষ্টি কৰিবলৈও জুই ব্যৱহাৰ কৰিছিল।



চিত্ৰ - ১০.৩ ঃ আদিম মানুহৰ জীৱন-যাত্ৰা


**উত্তৰ লিখা ঃ**

(ক) আজিকালি জুই আমি কি কি কামত ব্যৱহাৰ কৰো?

(খ) জুই অবিহনে মানুহৰ জীৱন-যাপন প্ৰণালী কেনে হ'লহেঁতেন?

## সা-সঁজুলি ঃ

ওপৰৰ আলোচনাকণৰ ধাৰণা কৰিব পাৰি যে আদিম মানুহৰ জীৱন যথেষ্ট বিপদসংকুল আৰু কঠিন আছিল। কাৰণ আজিৰ দৰে বিভিন্ন ধৰণৰ কাম-কাজ কৰিবলৈ তেওঁলোকৰ সা-সঁজুলি, অস্ত্ৰ-শস্ত্ৰ নাছিল। তেওঁলোকে গছৰ শিপা আদি খান্দিবলৈ, জীৱ-জন্তু চিকাৰ কৰিবলৈ, মৃত জন্তুৰ ছাল এৰুৱাবলৈ কেনেধৰণৰ সঁজুলি ব্যৱহাৰ কৰিছিল বাৰু? সিপিঠিৰ ১০.৩ চিত্ৰখনলৈ চোৱাচোন। চিত্ৰখনত আদিম মানুহে জীৱ-জন্তু চিকাৰ কৰা, সেইবোৰ কটা আৰু সেকা, বিভিন্ন সা-সঁজুলি গঢ়ি থকা দেখা পাইছা নহয়নে? চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী আদিম মানুহে দৈনন্দিন কামত ব্যৱহাৰৰ বাবে শিল, জীৱ-জন্তুৰ হাড়, দাঁত আদি জোঙা সঁজুলি ব্যৱহাৰ কৰিছিল।



*চিত্ৰ- ১০.৪ ঃ শিলৰ সা-সঁজুলি*

ওপৰৰ চিত্ৰখনলৈ চোৱাচোন। তাত কেনে ধৰণৰ শিলৰ সঁজুলি দেখিবলৈ পাইছাহঁক। ভিন ভিন আকাৰ-আকৃতিৰে আদিম মানুহে তেওঁলোকৰ কামত অহাকৈ সঁজুলি আৰু অস্ত্ৰ-শস্ত্ৰ গঢ় দি লৈছিল। এনেকুৱা সঁজুলিৰ দ্বাৰাই তেওঁলোকে মাছ-মাংস কাটিছিল, গছৰ বাকলি আৰু জীৱ-জন্তুৰ ছাল এৰুৱাইছিল, গছৰ শিপা খান্দিছিল আনকি চিকাৰো কৰিছিল। মন কৰাচোন সঁজুলিবোৰ প্ৰথমতে অতি সাধাৰণ, ভোটা আৰু খহটা যেন লগা নাইনে? ক্ৰমে দিন বাগৰাৰ লগে লগে তেওঁলোকৰ সঁজুলিবোৰ অধিক মিহি, মসৃণ আৰু জোঙা হৈ পৰিছিল।

**উত্তৰ লিখা ঃ**

সা-সঁজুলিসমূহ মিহি আৰু জোঙা হোৱাৰ ফলত আদিম মানুহৰ কি কি সুবিধা হৈছিল?

### জানি থওঁ আহা ঃ

- মানৱ জীৱনৰ আৰম্ভণিৰপৰা কেইবাহাজাৰ বছৰলৈকে মানুহৰ জীৱন শিলৰ সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল হৈ থকা সময়ছোৱাক শিলৰ বা প্ৰস্তৰ যুগ বুলি কোৱা হয়।
- প্ৰস্তৰ যুগৰ সঁজুলি আৰু আৱিষ্কৃত সময়ৰ পৰিৱৰ্তনৰ ওপৰত ভিত্তি কৰি এই যুগক ইতিহাসবিদসকলে তিনি ভাগত ভাগ কৰিছে।

  (ক) আদি প্ৰস্তৰ যুগ, (খ) মধ্য প্ৰস্তৰ যুগ, (গ) নিম্ন প্ৰস্তৰ যুগ।
- প্ৰস্তৰ যুগৰ সময় খ্ৰীষ্ট পূৰ্ব ৬,০০,০০০ ৰপৰা খ্ৰীষ্ট পূৰ্ব ৮,০০০ বছৰলৈ বুলি ধাৰণা কৰা হয়।

### গুহাচিত্ৰ ঃ



চিত্ৰ - ১০.৫

প্ৰত্নতত্ত্ববিদসকলে প্ৰাচীন গুহাবোৰত ভিন-ভিন চিত্ৰ অংকন কৰি থোৱা দেখিবলৈ পাইছে। ধাৰণা কৰা হয় যে এই চিত্ৰসমূহ ৰঙীণ শিল, গছৰ ছাল, গুটি আদি ঘঁহি ৰং তৈয়াৰ কৰি আঁকা হৈছিল। এই ছবিবোৰত ভিন-ভিন জন্তু, আদিম লোকসকলে দল বান্ধি চিকাৰলৈ যোৱা, তেওঁলোকৰ নৃত্যৰ দৰে অংগ-ভংগী আদিবোৰ অংকিত হৈ আছে। এই গুহাচিত্ৰবোৰৰ মূল উদ্দেশ্য কি আছিল জনা নাযায়। ধাৰণা কৰা হয় যে আদিম লোকসকলে চিকাৰৰ পৰিকল্পনা বা নিজৰ সন্তানবোৰক চিকাৰ সম্বন্ধে জ্ঞান দিবলৈ এনে ধৰণৰ ছবিবোৰ আঁকিছিল।

ওপৰৰ ছবিখন ফ্ৰান্স দেশৰ আল্টামিৰা নামৰ ঠাইৰ এটা গুহাৰপৰা আৱিষ্কাৰ হৈছে। ছবিখন উজ্জ্বল ৰঙেৰে আঁকা। এই ছবিখনো চিকাৰ সম্বন্ধীয় বুলি অনুমান কৰা হৈছে। আমাৰ ভাৰতবৰ্ষৰ মধ্যপ্ৰদেশৰ ভীমবেট্‌কা নামৰ ঠাইতো এনে গুহাচিত্ৰ উদ্ধাৰ হৈছে।

এইদৰেই আদিম মানুহে খাদ্য সংগ্ৰহকাৰী আৰু চিকাৰী ৰূপে এটা সহজ - সৰল অথচ কঠিন জীৱন নিৰ্বাহ কৰিছিল। সকলো কামতে পুৰুষ - মহিলা উভয়ে লগে-ভাগে কাম কৰিছিল বুলি গুহাচিত্ৰবোৰৰপৰা জানিব পৰা যায়।

চিত্ৰ ১০.১ ৰ আধাৰত বৰ্ণিত আদিম মানুহৰ জীৱন-ধাৰণৰ লগত জড়িত বিভিন্ন কাৰ্যকলাপৰপৰা অনুমান কৰিব পাৰি যে, কোনো কামেই তেওঁলোকৰ বাবে আজিৰ দৰে সহজ নাছিল। অৰ্থাৎ প্ৰতি মুহূৰ্ততে তেওঁলোকে প্ৰতিকুল সময়ৰ লগত মোকাবিলা কৰি এক কঠিন জীৱন যাপন কৰিছিল।

বৰ্তমান সময়তো আমি দৈনন্দিন প্ৰয়োজনসমূহ পূৰাবৰ বাবে সময় বিশেষে এঠাইৰপৰা আন ঠাইলৈ যাবলগীয়া হয়। আদিম মানুহেও বিভিন্ন কাৰণত সততে এঠাইৰপৰা আন ঠাইলৈ ঘূৰি ফুৰিছিল।

সময়ৰ লগে লগে আদিম মানুহৰ জীৱন-ধাৰণ প্ৰণালীৰ মান উন্নত হৈছিল। পূৰ্বৰ চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী হিচাপে ভ্ৰমি ফুৰা আদিম লোকসকলে সময় বাগৰাৰ লগে লগে কোনো ঠাইত নিগাজিকৈ থকাৰ ব্যৱস্থা কৰিবলৈ ল'লে। পিছে সকলো ঠাইতে এই পৰিৱৰ্তনবোৰ একে সময়তে হোৱা নাছিল । এতিয়াও স্থান অনুযায়ী মানুহ বিকাশৰ বিভিন্ন স্তৰত আছে। পৃথিৱীৰ বিভিন্ন ঠাইত খাদ্য-সংগ্ৰহকাৰী আৰু চিকাৰী মানুহ থকাৰ প্ৰমাণ বৰ্তমানেও পোৱা যায়।

**মনত ৰাখিবলগীয়া কথা ঃ**

- আদিম মানুহে চিকাৰ কৰি আৰু হাবিৰপৰা খাদ্য সংগ্ৰহ কৰি অঘৰী জীৱন কটাইছিল।
- তেওঁলোকে দলবান্ধি এঠাইৰপৰা আন ঠাইলৈ ঘূৰি ফুৰিছিল।
- আদিম মানুহে প্ৰথম সঁজুলি হিচাপে শিলকে ব্যৱহাৰ কৰিছিল।
- জুই আদিম মানুহৰ প্ৰথম উল্লেখনীয় আৱিষ্কাৰ।
- সংগ্ৰহ কৰা খাদ্য আদিম মানুহে সাঁচি ৰখাৰ প্ৰয়োজনবোধ কৰা নাছিল।

**অনুশীলনী ঃ**

১) উত্তৰ লিখা—

ক) আদিম যুগৰ মানুহে কি কি খাদ্য খাইছিল?

খ) আদিম মানুহে কি কাৰণে এঠাইৰপৰা আন ঠাইলৈ ঘূৰি ফুৰিছিল?

গ) বৰ্তমান সময়ৰ মানুহৰ ভ্ৰমণৰ উদ্দেশ্য আৰু আদিম মানুহৰ ভ্ৰমণৰ উদ্দেশ্যৰ মাজত কি কি ক্ষেত্ৰত মিল আৰু অমিল আছে?

ঘ) আদিম যুগৰ মানুহে শিলকে কিয় সঁজুলি হিচাপে ব্যৱহাৰ কৰিছিল?

ঙ) বৰ্তমান শিলক কি কি কামত ব্যৱহাৰ কৰা হয় তাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

চ) জুইৰ আৱিষ্কাৰ কিদৰে হৈছিল?

ছ) আদিম মানুহে জুই কি কি কামত ব্যৱহাৰ কৰিছিল?

২) দলগত কাৰ্য ঃ

(ক) ক্ৰম অনুযায়ী শিলৰ সঁজুলিৰ চিত্ৰ অংকন কৰি শ্ৰেণীকোঠাত আঁৰি থোৱা।

(খ) প্ৰাচীন মানুহৰ চিকাৰ আৰু খাদ্য সংগ্ৰহৰ চিত্ৰ প্ৰস্তুত কৰা।

(গ) তোমালোকে বহীত দুটা ভাগ কৰি এটা ভাগত আদিম মানুহে খোৱা খাদ্য আৰু আনটো ভাগত বৰ্তমান মানুহে খোৱা খাদ্যৰ নামৰ তালিকা এখন প্ৰস্তুত কৰা।

(ঘ) বৰ্তমান ঘৰুৱা কাম-কাজত ব্যৱহাৰ কৰা কেইটামান সঁজুলিৰ এখন তালিকা বনোৱা, লগতে সেই সঁজুলিবোৰ কিহেৰে নিৰ্মিত উল্লেখ কৰা।

৩) আদিম মানুহে সংগ্ৰহ কৰা খাদ্য কিয় সাঁচি থোৱা নাছিল? ব্যাখ্যা কৰা।

***************

# পাঠ নং ১১
# আদিম মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ আৰু স্থায়ী বসবাস (নৱপ্ৰস্তৰ যুগ)

3Q9EDP

**শিকনৰ ফলাফল ঃ**

- অতীতত কৃষি কৰ্মৰ উদ্ভাৱন আৰু ইয়াৰ বিকাশৰ ধাৰা সম্পৰ্কে জ্ঞান লাভ কৰিব।
- আদিম মানুহৰ স্থায়ী বাসস্থান সম্পৰ্কে ধাৰণা লাভ কৰিব।
- কৃষি কৰ্মত ব্যৱহৃত বিভিন্ন সা-সঁজুলিৰ বিষয়ে অৱগত হ'ব পাৰিব।
- জীৱ-জন্তু পালনৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিব পাৰিব।
- চকাৰ আবিষ্কাৰে আদিম মানুহৰ জীৱনত কেনেদৰে প্ৰভাৱ পেলাইছিল তাৰ আভাস পাব।
- গাঁৱৰ উৎপত্তিৰ বিষয়ে থূল-মূল আভাস পাব।

ৰবিবাৰ বন্ধৰ দিন বাবে স্কুললৈ যাব নালাগে। সুমন দেউতাকৰ লগত বজাৰলৈ গ'ল। বজাৰত তেওঁ চাউল-দাইল আদি কৰি বিভিন্ন খাদ্য সামগ্ৰীৰ উপৰি পাচলিৰ বজাৰত নানা ধৰণৰ শাক-পাচলিও দেখিবলৈ পালে। বজাৰত ওলোৱা বিভিন্ন সেউজীয়া শাক-পাচলিবোৰ দেখিবলৈ ভাল লাগে।

এইখিনিতে কালি স্কুলত বাইদেউৱে আদিম মানুহৰ বিষয়ে কোৱা কথাবোৰ সুমনৰ মনত পৰিল। আদিম মানুহে হেনো অতি কষ্ট কৰি খোৱাবস্তু সংগ্ৰহ কৰিব লগা হৈছিল। তেওঁলোকে চিকাৰ কৰি জীৱ-জন্তুৰ মঙহ আৰু হাবিৰ ফল-মূল আদি খাবলৈ গোটাই আনিছিল। তেওঁলোকৰ কষ্টৰ সীমা নাছিল। খোৱা বস্তুবোৰ সহজতে পোৱাৰ নিশ্চয়তাও নাছিল। তাৰ তুলনাত আজি আমি সহজতে খোৱাবস্তুবোৰ হাট-বজাৰ বা দোকানত পাওঁ। খাদ্য সংগ্ৰহ আদিম মানুহৰ সময়ছোৱাতকৈ এতিয়া অতি সহজ হৈ পৰিল।

আদিম মানুহে প্ৰথমে কেনেকৈনো খেতি-বাতি কৰিবলৈ ধৰিছিল এই কথা ভাবি সুমন আচৰিত হয়। কেতিয়াৰ পৰা তেওঁলোকে নিগাজিকৈ বসবাস কৰিবলৈ লৈছিল? সুমনে ভবাৰ দৰে সকলোৰে মনত নিশ্চয় এনে প্ৰশ্ন জাগে। অৰ্থাৎ, মানুহে এদিন খেতি-বাতিৰ কাম কেনেকৈ কৰিবলৈ শিকিলে। সেই বিষয়ে আজি আমি কিছু কথা আলোচনা কৰোঁহঁক।

## খেতিৰ আৱিষ্কাৰ ঃ

হাজাৰ হাজাৰ বছৰ ধৰি চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী মানুহৰ মনলৈ খেতি কৰাৰ কথা অহা নাছিল। সেয়েহে অঘৰী অৱস্থাৰপৰা কৃষি কৰ্ম কৰি নিগাজিকৈ বসবাস কৰা অৱস্থা পাবলৈ আদিম মানুহক বহু বছৰ লাগিছিল।

আমি আগৰ পাঠৰপৰা জানিব পাৰিছোঁ যে আদিম মানুহে দল বান্ধি ঘূৰি ফুৰিছিল। এইদৰে ঘূৰি ফুৰোঁতে তেওঁলোকে কিছুমান কথালৈ লক্ষ্য কৰিছিল, যেনে— কেনেকৈ গুটিৰপৰা নতুন গছ গজে, ফল-মূল হোৱা গছ-গছনিবোৰ ক'ত বেছিকৈ গজে ইত্যাদি। তেওঁলোকে মন কৰিছিল যে কিছুমান ঠাইত গছবোৰ সোনকালে গজে আৰু কিছুমান ঠাইত গছৰ গজালি ওলোৱাত দেৰি হয়। যিবোৰ ঠাইত গছবোৰ সোনকালে গজে তেনেবোৰ মাটিত তেওঁলোকে নিজে গুটি সিঁচিছিল। গছবোৰ ডাঙৰ হোৱালৈ আৰু জীৱ-জন্তুৰপৰা ৰক্ষা পাবলৈ তেওঁলোকে

একে ঠাইতে কেতিয়াবা বহুদিনলৈ থাকিবলৈ লৈছিল। অৱশ্যে তেতিয়াও তেওঁলোকৰ খেতিৰ ধাৰণা মনলৈ অহা নাছিল। সময় আগবঢ়াৰ লগে লগে জনসংখ্যা বাঢ়ি গ'ল। সেই অনুপাতে হাবি-জংঘলত সহজতে পোৱা খোৱাবস্তুৰ পৰিমাণ ক্ৰমান্বয়ে কমি আহিল। গতিকে মানুহে খোৱাবস্তু কেনেকৈনো সহজতে আৰু বেছিকৈ উৎপাদন কৰিব পাৰি চিন্তা কৰিবলৈ ধৰিলে।

## নতুন জীৱন যাত্ৰা ঃ

ডাঙৰ ডাঙৰ গছ-গছনি কাটি ন-ভাঙনি মাটিত মানুহে সময়ত খেতি-বাতি কৰিবলৈ লৈছিল। তেনে খেতি-বাতি নিৰাপদে ৰখাৰ বাবে খেতিৰ মাটিৰ কাষতে মানুহে নিগাজিকৈ বসবাস কৰাৰ প্ৰয়োজনে দেখা দিলে। তোমালোকে এটা কথা নিশ্চয় মন কৰিছা যে গুটি গজালি ওলোৱাৰপৰা গছ-গছনি ডাঙৰ হোৱালৈ কিছু সময় লাগে। খেতি আৰম্ভ কৰাৰ লগে লগে খেতিৰ মাটিত পানীৰ যোগান ধৰাৰ প্ৰয়োজন হৈ পৰিল। বন নিৰোৱা, চৰাই-চিৰিকটি আৰু আন জীৱ-জন্তুৰপৰা শস্য সুৰক্ষিত কৰি ৰখাৰ সমস্যাই দেখা দিছিল। গতিকে আদিম মানুহ খেতিৰ মাটিৰ কাষত এদিন দীঘলীয়া সময়ৰ বাবে আৱদ্ধ হৈ ৰৈ গৈছিল।

শস্য চপোৱাৰ পাছত সেইবোৰ পৰিস্কাৰ কৰি কিছুমান খোৱাৰ বাবে আৰু কিছুমান পুনৰ খেতিৰ বীজ হিচাপে সাঁচি থ'ব লাগিছিল। তেওঁলোকে শস্যবোৰ কেনেকৈ সাঁচি ৰাখিব সেই কথা চিন্তা কৰিয়েই ডাঙৰ ডাঙৰ মাটিৰ পাত্ৰ বনাইছিল। শস্য ৰখাৰ বাবে ঘাঁহ-বনেৰে খৰাহি বনাইছিল বা কেতিয়াবা মাটিতেই গাঁত খান্দি পুতি ৰাখিছিল। এনেধৰণে নিগাজিকৈ খেতিত লাগি আদিম মানুহ এদিন **কৃষক** হৈ পৰিল। এইখিনিতে মনত ৰাখিবলগীয়া কথা হ'ল যে পৃথিৱীৰ সকলো ঠাইতে একে সময়তে এনেকুৱা পৰিবৰ্তন হোৱা নাছিল। পৰিস্থিতি ভেদে আৰু ভৌগোলিক তাৰতম্য অনুযায়ী মানুহৰ জীৱন-যাত্ৰাৰ প্ৰণালীৰ পৰিবৰ্তন হ'বলৈ ধৰিলে।

**ক্ৰিয়াকলাপ ঃ**

অধিক শস্য পাবলৈ হ'লে মাটিত গুটি সিঁচাৰপৰা শস্য চপোৱালৈকে এজন কৃষকে কি কি কাম কৰিব লাগে দলত আলোচনা কৰা।

## খেতি কৰা সঁজুলি ঃ

আগৰ পাঠত চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী মানুহে প্ৰথমে কেনেধৰণৰ শিলৰ অস্ত্ৰ ব্যৱহাৰ কৰিছিল সেই কথা জানি আহিছাহঁক।


চিত্ৰ- ১১.১ ঃ শিলৰ সা-সঁজুলি

খেতি কৰিবলৈ প্ৰথমে তেওঁলোকে শিলেৰে নিৰ্মিত কুঠাৰৰ দৰে অস্ত্ৰ ব্যৱহাৰ কৰিছিল। ইয়াৰ সহায়ত মাটি খান্দি কোমল কৰি গুটি সিঁচিছিল। খেতিৰ সঁজুলিবোৰ উন্নত নাছিল বাবে খেতি কৰাটো বৰ কষ্টকৰ আছিল আৰু কম ঠাইতহে খেতি কৰিব পাৰিছিল। সেয়েহে আগতকৈ বেছি চোকা আৰু উন্নত মানৰ সঁজুলিৰ আৱশ্যক হোৱাত তেওঁলোকে শিলৰ অস্ত্ৰবোৰ শিলতেই ঘঁহি মিহি, চক্‌চকীয়া আৰু জোঙা কৰি লৈছিল। তদুপৰি জীৱ-জন্তুৰ হাঁড়, দাঁতৰ মাড়ি আৰু কাঠৰ বিভিন্ন আহিলা খেতিৰ উপযোগীকৈ

তৈয়াৰ কৰি লৈছিল। শস্য ভাঙিবলৈ তেওঁলোকে শিলৰ পটা, পটাগুটি তৈয়াৰ কৰি লৈছিল। চিত্ৰ- ১১.১ৰপৰা আদিম মানুহে ব্যৱহাৰ কৰা খেতিৰ সঁজুলিবোৰৰ বিষয়ে কিছু ধাৰণা কৰিব পাৰি।

আমাৰ অসমৰ ডিমা-হাচাও জিলাৰ দাওজালি হাডিং নামৰ ঠাইতো বহুতো মিহি কোৰ আকৃতিৰ শিল আৰু শস্য গুড়ি কৰা পটা আৰু মাটিৰ পাত্ৰৰ টুকুৰা পোৱা গৈছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে সেই অঞ্চলতো এটা সময়ত আদিম মানুহে সম্ভৱতঃ শস্য উৎপাদন কৰি খাদ্য যোগাৰ আৰু প্ৰস্তুত কৰিছিল। ইয়াৰ উপৰি কাশ্মীৰ উপত্যকা, দাক্ষিণাত্যৰ কৃষ্ণা আৰু গোদাবৰী উপত্যকা, বিহাৰৰ চীৰাণ্ড আৰু উত্তৰ প্ৰদেশৰ বৈলান উপত্যকাতো আদিম মানুহে ব্যৱহাৰ কৰা সঁজুলি পোৱা গৈছে।

**উত্তৰ লিখা ঃ**

(ক) খাদ্য শস্য কিয় সাঁচি ৰাখিব লগা হয়?

(খ) নৱপ্ৰস্তৰ যুগৰ মানুহে কেনেকৈ খাদ্য শস্য সাঁচি ৰাখিছিল?

(গ) বৰ্তমান সময়ত মানুহে খাদ্য শস্য কেনেকৈ সাঁচি ৰাখে?

(ঘ) ভাৰতৰ কোন কোন উপত্যকাত আদিম মানুহে ব্যৱহাৰ কৰা সঁজুলি পোৱা গৈছে?

## পশুপালন ঃ

বহু মানুহৰ ঘৰত পোহনীয়া জীৱ-জন্তু আছে। আচৰিত কথা যে এই জীৱ-জন্তুবোৰৰ লগত মানুহৰ সম্পৰ্ক আদিম যুগৰপৰাই আছে। আদিম মানুহে বনৰীয়া জীৱ-জন্তু চিকাৰ কৰি তাৰ মঙহ খাইছিল। পাছলৈ কেতিয়াবা চিকাৰলৈ গৈ জীৱ-জন্তুৰ পোৱালি পালে তাক বধ নকৰি লগত লৈ আহিছিল। নতুবা তেওঁলোকৰ বাসস্থানৰ ওচৰতে খাদ্য দি তুলনামূলকভাৱে শান্ত প্ৰকৃতিৰ জন্তুবোৰক প্ৰলোভিত কৰি কৌশলেৰে ধৰি ৰাখিছিল। কেতিয়াবা হয়তো চিকাৰ নাপালে সেইবোৰকে খাদ্য হিচাপে ব্যৱহাৰ কৰিছিল। কুকুৰেই হয়তো মানুহৰ প্ৰথম পোহনীয়া জন্তু আছিল। ঘৰ পহৰা দিয়া, চিকাৰত সহায় কৰা আদি কামবোৰ কুকুৰেই কৰিছিল। এনেদৰেই সময়ত তেওঁলোকে গৰু, ছাগলী, ভেড়া, গাহৰি আদি পুহিবলৈ লৈছিল। পাছলৈ এই জন্তুবোৰৰ পোৱালি হৈ সংখ্যা বৃদ্ধি হয়। এই পোহনীয়া জন্তুবোৰে দলপাতি চৰিছিল। সেইবোৰক গৰাকীয়ে লালন-পালন কৰি সুৰক্ষিত কৰি ৰাখিছিল বাবে আদিম মানুহ পৰৱৰ্তী সময়ত **পশুপালক** হৈ পৰিছিল। এই জীৱ-জন্তুবোৰপৰা মঙহ, গাখীৰ আদি খাদ্য পোৱাৰ উপৰি কিছুমান জন্তুক কৃষি আৰু যাতায়াতৰ কামতো ব্যৱহাৰ কৰিছিল।

**জানি থওঁ আহা ঃ**

জন্তুবোৰৰ স্বাভাৱিকতেই বংশ বৃদ্ধি হয়। যত্ন কৰি প্ৰতিপাল কৰিলে ই আমাক অন্যতম প্ৰধান খাদ্য হিচাপে গাখীৰ দিয়ে আৰু প্ৰয়োজনত মাংস হিচাপে ব্যৱহৃত হয়। আন অৰ্থত পোহনীয়া জন্তুবোৰ হ'ল মানুহৰ 'সাঁচতীয়া খাদ্য'।

খাদ্য শস্যৰ উৎপাদন আৰু জীৱ-জন্তুক ঘৰুৱাভাৱে প্ৰতিপালন কৰাটো পৃথিৱীৰ বহু ঠাইত ক্ৰমান্বয়ে হোৱা প্ৰক্ৰিয়া। অনুমান কৰা হয় যে আজিৰপৰা প্ৰায় বাৰ হাজাৰ (১২,০০০)মান বছৰৰ আগতেই এই প্ৰক্ৰিয়া আৰম্ভ হৈছিল। জীৱ-জন্তুৰ ভিতৰত খাদ্য হিচাপে ব্যৱহাৰ কৰিবলৈ **ভেড়া আৰু ছাগলীকেই** প্ৰথম প্ৰতিপাল কৰা হৈছিল।

**ক্ৰিয়াকলাপ ঃ**

আদিম মানুহে যাতায়াত আৰু বয়-বস্তু কঢ়িয়াবৰ বাবে জীৱ-জন্তু ব্যৱহাৰ কৰিছিল। বৰ্তমান যুগতো একে কাৰণত জীৱ-জন্তু ব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি ভাবানে? যুক্তি দৰ্শাই লিখা।

## চকাৰ আৱিষ্কাৰ ঃ

জুই আৰু কৃষিকৰ্মৰ আৱিষ্কাৰৰ পাছত আদিম মানুহৰ আন এটি উল্লেখযোগ্য আৱিষ্কাৰ হ'ল 'চকা'। আদিম মানুহে চকা কেনেকৈ আৱিষ্কাৰ কৰিছিল তাৰ বিষয়ে স্পষ্টকৈ ধাৰণা কৰিব নোৱাৰি। হয়তো গছৰ ঘূৰণীয়া আকৃতিৰ টুকুৰা কেতিয়াবা মাটিৰ ওপৰেদি বাগৰি যোৱা দেখিয়েই তাৰপৰা চকাৰ প্ৰয়োজন আৰু ব্যৱহাৰৰ কথা আদিম মানুহৰ মনলৈ আহিছিল। যিয়েইনহওক চকাৰ প্ৰচলনে কিন্তু আদিম মানুহৰ জীৱন-ধাৰণ প্ৰণালীক বহুতো আগুৱাই নিলে। উদাহৰণস্বৰূপে আগতে মানুহে খোজ কাঢ়ি বা জন্তুৰ পিঠিত উঠি এঠাইৰপৰা আন ঠাইলৈ গৈছিল। কিন্তু চকা লগাই তৈয়াৰ কৰা গাড়ী, জন্তুৰ দ্বাৰা টনোৱাৰ ব্যৱস্থা কৰাত একাধিক মানুহ একেটা সময়ত দূৰ-দূৰণিৰ ঠাইবোৰলৈ যাব পৰা হ'ল। তদুপৰি খেতিৰ ফচল আৰু বিভিন্ন গধুৰ বোজা কঢ়িয়াব পৰা হ'ল। আগতে মানুহে ৰন্ধা-বঢ়া আৰু খাদ্য মজুত ৰাখিবলৈ হাতেৰে মাটিৰ পাত্ৰ বনাই জুইত পুৰি লৈছিল। সময়ত মাটিৰ পাত্ৰ বনোৱাৰ ক্ষেত্ৰটো চকাৰ ব্যৱহাৰ হ'ব ধৰিলে।



*চিত্ৰ - ১১.২ ঃ চকাৰ আৱিষ্কাৰ*

**ক্ৰিয়াকলাপ ঃ**

জুই আৰু চকাৰ আৱিষ্কাৰৰ ফলত মানুহৰ জীৱন-ধাৰণৰ মানশৈলীৰ কেনেকুৱা পৰিৱৰ্তন হ'ল? দলত আলোচনা কৰি লিখা।

## গাঁৱৰ উৎপত্তি ঃ

তোমালোকৰ প্ৰায়ভাগৰ হয়তো গাঁও সম্পৰ্কে কিছু ধাৰণা আছে। গাঁৱৰ মানুহৰ ঘৰে ঘৰে অলপকৈ হ'লেও খেতি-বাতি থাকে। তেওঁলোকে একেখন সমাজতে পৰস্পৰৰ সহায়-সহযোগী হিচাপে বাস কৰে।

কৃষিকাৰ্য আৰম্ভ কৰাৰ লগে লগে আদিম মানুহৰ ইমান বছৰে ঠাই সলনি কৰি ঘূৰি ফুৰা আগৰ অভ্যাস



*চিত্ৰ - ১১.৩ ঃ প্ৰাচীন যুগৰ গাঁও*

নাইকিয়া হ'ল। খেতি কৰিবলৈ তেওঁলোকে একে ঠাইতে স্থায়ীভাৱে বসবাস কৰিবলৈ আৰম্ভ কৰিলে। দলবদ্ধভাৱে বসবাস কৰাৰ ফলত মানুহৰ নিৰাপত্তা আৰু সহায়-সহযোগিতা নিশ্চিত হ'ল। এইদৰেই কিছুমান পৰিয়াল দলবদ্ধভাৱে থাকি একোখন গাঁৱৰ সৃষ্টি কৰিছিল। সাধাৰণতে তেওঁলোকে নদী বা হ্ৰদৰ পাৰতহে বসতি আৰম্ভ কৰিছিল। কাৰণ মানুহ, জীৱ-জন্তু আৰু শস্য সকলোৰে বাবে পানী অপৰিহাৰ্য। বৰ্তমানলৈকে আৱিষ্কাৰ হোৱা পৃথিৱীৰ প্ৰাচীন সভ্যতা সমূহো নদীৰ পাৰতে গঢ়ি উঠিছিল।

**জানি থওঁ আহা ঃ**

এসময়ত গাঁৱৰ অন্যতম বৈশিষ্ট্য আছিল যে গাঁৱৰ প্ৰায় সকলো মানুহে খাদ্য শস্য উৎপাদনত জড়িত হৈ আছিল।

## প্ৰথম কৃষক আৰু পশুপালকৰ অনুসন্ধান ঃ

অতি প্ৰাচীন কালৰ কৃষক আৰু পশুপালকসকল ক'ত ক'ত বাস কৰিছিল সেই বিষয়ে জানিবলৈ আমাৰ নিশ্চয় মন যায়। তলৰ মানচিত্ৰখন চালে দেখিবা যে, ভাৰত উপমহাদেশৰ প্ৰায়বোৰ ঠাইতেই আদিম মানুহৰ বসতিৰ প্ৰমাণ পোৱা গৈছে। এইবোৰৰ ভিতৰত উত্তৰ-পশ্চিম ভাৰত আৰু দক্ষিণ ভাৰত বিশেষভাৱে উল্লেখযোগ্য। খনন কাৰ্যত পোৱা গছ-গছনি আৰু জন্তুৰ হাড়ৰপৰা এই ঠাইবোৰ চিনাক্ত কৰা হৈছে। ইয়াৰপৰা এইটোও জনা গৈছে যে উপমহাদেশখনৰ বিভিন্ন স্থানত বহুধৰণৰ শস্যও উৎপন্ন হৈছিল। ক'ত ক'ত শস্যৰ নমুনা আৰু পোহনীয়া জন্তুৰ হাড় পোৱা গৈছিল



তলৰ তালিকাখনত চাই লোৱা।

তালিকা

| শস্য আৰু জীৱ-জন্তুৰ হাড় | স্থান |
|---|---|
| ঘেঁহু, বাৰ্লি, ভেড়া, ছাগলী, গৰু | মেহৰগড় (বৰ্তমান পাকিস্তানত) |
| চাউল, জীৱ-জন্তুৰ হাড়ৰ টুকুৰা | কলডিয়া (বৰ্তমান উত্তৰ প্ৰদেশত) |
| চাউল, গৰু , মাটিৰ উপৰিভাগত জন্তুৰ ঠেঙৰ খুৰাৰ চাপ | মহাগড় (বৰ্তমান উত্তৰ প্ৰদেশত) |
| ঘেঁহু আৰু মচুৰ মাহ | গুফ্‌ক্ৰাল (বৰ্তমান কাশ্মীৰ প্ৰদেশত) |
| ঘেঁহু, মচুৰ মাহ, কুকুৰ, গৰু, ভেড়া, ছাগলী, ম'হ | বুৰ্জাহোম (বৰ্তমান কাশ্মীৰ প্ৰদেশত) |
| ঘেঁহু, বুট, বাৰ্লি, ম'হ, ষাঁড়গৰু | চীৰাণ্ড (বৰ্তমান বিহাৰ প্ৰদেশত) |
| ঘেঁহু, গৰু, ভেড়া, ছাগলী, গাহৰি | হাল্লুৰ (বৰ্তমান অন্ধ্ৰপ্ৰদেশত) |
| মাহ, ঘেঁহু, গৰু, ভেড়া, গাহৰি | পৈয়ামপল্লী (বৰ্তমান অন্ধ্ৰপ্ৰদেশত) |

এতিয়া আমি কৃষক-পশুপালক মানুহে বসবাসৰ বাবে কি ধৰণৰ ঘৰ নিৰ্মাণ কৰি কেনেদৰে জীৱন নিৰ্বাহ কৰিছিল সেই বিষয়ে কিছু কথা জানি লওঁ আহা। প্ৰত্নতাত্ত্বিকসকলে কিছুমান অঞ্চলত ঘৰৰ অৱস্থিতিৰ বিষয়ে জানিব পাৰিছে। উদাহৰণ স্বৰূপে **বুৰ্জাহোমত** (বৰ্তমান কাশ্মীৰত) মানুহে মাটিৰ তললৈ খান্দি ঘৰ সাজিছিল আৰু তাত সোমাবলৈ **খটখটী** সাজিছিল। কিছুমান ঘৰত আকৌ ভিতৰ আৰু বাহিৰ দুই ঠাইত **ৰান্ধনিশাল** আছিল। হয়তো বতৰ অনুসৰি এই ৰান্ধনিশালবোৰ ব্যৱহাৰ কৰা হৈছিল।

কিছুমান স্থানত উন্নত, মিহি আৰু চোকা ধাৰ থকা বিভিন্ন শিলৰ সঁজুলি, শস্য গুড়ি কৰা পটা, পটাগুটি আদি পোৱা গৈছে। বহুতো স্থানত কিছুমান উকা আৰু কিছুমান কাৰুকাৰ্য খচিত মাটিৰ পাত্ৰও পোৱা গৈছে। এইবোৰ শস্য ৰাখিবলৈ আৰু ৰন্ধা-বঢ়া আদি কৰিবলৈ ব্যৱহাৰ হৈছিল। ধান, ঘেঁহু আৰু মচুৰ দাইল খাদ্যৰ প্ৰধান সামগ্ৰী আছিল। কপাহ আৰু আন আন সামগ্ৰীৰে কাপোৰ আদিও বই লৈছিল।

পৃথিৱীৰ সকলো ঠাইৰে মানুহৰ জীৱন-যাত্ৰাৰ প্ৰণালী হঠাতে পৰিৱৰ্তন হোৱা নাছিল। সাম্প্ৰতিক কালত বিশেষজ্ঞসকলে এক বিজ্ঞানসন্মত প্ৰণালীৰে অতীতৰ কথাবোৰ অধ্যয়ন কৰি আমাক কিছুমান নিৰ্ভৰযোগ্য তথ্য দিছে। পৃথিৱীত এতিয়াও এনে কিছুমান ঠাই আছে য'ত মানুহে চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী জীৱ হিচাপে দিন কটাই আছে। কিছুমানে বহু বছৰ জুৰি লাহে লাহে কৃষক-পশুপালকৰ বৃত্তি লৈছিল। আন কিছুমানে আকৌ বতৰ অনুসৰি দুয়োটা কৰ্মই কৰিবলৈ লৈছিল।

**মনত ৰাখিবলগীয়া কথা—**

⇨ গছৰ গুটি জীপাল মাটিত পৰি গজালি ওলোৱা লক্ষ্য কৰিয়েই হয়তো আদিম মানুহে প্ৰথমে খেতি কৰিবলৈ আৰম্ভ কৰে।

⇨ আদিম মানুহে কৃষি কৰ্মৰ উপযোগীকৈ শিল, জন্তুৰ হাড়, দাঁতৰ মাড়ি আৰু কাঠৰ বিভিন্ন উন্নত আৰু চোকা অস্ত্ৰ তৈয়াৰ কৰি লৈছিল।

⇨ আদিম মানুহে খাদ্য, কৃষি কাৰ্য আৰু যাতায়াত আদিত ব্যৱহাৰ কৰিবলৈ জন্তু পুহিছিল।

⇨ চকাৰ আৱিষ্কাৰে আদিম মানুহৰ জীৱন-ধাৰণ প্ৰণালীৰ ব্যাপক পৰিবৰ্তন সাধিলে।

⇨ খেতি আৰম্ভ কৰাৰ লগে লগে আদিম মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল।

⇨ স্থায়ীভাৱে বসবাস কৰা কিছুমান পৰিয়াল একেলগে থাকি গাঁৱৰ সৃষ্টি কৰিছিল।

**অনুশীলনী ঃ**

(১) উত্তৰ লিখা—

(ক) সুমনৰ স্কুলৰ বাইদেৱে আগদিনাখন কিহৰ বিষয়ে বুজাইছিল?

(খ) আদিম মানুহে হাবিত পোৱা ফল-মূলৰ গছবোৰৰ বিষয়ে কি লক্ষ্য কৰিছিল?

(গ) খেতি কৰাৰ বাবে আদিম মানুহে কিহেৰে সঁজুলি তৈয়াৰ কৰিছিল?

(ঘ) আদিম মানুহে কি কি কাৰণে জীৱ-জন্তু পুহিছিল?

(ঙ) চকাৰ ব্যৱহাৰে আদিম মানুহক কি কি কামত সহায় কৰিছিল?

(চ) গাঁৱত দলবদ্ধভাৱে বসবাস কৰাৰপৰা আদিম মানুহৰ কি কি সুবিধা হৈছিল?

(ছ) আদিম মানুহে কি কি কাৰণত মাটিৰ পাত্ৰ ব্যৱহাৰ কৰিছিল ?

২) মানচিত্ৰ পৰ্যবেক্ষণ কৰি উত্তৰ দিয়া—

দাওজালি হাডিং কোন জিলাত? তোমাৰ জিলাখনৰপৰা ই কোন দিশত অৱস্থিত?

৩) প্ৰকল্প প্ৰস্তুত কৰা—

তোমাৰ অঞ্চলত চকা কি কি কামত ব্যৱহাৰ কৰা হয়।

৪) ভাৰতৰ এখন মানচিত্ৰ আঁকি তলৰ ঠাইবোৰ যথাস্থানত বহুৱা—

(ক) বুৰ্জাহোম, (খ) মহাগড়, (গ) চীৰাণ্ড, (ঘ) ভীমবেট্‌কা, (ঙ) পৈয়ামপল্লী।

***************

# পাঠ নং ১২
# সিন্ধু উপত্যকাৰ সভ্যতা

3QIAFC

**শিকনৰ ফলাফল ঃ**

- সভ্যতাৰ ধাৰণাৰ লগত পৰিচিত হ'ব পাৰিব।
- প্ৰাচীন নগৰীয়া সভ্যতাৰ বিষয়ে থূল-মূল আভাস পাব।
- সিন্ধু উপত্যকাৰ সভ্যতাৰ বিভিন্ন উপাদানৰ বিষয়ে জ্ঞান লাভ কৰিব।
- হৰপ্পা সংস্কৃতিৰ লগত পৰিচিত হ'ব।

তোমালোকে আগৰ পাঠত আদিম লোকসকলে কেনেকৈ অস্থৰী জীৱন বাদ দি কৃষিকাৰ্যত জড়িত হৈ নিগাজিকৈ গাঁও পাতি বসবাস কৰিছিল সেই বিষয়ে জানিব পাৰিছাহঁক। কালক্ৰমত গাঁৱৰপৰা ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ হিচাপে নগৰৰ সৃষ্টি হ'ব ধৰিলে। বহু শতিকাৰ আৰ্জিত জ্ঞান আৰু কৌশলৰ জৰিয়তে এই নদীৰ পাৰৰ গাঁওবোৰৰ মাজৰপৰা নগৰীয়া সভ্যতা গঢ় লৈ উঠিছিল। সভ্যতা মানে হ'ল কোনো জাতি, দেশ বা যুগৰ উন্নত বা বিকাশপ্ৰাপ্ত জীৱন-যাপনৰ পদ্ধতি। আজিৰপৰা আনুমানিক প্ৰায় ৪৫০০ বছৰ আগতে পৃথিৱীৰ ভিন-ভিন প্ৰান্তত নগৰসমূহক কেন্দ্ৰ কৰি কেতবোৰ নগৰীয়া সভ্যতাৰ উত্থান হৈছিল, যাৰ বেছিভাগেই নদীৰ পাৰত গঢ় লৈছিল। যেনে ঃ- সিন্ধু নদীৰ পাৰত **সিন্ধু সভ্যতা**, নীল নদীৰ পাৰত **মিছৰীয় সভ্যতা**, ইউফ্ৰেটিছ আৰু টাইগ্ৰীছ নদীৰ পাৰত **বেবিলনীয় সভ্যতা**, হোৱাংহো আৰু ইয়াং চিকিয়া নদীৰ পাৰত **চীনা সভ্যতা** ইত্যাদি।

এনেদৰে গঢ়ি উঠা প্ৰতিটো সভ্যতাৰ কিছুমান নিজা নিজা বৈশিষ্ট্য আছিল। প্ৰতিটোৰে নিজা সমাজ ব্যৱস্থা, বেপাৰ-বাণিজ্য, ধৰ্মীয় বিশ্বাস আদি আছিল। ইমানবোৰ বিচিত্ৰতাৰ মাজতো আদিম সভ্যতাসমূহৰ মাজত কিছুমান উমৈহতীয়া বৈশিষ্ট্য থকাৰ প্ৰমাণ পোৱা যায়। যিবোৰৰ আধাৰত এই সভ্যতাসমূহে পৰস্পৰৰ মাজত বেপাৰ- বাণিজ্য, যোগাযোগ আদি বজাই ৰাখিবলৈ সক্ষম হৈছিল।

সিন্ধু উপত্যকা সভ্যতা পাকিস্তানৰ বৃহৎ অংশ আৰু আমাৰ ভাৰতৰ জম্মু, গুজৰাট, ৰাজস্থান, হাৰিয়ানা, উত্তৰ প্ৰদেশৰ কিছু অংশলৈ বিস্তৃত আছিল। এই পাঠত আমি সিন্ধু উপত্যকাৰ সভ্যতাৰ বিষয়ে আলোচনা কৰিম।

**জানি থওঁ আহা ঃ**

প্ৰতিটো প্ৰাচীন সভ্যতাই একোখন নদীৰ পাৰত গঢ় লৈ উঠিছিল কাৰণ—

- নদীৰ পাৰৰ মাটি সাৰুৱা।
- নদীৰ পাৰত প্ৰচুৰ পৰিমাণৰ ঘাঁহ-বন গজে, সেয়েহে পশুপালনৰ বাবে সুবিধা হয়।
- নদীবোৰৰ দ্বাৰা খেতিপথাৰত পানী যোগান ধৰা আৰু যাতায়াতৰ পৰ্যাপ্ত সুবিধা হয়।
- নদীবোৰৰ দ্বাৰা বেহা-বেপাৰত সুবিধা হয়।




প্ৰত্নতত্ত্ববিদসকলে বৰ্তমানৰ পাকিস্তানৰ অন্তৰ্গত হৰপ্পা আৰু মহেঞ্জোদাৰো নামৰ ঠাইত খনন কাৰ্য চলাই নানা ভগ্নাৱশেষ, মাটিৰ পাত্ৰ, শিলৰ মোহৰ আদি আৱিষ্কাৰ কৰিছিল। এই উদ্ধাৰ হোৱা সামগ্ৰীসমূহ পৰীক্ষা-নিৰীক্ষা কৰি জানিব পাৰিছে যে এই সামগ্ৰীসমূহ আজিৰ পৰা প্ৰায় ৪৫০০ বছৰ আগৰ। এই সমলসমূহে সিন্ধু নদীৰ উপত্যকাত সেই সময়তকৈ উন্নত সভ্যতাৰ বিকাশ ঘটিছিল বুলি প্ৰমাণ কৰে। যিহেতুকে খনন কাৰ্যত হৰপ্পা চহৰখন প্ৰথমতে আৱিষ্কাৰ হৈছিল, সেইবাবে আন আন ঠাইত উদ্ধাৰ হোৱা ভগ্নাৱশেষবোৰ হৰপ্পা সংস্কৃতিৰ অন্তৰ্ভুক্ত বুলি ধৰা হয়। কাষৰ মানচিত্ৰত তোমালোকে এই সভ্যতাৰ ভগ্নাৱশেষ পোৱা ঠাইবোৰৰ নাম দেখিবা।

**ক্ৰিয়াকলাপ ঃ**

কেতিয়াবা কেতিয়াবা পুৰণি ঐতিহ্যপূৰ্ণ ঘৰসমূহ সম্পূৰ্ণ ৰূপে ধ্বংস কৰি তাৰ ঠাইত নকৈ অট্টালিকা সজাৰ প্ৰস্তুতি চলোৱা দেখা যায়। এনে কাম কিয় সমৰ্থনযোগ্য নহয় দলত আলোচনা কৰা।



*চিত্ৰ- ১২.১ ঃ প্ৰাচীন নগৰৰ ভগ্নাৱশেষ*

Src: Wikimedia Commons

## নগৰৰ পৰিকল্পনা ঃ

কাষৰ চিত্ৰ-১২.১ত মহেঞ্জোদাৰো নগৰৰ অট্টালিকাসমূহৰ ভগ্নাৱশেষবোৰ মন কৰিলে দেখা যায় যে আধুনিক যুগৰ অট্টালিকাবোৰৰ লগত সেইসমূহৰ বহু পৰিমাণে মিল আছে। ইয়াৰপৰা মহেঞ্জোদাৰো নগৰখন সুচিন্তিত পৰিকল্পনাৰ সহায়তহে নিৰ্মাণ হৈছিল যেন ধাৰণা হয়। এই নগৰৰ আলিবাটবোৰো পোন আৰু সুপৰিকল্পিত আছিল। পোন আৰু বহল আলিবাটবিলাক সমান্তৰালভাৱে নগৰৰ ইমূৰৰপৰা আনমূৰলৈ বিস্তৃত হৈ আছিল। এই আলিবাটবিলাক লম্বভাৱে কটাকটি কৰি নগৰখনক কেইবাটাও সমান ভাগত ভাগ কৰিছিল। ৰাস্তাৰ চুকবোৰ আছিল ধেনুভেৰীয়া যাতে বস্তু কঢ়িয়াই নিয়া গধুৰ যান-বাহন সহজতে চলাচল কৰিব পাৰে। ডাঙৰ আলিবাটবোৰৰ দাঁতিত অট্টালিকাবোৰে শোভাবৰ্ধন কৰিছিল। ঘৰবোৰ ইটা আৰু বোকা মাটিৰ সহায়ত নিৰ্মাণ কৰা হৈছিল। এই ভগ্নাৱশেষবোৰৰ মাজত কিছুমান এমহলীয়া আৰু কিছুমান দুমহলীয়া ঘৰৰ

নিৰ্দশনো পোৱা গৈছে। প্ৰত্যেক ঘৰতে একোটাকৈ কুঁৱা আৰু স্নানাগাৰ থকাৰ উপৰি ঘৰবোৰৰপৰা পানী ওলাই যোৱাৰ বাবে সুব্যৱস্থা আছিল। এই নলাবোৰৰ পানী ৰাজআলিৰ ডাঙৰ নলাবোৰেদি গৈ নদীত পৰিছিল। নলাবোৰত ঢাকোনৰ ব্যৱস্থা আছিল। প্ৰতি ঘৰতে একোখন ডাঙৰ চোতাল আছিল।



*চিত্ৰ - ১২.৩ঃ মহেঞ্জোদাৰোৰ নলা*

উৎস: Wikimedia Commons

**ক্ৰিয়াকলাপ ঃ**

পাঁচ হেজাৰ বছৰ আগতে গঢ় লৈ উঠা সিন্ধু উপত্যকাৰ সভ্যতাৰ মহেঞ্জোদাৰো নগৰৰ নিৰ্মাণ কাৰ্য আধুনিক নিৰ্মাণ কাৰ্যৰ সমপৰ্যায়ৰ নহয়নে? অপৰিকল্পিত আৰু পৰিকল্পিত নগৰৰ সুবিধা আৰু অসুবিধাবোৰ দলত আলোচনা কৰি লিখা।

এতিয়ালৈকে আবিষ্কাৰ হোৱা ভগ্নাৱশেষবোৰলৈ চাই সিন্ধু উপত্যকাৰ ঘৰবোৰক তিনিটা ভাগত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল— (ক) সাধাৰণ মানুহ থকা ঘৰ, (খ) ডাঙৰ অট্টালিকা, (গ) গা ধোৱা ঘৰ।



*চিত্ৰ - ১২.২ঃ মহেঞ্জোদাৰোৰ গা ধোৱা পুখুৰী*

উৎস: Wikimedia Commons

মহেঞ্জোদাৰোত আৱিষ্কৃত হোৱা ভগ্নাৱশেষবোৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য নিদৰ্শন হৈছে **ৰাজহুৱা স্নানাগাৰটো**। ই চতুৰ্ভুজ আকৃতিৰ। ইয়াৰ মাজত ১১.৮৮ ×৭.০১ মিঃ জোখৰ এটি জলভাণ্ডাৰ আছিল। ইয়াৰ গভীৰতা আছিল ২.৪৩ মিঃ। এই জলভাণ্ডাৰৰ পানী লেতেৰা হ'লে তাক উলিয়াই নতুনকৈ পূৰাবলৈ ওচৰতে কুঁৱা আছিল। জলভাণ্ডাৰলৈ নামি যাবৰ বাবে খট্‌খটী আৰু ইয়াৰ কাষে কাষে কাপোৰ সলাবৰ বাবে কোঠালিও আছিল।

মহেঞ্জোদাৰো আৰু হৰপ্পা, এই দুয়োখন নগৰতে থকা ঘৰ, স্নানাগাৰ আদিৰ উপৰি কেইটামান ডাঙৰ ভঁৰাল ঘৰৰ ভগ্নাৱশেষো পোৱা গৈছে। ওচৰৰ গাঁওবোৰৰপৰা সংগ্ৰহ কৰা শস্যবোৰ সম্ভৱতঃ এই ভঁৰালবোৰত জমা কৰি ৰখাৰ ব্যৱস্থা আছিল।

**উত্তৰ লিখা ঃ**

মহেঞ্জোদাৰো নগৰ পৰিকল্পনাৰ কোনবোৰ কথা আজিও গ্ৰহণযোগ্য বুলি ভবা হয়?

## কৃষিকাৰ্য ঃ

খনন কাৰ্যত ঘেঁহু, ধান, কপাহ, যব, খেজুৰ, তিল, মাহ আদিৰ আৱিষ্কাৰলৈ চাই অনুমান কৰা হয় যে নদী উপত্যকাত অৱস্থিত হৰপ্পা সভ্যতাৰ লোকসকলে এইবোৰ শস্যৰ খেতি কৰিছিল। বিভিন্ন শাক-পাচলি আৰু ফল-মূলৰ খেতিও হৈছিল বুলি প্ৰমাণ পোৱা যায়। ইয়াতেই পোন প্ৰথমে কপাহ খেতি কৰা হৈছিল বুলি অনুমান কৰা হয়।

## পশুপালন ঃ

হৰপ্পা সভ্যতাৰ প্ৰায়বোৰ অঞ্চলতে আৱিষ্কৃত গৰু, ভেড়া, গাহৰি, কুকুৰ, ঘঁৰিয়াল, কাছ, গাধ, উট, সিংহ আদি জন্তুৰ হাড় আদিলৈ চাই ক'ব পাৰি যে এইবোৰ জীৱ-জন্তু তাত উপলব্ধ আছিল। গৰু, ভেড়া আদিৰ গাখীৰ আৰু পোহনীয়া জন্তুবোৰ মাংসৰ কাৰণে পোহা হৈছিল আৰু উট, গাধ আদিৰ দৰে জীৱ-জন্তুবোৰ বস্তু কঢ়িয়াবলৈ ব্যৱহাৰ কৰা হৈছিল বুলি অনুমান কৰা হয়।

ইয়াৰ উপৰি সিন্ধু উপত্যকাৰ ঠায়ে ঠায়ে বান্দৰ, নেউল, মেকুৰী, ভাটৌ, ময়ুৰ, হাঁহ আদি থকাৰো প্ৰমাণ পোৱা গৈছে। কিন্তু এইবোৰ পোহনীয়া আছিল নে নাই তাৰ সঠিক ধাৰণা কৰিব পৰা নাযায়। কিছুমান ঠাইত বৰশী আবিষ্কাৰ হোৱালৈ চাই তাত মাছ ধৰা প্ৰথাৰ প্ৰচলন থকা যেন অনুমান হয়।


## বেপাৰ-বাণিজ্য ঃ

হৰপ্পাৰ বেপাৰ-বাণিজ্য কৰা লোকসকলে বিভিন্ন ধৰণৰ কেঁচা সামগ্ৰী বিশেষকৈ ধাতু, বিভিন্ন ধৰণৰ মণি আদি আন ঠাইলৈ ৰপ্তানি কৰিছিল। ধাতুৰ উপৰি কাপোৰ, পাত্ৰ, মাটিৰ পুতলা, মণি আৰু খাদ্য সামগ্ৰী সেইবোৰ ঠাইলৈ ৰপ্তানি কৰা হৈছিল। হৰপ্পা সভ্যতাত ব্যৱহৃত মোহৰ, মণি আদি মেছ'পটেমিয়াত পোৱা গৈছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে, সিন্ধু উপত্যকাৰ সভ্যতাৰ লগত মেছ'পটেমিয়া আৰু অন্যান্য সমসাময়িক সভ্যতাৰ মাজত বাণিজ্যিক সম্পৰ্ক আছিল। বেপাৰ-বাণিজ্য প্ৰধানতঃ নাৱৰ জৰিয়তেই চলোৱা হৈছিল।

**জানি থওঁ আহা**

- **আমদানি ঃ** সা-সামগ্ৰী আন দেশৰপৰা নিজ দেশলৈ অনা কাৰ্য।
- **ৰপ্তানি ঃ** সা-সামগ্ৰী বিক্ৰীৰ নিমিত্তে অন্য দেশলৈ পঠোৱা কাৰ্য।
- মেছ'পটেমিয়া সভ্যতা সিন্ধু উপত্যকাৰ সভ্যতাৰ প্ৰায় সমসাময়িক আছিল। মেছ'পটেমিয়াক আমি বৰ্তমান ইৰাক হিচাপে জানো। তোমালোকে এছিয়া মহাদেশৰ মানচিত্ৰত ইৰাক দেশখন বিচাৰি চোৱা।

## সাজ-পাৰ ঃ



*চিত্ৰ - ১২.৪ঃ শিলত কটা মূৰ্তি*

Src: Wikimedia Commons

খনন কাৰ্যত উদ্ধাৰ হোৱা **শিলত কটা মূৰ্তিৰ** পোছাকৰপৰা অনুমান কৰা হয় যে, মানুহে সাজ-পোছাক হিচাপে দুখন কাপোৰ ব্যৱহাৰ কৰিছিল। গাৰ ওপৰ অংশত এখন চাদৰ লৈছিল, তলৰ অংশত মানুহে আজিকালি ব্যৱহাৰ কৰা ধুতিৰ নিচিনা এবিধ বস্ত্ৰ ব্যৱহাৰ কৰিছিল। খনন কাৰ্যত বেজী, বুটামৰ আবিষ্কাৰৰপৰা অনুমান হয় যে সেই সময়ৰ মানুহে চিলাই বিদ্যাও ভালদৰে জানিছিল।

তেতিয়াৰ দিনতো আজিকালিৰ দৰেই মানুহ অলংকাৰৰ প্ৰতি আসক্ত আছিল। পুৰুষ-মহিলা উভয়ে অলংকাৰ পিন্ধিছিল। সোণ, ৰূপ আদি বিভিন্ন ধাতু, হাতীৰ দাঁত, শংখ,শিল, জন্তুৰ হাড় আদিৰে অলংকাৰ তৈয়াৰ কৰি পিন্ধিছিল। আঙুঠি, খাৰু, ডিঙিৰ হাৰ, কাণফুল আদি প্ৰধান অলংকাৰ আছিল।

## ধৰ্মীয় বিশ্বাস ঃ

সিপিঠিৰ চিত্ৰ ১২.৫ৰপৰা সেই সময়ৰ মানুহৰ ধৰ্মীয় বিশ্বাসৰ বিষয়ে কিছু ধাৰণা কৰিব পাৰি। চিত্ৰ 'ক' ত শিলত খোদিত ছবিত এজন ব্যক্তিৰ মূৰত ষাঁড় গৰুৰ শিং আৰু ইয়াৰ চাৰিওফালে জীৱ-জন্তু থকা দেখা গৈছে। এই ব্যক্তিজন হয়তো সেই সময়ৰ মানুহৰ বাবে ভগবান স্বৰূপ আছিল। চিত্ৰ 'খ' ত থকা আহত গছ আৰু সাপৰ ছবিৰ পৰা হৰপ্পা সংস্কৃতিৰ মানুহবিলাকে গছ আৰু সাপকো পূজা কৰিছিল যেন অনুমান হয়। চিত্ৰ -'গ' ত সম্ভৱতঃ মাতৃদেৱীক পূজা কৰাকে সূচাইছে। মনকৰিবলগীয়া যে সিন্ধু উপত্যকাৰ সভ্যতাৰ ধ্বংসাৱশেষৰ মাজত এতিয়ালৈ কোনো মন্দিৰৰ অস্তিত্ব দেখা পোৱা নাই।



ক খ গ

*চিত্ৰ - ১২.৫ ঃ প্ৰাচীন যুগৰ ধৰ্মীয় মূৰ্তি*

Source via Wikimedia Commons

## শিল্প কলা ঃ

তোমালোকে নিশ্চয় জানা প্ৰত্নতাত্ত্বিক খননৰ ফলত মহেঞ্জোদাৰোত ব্যৱহৃত বহু কাৰু-কাৰ্য খচিত সামগ্ৰী আৱিষ্কাৰ হৈছে। এই উদ্ধাৰ হোৱা সামগ্ৰীবোৰৰপৰা অনুমান কৰা হৈছে যে হৰপ্পাৰ শিল্প-কলা বহুত আগবঢ়া আছিল। উদ্ধাৰ হোৱা বিভিন্ন আকাৰ আকৃতিৰে গঢ়া পাত্ৰসমূহ বৰ আকৰ্ষণীয়। ভিন ভিন ৰং আৰু আৰ্হিৰে সজাই তোলা সামগ্ৰীসমূহ বিশেষকৈ টিন আৰু তাম ধাতুৰ সংমিশ্ৰণত তৈয়াৰী ব্ৰঞ্জ ধাতুৰে গঢ়া আছিল। ইয়াৰউপৰি পোৰা মাটিৰ বাচন-বৰ্তন, আ-অলংকাৰ, পুতলা আদিও তৈয়াৰ কৰাৰ প্ৰমাণ পোৱা গৈছে। কিন্তু সিন্ধু উপত্যকাৰ সভ্যতাত লো ব্যৱহাৰ কৰাৰ নিদৰ্শন পোৱা নাযায়। ইয়াৰ পৰিৱৰ্তে এই সভ্যতাত ব্ৰঞ্জহে বহুলভাৱে ব্যৱহাৰ হোৱা দেখা যায়।



*চিত্ৰ - ১২.৬ ঃ পোৰা মাটিৰ বাচন - বৰ্তন*

Source via Wikimedia Commons

হৰপ্পা সংস্কৃতিৰ নগৰসমূহত তাঁত শিল্পবো প্ৰচলন আছিল বুলি ধাৰণা কৰা হৈছে। শিপিনীসকলে কপাহৰ উপৰি উণ সূতাৰেও কাপোৰ বৈছিল। নাও সজা, মোহৰ তৈয়াৰ কৰা, অলংকাৰ গঢ়া আদি কাৰ্যসমূহেই সেই সময়ৰ মুখ্য শিল্প আছিল।



*চিত্ৰ -১২.৭ঃ মাটিৰ পুতলা*

Source via Wikimedia Commons

## মোহৰ আৰু লিপি ঃ

সিন্ধু উপত্যকাত ২০০০ তকৈও অধিক মোহৰ আৱিষ্কৃত হৈছে। এইবোৰৰ বেছিভাগেই পোৰা মাটিৰ তথা এইবোৰৰ আকৃতি চাৰিচুকীয়া, ঘূৰণীয়া আৰু চুঙাৰ নিচিনা আছিল। মোহৰবিলাকত বিভিন্ন জীৱ-জন্তু যেনে- বলধ, বাঘ আদিৰ লগতে এক কাল্পনিক এশিঙীয়া জন্তুৰো ছবি পোৱা গৈছে। এইবোৰৰপৰা সেই সময়ৰ বেহা-বেপাৰ আৰু ধৰ্মীয় বিশ্বাসৰ আভাস পোৱা যায়।

সিন্ধু উপত্যকাৰ সভ্যতাৰ আন এক উল্লেখযোগ্য অৱদান হ'ল **লিপিৰ** ব্যৱহাৰ। শিলত, মাটিৰ পাত্ৰত আৰু মোহৰবোৰত এই লিপিবোৰ পোৱা গৈছে। কিন্তু আজিকোপতি এই লিপিবোৰৰ পাঠোদ্ধাৰ হোৱা নাই।

## জীৱিকা ঃ

হৰপ্পা সংস্কৃতিৰ সৰহভাগ মানুহে কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰিছিল। সেই সময়ত কৃষকসকলে ঘেঁহু, বাৰ্লি, মটৰ মাহ আদিৰ উপৰি সৰিয়হ, কপাহ আদিৰ খেতি কৰিছিল। হৰপ্পা সংস্কৃতিৰ মানুহেই পোনপ্ৰথমে কপাহ খেতি কৰিছিল বুলি ধাৰণা কৰা হয়।

সেই সময়ৰ বহুতে আকৌ পশুপালন কৰিও পেট প্ৰবৰ্তাইছিল। গৰু, ম'হ, ছাগলী, ভেড়া, গাহৰি আদি পালন কৰিছিল। কুকুৰ আৰু মেকুৰীও পুহিছিল। তদুপৰি বস্তু কঢ়িয়াবলৈ উট আৰু গাধ ৰাখিছিল। ঘোঁৰাৰ ব্যৱহাৰ কম আছিল। হাতী, বলধ, গঁড় আদি প্ৰাণীক হৰপ্পা সভ্যতাৰ মানুহে প্ৰাধান্য দিছিল।

তদুপৰি বহুলোকে ঘৰ সাজি, ইটা আদি তৈয়াৰ কৰি, বাচন-বৰ্তন প্ৰস্তুত কৰি, আ-অলংকাৰ আদি গঢ়ি আৰু কাপোৰ বৈও জীৱিকা নিৰ্বাহ কৰিছিল। অৰ্থাৎ সেই সময়ত কৃষক আৰু পশুপালকৰ উপৰি কুমাৰ, কাৰিকৰ, বণিক, বাঢ়ৈ, শিপিনী আদি শ্ৰেণীৰ লোকো আছিল।

## সিন্ধু সভ্যতা আৰু সমসাময়িক সভ্যতাসমূহ ঃ

হৰপ্পাৰ চীল-মোহৰ কিছুমান চুমেৰীয় অঞ্চলত আৱিষ্কাৰ হৈছে। এইবোৰৰপৰা প্ৰত্নতত্ত্ববিদসকলে অনুমান কৰে যে সিন্ধু সভ্যতাৰ বহুখিনি নিদৰ্শন চুমেৰীয় সভ্যতাৰ নিদৰ্শনৰ লগত সাদৃশ্য আছে। চুমেৰীয় আৰু মেছ'পটেমিয়া সভ্যতায়ো হৰপ্পা সংস্কৃতিৰ দৰে যোগাযোগ ব্যৱস্থাৰ বাবে চিহ্ন ব্যৱহাৰ কৰিছিল। তদুপৰি হৰপ্পা সংস্কৃতিৰ দৰে আন দুই সভ্যতায়ো ধৰিত্ৰী দেৱীৰ পূজা কৰাৰ লগতে ঘৰ-দুৱাৰসমূহো ইটাৰে গঢ়ি লৈছিল। তাম আৰু ব্ৰঞ্জ ধাতুৰ দ্বাৰা তৈয়াৰী বস্তু ব্যৱহাৰ কৰিছিল। বেপাৰ-বাণিজ্যৰ জৰিয়তে হৰপ্পা সংস্কৃতিৰ লগত চুমেৰীয় আৰু মেছ'পটেমিয়া সভ্যতাৰ সঘন যোগাযোগ হৈছিল। সেয়েহে কোৱা হয় যে এই তিনিওটা সভ্যতা সমসাময়িক আছিল।

পাঁচ হেজাৰ বছৰ আগৰ এই উন্নত নগৰীয়া সভ্যতা প্ৰায় এক হাজাৰমান বছৰ তিষ্ঠি আছিল। ইয়াৰ পাছত এই সভ্যতাৰ পতন হয়।

**মনত ৰাখিবলগীয়া কথা ঃ**

- পৃথিৱীৰ আদিম সভ্যতাসমূহ ঘাইকৈ নদীৰ পাৰতেই গঢ় লৈ উঠিছিল।
- সিন্ধু নদীৰ পাৰত সিন্ধু উপত্যকাৰ সভ্যতা গঢ়ি উঠিছিল।
- সিন্ধু উপত্যকাৰ সভ্যতাৰ দুখন প্ৰাচীন চহৰ হ'ল— মহেঞ্জোদাৰো আৰু হৰপ্পা।
- সিন্ধু উপত্যকাৰ সভ্যতাক হৰপ্পা সংস্কৃতি বুলিও জনা যায়।
- হৰপ্পা সংস্কৃতি এক উন্নত নগৰীয়া সংস্কৃতি, য'ত উৎকৃষ্ট নগৰ পৰিকল্পনাৰ আভাস পোৱা গৈছে।
- সিন্ধু উপত্যকাৰ সভ্যতাত 'লো' ধাতুৰ ব্যৱহাৰ হোৱা নাছিল।
- সিন্ধু সভ্যতাৰ বিস্তৃতি আন সমসাময়িক সভ্যতাতকৈ বেছি আছিল।
- সিন্ধু সভ্যতা চুমেৰীয় আৰু মেছ'পটেমিয়া সভ্যতাৰ সমসাময়িক আছিল।

**অনুশীলনী ঃ**

১) উত্তৰ লিখা—

ক) কি কি নদীৰ পাৰত প্ৰাচীন সভ্যতা গঢ় লৈ উঠিছিল?

খ) পাঠত উল্লেখ থকা প্ৰাচীন সভ্যতাসমূহৰ ভিতৰত কোনটো সভ্যতাৰ বিস্তৃতি আটাইতকৈ বেছি?

গ) কিহৰ ওপৰত ভিত্তি কৰি সিন্ধু উপত্যকাৰ সভ্যতাৰ লগত মেছ'পটেমীয়া সভ্যতাৰ সম্পৰ্ক আছে বুলি ক'ব পাৰি?

ঘ) সিন্ধু উপত্যকাৰ মানুহৰ বিভিন্ন ঠাইৰ লগত বেপাৰ-বাণিজ্যৰ কথা কিহে প্ৰমাণ কৰে পাঠটোৰ আলমত লিখা।

ঙ) কিহৰ ওপৰত ভিত্তি কৰি সিন্ধু উপত্যকাৰ মানুহে চিলাই বিদ্যা জানিছিল বুলি অনুমান কৰা হয়?

২) পাঠত থকা মানচিত্ৰখন চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া—

(ক) লোথাল আৰু কালিবাংগান বৰ্তমান কোন কোন ৰাজ্যত অৱস্থিত?

(খ) সিন্ধু নদীয়ে চুই যোৱা ঠাই কেইখনৰ নাম উল্লেখ কৰা।

(গ) বৰ্তমান পাকিস্তানৰ অন্তৰ্গত ঠাই কেইখনৰ নাম লিখা।

(ঘ) ঝিলাম বৰ্তমান কোনখন দেশত?

(ঙ) ৰোপাৰ বৰ্তমান ভাৰতৰ কোন ৰাজ্যৰ অন্তৰ্গত?

৩) 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| ক | খ |
|---|---|
| (১) সিন্ধু উপত্যকাৰ সভ্যতাৰ মানুহে | (১) শস্য ৰাখিবৰ বাবে। |
| (২) সিন্ধু উপত্যকাৰ সভ্যতাৰ মোহৰবোৰ আছিল | (২) ইৰাকৰ লগত বেপাৰ-বাণিজ্য কৰিছিল। |
| (৩) সিন্ধু উপত্যকাৰ মানুহে বস্ত্ৰ কঢ়িয়াবলৈ | (৩) চতুৰ্ভুজ, ঘূৰণীয়া আৰু চুঙা আকৃতিৰ। |
| (৪)সিন্ধু উপত্যকাৰ সভ্যতাৰ ভঁৰালবোৰ ব্যৱহাৰ কৰা হৈছিল | (৪) অলংকাৰ পিন্ধিছিল। |
| (৫) সিন্ধু উপত্যকাৰ সমসাময়িক সভ্যতা | (৫) উট আৰু গাধ ৰাখিছিল। |
| | (৬)মেছ'পটেমিয়া সভ্যতা। |

৪) দলগত কাৰ্য—

তোমাৰ অঞ্চলত পোৱা মাটিৰে কি কি সামগ্ৰী তৈয়াৰ কৰে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

৫) শুদ্ধ বাক্যত ✓ চিন দিয়া—

(ক) মহেঞ্জোদাৰো নগৰৰ ৰাস্তাবোৰ পোন আছিল। ☐

(খ) মহেঞ্জোদাৰো নগৰৰ কোনো পৰিকল্পনা নাছিল। ☐

(গ) সিন্ধু উপত্যকাৰ সভ্যতাৰ ঘৰবোৰত একোটাকৈ কুঁৱা আৰু স্নানাগাৰ আছিল। ☐

(ঘ) সিন্ধু উপত্যকাৰ সভ্যতাৰ মানুহে লিপিৰ ব্যৱহাৰ কৰিছিল। ☐

(ঙ) হৰপ্পা সংস্কৃতিৰ সামগ্ৰীসমূহৰ প্ৰায়ভাগে টিন আৰু তাম ধাতুৰ সংমিশ্ৰণত তৈয়াৰী। ☐

৬) সিন্ধু উপত্যকাৰ সভ্যতাৰ নগৰ পৰিকল্পনাৰ বিষয়ে লিখা।

৭) হৰপ্পা সংস্কৃতিৰ মানুহে ব্যৱহাৰ কৰা আচবাব-পত্ৰ, ঘৰ সজা প্ৰণালী আদিৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

৮) হৰপ্পা সংস্কৃতিৰ মানুহৰ জীৱিকা নিৰ্বাহৰ মূল উৎস কি কি আছিল? তালিকা বনোৱা।

**************

# পাঠ নং ১৩
# বৈদিক সভ্যতা

G9E3V8

**শিকনৰ ফলাফল ঃ**

- আৰ্যসকলৰ ভাৰতলৈ আগমন সম্পৰ্কে ধাৰণা লাভ কৰিব।
- আৰ্যসকলৰ আদি বাসস্থান সম্পৰ্কে অৱগত হ'ব।
- বৈদিক সংস্কৃতিৰ বিষয়ে জানিব পাৰিব।
- বৈদিক যুগৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব।
- বৈদিক যুগত গঢ় লৈ উঠা ধৰ্ম-সংস্কৃতি, সাহিত্যৰ বিষয়ে থূল-মূল আভাস পাব।

আজিৰপৰা প্ৰায় ৩৫০০ বছৰমান আগতে (প্ৰায় ১৫০০ খৃঃ পূঃ) ভাৰতৰ উত্তৰ-পশ্চিম দিশৰপৰা কিছুমান পশুপালক মানুহে দলে দলে আহি ভাৰত উপ-মহাদেশত সোমাইছিলহি। আগৰ পাঠত তোমালোকে পাই আহিছা যে ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তত থকা সিন্ধু নদীৰ উপত্যকাত এটা নগৰীয়া সভ্যতাই গঢ় লৈ উঠিছিল। কালক্ৰমত সেই সভ্যতাৰ পতনো হৈছিল যদিও তাৰ ওচৰ-পাজৰৰ গাঁও অঞ্চলত স্বাভাবিক জীৱন-যাত্ৰা চলি আছিল। নতুনকৈ অহা এই লোকসকলে ক্ৰমান্বয়ে সিন্ধু উপত্যকাৰ (সপ্তসিন্ধু অঞ্চলৰ) গাঁওবোৰৰ আশে-পাশে থকা ঠাইবোৰত বসতি আৰম্ভ কৰে। এওঁলোকে নিজকে **'আৰ্য'** বুলি পৰিচয় দিছিল।




*ভাৰত উপ-মহাদেশৰ আনুমানিক মানচিত্ৰ*


এই আৰ্যসকলে হিন্দু ধৰ্মৰ পবিত্ৰ গ্ৰন্থ চাৰিওখন বেদ ৰচনা কৰিছিল। বেদ চাৰিখন হ'ল **ঋকবেদ, যৰ্জুবেদ, অথৰ্ববেদ আৰু সামবেদ।** সেয়েহে আৰ্যসকলে গঢ়ি তোলা সভ্যতাটোক ইতিহাসত বৈদিক সভ্যতা বা বৈদিক যুগ বুলিও কোৱা হয়। এই পাঠত আমি বৈদিক সভ্যতাৰ বিষয়ে আলোচনা কৰিম।

ইতিহাসবিদসকলে বৈদিক সভ্যতাৰ আনুমানিক সময় খ্ৰীষ্ট পূৰ্ব ১৬০০ৰপৰা খ্ৰীষ্ট পূৰ্ব ৬০০ বুলি ধাৰণা কৰিছে। বৈদিক যুগক দুটা ভাগত ভাগ কৰা হৈছে - (১) ঋক্ বৈদিক যুগ (খ্ৰীষ্ট পূৰ্ব ১৬০০ৰপৰা খ্ৰীষ্ট পূৰ্ব ১০০০ লৈ), আৰু (২) পৰৱৰ্তী বৈদিক যুগ (খ্ৰীষ্ট পূৰ্ব ১০০০ৰপৰা খ্ৰীষ্ট পূৰ্ব ৬০০ লৈ)।

> **জানি থওঁ আহা ঃ**
>
> সিন্ধু উপত্যকাৰ সভ্যতা উদঘাটন হোৱাৰ পূৰ্বে বৈদিক সভ্যতাকে ভাৰতৰ প্ৰাচীনতম সভ্যতা বুলি ভবা হৈছিল।

### আৰ্যসকলৰ মূল বাসস্থান ঃ

আৰ্যসকলৰ পূৰ্বপুৰুষসকল সম্ভৱতঃ মধ্য এছিয়াৰ কৃষ্ণ সাগৰ আৰু কাস্পিয়ান সাগৰৰ মাজত থকা ভূভাগৰ অধিবাসী আছিল। তেওঁলোক প্ৰধানতঃ **পশুপালক** আছিল। কালক্ৰমত তেওঁলোকৰ জনসংখ্যা আৰু পশুৰ সংখ্যা বৃদ্ধি হোৱাত নতুন নতুন ঘাঁহনি পথাৰ বিচাৰি বিভিন্ন দলত ভাগ হৈ পৃথিৱীৰ অন্যান্য ঠাইলৈ গতি কৰে। ইয়াৰে কিছু সংখ্যকে পশ্চিমলৈ আৰু কিছুমানে দক্ষিণ-পূবলৈ গতি কৰে। এনেকৈয়ে পাছলৈ আৰ্যসকলে ইউৰোপ আৰু এছিয়াৰ বিভিন্ন অঞ্চলত বিয়পি পৰে। দক্ষিণ-পূবলৈ গতি কৰা দলৰেই কিছুমানে শ শ বছৰ পাচত ইৰাণ আৰু আফগানিস্তানৰ মাজেৰে আহি ভাৰতৰ উত্তৰ-পশ্চিম প্ৰান্তত থকা সিন্ধু নদীৰ উপত্যকা অঞ্চলত বসতি আৰম্ভ কৰে। সেই সময়ত এই অঞ্চলটো **সপ্তসিন্ধু** বুলি জনাজাত আছিল।




*এচিয়া মহাদেশৰ মানচিত্ৰ*

> **জানি থওঁ আহা ঃ**
>
> 'সপ্তসিন্ধু' বুলিলে সিন্ধু নদী আৰু ইয়াৰ উপনৈ শতদ্ৰু (বৰ্তমান সুতলেজ), বিপাশা (বৰ্তমান বিয়াচ), ইৰাৱতী (বৰ্তমান ৰাবি), চন্দ্ৰভাগা (বৰ্তমান চিনাব), বিতস্তা (বৰ্তমান ঝিলাম) আৰু সৰস্বতী নদীক বুজায়।

এই পশুপালক লোকসকলে নিজকে আৰ্য বুলিছিল। এই আৰ্য শব্দইনো কোনখিনি মানুহক বুজায় ? আৰ্য শব্দটো এটা গোষ্ঠীৰ নাম নাছিল; বৰঞ্চ ই একে ধৰণৰ ভাষা ব্যৱহাৰ কৰা বঙ্গতো জনগোষ্ঠীক বুজাইছিল আৰু নিজকে 'আৰ্য' অৰ্থাৎ 'শ্ৰেষ্ঠ' বুলি দাবী কৰিছিল। আদিতে তেওঁলোকে এটা ভাষাই ব্যৱহাৰ কৰিছিল আৰু সেই ভাষাৰপৰাই ইৰাণ, ইৰাক, ইউৰোপৰ ভাষা আৰু ভাৰতৰ বৈদিক সংস্কৃত ভাষাৰ উৎপত্তি হৈছিল বুলি ঠাৱৰ কৰা হৈছে। কালক্ৰমত এই ভাষাবোৰ **ইন্দো-ইউৰোপীয়ান ভাষা গোষ্ঠী** হিচাপে জনাজাত হয়। সেয়ে এই গোষ্ঠীৰ অন্তৰ্ভুক্ত ভাষাবোৰৰ মাজত যথেষ্ট সাদৃশ্য থকা দেখা যায়। উদাহৰণ স্বৰূপে সংস্কৃত ভাষাৰ পিতৃ, মাতৃ, ভ্ৰাতৃৰ লগত ইংৰাজী ভাষাৰ ফাদাৰ, মাদাৰ, ব্ৰাদাৰ আদি

কিছুমান শব্দৰ মিল আছে।

### আৰ্যসকলৰ উপাস্য দেৱতা ঃ

আদিতে আৰ্যসকলে প্ৰকৃতিৰ নানা ৰূপক বন্দনা কৰিছিল। ইন্দ্ৰ, বৰুণ, অগ্নি, বায়ু, সোম, উষা আদি দেৱ-দেৱীৰ কল্পনা কৰি যাগ-যজ্ঞৰ আয়োজন কৰিছিল। প্ৰতিগৰাকী দেৱতাক উদ্দেশ্য কৰি কিছুমান মন্ত্ৰ মৌখিকভাৱে গাইছিল। তেনে কল্পিত দেৱ-দেৱীৰ ভিতৰত **ইন্দ্ৰক শ্ৰেষ্ঠ** বুলি ধৰিছিল। ইন্দ্ৰক শক্তি, ঐশ্বৰ্য আৰু বীৰত্বৰ প্ৰতীক বুলি মানিছিল। তেনে মন্ত্ৰবোৰ বহুকাল ধৰি মৌখিকভাৱে চৰ্চা কৰি অহা হৈছিল। মুখে মুখে চলি অহা বাবে যাগ-যজ্ঞৰ সময়ত গোৱা এই মন্ত্ৰবোৰক **শ্ৰুতি** নামেৰেও জনা যায়।



*চিত্ৰ - ১৩.১ঃ যজ্ঞৰ ছবি*

### বেদ সাহিত্য ঃ

আৰ্যসকলে সপ্তসিন্ধুত বাস কৰা সময়ছোৱাতেই ঋক বেদ ৰচনা কৰিছিল। চৰিওখন বেদৰ ভিতৰত এইখন প্ৰথম আছিল। পৰৱৰ্তী কালত আৰ্যসকলে গংগা উপত্যকাত বসতি স্থাপন কৰিবলৈ লয়। এই গোটেই অঞ্চলটোক আৰ্যৱৰ্ত বোলে। আৰ্যৱৰ্তত বাস কৰা কালতে সামবেদ, যজুৰ্বেদ আৰু অথৰ্ববেদ ৰচিত হৈছিল। বেদৰ পাছত ব্ৰাহ্মণ্যক, আৰণ্যক আৰু উপনিষদসমূহ ৰচনা কৰা হয়। এই সকলোবোৰকে একেলগে বৈদিক সাহিত্য বোলা হয়।

বেদ আদি প্ৰাচীন গ্ৰন্থবোৰৰ উপৰি আমাৰ দেশত **ৰামায়ণ** আৰু **মহাভাৰত** নামৰ দুখন মহাকাব্য ৰচিত হৈছিল। এই মহাকাব্য দুখনো আৰ্যসকলৰেই পৰৱৰ্তী কালৰ অৱদান বুলি ধৰা হয়। এই প্ৰাচীন সাহিত্যবোৰ অধ্যয়ন কৰিলে সেই যুগৰ সমাজ, অৰ্থনীতি, ৰাজনীতি, ধৰ্মীয় অৱস্থা, কলা-কৃষ্টি আদিৰ বহু সম্ভেদ পোৱা যায়।

### জীৱিকা ঃ

ইতিমধ্যে আমি গম পালো যে আৰ্যসকল মূলতঃ পশুপালক আছিল। গৰু, ভেড়া, ছাগলী আদি জন্তু পোহপাল কৰি জীৱন নিৰ্বাহ কৰিছিল। গৰুৱেই আছিল জীৱিকাৰ প্ৰধান সম্পদ। গৰুৰ গাখীৰৰপৰা উৎপন্ন হোৱা মাখন, ঘিউ, দৈ আদি তেওঁলোকৰ প্ৰিয় খাদ্য আছিল। সেই সময়ৰ সমাজত পশুধনৰ অৰ্থনৈতিক মূল্যই যথেষ্ট গুৰুত্ব পাইছিল। পশুধনৰ ভিতৰত গৰুৱেই আছিল বস্তু বেচা-কিনাৰ মাধ্যম আৰু প্ৰতিপত্তিৰ প্ৰতীক। সেয়েহে গৰুৰ সংখ্যা বৃদ্ধি কৰাটো আৰ্যসকলৰ প্ৰধান লক্ষ্য আছিল। ঋক্‌বেদত গৰু, ঘোঁৰা আৰু পুত্ৰ লাভৰ বাবে জনোৱা বহুতো প্ৰাৰ্থনা সন্নিবিষ্ট হৈ আছে।

কালক্ৰমত পশুপালক আৰ্যসকল স্থানীয় কৃষিজীৱী লোকৰ সংস্পৰ্শলৈ আহে। ফলত তেওঁলোকৰ জীৱন-যাপন প্ৰণালীবো ক্ৰমশঃ পৰিৱৰ্তন হ'বলৈ ধৰে। স্থানীয় লোকসকলে নিজ অঞ্চলত প্ৰধানকৈ ঘেঁহু আৰু ধান খেতি কৰিছিল। তেওঁলোকৰ সংস্পৰ্শলৈ আহি আৰ্যসকলেও যব ধানৰ খেতিৰ উপৰি ঘেঁহু, ধান, মাহ, তেল জাতীয় শস্য আদিৰ খেতি কৰিবলৈ আৰম্ভ কৰিলে। আদিতে **পশুপালক** হিচাপে জীৱন-যাপন কৰা আৰ্যসকল সময় যোৱাৰ লগে লগে **কৃষিজীৱী**

হৈ পৰিল।

### স্থানীয় লোকৰ লগত সম্পৰ্ক ঃ

সপ্তসিন্ধু অঞ্চলত বসবাস কৰা সময়ত আৰ্যসকল সততে স্থানীয় মানুহৰ লগত সংঘৰ্ষত লিপ্ত হ'ব লগা হৈছিল। আৰ্যসকল আৰু স্থানীয় লোকৰ মাজত বহতো কথাৰ অমিল আছিল। আৰ্যসকলে তেওঁলোকৰ গোধন সম্পত্তি বৃদ্ধি কৰাৰ হাবিয়াসতেই স্থানীয় মানুহৰ লগত যুঁজ-বাগৰ কৰিছিল। আৰ্যসকলে তেনে যুঁজ-বাগৰত **ঘোঁৰা** আৰু **লোৰ** অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰি স্থানীয় লোকক পৰাভূত কৰিবলৈ সমৰ্থ হৈছিল। যুঁঠৰ ওপৰত সংঘৰ্ষ আৰু বুজাপৰা কৰি আৰ্যসকলে কালক্ৰমত নিজ প্ৰতিপত্তি বঢ়াই নিছিল। ইতিহাসবিদসকলৰ মতে আৰ্যসকলে ভাৰতত ঘোঁৰা আৰু লোৰ ব্যৱহাৰ আৰম্ভ কৰি সভ্যতাৰ এক নতুন যুগৰ সূচনা কৰিছিল। যাতায়াতৰ বাবে আৰ্যসকলে ঘোঁৰা আৰু ঘোঁৰাই টনা ৰথ ব্যৱহাৰ কৰিছিল।

### পৰিয়াল আৰু সমাজ ব্যৱস্থা ঃ

আজিকালিৰ পৰিয়ালৰ দৰে আৰ্যসকলৰো **বয়োজ্যেষ্ঠ** মানুহজনেই আছিল পৰিয়ালৰ মুৰব্বী। ঘৰৰ সকলো কাম-কাজ তেওঁৰ নিৰ্দেশমতেই চলিছিল। তেওঁলোকৰ সমাজ যদিও পুৰুষ প্ৰধান আছিল, ধৰ্মীয় আৰু ৰাজনৈতিক কামত মহিলাসকলেও অংশগ্ৰহণ কৰিছিল। বিশেষকৈ যজ্ঞ কৰাৰ সময়ত মহিলাসকলে নিজৰ স্বামীৰ কাষত স্থান লৈছিল। ঋক্‌বেদৰ যুগত বিশ্ববাৰা, লোপামুদ্ৰা, ঘোষা, অপলা আদি নামৰ নাৰীয়ে বিভিন্ন শাস্ত্ৰত পাণ্ডিত্য দেখুৱাৰ দৃষ্টান্ত আছে। ভালেকেইগৰাকীমান নাৰীয়ে বেদৰ স্তোত্ৰও ৰচনা কৰিছিল। তেওঁলোকে সভা-সমিতি, অনুষ্ঠান আদিতো ভাগ লৈছিল। কিন্তু পাছলৈ তেওঁলোকৰ সামাজিক ভূমিকা সীমাবদ্ধ হৈ পৰে।

### শাসন ব্যৱস্থা ঃ

আৰ্য শাসন ব্যৱস্থাত পৰিয়ালৰ মুৰব্বীক গৃহপতি বোলা হৈছিল। তেওঁলোকৰ বেলেগ বেলেগ ফৈদ আছিল। ফৈদ অনুযায়ী কেইবাটাও পৰিয়াল লগ-লাগি একোখন গাঁও গঠিত হৈছিল। গাঁৱৰ মুৰব্বীক গ্ৰামণী বোলা হৈছিল। কেইবাখনো গাঁও মিলি একোখন **বিশ** গঠিত হৈছিল আৰু বিশৰ মুখিয়াল জনক **বিশপতি** বোলা হৈছিল। কেইবাখনো বিশ লগ লাগি একোখন **জন** গঠন হৈছিল আৰু জনৰ অধিপতিক ৰাজন বোলা হৈছিল। এনেদৰেই একোখন **জনপদৰ** সৃষ্টি হৈছিল যাৰ বিষয়ে পাছৰ অধ্যায়ত বহলাই আলোচনা কৰা হ'ব।

**মনত ৰাখিবলগীয়া কথা ঃ**

- বৈদিক যুগক দুটা ভাগত ভগোৱা হয় — (ক) ঋক্‌বৈদিক যুগ আৰু (খ) পৰৱৰ্তী বৈদিক যুগ।
- আজিৰপৰা প্ৰায় ৩৫০০ বছৰ মান আগতে ভাৰতৰ উত্তৰ-পশ্চিম দিশৰপৰা কিছুমান পশুপালকৰ দল ভাৰত উপ-মহাদেশত সোমাইছিল।
- নতুনকৈ অহা এই লোকসকলে সিন্ধু নদীৰ উপত্যকাত থকা গাঁওবোৰৰ আশে-পাশে বসতি আৰম্ভ কৰিছিল।
- এই লোকসকলে নিজকে 'আৰ্য' অৰ্থাৎ 'শ্ৰেষ্ঠ' বুলি পৰিচয় দিছিল।
- আৰ্যসকলৰ আদি বসতিস্থান হ'ল মধ্য এছিয়াৰ কৃষ্ণ সাগৰ আৰু কাস্পিয়ান সাগৰৰ মাজত থকা ভূভাগ।
- সিন্ধু নদীৰ উপত্যকা অঞ্চল প্ৰাচীন কালত সপ্তসিন্ধু নামেৰে জনাজাত আছিল।
- সিন্ধু নদী আৰু ইয়াৰ ছখন উপনৈ লগলাগি সপ্তসিন্ধু নামেৰে পৰিচিত আছিল।

- আৰ্য শব্দই এটা গোষ্ঠীক নুবুজায়, বৰঞ্চ ই একে ধৰণৰ ভাষা ব্যৱহাৰ কৰা বিভিন্ন জনগোষ্ঠীক বুজাইছিল।
- আৰ্যসকলে প্ৰকৃতিৰ নানা ৰূপক বন্দনা কৰিছিল আৰু ইন্দ্ৰ, বৰুণ, অগ্নি, বায়ু, সোম, উষা আদি দেব-দেৱীক সন্তুষ্ট কৰিবলৈ যাগ-যজ্ঞ কৰিছিল।
- দেৱতাক সন্তুষ্ট কৰিবলৈ আৰ্যসকলে বিভিন্ন মন্ত্ৰ উচ্চাৰণ কৰিছিল। সেই মন্ত্ৰবোৰৰপৰাই বেদৰ সৃষ্টি হয়।
- আদিতে মুখে মুখে চলি অহাৰ বাবে বেদৰ আন এটি নাম শ্ৰুতি।
- আৰ্যসকলৰ সমাজ জীৱনত পশুধনৰ যথেষ্ট গুৰুত্ব আছিল।
- পশুধনৰ ভিতৰত গৰু আছিল আৰ্যসকলৰ বাবে বেচা-কিনাৰ মাধ্যম আৰু প্ৰতিপত্তিৰ প্ৰতীক।
- আৰ্য সমাজত বয়োজ্যেষ্ঠ মানুহজনেই আছিল পৰিয়ালৰ মুৰব্বী আৰু তেওঁৰ নিৰ্দেশতেই ঘৰৰ কাম-কাজ পৰিচালিত হৈছিল।
- প্ৰাৰম্ভিক আৰ্য সমাজত নাৰীৰ স্থান উচ্চ আছিল।

**অনুশীলনী ঃ**

(১) উত্তৰ লিখা—

(ক) ভাৰতৰ কোন দিশৰপৰা আৰ্যসকল ভাৰতৰ সপ্তসিন্ধু উপত্যকালৈ আহিছিল?

(খ) আৰ্যসকলৰ পূৰ্বপুৰুষসকল কোন অঞ্চলৰ অধিবাসী আছিল?

(গ) সিন্ধু উপত্যকাৰ সভ্যতা আৰু বৈদিক সভ্যতাৰ মাজৰ দুটা প্ৰধান পাৰ্থক্য দেখুওৱা।

(ঘ) চাৰিওখন বেদৰ ভিতৰত কোনখন প্ৰাচীনতম বেদ?

(ঙ) আৰ্যসকল গংগা উপত্যকালৈ কিয় আগবাঢ়ি গৈছিল?

(চ) বৈদিক যুগৰ দুগৰাকী বিদুষী নাৰীৰ নাম লিখা।

(ছ) আৰ্যসকল কোন ভাষিক গোষ্ঠীৰ মানুহ আছিল?

(জ) আৰ্যসকলে কিহক প্ৰধান সম্পদ হিচাপে গণ্য কৰিছিল?

(ঝ) আৰ্যসকলে ভাৰতত কোনবিধ ঘৰচীয়া জন্তুৰ প্ৰচলন কৰিছিল?

(২) শুদ্ধ-অশুদ্ধ নিৰ্ণয় কৰা—

(ক) বৈদিক যুগৰ আনুমানিক সময়সীমা খৃঃ পূঃ ১৫০০ ৰপৰা খৃঃ পূঃ ১০০০ ৰ ভিতৰত পৰে।

(খ) ঋক্ বৈদিক যুগতে চাৰিওখন বেদ ৰচনা কৰা হৈছিল।

(গ) আৰ্যসকলৰ দিনত লোৰ প্ৰচলন আছিল।

(ঘ) সপ্তসিন্ধুৰ স্থানীয় লোকসকলক আৰ্যসকলে হেয় জ্ঞান কৰিছিল।

(ঙ) আৰ্যসকলৰ সময়ত সমাজত নাৰীৰ স্থান নিম্ন আছিল।

(৩) সিন্ধু নদী আৰু তাৰ উপনৈৰে সৈতে সপ্তসিন্ধু অঞ্চলৰ এখন মানচিত্ৰ অংকন কৰা।

(৪) সপ্তসিন্ধুৰ পৰা গংগা উপত্যকালৈ আৰ্যসকলৰ বসতি স্থানৰ এখন তালিকা বনোৱা।

**************

# পাঠ নং ১৪

# মহাজনপদ

S1N2F3

**শিকনৰ ফলাফল ঃ**

- জন আৰু জনপদৰ সৃষ্টি কেনেকৈ হৈছিল সেই বিষয়ে জানিব পাৰিব।
- মহাজনপদ গঠনৰ বিষয়ে ধাৰণা লাভ কৰিব।
- মহাজনপদৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে ধাৰণা লাভ কৰিব।
- মহাজনপদৰ সময়ত পুৰণি ভাৰতৰ আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে আভাস পাব।
- মহাজনপদৰ পৰা সাম্ৰাজ্যলৈ উন্নীত হোৱা মগধৰ উত্থানৰ বিষয়ে জানিব পাৰিব।

তোমালোকে আগতে পাই আহিছা যে আমাৰ সভ্যতা-সংস্কৃতি, বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি বৰ্তমানৰ ৰূপ পাইছে। একেধৰণে ৰাজনীতিৰ ক্ষেত্ৰতো বহুতো পৰিৱৰ্তন হৈছিল। অতীত ভাৰতত দ্ৰাবিড়, আৰ্য -অনাৰ্য আদি বহুতো জাতি-গোষ্ঠীয়ে বসবাস কৰিছিল। এই গোষ্ঠীবোৰৰ ভিতৰত আৰ্যসকলৰ দ্বাৰা ৰচিত বেদ, উপনিষদ, পুৰাণ, ৰামায়ণ, মহাভাৰত আদি সাহিত্যসমূহৰ জৰিয়তে সেই সময়ৰ ৰাজনৈতিক, ধৰ্মীয় আৰু আৰ্থ-সামাজিক দিশবোৰৰ বিষয়ে কিছু কথা জানিব পাৰোঁ। আৰ্যসকলৰ শাসন প্ৰণালীৰ আদিতে গঢ় লৈ উঠা **বিশ** বা **জনকপৰাই** ক্ৰমে **জনপদ, মহাজনপদ** আৰু **সাম্ৰাজ্যৰ** সৃষ্টি হৈছিল।

ছাত্ৰ-ছাত্ৰীসকল, আমি মনকৰিবলগীয়া কথা হ'ল যে বৰ্তমানৰ নিচিনা আৰ্যসকলৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰো ভিত্তি আছিল পৰিয়াল। আজিকালিৰ নিচিনা সেই সময়তো কেইবাটাও পৰিয়াল ওচৰা-উচৰিকৈ বাস কৰি একোখন **সমাজ** গঢ়ি তুলিছিল। এনেধৰণৰ একোখন সমাজক **'জন'** বোলা হৈছিল। অন্যহাতে ইয়াৰ সাধাৰণ লোকসকলক 'বিশ' বুলি কোৱা হৈছিল। এই জনবোৰৰ জীৱিকা নিৰ্বাহৰ মূল উৎস আছিল **পশুপালন**। এই জনবোৰৰ প্ৰতিটোতে গৰু, ঘোঁৰা আৰু ৰথেৰে চহকী কিছু সংখ্যক প্ৰতিপত্তিশালী লোক আছিল। এওঁলোকক **'ৰাজন্য'** বোলা হৈছিল। এই ৰাজন্যসকলৰ মাজৰপৰাই বাহুবলী, শক্তিশালী আৰু যুদ্ধ-বিগ্ৰহত নেতৃত্ব দিব পৰা একোজন ব্যক্তি **ৰজা** বা **ৰাজন** হৈছিল। অতীতত এই ধৰণেৰে 'ৰজা' পদৰ সৃষ্টি হৈছিল বুলি অনুমান কৰিব পাৰি। বৰ্তমান সময়তো পৃথিৱীৰ কোনো কোনো দেশত ৰজাৰ শাসন থকা দেখা যায়। তোমালোকে বাৰু ইংলেণ্ডৰ ৰজা, থাইলেণ্ডৰ ৰজা, ভূটানৰ ৰজা আদিৰ নাম শুনা নাইনে?

**জানি থওঁ আহা ঃ**

ৰাজন বা ৰজা 'জন'ৰ সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী আছিল। কিন্তু তেওঁ স্বেচ্ছাচাৰী নাছিল। 'জন'ৰ বয়োবৃদ্ধসকল আৰু জনসাধাৰণৰ পৰামৰ্শ মতে তেওঁ শাসন কাৰ্য চলাইছিল। 'সভা' আৰু 'সমিতি' নামৰ তেওঁলোকৰ দুটা সংগঠন আছিল। 'সভা' সমাজৰ বয়োবৃদ্ধ আৰু অভিজ্ঞ লোকসকলক লৈ গঠিত হৈছিল, অন্যহাতে **সমিতিত** জনৰ সকলোৰে ভাগ ল'ব পাৰিছিল।

এইখিনিতে জানি থোৱা ভাল যে ৰাজতন্ত্ৰৰ সমান্তৰালভাৱে সেই সময়ত গণৰাজ্য কিছুমানো গঢ় লৈ উঠিছিল। এইবোৰ হিমালয়ৰ পাদদেশ অঞ্চলত স্থাপিত হৈছিল। ইয়াৰ শাসন ব্যৱস্থা মন্ত্ৰী পৰিষদে পৰিচালনা কৰিছিল। ইয়াত ৰজাক নিৰ্বাচন কৰা হৈছিল। তেওঁ উত্তৰাধিকাৰী সূত্ৰে ৰজা হ'ব নোৱাৰিছিল, যেনে- শাক্য, লিচ্ছৱী, মল্ল আদি।

**ক্ৰিয়াকলাপ ঃ**

আমাৰ ৰাজ্যখনত কোন কোন জনগোষ্ঠীৰ মাজত বৰ্তমানেও ৰজা আছে ? সেই জনগোষ্ঠীৰ ওপৰত তথ্য সংগ্ৰহ কৰি এটি টোকা প্ৰস্তুত কৰা ।

## জনপদ ঃ

দিন যোৱাৰ লগে লগে আদিতে সৃষ্টি হোৱা জন বা বিশবোৰৰ জীৱন-যাপন প্ৰণালীৰ ক্ৰমান্বয়ে পৰিৱৰ্তন হ'বলৈ ধৰিলে। পশুপালক আৰ্যসকল লাহে লাহে কৃষকলৈ সলনি হ'ল। তেওঁলোকে নানা ধৰণৰ কৃষিকাৰ্য কৰিবলৈ আৰম্ভ কৰিলে। এইদৰে কৃষকলৈ সলনি হোৱাৰ লগে লগে প্ৰতিটো 'জন'ৰ মানুহখিনি একোটা অঞ্চলত গাঁও পাতি স্থায়ীভাৱে বাস কৰিবলৈ বাধ্য হ'ল । এনেকৈয়ে বহু **'জনপদৰ'** সৃষ্টি হ'ল । এই জনপদসমূহ উত্তৰ ভাৰতৰ গংগা উপত্যকাৰ সমভূমি অঞ্চলত ঘাইকৈ গঢ় লৈ উঠিছিল।

**জানি থওঁ আহা ঃ**

**জনপদ** হ'ল কোনো এটা 'জন'এ প্ৰথমবাৰৰ বাবে স্থায়ীভাৱে থাকিবলৈ লোৱা অঞ্চল।


পুৰাতত্ত্ববিদসকলে খনন কাৰ্যৰ সহায়ত প্ৰাচীন ভাৰতৰ কিছুমান ঠাইত এনে জনপদ থকাৰ প্ৰমাণ পাইছে। উদাহৰণস্বৰূপে দিল্লীৰ ওচৰত থকা পুৰণাকিল্লা, মীৰাটৰ (বৰ্তমান উত্তৰ প্ৰদেশ ) ওচৰত থকা হস্তিনাপুৰ ইত্যাদি। এই জনপদৰ বাসিন্দাসকলে সাধাৰণতে পঁজা বা জুপুৰি ঘৰত বাস কৰিছিল।

**ক্ৰিয়াকলাপ ঃ**

বৰ্তমান ভাৰতৰ মানচিত্ৰত দিল্লীৰ পুৰণাকিল্লা আৰু মীৰাটৰ হস্তিনাপুৰৰ অৱস্থিতি জানি লৈ সেই ঠাই দুখনলৈ যাবলৈ হ'লে তুমি কোন কেইখন ৰাজ্য পাৰ হৈ যাব লাগিব, সেই ৰাজ্য কেইখনৰ নাম লিখা।

## মহাজনপদ ঃ

জনপদসমূহৰ মাজত কিছুমান জনপদ ক্ৰমান্বয়ে ধনে-ধানে আৰু সামৰিক ক্ষেত্ৰত অধিক শক্তিশালী হৈ উঠিছিল। এই শক্তিশালী জনপদসমূহে আন আন জনপদৰ ওপৰত প্ৰভূত্ব স্থাপন কৰি নিজকে আৰু অধিক শক্তিশালী কৰিব বিচাৰিছিল। কালক্ৰমত এনেদৰে শক্তিশালী জনপদসমূহে দুৰ্বল জনপদসমূহক নিজৰ অধীনলৈ আনি নিজকে মহাজনপদলৈ উন্নীত কৰিছিল। এই মহাজনপদসমূহে নিজৰ শাসকীয় ক্ষেত্ৰখনত ৰাজধানী চহৰ আৰু ইয়াৰ কেওকাষে ডাঙৰ ডাঙৰ দুৰ্গ নিৰ্মাণ কৰিছিল। ইয়াৰ কেইবাটাও কাৰণো আছিল। সেইবোৰ হ'ল — আনৰ আক্ৰমণৰপৰা নিজকে ৰক্ষা কৰা, নিজৰ প্ৰতিপত্তি বজাই ৰখা আৰু দুৰ্গৰ ভিতৰত বসবাস কৰা জনসাধাৰণক নিজৰ অধীনত ৰখা ইত্যাদি।




ইতিহাসৰপৰা আমি প্ৰাচীন ভাৰতত এনে **ষোল্লখন মহাজনপদ** থকাৰ কথা জানিব পাৰোঁ। কাষৰ মানচিত্ৰত ষোল্লখন মহাজনপদৰ ভৌগোলিক অৱস্থিতি দেখুওৱা হৈছে।

**ক্ৰিয়াকলাপ ঃ**

(ক) সিপিঠিৰ মানচিত্ৰখন পৰ্যবেক্ষণ কৰি বৰ্তমান ভাৰত ভূখণ্ডৰ বাহিৰত কেইখন মহাজনপদ অৱস্থিত আছিল লিখি উলিওৱা।

(খ) অসমৰ নিচেই কাষত থকা মহাজনপদ খনৰ নাম লিখা।

**জানি থওঁ আহা ঃ**

★ *যোল্লখন মহাজনপদ হ'ল —অঙ্গ, মগধ, কাশী, কোশল, বজ্জি, মল্ল, চেদী, বৎস, কুৰু, পাঞ্চাল, মৎস্য, সুৰসেন, অশ্মক, অৱন্তী, গান্ধাৰ আৰু কম্বোজ।*

★ *মহাজনপদৰ সময়ত শস্যৰ ওপৰত আৰোপ কৰা কৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছিল। কিয়নো ৰাজ্যখনৰ সকলো লোকেই আছিল খেতিয়ক। শস্য উৎপাদনৰ ১/৬ অংশ কৰ হিচাপে ৰজাক দিব লাগিছিল । ইয়াক কোৱা হৈছিল 'ভাগ' বা 'অংশ'।*

*- বাঢ়ৈ বা শিপিনীসকলেও মাহত এদিন ৰজাৰ ঘৰত পৰিশ্ৰম কৰি কৰ আদায় দিবলগীয়া হৈছিল।*

*- পশুপালকসকলেও জীৱ-জন্তু অথবা জীৱ-জন্তুৰ পৰা উৎপন্ন হোৱা বস্তুৰ বাবদ কৰ কাটল আদায় দিব লাগিছিল।*

*-ব্যৱসায় বাণিজ্য কৰাসকলে তেওঁলোকে বেচা-কিনা কৰিবলৈ অনা বস্তুৰ ওপৰত নিৰ্দিষ্ট পৰিমাণৰ কৰ-কাটল আদায় দিব লগা হৈছিল।*


*- চিকাৰী বা জংঘলত বাস কৰা লোকসকলেও জন্তু বা অন্যান্য কাঠৰ সামগ্ৰী যোগান ধৰি কৰ-কাটল দিব লাগিছিল।*

মহাজনপদ সৃষ্টিৰ লগে লগে সমাজত ঘাইকৈ আৰ্থ-সামাজিক দিশত বহুতো পৰিৱৰ্তন আহি পৰিছিল। এতিয়া আহাচোন কি কি ক্ষেত্ৰতনো এই পৰিৱৰ্তনবোৰ ঘটিছিল তাক জানি লওঁ।

## অৰ্থনৈতিক দিশ ঃ

### ক) কৰ-কাটল সংগ্ৰহ ব্যৱস্থা ঃ

আমি ওপৰত পাই আহিছোঁ যে মহাজনপদসমূহে নিজকে নিৰাপদ আৰু সুৰক্ষিত কৰি ৰাখিবলৈ দুৰ্গ নিৰ্মাণৰ উপৰি ডাঙৰ সৈন্য-বাহিনী পৰিচালনা কৰিবলগীয়া হৈছিল। ইয়াৰ বাবে ৰজা সকলক প্ৰয়োজন হৈছিল অজস্ৰ ধন-সম্পদৰ। তাৰ বাবে ৰজাই বিভিন্ন ধৰণৰ কৰ-কাটল বহুৱাই সম্পদ আহৰণৰ ব্যৱস্থা কৰিছিল। এই কৰ-কাটলসমূহ নিয়মীয়াকৈ সংগ্ৰহ কৰা আৰু মহাজনপদৰ নিৰাপত্তাৰ দিশবোৰ চোৱা-চিতাৰ বাবে বিষয়া নিয়োগ কৰিছিল। এই বিষয়াসকলে ৰজাৰ নিৰ্দেশত ৰাজ্যখন সুকলমে পৰিচালনা কৰিছিল। মন কৰিবলগীয়া যে এই সময়ৰ পৰাই ৰজাক নিয়মীয়াকৈ কৰ-কাটল আদায় দিয়াটো নিয়মত পৰিণত হৈছিল।



*চিত্ৰ -১৪.১ ঃ প্ৰাচীন লিপি*

Src: via Wikimedia Commons

মহাজনপদৰ সময়ত বেপাৰ-বাণিজাই বিশেষ প্ৰসাৰতা লাভ কৰিছিল। ইয়াৰ বাবে মুদ্ৰাৰ প্ৰচলন আগতকৈ বৃদ্ধি পাইছিল। অৱশ্যে তেতিয়াও বিনিময় প্ৰথা (বয়-বস্তু সালসলনি কৰা) ঠায়ে ঠায়ে চলি আছিল। ব্যৱসায়ীসকলে তেওঁলোকৰ প্ৰয়োজনীয় হিচাপ-নিকাচ ৰাখিবৰ বাবে আৰু দূৰ-দূৰণিলৈ খবৰ পঠিয়াবলৈ **লিপি** প্ৰয়োগ কৰিছিল। লিপিৰ ব্যৱহাৰ ৰাজকীয় নীতি-নিৰ্দেশনা, মুদ্ৰা, শিলালিপি, তাম্ৰলিপি আদিতো হৈছিল। ৰজাসকলে কৰ সম্পৰ্কীয় হিচাপো **লিখিত ৰূপত** ৰাখিছিল। প্ৰধানতঃ **ব্ৰাহ্মী**, **প্ৰাকৃত** আৰু **খৰোষ্ঠী** লিপিৰ প্ৰচলন আছিল।



*চিত্ৰ - ১৪.২ঃ প্ৰাচীন মুদ্ৰা*

Src: via Wikimedia Commons

**ক্ৰিয়াকলাপ ঃ**

(ক) বৰ্তমান আমি দিবলগীয়া কৰ-কাটলৰ তালিকা এখন প্ৰস্তুত কৰা।

(খ) লিপিৰ আৱিষ্কাৰে সমাজলৈ কেনে ধৰণৰ সুবিধা আনিলে?

(গ) বিনিময় প্ৰথাৰ সুবিধা-অসুবিধাবোৰ কি কি?

### খ) কৃষিকাৰ্য ঃ

মহাজনপদবোৰ গঢ়ি উঠাৰ সময়ত জনসংখ্যা যথেষ্ট বৃদ্ধি হৈছিল আৰু ৰাজ্যসমূহৰ প্ৰতিপত্তিও যথেষ্ট বাঢ়িছিল। বৰ্ধিত জনসংখ্যাৰ চাহিদা পূৰাবলৈ অধিক উৎপাদিত সামগ্ৰীৰ প্ৰয়োজনীয়তা আহি পৰে। ফলত ৰাজ্যত কৃষি ক্ষেত্ৰত আমূল পৰিবৰ্তন ঘটাই অধিক উৎপাদন বঢ়োৱাৰ কাম আৰম্ভ হৈছিল। অধিক সংখ্যক কৃষিভূমি কম সময়তে চহাই কৃষিকাৰ্য কৰিবৰ বাবে কাঠৰ সঁজুলিৰ পৰিবৰ্তে লোৰে তৈয়াৰী দা, কুঠাৰ, কোৰ, নাঙলৰ ফাল আদি সঁজুলিৰ ব্যাপক ব্যৱহাৰ হ'বলৈ ধৰে। দ্বিতীয়তে, নিৰ্দিষ্ট ঠাইত বীজ সিঁচি তাৰপৰা পুলি তুলি নি পথাৰত ৰোপণ কৰা হৈছিল। ইয়াৰ আগলৈকে পথাৰত গুটি সিঁচি খেতি কৰা হৈছিল । সিঁচি দিয়া গুটিবোৰ চৰাই-চিৰিকটিয়ে খাই অনিষ্ট কৰি কৃষিৰ উৎপাদন হ্ৰাস কৰিছিল। ৰোপণ কৰা কৃষি পদ্ধতিৰ ফলত উৎপাদন বাঢ়িবলৈ লয়। তেনে ৰোপণ পদ্ধতি আজিও কৃষি-কাৰ্যত চলি আছে।

**উত্তৰ লিখা ঃ**

(ক) ৰোপণ কৃষি পদ্ধতিৰ সুবিধাবোৰ কি?

### গ) বিভিন্ন বৃত্তিধাৰী লোক ঃ

কৃষিকাৰ্যই প্ৰসাৰতা লাভ কৰাৰ লগে লগে মানুহৰ ধন-বল বৃদ্ধি পাই আহিল। মানুহে আড়ম্বৰপূৰ্ণ জীৱন-যাপন কৰিবলৈ সক্ষম হ'ল। ফলস্বৰূপে সমাজত ধুনীয়া ধুনীয়া বাচন-বৰ্তন, আ-অলংকাৰ, কাপোৰ কানি, অন্যান্য আচবাব-আদিৰ চাহিদা বৃদ্ধি পালে। এই চাহিদা পূৰণ কৰিবৰ বাবে সমাজত বহুতো কলাকুশলী লোকৰ সৃষ্টি হ'ল আৰু অন্য ঠাইৰপৰাও এনে লোকৰ আগমন ঘটিল। ফলস্বৰূপে সমাজত বাঢ়ৈ, কমাৰ, কুমাৰ, সোণাৰী, চিত্ৰকৰ, শিপিনী আদি বৃত্তিৰ সৃষ্টি হ'ল। বৰ্তমান আমাৰ সমাজতো এনে জীৱিকাৰ বহু লোক আছে।



*চিত্ৰ - ১৪.৩ঃ মাটিৰ পাত্ৰ*

Doc : via Wikimedia Commons

**ক্ৰিয়াকলাপ ঃ**

(ক) তোমাৰ অঞ্চলত ওপৰত উল্লেখ কৰা ধৰণৰ কি কি জীৱিকাৰ লোক আছে? জীৱিকা অনুযায়ী তেওঁলোকে কৰা কামৰ এখন তালিকা প্ৰস্তুত কৰা।

খনন কাৰ্যৰপৰা উদ্ধাৰ হোৱা বিভিন্ন মাটিৰ পাত্ৰৰপৰা অনুমান কৰা হয় যে জনপদৰ লোকসকলৰ মাজত মৃৎ শিল্পৰ ব্যৱহাৰ যথেষ্ট আছিল। উৎপাদিত শস্যসমূহ সংৰক্ষণ তথা আন ঘৰুৱা কামত ব্যৱহাৰ কৰা মাটিৰ পাত্ৰবোৰ ঘাইকৈ ছাই ৰঙৰ আৰু ৰঙা বৰণৰ আছিল। এইসমূহত বিভিন্ন ৰেখাচিত্ৰও অংকন কৰা হৈছিল। এইবোৰৰ পৰা সেই সময়ত মৃৎ শিল্পৰ বৃত্তিধাৰী যথেষ্ট লোক আছিল বুলি অনুমান কৰিব পাৰি।

## সাম্ৰাজ্য হিচাপে মগধৰ উত্থান ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে মহাজনপদ বা জনপদসমূহৰ মাজত সাধাৰণতে নিজৰ প্ৰতিপত্তি প্ৰতিষ্ঠা কৰিবলৈ সততে অৰিয়া-অৰি চলিছিল। ফলস্বৰূপে **মগধ, কোশল, বৎস** আৰু **অৱন্তী**য়ে এনে প্ৰতিপত্তিৰেই অন্য মহাজনপদবোৰ নিজৰ অধীনলৈ আনে। শেষলৈ এই চাৰিখন মহাজনপদহে তিষ্ঠি থাকিল। এই কেইখনৰ ভিতৰত **মগধেই** আছিল সবাতোকৈ শক্তিশালী। বৰ্তমানৰ বিহাৰ ৰাজ্যৰ ৰাজধানী পাটনাৰ আশে-পাশেই এই মগধ ৰাজ্য গঢ়ি উঠিছিল।

মগধ শক্তিশালী হোৱাৰ মূলতে আছিল ইয়াৰ প্ৰাকৃতিক সম্পদৰাজি। প্ৰধান নদী গংগা আৰু শোণ মগধৰ মাজেদি বৈ গৈছিল বাবে এই বিস্তৃত অঞ্চল সাৰুৱা আছিল। ইয়াৰ ফলত পৰিবহণ, পানীযোগান আদিৰ সুবিধা হৈছিল। তদুপৰি মগধৰ বহু অঞ্চল হাবি-বননিৰে পৰিপূৰ্ণ আছিল। হাবিত থকা হাতীবোৰ ধৰি আনি প্ৰশিক্ষণ দি সৈন্য বাহিনীৰ কামত লগোৱা হৈছিল। অন্যহাতে হাবিত থকা মূল্যবান কাঠবোৰৰ জৰিয়তে ঘৰ সজা, জন্তুৱে টনা গাড়ী সজা ৰথ আৰু অন্যান্য সামগ্ৰী প্ৰস্তুত কৰাত সহায় হৈছিল। ইয়াৰ উপৰি মগধৰ কোনো কোনো অঞ্চলত **'লো'ৰ খনি** পোৱা গৈছিল। এইবোৰৰ দ্বাৰা অস্ত্ৰ-শস্ত্ৰ, কৃষিৰ সা-সঁজুলি আৰু অন্যান্য আচবাব নিৰ্মাণত সহায় হৈছিল। সেয়েহে, এই সকলো কাৰকৰ বাবে শক্তিশালী হৈ মগধে অন্য মহাজনপদৰ ওপৰত পৰৱৰ্তী সময়ত সহজে নিজৰ কৰ্তৃত্ব স্থাপন কৰিবলৈ সক্ষম হৈছিল।

সাম্ৰাজ্য গঠনৰ ধাৰণা




বিম্বিসাৰ, অজাতশত্ৰু, মহাপদ্মনন্দ আদি শাসনকৰ্তাসকলৰ দিনত মগধ অধিক শক্তিশালী ৰূপত অৱতীৰ্ণ হৈছিল। **অংগ, বৈশালী, লিচ্ছৱী, মল্ল** আদি অঞ্চলসমূহৰ অন্তৰ্ভুক্তি আৰু উত্তৰ-পশ্চিম দিশত ৰাজ্য বিস্তাৰৰ ফলত পৰৱৰ্তী কালত মগধ ৰাজ্যৰ সাম্ৰাজ্যলৈ উত্তৰণ ঘটিছিল। এনেদৰেই ক্ৰমে মহাজনপদসমূহৰ ঠাইত ভাৰত ভূখণ্ডৰ বিভিন্ন স্থানত ৰাজ্য আৰু **সাম্ৰাজ্যই** গঢ় লৈ উঠে। পৰৱৰ্তী সময়ত মৌৰ্যবংশ প্ৰতিষ্ঠা কৰি চন্দ্ৰগুপ্ত মৌৰ্যই মগধক এখন শক্তিশালী সাম্ৰাজ্য হিচাপে গঢ় দিয়ে।

**মনত ৰাখিবলগীয়া কথা ঃ**

- কেইবাটাও কৈদ বা পৰিয়াল একেলগে গোট খাই এখন সমাজ গঢ়ি তুলিছিল আৰু এনে ধৰণৰ ক্ষুদ্ৰ একোখন সমাজক 'জন' বোলা হৈছিল।
- 'সভা' আৰু 'সমিতি' জনৰ দুটা উল্লেখযোগ্য অনুষ্ঠান আছিল।
- জনপদসমূহ উত্তৰ ভাৰতৰ গঙ্গা উপত্যকা সমভূমি অঞ্চলত গঢ় লৈ উঠিছিল ।
- মহাজনপদ সৃষ্টিৰ লগে লগে সমাজত আৰ্থ-সামাজিক দিশত বহুতো পৰিৱৰ্তন আহি পৰিছিল।
- নিজকে নিৰাপদ আৰু সুৰক্ষিত কৰিবলৈ মহাজনপদসমূহে দুৰ্গ নিৰ্মাণ কৰিছিল।
- মহাজনপদসমূহে নিজকে আৰ্থিকভাৱে সবল কৰিবলৈ কৰ-কাটলৰ ব্যৱস্থা কৰিছিল।
- মহাজনপদসমূহে উন্নত ধৰণৰ লোৰে তৈয়াৰী সা-সঁজুলি ব্যৱহাৰ কৰি আৰু বীজ সিঁচি, পুলি ৰোপণ কৰি অধিক শস্য উৎপাদন কৰিছিল।
- মহাজনপদৰ সময়ত মুদ্ৰাৰ ব্যৱহাৰ বৃদ্ধি পাইছিল।
- যোল্লখন মহাজনপদৰ ভিতৰত শেষলৈ মগধ ক্ৰমান্বয়ে অধিক শক্তিশালী হৈছিল ।
- চন্দ্ৰগুপ্ত মৌৰ্যই মগধত মৌৰ্যবংশ প্ৰতিষ্ঠা কৰে।

## অনুশীলনী ঃ

১) সঁচা-মিছা নিৰ্ণয় কৰা—

ক) পুৰাতত্ত্ববিদসকলে খনন কাৰ্যৰ দ্বাৰা জনপদসমূহৰ বিষয়ে তথ্য লাভ কৰিছিল।

খ) জনপদৰ দিনত বিভিন্ন ৰঙৰ মাটিৰ পাত্ৰ তৈয়াৰ কৰা হৈছিল।

গ) মহাজনপদৰ সময়ত লোৰ ব্যৱহাৰ হোৱা নাছিল ।

ঘ) মহাজনপদৰ দিনত শস্যৰ ওপৰত ১/৬ অংশ কৰ নিৰ্ধাৰণ কৰা হৈছিল ।

ঙ) মহাজনপদসমূহ সমগ্ৰ ভাৰততে সিঁচৰতি হৈ আছিল ।

২) শুদ্ধ উত্তৰটো বাছি উলিওৱা—

ক) তলৰ কোনখন মহাজনপদত ৰাজতন্ত্ৰ নাছিল?

১) মগধ, ২) লিচ্ছবী, ৩) অঙ্গ, ৪) অৱন্তী

খ) মগধ ৰাজ্যৰ কাষতে থকা নদীখন হ'ল।

১) গংগা, ২) যমুনা, ৩) কোশী, ৪) মহানদী

গ) তলৰ কোন খন ঠাই বোল্লমহাজনপদৰ অন্তৰ্ভুক্ত নহয়?

১) কোশল, ২) বৎস, ৩) হস্তিনাপুৰ, ৪) অৱন্তী

ঘ) কোন বৃত্তিৰ লোক মহাজনপদসমূহত নাছিল?

১) বাঢ়ৈ, ২) কুমাৰ, ৩) শিপিনী, ৪) পেছাদাৰী স্থপতি

ঙ) কোনজন ৰজাৰ দিনত মগধ সাম্ৰাজ্যত পৰিণত হৈছিল?

১) বিম্বিসাৰ, ২) অজাতশত্ৰু, ৩) মহাপদ্মনন্দ, ৪) চন্দ্ৰগুপ্ত মৌৰ্য

৩) উত্তৰ লিখা—

ক) মহাজনপদৰ দিনত কি উপায়েৰে খাদ্য শস্যৰ উৎপাদন বঢ়োৱা হৈছিল?

খ) ৰাজন পদৰ নিৰ্বাচন কোনে কৰিছিল?

গ) মহাজনপদৰ ৰজা সকলে কিয় দুৰ্গ নিৰ্মাণ কৰিছিল ?

ঘ) মগধ শক্তিশালী হোৱাৰ মূল কাৰণবোৰ কি আছিল ?

ঙ) মহাজনপদৰ দিনত লিপিক বিশেষকৈ কি কি কামত ব্যৱহাৰ কৰিছিল?

৪) দলত আলোচনা কৰি উত্তৰ লিখা—

ক) জনপদৰ দিনত ৰজা নিৰ্বাচন আৰু বৰ্তমান শাসক সকলৰ নিৰ্বাচনৰ মাজত কি অমিল দেখা যায়?

খ) মহাজনপদসমূহৰ সময়ত জনসাধাৰণে কি কি কৰ শোধাইছিল?

৫) মানচিত্ৰ চাই উত্তৰ লিখা —

ক) সিন্ধু নদী ভাৰতৰ কোন দিশত অৱস্থিত? ই বৰ্তমান ভাৰতৰ কোন কোন ৰাজ্য চুই গৈছে?

খ) প্ৰাচীন মগধ বৰ্তমান ভাৰতৰ কোন ৰাজ্যত অৱস্থিত?

***************

# পাঠ নং ১৫
# নতুন ভাবৰ উত্থান

3QS6GZ

**শিকনৰ ফলাফল ঃ**

- বৌদ্ধ আৰু জৈন ধৰ্মৰ প্ৰৱৰ্তনৰ পূৰ্বৰ ভাৰতৰ আৰ্থ-সামাজিক আৰু ধৰ্মীয় অৱস্থাৰ থূল-মূল আভাস পাব।
- মহাবীৰৰ শিকনিসমূহৰ লগত পৰিচিত হ'ব।
- গৌতম বুদ্ধৰ শিকনিসমূহৰ লগত পৰিচিত হ'ব।
- ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ সৰলীকৰণ কেনেকৈ ঘটিবলৈ ধৰিলে সেই বিষয়ে জানিব।
- জৈন আৰু বৌদ্ধ মতবাদৰ প্ৰসাৰৰ ব্যৱস্থাসমূহৰ বিষয়ে জানিব।

তোমালোকে আগৰ পাঠৰপৰা জানিব পাৰিছা যে মহাজনপদসমূহৰ দিনত ভাৰতৰ ৰাজনৈতিক অৱস্থাৰ যথেষ্ট পৰিৱৰ্তন হৈছিল। আদিতে সৃষ্টি হোৱা জনপদৰপৰা ক্ৰমান্বয়ে মহাজনপদ আৰু তাৰপৰা সাম্ৰাজ্য প্ৰতিষ্ঠা হৈছিল। ৰাজনৈতিক অৱস্থাৰ দৰেই আধ্যাত্মিক দিশতো এই সময়ছোৱাত ভাৰতত বহুতো নতুন নতুন চিন্তা আৰু ভাবধাৰাৰ সূচনা হৈছিল। এইখিনিতে এটা মন কৰিবলগীয়া কথা হ'ল যে আধ্যাত্মিক ক্ষেত্ৰৰ এই পৰিৱৰ্তন অকল ভাৰততে সীমাবদ্ধ হৈ থকা নাছিল। সমসাময়িক কালত পৃথিৱীৰ অন্যান্য দেশতো তেনে ধৰণৰ নতুন নতুন চিন্তা চৰ্চা হৈছিল। এইবোৰৰ ভিতৰত গ্ৰীক দাৰ্শনিকসকল, হিব্ৰু ধৰ্মযাজকসকল, চীনৰ কনফুচিয়াছ, পাৰস্য দেশৰ জোৰষ্টাৰ আদি সকলৰ ভাবধাৰাই প্ৰধান।

> **জানি থওঁ আহা**
>
> ✪ জোৰষ্টাৰ ধৰ্মৰ উৎপত্তি স্থল যদিও পাৰস্য দেশ, প্ৰায় এহেজাৰ বছৰৰ পাচত এই ধৰ্মমত ইৰাণৰপৰা পৃথিৱীৰ অন্য ঠাইলৈও বিয়পি পৰিছিল। ভাৰতবৰ্ষৰো সাগৰীয় অঞ্চল বিশেষকৈ গুজৰাট আৰু মহাৰাষ্ট্ৰৰ কিছু সংখ্যক লোকক ই আকৰ্ষিত কৰিছিল। বৰ্তমানৰ পাৰ্চী ধৰ্মাৱলম্বী লোকসকলেই প্ৰাচীন জোৰষ্টাৰ ধৰ্মাৱলম্বী বুলি কোৱা হয়।

ভাৰতত এনেবোৰ আধ্যাত্মিক ভাবধাৰা আৰু মতাদৰ্শ উত্থানৰ অন্তৰালত সেই সময়ৰ কিছুমান সামাজিক অৱস্থাই অৰিহণা যোগাইছিল। সেয়েহে এই ভাবধাৰাবোৰৰ বিষয়ে জনাৰ আগতে ইয়াৰ উত্থানৰ কাৰণসমূহ জনাটো দৰকাৰ। সেই সময়ত ভাৰতত সামাজিকভাৱে যি নীতি-নিয়ম আৰু ৰীতি-নীতি প্ৰচলিত আছিল তাক লৈ সমাজত বহুতো সংঘাতৰ সৃষ্টি হৈছিল।


কি কাৰণেনো এই সংঘাতৰ সৃষ্টি হৈছিল সেই বিষয়ে জানিবলগীয়া বহু কথা আছে। এই সংঘাতৰ বহুতো কাৰণ আছিল। **প্ৰথমতে,** আৰ্যসকলৰ প্ৰবল বৰ্ণভেদ প্ৰথাৰ ফলত ক্ষত্ৰিয়সকলতকৈ ব্ৰাহ্মণসকলৰ মৰ্যাদা বৃদ্ধি পাইছিল। কিন্তু কালক্ৰমত ক্ষত্ৰিয় ৰজাসকল ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি সকলো ক্ষেত্ৰতে ক্ৰমে শক্তিশালী হৈ উঠিবলৈ ধৰে। গতিকে ৰজাই ব্ৰাহ্মণৰ সমমৰ্যাদা দাবী কৰিছিল। তাৰ ফলশ্ৰুতিত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল। **দ্বিতীয়তে,** বৈদিক যুগৰ শেষলৈ আৰ্যসকলৰ মাজত যাগ-যজ্ঞ, পূজা পাতল, দান-দক্ষিণা, বলি বিধান আদি বৃদ্ধি পোৱাৰ উপৰি ই অধিক জটিল প্ৰথাত পৰিণত হৈছিল। এনে জটিল ধৰ্মীয় ক্ৰিয়া-কৰ্মই সৰ্বসাধাৰণ মানুহক বাৰুকৈয়ে অসন্তুষ্ট কৰি তুলিছিল। কিয়নো সৰ্বসাধাৰণ মানুহে বেদ-উপনিষদ আদিৰ অৰ্থ নজনাকৈয়ে দান-দক্ষিণা দিব লাগিছিল আৰু নিজৰ পোহনীয়া জীৱ-জন্তুক বলি হিচাপে আগবঢ়াব লাগিছিল। ইয়াৰ পৰিবৰ্তে তেওঁলোকে সহজ

সৰল উপায়েৰে ধাৰ্মিক জীৱন-যাপন কৰাটোহে চিন্তা কৰিবলৈ ধৰে। **তৃতীয়তে**, আৰ্থ-সামাজিক পৰিৱৰ্তনৰ লগে লগে নগৰ-চহৰৰ বিস্তাৰ, ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰ, নানান কাৰিকৰী লোকৰ সংখ্যা বৃদ্ধিয়ে সমাজত নতুন চিন্তাধাৰা আনি দিছিল। ফলত মানুহৰ মনত নতুন মৌলিক চিন্তাধাৰা সৃষ্টি হোৱাৰ লগতে ধৰ্মীয় আৰু সামাজিক সচেতনতা বৃদ্ধি পাইছিল। সেয়েহে প্ৰচলিত ধৰ্মীয় ৰীতি-নীতি, জাতিভেদ প্ৰথা আদিৰ প্ৰতি জনসাধাৰণৰ মনত বিৰূপ প্ৰতিক্ৰিয়া হৈছিল। এনেবোৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত লাহে লাহে ধৰ্মীয় বিশ্বাসৰ ক্ষেত্ৰত মানুহৰ মনৰ বহু সাল-সলনি ঘটিবলৈ ধৰিলে। তাৰ পটভূমিত কিছুমান নতুন নতুন মতবাদ আৰু ধৰ্মীয় চিন্তা-চৰ্চাই গা কৰি উঠিবলৈ ল'লে। এইবোৰে বৈদিক যাগ-যজ্ঞ, দান-দক্ষিণা, বলি-বিধান আদি জটিল ব্যৱস্থাৰ পৰিবৰ্তে সৰল, আধ্যাত্মিক আৰু নৈতিকতাৰ ওপৰত ভিত্তি কৰি মানুহক সাধাৰণ জীৱন-যাপনৰ প্ৰতি উৎসাহিত কৰিছিল। সৰ্বসাধাৰণ লোক এনে নতুন ভাবধাৰাৰ প্ৰতি যথেষ্ট আকৃষ্ট হৈছিল। খৃঃপূঃ ষষ্ঠ শতিকাত দুগৰাকী মনীষীৰ আবিৰ্ভাৱে ভাৰতীয় ধৰ্মীয় আৰু সামাজিক ব্যৱস্থাত এক গভীৰ ৰেখাপাত কৰে। ক্ষত্ৰিয় কুলত জন্ম হোৱা এই দুগৰাকী মনীষীয়েই হ'ল যথাক্ৰমে—জৈন ধৰ্মৰ প্ৰৱৰ্তক বৰ্দ্ধমান মহাবীৰ আৰু বৌদ্ধ ধৰ্মৰ প্ৰৱৰ্তক গৌতম বুদ্ধ।

এতিয়া এই ধৰ্ম দুটাৰ উত্থান আৰু প্ৰচাৰৰ বিষয়ে কিছু কথা আলোচনা কৰা যাওক।

## বৰ্দ্ধমান মহাবীৰ ঃ

খৃঃ পূঃ ষষ্ঠ শতিকাত ভাৰতত জৈন ধৰ্মৰ উত্থান হৈছিল। জৈন ধৰ্মৰ ধ্যান-ধাৰণা বা ভাবধাৰাবোৰ বহু আগৰে পৰাই আৰম্ভ হৈছিল। জৈন প্ৰবাদ মতে ২৪ জন তীৰ্থংকৰ বা ধৰ্ম প্ৰচাৰকে জৈন ধৰ্মৰ কথাবোৰ প্ৰচাৰ কৰিছিল। তেওঁলোকৰ প্ৰথমগৰাকীৰ নাম আছিল **ঋষভ** আৰু শেষ গৰাকী তীৰ্থংকৰ আছিল **বৰ্দ্ধমান মহাবীৰ**। মহাবীৰৰ দিনতে জৈন ধৰ্মৰ ধ্যান-ধাৰণাই ব্যাপক প্ৰচাৰ লাভ কৰে। সেয়েহে বৰ্দ্ধমান মহাবীৰকে জৈন ধৰ্মৰ প্ৰধান প্ৰৱৰ্তক বুলি জনা যায়। তেওঁৰ অনুগামীসকলক **জৈন ধৰ্মী** বুলি কোৱা হয়।



চিত্ৰ - ১৫.১ঃ মহাবীৰ

via Wikimedia Commons

বৰ্দ্ধমান মহাবীৰ কুন্দপুৰ নামৰ ঠাইৰ ক্ষত্ৰিয় গোষ্ঠীৰ দলপতি এজনৰ পুত্ৰ আছিল। কুন্দপুৰ বজ্জি সংঘৰাজ্য লিচ্চবীৰ অন্তৰ্গত। ক্ষত্ৰিয় ৰাজকুমাৰ হ'লেও মহাবীৰে সংসাৰৰ মায়া-মোহবোৰ ভাল পোৱা নাছিল। সেয়েহে ৩০ বছৰ বয়সতে ঘৰৰপৰা ওলাই গৈ সন্ন্যাসী জীৱন-যাপন কৰিছিল। সুদীৰ্ঘ ১২ বছৰ কাল তেওঁ কঠোৰ তপস্যাত নিমগ্ন হৈছিল। তপস্যাৰ অন্তত তেওঁ **'কৈৱল্য'** বা **'আত্মজ্ঞান'** লাভ কৰে। তেতিয়াৰপৰা তেওঁ **'সৰ্বজ্ঞ'** আৰু **'জিতেন্দ্ৰিয়'** হিচাপে জ্ঞাত হৈছিল। ইন্দ্ৰিয় জয় কৰিছিল কাৰণে তেওঁ 'জিন' উপাধি পাইছিল। সুদীৰ্ঘ ৩০ বছৰ কাল কোশল, মগধ, মিথিলা, বিদেহ, অংগ আদি বিভিন্ন ঠাইত জৈন ধৰ্ম প্ৰচাৰ কৰি ৭২ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰে।

## জৈন মতবাদ ঃ

জৈন ধৰ্মৰ মূল উপদেশবোৰ পাঁচটা নীতি শিক্ষাৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হৈছিল। এই নীতি শিক্ষা কেইটা হৈছে যথাক্ৰমে— **অহিংসা, সত্যবাদিতা, চুৰি নকৰা, ত্যাগ** আৰু **ব্ৰহ্মচৰ্য**। মহাবীৰে সংসাৰৰ সমস্ত মায়া, মোহ ত্যাগ কৰি দিগম্বৰ হৈ জীৱন-যাপন কৰাত জোৰ দিছিল। তেওঁৰ মতে এক সন্ন্যাসী জীৱনৰ মাজেদিহে আত্মাৰ পৱিত্ৰতাক ৰক্ষা কৰিব পাৰি। এক সহজ-সৰল আৰু সত্যৰ মাজেদি চলা জীৱন-যাত্ৰা প্ৰণালীয়ে আত্মাৰ পৱিত্ৰতাক সুনিশ্চিত কৰে। **সৎ কৰ্ম, সৎ জ্ঞান** আৰু **সৎ ব্যৱহাৰ** এই তিনিটা নীতি মানি চলিলে আত্মাই পুনৰ্জন্মৰ কষ্টৰপৰা ৰেহাই পায়। জৈন ধৰ্মই

**পুনৰ্জন্ম** আৰু **কৰ্মফলক** বিশ্বাস কৰে।

জৈন ধৰ্মমতে অহিংসাই মানৱ জীৱনৰ মূল নীতি। যাগ-যজ্ঞ, জাতিভেদ আৰু বলি বিধান এই ধৰ্মত নিষিদ্ধ। সেয়েহে জীৱ হিংসা বা প্ৰাণীৰ নিধন কাৰ্য জৈন ধৰ্মীসকলৰ পৰিপন্থী। সীমিত সম্পত্তি আৰু মিতব্যয়ী জীৱন নিৰ্বাহত জৈন ধৰ্মই গুৰুত্ব দিয়ে। এই ধৰ্মত দীক্ষিত প্ৰায়বোৰ লোকেই বেহা-বেপাৰ কৰি জীৱিকা নিৰ্বাহ কৰে।


**ক্ৰিয়াকলাপ ঃ**
জৈন ধৰ্ম মতাৱলম্বী লোকসকলৰ এটি উৎসৱৰ চমু বিৱৰণ দলত আলোচনা কৰি লিখা।

জৈন ধৰ্মৰ নীতি-নিয়মবোৰ কঠোৰ আছিল বাবে সেইবোৰ পালন কৰাটো সাধাৰণ লোকৰ বাবে কষ্টকৰ আছিল। সেয়েহে পৰৱৰ্তী কালত **শ্বেতাম্বৰ** নামেৰে জৈনসকলৰ আন এটা শাখাৰ সৃষ্টি হয়। আনহাতে মহাবীৰৰ অনুগামীসকল **দিগম্বৰ** নামে খ্যাত হয়। তথাপি প্ৰায় এশ বছৰ ধৰি ভাৰতৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উত্তৰ ভাৰত, গুজৰাট, তামিলনাডু, কৰ্ণাটক আদিত এই ধৰ্মই বিস্তৃতি লাভ কৰিছিল। মহাবীৰৰ বাণীসমূহ কিছু বছৰ ধৰি মৌখিকভাৱে জনসাধাৰণৰ মাজত প্ৰচাৰিত হৈছিল। পৰৱৰ্তী কালত মহাবীৰৰ বাণীসমূহ সৰ্বসাধাৰণ মানুহে বুজিব পৰাকৈ প্ৰাকৃত ভাষাত লিখা হৈছিল।

**জানি থওঁ আহা ঃ**
মহাবীৰৰ বাণীসমূহ পৰৱৰ্তী কালত চৈধ্যটা খণ্ডত সংগৃহীত কৰা হৈছিল। এইবোৰক '**পূৰ্ব**' বোলা হয়।

## গৌতম বুদ্ধ ঃ

কপিলাবস্তু নামৰ এখন ৰাজ্যৰ ৰাজপৰিয়ালত গৌতম বুদ্ধৰ জন্ম হৈছিল। তেওঁৰ ল'ৰালিকালৰ নাম আছিল **সিদ্ধাৰ্থ**। সিদ্ধাৰ্থ সৰুৰেপৰাই চিন্তাশীল আছিল। গতিকে ৰাজকাৰেঙৰ লাহ-বিলাহ, সুখ-সম্ভোগে তেওঁক সুখী কৰিব পৰা নাছিল। মাথোঁ ২৯ বছৰ বয়সত ৰাজকুমাৰ সিদ্ধাৰ্থই এদিন মাজৰাতি পুত্ৰ-পৰিবাৰক এৰি মানুহৰ সুখ-শান্তিৰ উপায় বিচাৰি ঘৰৰপৰা ওলাই আহিল। অৱশেষত বোধগয়া নামৰ ঠাইত তপস্যা কৰি **দিব্যজ্ঞান** লাভ কৰে আৰু এক মহান সত্যৰ কথা জগতক জনাবলৈ সমৰ্থ হ'ল। তেতিয়াৰ পৰা সিদ্ধাৰ্থ **বুদ্ধ** অৰ্থাৎ **পৰম- জ্ঞানী** বুলি খ্যাত হৈছিল। তেওঁ সকলো জীৱৰ প্ৰতি দয়া, অহিংসা আৰু সমাজৰ ভেদ-ভাৱ পাহৰি কেনেকৈ এক শুদ্ধ জীৱন-যাপন কৰিব পাৰি সেই কথা মানৱ জাতিক জনালে। তেওঁৰ উপলব্ধিখিনি মানুহৰ মাজত বিলাই এক নতুন মতবাদ প্ৰতিষ্ঠা কৰি গ'ল। সেই মতবাদ পৰৱৰ্তীকালত **বৌদ্ধ মতবাদ** নামেৰে সমগ্ৰ বিশ্বত জনাজাত হ'ল। বৌদ্ধ মতবাদসমূহ অনুসৰণ কৰা লোকসকলকে **বৌদ্ধ ধৰ্মাৱলম্বী** লোক হিচাপে জনা যায়।



*চিত্ৰ- ১৫.২ঃ গৌতম বুদ্ধ*
Bot: via Wikimedia Commons

**জানি থওঁ আহা ঃ**

- বুদ্ধদেৱৰ পিতৃৰ নাম শুদ্ধোধন আৰু মাতৃৰ নাম মায়াদেৱী। পত্নীৰ নাম গোপা বা যশোধৰা আছিল। যিজোপা আহত গছৰ তলত সিদ্ধাৰ্থই দিব্যজ্ঞান লাভ কৰিছিল সেই গছজোপা '**বোধিদ্ৰুম বৃক্ষ**' বুলি জনাজাত হৈছিল।
- কুশী বা কুশীনাৰা নামৰ ঠাইত ৮০ বছৰ বয়সত বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ হয়।
- গৌতম বুদ্ধৰ জন্ম, বুদ্ধত্বপ্ৰাপ্তি আৰু মহাপৰিনিৰ্বাণ ব'হাগ মাহৰ পূৰ্ণিমা তিথিতে ঘটিছিল। সেয়েহে, ব'হাগ মাহৰ পূৰ্ণিমাৰ দিনটো সমগ্ৰ বিশ্বই **বুদ্ধ পূৰ্ণিমা** হিচাপে পালন কৰি আহিছে।

**ক্ৰিয়াকলাপ ঃ**

(ক) মানচিত্ৰ চাই কপিলাবস্তু ভাৰতৰ কোন দিশে আৰু বৰ্তমান ই কোন দেশৰ অন্তৰ্ভুক্ত তাক নিৰ্ণয় কৰিব।

(খ) বোধগয়া আৰু লিচ্ছৱী বৰ্তমান ভাৰতৰ কোন ৰাজ্যৰ অন্তৰ্গত শিক্ষকৰ সহায়ত জানি ল'ব।

## বৌদ্ধ মতবাদ ঃ

গৌতম বুদ্ধই পৰম জ্ঞান লাভ কৰি জনসাধাৰণৰ মাজত যি বাণী বা মতবাদ প্ৰচাৰ কৰিছিল সেইবোৰ অতি সৰল আৰু সাধাৰণ শ্ৰেণীৰ মানুহৰ বাবে উপযোগী আছিল। তেওঁ কৈছিল যে এটা ভাল জীৱন-যাপন কৰিবৰ বাবে **বলি বিধান** বা **যাগ-যজ্ঞৰ** প্ৰয়োজন নাই। **জাতিভেদ** প্ৰথাৰো কোনো প্ৰয়োজন নাই। সৎ পথত থাকি এটা সহজ-সৰল জীৱনতহে মানুহে সুখ-শান্তি লাভ কৰিব পাৰে। সেই উদ্দেশ্যে তেওঁ চাৰিটা মহৎ সত্যৰ কথা কৈছিল। এই চাৰি সত্য হ'ল— (১) পৃথিৱীখন দুখময়, (২) মানুহৰ আশা-আকাংক্ষাৰপৰা দুখ উৎপত্তি হয়, (৩) আশা-আকাংক্ষা দমন কৰি ৰাখিলে মুক্তি সম্ভৱ হয় আৰু (৪) সেই মুক্তিৰ বাবে **অষ্টাংগিক মাৰ্গ** বা আঠটা পথ অনুসৰণৰ প্ৰয়োজন আছে। এই অষ্টাংগিক মাৰ্গৰ উপৰি তেওঁ কিছুমান নৈতিক উপদেশ দাঙি ধৰিছিল। এই উপদেশবোৰ তেওঁৰ ধৰ্মমতৰ এক অংশ আছিল। হিংসা-বিদ্বেষ, ব্যভিচাৰ, মদ্যপান আৰু মিছা কথা কোৱাৰপৰা দূৰত থকাৰ কথা তেওঁ কৈছিল। বুদ্ধৰ মতে এই নীতিসমূহ মানি চলিলে মানুহৰ জীৱন সুন্দৰ হোৱাৰ উপৰি নিৰ্বাণ লাভৰ বাট মুকলি হয়।

**জানি থওঁ আহা —**

অষ্টাংগিক মাৰ্গ হ'ল - সৎ চিন্তা, সৎ সিদ্ধান্ত, সৎ বাক্য, সৎ আচৰণ, সৎ কৰ্ম, সৎ চেষ্টা, সৎ স্মৃতি আৰু সৎ ধ্যান।


বুদ্ধদেৱৰ এই মতবাদসমূহে সমাজক নিকা কৰি ৰাখি বন্ধুত্বপূৰ্ণ ভাব গঢ়ি তোলাৰ উপৰি জাতিভেদ প্ৰথাৰ ভেদাভেদৰ পৰা মানুহক মুক্তি দিছিল। মানুহৰ নৈতিক আচৰণ বৃদ্ধি কৰি এক সহজ-সৰল জীৱন-যাপন কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। সৰ্বসাধাৰণ মানুহে বুজিব পৰাকৈ বুদ্ধৰ এই বাণীসমূহ মৌখিকভাৱে **পালি ভাষাত** প্ৰচাৰ কৰা হৈছিল। বুদ্ধদেৱৰ মৃত্যুৰ পাছত তেওঁৰ শিষ্যসকলে এই বাণীসমূহ সংগ্ৰহ কৰি পুথিৰ আকাৰত প্ৰকাশ কৰিছিল। ইয়াক **'ত্ৰিপিটক'** নামেৰে জনা যায়। 'ত্ৰিপিটক' বৌদ্ধধৰ্মৰ মূল ধৰ্মপুথি। ত্ৰিপিটক পালি ভাষাত ৰচিত হৈছিল। বৌদ্ধধৰ্মৰ উপাসকসকল পাছলৈ দুটা ভাগত বিভক্ত হৈছিল। এই ভাগ দুটা হ'ল **হীনযান** আৰু **মহাযান**।

**জানি থওঁ আহা ঃ**

- বিনয় পিটক, সুত্ত পিটক, অভিধম্ম পিটক এই তিনি গ্ৰন্থৰ সমষ্টিয়েই হ'ল 'ত্ৰিপিটক'। বিনয় পিটকত বৌদ্ধ ভিক্ষুসকলে বৌদ্ধ বিহাৰত মানি চলিবলগীয়া বিধিসমূহ, সুত্ত পিটকত বুদ্ধৰ উপদেশসমূহ আৰু অভিধম্ম পিটকত বৌদ্ধ মতবাদৰ দাৰ্শনিক কথাসমূহৰ ব্যাখ্যা আছে।
- প্ৰাকৃত ভাষা হ'ল সেই সময়ত সৰ্বসাধাৰণ মানুহৰ ব্যৱহৃত ভাষা। পালি ভাষা আদি প্ৰাকৃতত পৰে।

## বৌদ্ধ ধৰ্ম প্ৰচাৰ ঃ

বুদ্ধদেৱে তেওঁৰ মতবাদসমূহ প্ৰথমে বাৰাণসীৰ ওচৰৰ **সাৰনাথত** প্ৰচাৰ কৰে। সাৰনাথত পোন প্ৰথমে তেওঁৰ মতবাদসমূহ পাঁচজন লোকক শুনাইছিল। পাছলৈ বুদ্ধদেৱে ভাৰতৰ বিভিন্ন ঠাইলৈ গৈ তেওঁৰ মতবাদসমূহ মানুহৰ মাজত বিলাইছিল। ধৰ্মৰ কথা বা মতবাদসমূহ প্ৰচাৰ কৰিবলৈ বৌদ্ধ সংঘ আৰু বৌদ্ধ বিহাৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ মতবাদত দীক্ষিত হ'বলৈ এটা সহজ উপায় দিয়া হৈছিল। সেয়া হ'ল তিনিটা মন্ত্ৰৰ উচ্চাৰণ। মন্ত্ৰকেইটা হ'ল



*চিত্ৰ - ১৫.৩ঃ সাৰনাথৰ স্তুপ,*
*(এই সাৰনাথৰ স্তুপৰপৰাই গৌতম বুদ্ধই পোন প্ৰথমে তেওঁৰ বাণীসমূহ প্ৰচাৰ কৰিছিল)*

Src via Wikimedia Commons

(১) **বুদ্ধং শৰণম গচ্ছামি**, (২) **সঙ্ঘং শৰণম গচ্ছামি আৰু** (৩) **ধৰ্মং শৰণম** গচ্ছামি। এই তিনিটা মন্ত্ৰ মুক্ত কণ্ঠে উচ্চাৰণ কৰি যিকোনো মানুহে বুদ্ধৰ অনুগামী হ'ব পাৰে। বৌদ্ধ সংঘবোৰত বুদ্ধৰ বাণীসমূহ চৰ্চা কৰাৰ লগতে অন্যান্য শৈক্ষিক-সাংস্কৃতিক বিকাশৰ দিশ সমূহো আলোচনা কৰা হৈছিল। বৌদ্ধ ভিক্ষু-ভিক্ষুণীসকলে বিভিন্ন প্ৰান্তলৈ গৈ এই বাণীসমূহ প্ৰচাৰ কৰিছিল। অৱশ্যে বাৰিষা কালত প্ৰচাৰ অভিযানত বাধা জন্মাৰ বাবে তেওঁলোকে পাহাৰৰ দাঁতিত নিৰ্জন ঠাইত গৃহ নিৰ্মাণ কৰি ইয়াৰ চৰ্চা কৰিছিল। এইবোৰক **বৌদ্ধ বিহাৰ** বোলা হয়। এইবোৰলৈ দেশ-বিদেশৰ বহুতো লোকৰ আগমন ঘটিছিল। পাছলৈ পাহাৰৰ গুহা কাটি স্থায়ীভাৱে এইবোৰ নিৰ্মাণ কৰা হৈছিল। এই বৌদ্ধ বিহাৰবোৰ শেষলৈ একোখন ডাঙৰ ডাঙৰ শিক্ষানুষ্ঠানত পৰিণত হৈছিল। উদাহৰণ স্বৰূপে **নালন্দা**, **তক্ষশীলা**, **বিক্ৰমশীলা**, **উদন্তপুৰ** আদি। এই শিক্ষানুষ্ঠানবোৰৰ মাধ্যমেদি ভাৰতত **গণ শিক্ষাৰ** পাতনি মেলা হৈছিল বুলি ধাৰণা কৰা হৈছে।



*চিত্ৰ - ১৫.৪ঃ বৌদ্ধ বিহাৰ*

Src via Wikimedia Commons

পৰৱৰ্তী সময়ত বিম্বিসাৰ, অশোক, কনিষ্ক, হৰ্ষবৰ্ধন আদি ৰজাসকলে বৌদ্ধ ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল। এইসকল ৰজাই বৌদ্ধ ধৰ্ম প্ৰচাৰৰ হকে বহুতো কাৰ্যসূচী হাতত লৈছিল। বিভিন্ন ঠাইত স্থায়ীভাৱে বৌদ্ধ মঠ-মন্দিৰ নিৰ্মাণ কৰাৰ উপৰি এইবোৰত বুদ্ধৰ বাণী আৰু বৌদ্ধ চিত্ৰ শিল্প অংকিত কৰিছিল। ইয়াৰ কিছুসংখ্যক আজিও ভাৰতৰ বিভিন্ন ঠাইত অক্ষত অৱস্থাত আছে। ইয়াৰ উপৰি তেওঁলোকে নিজ ৰাজ্যত 'বৌদ্ধ মহামেল' আয়োজন কৰি তালৈ দেশ-বিদেশৰ বহুতো গুণী-জ্ঞানী, দাৰ্শনিক পণ্ডিতক আমন্ত্ৰণ কৰি আনি ধৰ্ম চৰ্চা কৰিছিল।

**জানি থোৱা ভাল ঃ**

- তোমালোকে হয়তো জানি আচৰিত হ'বা যে যদিও বৌদ্ধ ধৰ্মই ভাৰতত জন্ম লাভ কৰিছিল, তথাপি এই দেশৰ সীমিত সংখ্যক লোকহে এই ধৰ্মাৱলম্বী। কিন্তু চীন, জাপান, কোৰিয়া, শ্ৰীলংকা, থাইলেণ্ড আদিকে প্ৰমুখ্য কৰি দক্ষিণ-পূব এছিয়াৰ অধিকাংশ দেশত বৌদ্ধ ধৰ্ম বৰ্তমানলৈ যথেষ্ট জনপ্ৰিয়।
- আমাৰ ৰাজ্যখনত বৌদ্ধ ধৰ্মাৱলম্বী লোক আৰু বৌদ্ধ ধৰ্মৰ প্ৰভাৱ সীমিত হ'লেও একেবাৰে নথকা নহয়। বিশেষকৈ উজনি অসমৰ শ্যাম, আইতনীয়া, চিংফৌ, খামতি আৰু ফাকিয়াল আদি জনগোষ্ঠীৰ লোকসকল আজিও বৌদ্ধ ধৰ্মৰ উপাসক। আমাৰ চুবুৰীয়া ৰাজ্য অৰুণাচলতো এই ধৰ্মৰ যথেষ্ট প্ৰভাৱ দেখিবলৈ পোৱা যায়।

**মনত ৰাখিবলগীয়া কথা ঃ**

- ➢ জাতিভেদ বা বৰ্ণ প্ৰথাই পৰৱৰ্তী বৈদিক যুগত সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত মানুহৰ মনত সংঘাতৰ সৃষ্টি কৰিছিল।
- ➢ সুদীৰ্ঘ বাৰ বছৰ তপস্যাৰ অন্তত মহাবীৰে কৈৱল্য অৰ্থাৎ জ্ঞানৰ মুক্তিৰ সন্ধান পাইছিল।
- ➢ পাঁচটা নীতি শিক্ষাৰ ওপৰত ভিত্তি কৰি জৈন মতবাদ গঢ়ি উঠিছিল।

- জৈন ধৰ্মৰ দুটা শাখা দিগম্বৰ আৰু শ্বেতাম্বৰ।
- গৌতম বুদ্ধই বোধগয়াত 'দিব্য জ্ঞান' লাভ কৰিছিল।
- গৌতম বুদ্ধই যাগ-যজ্ঞ, বলি বিধান, দান-দক্ষিণা আদিৰ পৰিবৰ্তে সহজ-সৰল ধাৰ্মিক জীৱন যাপনত গুৰুত্ব দিছিল।
- বৌদ্ধ সংঘ আৰু বৌদ্ধ বিহাৰবোৰে বৌদ্ধ ধৰ্ম প্ৰচাৰত আগভাগ লৈছিল।
- বৌদ্ধ আৰু জৈন ধৰ্মৰ বাণীসমূহ সাধাৰণ মানুহে বুজি পোৱাকৈ পালি ভাষাত প্ৰচাৰ কৰা হৈছিল।
- উজনি অসমত এতিয়াও কিছু কিছু জনগোষ্ঠী বৌদ্ধ ধৰ্মাৱলম্বী।

**অনুশীলনী ঃ**

(১) উত্তৰ লিখা—

(ক) কি কি কাৰণত পৰৱৰ্তী বৈদিক কালত ভাৰতীয় মানুহৰ মনত নতুন ভাবধাৰা গঢ়ি উঠিছিল?

(খ) জৈন ধৰ্মৰ মূল নীতি শিক্ষা কেইটা কি কি?

(গ) জৈন ধৰ্ম ভাৰতৰ কোন কোন ঠাইত বিস্তৃত হৈছিল?

(ঘ) গৌতম বুদ্ধৰ ধৰ্মৰ প্ৰতি মন ঢাল খোৱাৰ মূলতে কি আছিল?

(ঙ) কিহৰ ওপৰত ভিত্তি কৰি বৌদ্ধ মতবাদ গঢ়ি উঠিছিল?

(চ) বৌদ্ধ বিহাৰবোৰৰ কাম কি আছিল?

(ছ) পৰৱৰ্তী সময়ত ৰজাসকলে বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে কি কি ব্যৱস্থা হাতত লৈছিল?

(২) সত্য অসত্য নিৰূপণ কৰা —

(ক) জৈন ধৰ্মই কৰ্মফল আৰু পুনৰ্জন্ম বিশ্বাস কৰে।

(খ) বুদ্ধদেৱে বলি বিধানত বেছি গুৰুত্ব দিছিল।

(গ) বুদ্ধদেৱে সাৰনাথত দিব্য জ্ঞান লাভ কৰিছিল।

(ঘ) বৌদ্ধ সংঘবোৰত বুদ্ধৰ বাণীসমূহ চৰ্চা কৰা হৈছিল।

(ঙ) সকলো বয়সৰ লোকে বৌদ্ধসংঘৰ সদস্য হ'ব পাৰিছিল।

(৩) চমুকৈ উত্তৰ লিখা—

(ক) ক্ষত্ৰিয়সকলে কিয় ব্ৰাহ্মণৰ সমমৰ্যাদা দাবী কৰিছিল?

(খ) মহাবীৰে কিয় 'জিন' উপাধি পাইছিল?

(গ) জৈন ধৰ্মৰ ভাগ দুটাৰ নাম কি কি?

(ঘ) বুদ্ধদেৱে প্ৰথম ক'ত ধৰ্ম প্ৰচাৰ কৰিছিল?

(ঙ) বৌদ্ধ ধৰ্মৰ মূল মতবাদ কি আছিল?

(৪) বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ মাজৰ মিলখিনিৰ এখন তালিকা বনোৱা।

(৫) 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| (ক) ত্ৰিপিটক | বৌদ্ধ ধৰ্মগ্ৰন্থ। |
| (খ) কুশীনাৰা | বৌদ্ধ মতবাদ প্ৰথমে প্ৰচাৰ কৰা ঠাই। |
| (গ) কৈৱল্য | মহাবীৰৰ জন্মস্থান। |
| (ঘ) কুন্দপুৰ | জৈন ধৰ্মগ্ৰন্থ। |
| (ঙ) পূৰ্ব | বুদ্ধদেৱৰ জন্মস্থান। |
| (চ) সাৰনাথ | তপস্যাৰ অন্তত মহাবীৰে লাভ কৰিছিল। |
| (ছ) কপিলাবস্তু | বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ ঠাই। |

**************

# পাঠ নং ১৬
# মৌৰ্য সাম্ৰাজ্য

3R22IM

**শিকনৰ ফলাফল ঃ**

- মৌৰ্য সাম্ৰাজ্যৰ উত্থান আৰু ইয়াৰ ইতিহাসৰ উৎসসমূহৰ বিষয়ে জানিব পাৰিব।
- মৌৰ্য সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজত্বকালৰ বিষয়ে জানিব পাৰিব।
- কৌটিল্য আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ বিষয়ে থূল-মূলভাৱে অৱগত হ'ব।
- মৌৰ্যসকলৰ অৱদান সম্পৰ্কে আভাস পাব।
- মহামতি অশোক আৰু তেওঁৰ নীতিসমূহৰ বিষয়ে জানিব পাৰিব।

উত্তৰ ভাৰতত মহাজনপদসমূহৰ পতনৰ পাছত ৰাজনৈতিক অস্থিৰতাই দেখা দিছিল। তেনে অস্থিৰ অৱস্থা চম্ভালি ল'বলৈ কোনো ৰাজবংশও নাছিল। পিছে আনুমানিক ৩২৪ খ্ৰীঃ পূঃত চন্দ্ৰগুপ্ত মৌৰ্য নামৰ ৰজা এজনে মগধত এটি নতুন ৰাজবংশ প্ৰতিষ্ঠা কৰে। ইতিহাসত এই বংশটোৱে **মৌৰ্য ৰাজবংশ** নামে পৰিচিত। মৌৰ্য ৰাজবংশৰ ৰাজত্বকালতে মগধক কেন্দ্ৰ কৰি এখন সাম্ৰাজ্য গঢ়ি উঠিছিল। মৌৰ্য সাম্ৰাজ্যৰ উত্থানৰ যথেষ্ট ঐতিহাসিক তাৎপৰ্য আছে। কিয়নো মৌৰ্য সাম্ৰাজ্যই হৈছে ভাৰতৰ প্ৰথম ঐতিহাসিক সাম্ৰাজ্য আৰু এই ৰাজবংশৰ প্ৰতিষ্ঠাতা চন্দ্ৰগুপ্ত মৌৰ্যই হ'ল ভাৰতৰ প্ৰথম গৰাকী ঐতিহাসিক সম্ৰাট। এই সাম্ৰাজ্যৰ উত্থান সম্পৰ্কে আমি বিভিন্ন সমলৰপৰা জানিব পাৰোঁহক। সেইবোৰ হ'ল কৌটিল্য ৰচিত অৰ্থশাস্ত্ৰ, মেগাস্থিনিচৰ ইণ্ডিকা নামৰ পুথি, বৌদ্ধ আৰু জৈন সাহিত্য, মুদ্ৰা ইত্যাদি। ইয়াৰ উপৰি মৌৰ্য সম্ৰাট অশোকৰ শিলালিপি, স্তম্ভলিপি, মৌৰ্য যুগৰ স্থাপত্য-ভাস্কৰ্যৰ ধ্বংসাৱশেষ আদিৰপৰাও মৌৰ্য ৰাজত্বকালৰ সবিশেষ বিৱৰণ পাব পাৰি। এই সমলবোৰক থোৰতে আমি দুটা ভাগত ভাগ কৰিব পাৰোঁ। সেইবোৰ হ'ল— (ক) লিখিত সমল আৰু (খ) প্ৰত্নতাত্ত্বিক সমল।

মৌৰ্যসকলনো কোন, এই বংশৰ উল্লেখযোগ্য ৰজাসকল কোন কোন আছিল এই বিষয়ে কিছু কথা জানি লোৱা ভাল।

## চন্দ্ৰগুপ্ত মৌৰ্য (খ্ৰীঃ পূঃ ৩২৪— খ্ৰীঃ পূঃ ৩০০)

মৌৰ্যসকলৰ প্ৰকৃত পৰিচয় সম্পৰ্কে ইতিহাসবিদসকলৰ মাজত ভিন ভিন মত আছে। সদ্যহতে এইটোকে জানি লোৱা যে চন্দ্ৰগুপ্তৰ মাতৃৰ নাম **'মুৰা'** আছিল। মাতৃৰ নাম অনুসৰি চন্দ্ৰগুপ্তই প্ৰতিষ্ঠা কৰা ৰাজবংশটোৰ নাম মৌৰ্য বংশ হয়। চন্দ্ৰগুপ্ত মৌৰ্যক সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা কাৰ্যত চাণক্য নামৰ ব্ৰাহ্মণ পণ্ডিত এজনে সহায় কৰিছিল। তেওঁক **কৌটিল্য** অথবা **বিষ্ণুগুপ্ত** নামেৰেও জনা যায়।

চন্দ্ৰগুপ্তৰ আদি কালছোৱাৰ বিষয়ে বিতংকৈ জানিব পৰা নাযায়। কিন্তু এটা কথাত সকলোৱে একমত যে চন্দ্ৰগুপ্ত কোনো সম্ভ্ৰান্ত পৰিয়ালৰ লোক নাছিল। সেয়েহে নিজকে পাটলিপুত্ৰত প্ৰতিষ্ঠা কৰিবলৈ তেওঁ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল।

কাষৰ মানচিত্ৰখনলৈ মন কৰাচোন। চন্দ্ৰগুপ্ত মৌৰ্য এই বিশাল সাম্ৰাজ্যখনৰ গৰাকী আছিল। মানচিত্ৰত দেখা ঠাইসমূহৰ ভিতৰৰ এটি অংশ যেনে- কাবুল, কান্দাহাৰ, হীৰাট, বেলুচিস্থান আদি অঞ্চলসমূহ চন্দ্ৰগুপ্ত মৌৰ্যই গ্ৰীক ৰজা চেলুকচৰ পৰাজিত কৰিছিল। এই ঠাইসমূহ সেই সময়ত বৰ চহকী আছিল। চন্দ্ৰগুপ্ত মৌৰ্যই নিজ সাম্ৰাজ্যখন অৰ্থনৈতিকভাৱে টনকিয়াল কৰাটো এই অঞ্চলসমূহ জয় কৰাৰ আন এটি উদ্দেশ্য আছিল।




চন্দ্ৰগুপ্ত মৌৰ্যই তেওঁৰ এই বিশাল সাম্ৰাজ্যখন কিদৰে পৰিচালনা কৰিব এই বিষয়ে বিশদ চিন্তা-চৰ্চা কৰিছিল আৰু সেই অনুসৰি ব্যৱস্থাও হাতত লৈছিল। উল্লেখ আছে যে এই বিশাল সাম্ৰাজ্যখন শাসন কৰিবৰ বাবে চন্দ্ৰগুপ্ত মৌৰ্যই চাৰিখন প্ৰদেশত ভাগ কৰিছিল। একোজন ৰাজপ্ৰতিনিধিৰ দ্বাৰা এই প্ৰদেশবোৰ পৰিচালনা কৰা হৈছিল। প্ৰদেশবোৰক আকৌ জিলাত ভাগ কৰা হৈছিল। ৰাজধানী পাটলিপুত্ৰ নগৰখন ৩০ জনীয়া সদস্যৰ এখন পৌৰসভাৰ সহায়ত পৰিচালনা কৰিছিল। এই পৌৰসভাত ৬ খন উপ-সমিতি আছিল। এই উপ-সমিতিৰ বিষয়বোৰ আছিল— জন্ম-মৃত্যুৰ হিচাপ ৰখা, বাণিজ্য দ্ৰব্যৰ মূল্য নিৰ্ধাৰণ কৰা, জোখ-মাখ নিয়ন্ত্ৰণ কৰা, বেচা-কিনাৰ ওপৰত কৰ লগোৱা, বিদেশী নাগৰিকৰ হিচাপ ৰখা আৰু শ্ৰম-শিল্প নিৰীক্ষণ কৰা ইত্যাদি।

**জানি থওঁ আহা ঃ**

ভাৰতৰ ইতিহাসত পৌৰসভা গঠন কৰা প্ৰথমগৰাকী শাসক হ'ল সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্য।

চন্দ্ৰগুপ্তৰ দিনতেই তক্ষশীলাৰপৰা পাটলিপুত্ৰলৈ এটি ডাঙৰ আলিবাট বন্ধোৱা হৈছিল। সাম্ৰাজ্যৰ নিৰাপত্তা আৰু যোগাযোগৰ বাবে এই আলিবাটটো অতিশয় গুৰুত্বপূৰ্ণ আছিল। তেওঁৰ শাসনকালত সাম্ৰাজ্যৰ বিভিন্ন ঠাইত হ্ৰদ, জলাশয় খন্দাই কৃষিৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা কৰিছিল। বৰ্তমান গুজৰাট ৰাজ্যৰ অন্তৰ্গত সুদৰ্শন হ্ৰদ তেওঁৰ শাসনকালৰ উৎকৃষ্ট নিদৰ্শন।

**ক্ৰিয়াকলাপ ঃ**

(ক) ওপৰৰ মানচিত্ৰখন পৰ্যবেক্ষণ কৰি মৌৰ্য সাম্ৰাজ্যৰ অধীনস্থ বিখ্যাত ঠাইসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

(খ) বৰ্তমান ভাৰতত নথকা কিন্তু মৌৰ্য সাম্ৰাজ্যৰ সময়ত থকা স্থানসমূহ মানচিত্ৰৰ সহায়ত বাছি উলিওৱা।

## কৌটিল্যৰ অৰ্থশাস্ত্ৰ ঃ

প্ৰাচীন ভাৰতত ৰচিত এখন উল্লেখযোগ্য পুথি হ'ল **কৌটিল্যৰ অৰ্থশাস্ত্ৰ**। চাণক্য বা কৌটিল্য নামৰ ব্ৰাহ্মণ পণ্ডিত এজনে অৰ্থশাস্ত্ৰ পুথিখন লিখিছিল। এই পুথিত সেই সময়ৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, প্ৰতিৰক্ষা আদিৰ বিষয়ে বহুতো উপদেশ আছে। মৌৰ্য সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্যৰ দিনৰপৰা মৌৰ্য সাম্ৰাজ্যৰ দ্বিতীয় সম্ৰাট বিন্দুসাৰৰ দিনলৈকে কৌটিল্যই ৰাজপ্ৰাসাদৰ এজন উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। কৌটিল্যই শাসনকাৰ্যৰ বিভিন্ন দিশত আগবঢ়োৱা নীতিসমূহ 'অৰ্থশাস্ত্ৰ' নামৰ কিতাপখনত সন্নিবিষ্ট কৰিছে। কৌটিল্যই মৌৰ্য সাম্ৰাজ্যখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন উৎসৰপৰা কৰ-কাটল সংগ্ৰহ কৰা নীতিসমূহ এই অৰ্থশাস্ত্ৰত উল্লেখ কৰিছে। উদাহৰণস্বৰূপে, কৃষকসকলৰ খেতিৰ উপাৰ্জনৰ অংশৰপৰা, ব্যৱসায়-বাণিজ্যৰপৰা আৰু পশুপালকসকলৰপৰা ৰাজহ সংগ্ৰহ কৰা হৈছিল। অৰ্থশাস্ত্ৰত মাটি বা ভূমি কৰ, জলসিঞ্চনৰ কৰ, বনজ সম্পদসমূহৰ কৰ, কাৰখানাৰপৰা উৎপাদিত সামগ্ৰীসমূহৰপৰা কৰ সংগ্ৰহ কৰাৰ কথাও ইয়াত উল্লেখ আছে। এইবোৰৰ ফলত সেই সময়ত মৌৰ্য সাম্ৰাজ্য এখন শক্তিশালী সাম্ৰাজ্য হিচাপে পৰিগণিত হৈছিল। সেই কাৰণে 'অৰ্থশাস্ত্ৰ' এখন উৎকৃষ্ট গ্ৰন্থ আৰু কৌটিল্যক নিঃসন্দেহে অৰ্থনীতিৰ এজন প্ৰবাদ পুৰুষ হিচাপে আখ্যা দিয়া হয়।

## মহামতি অশোক (আনুমানিক খ্ৰীঃ পূঃ ২৭৩- খ্ৰীঃ পূঃ ২৩২ ) ঃ

ছাত্ৰ-ছাত্ৰীসকল, আমাৰ দেশৰ মুদ্ৰাৰ এপিঠিত চাৰিটা সিংহ পিঠীয়া-পিঠিকৈ থকা ছবিটো নিশ্চয় দেখিছা? এই চিহ্নটো সাৰনাথৰ অশোক স্তম্ভৰপৰা লোৱা হৈছে। এই চিহ্নটোৰ তলত এটি চক্ৰ দেখিছানে? এইটোক **অশোক চক্ৰ বা ধৰ্ম চক্ৰ** বুলি কোৱা হয়। আমাৰ জাতীয় পতাকাৰ মাজতো এই চক্ৰটো আছে। সাৰনাথৰ এই অশোক স্তম্ভ মৌৰ্য সম্ৰাট অশোকে নিৰ্মাণ কৰিছিল। অশোক ভাৰতবৰ্ষৰ এজন প্ৰখ্যাত ৰজা আছিল। তেওঁক মহামতি অশোক নামেৰেও জনা যায়। চন্দ্ৰগুপ্ত মৌৰ্যৰ পাছত মৌৰ্য বংশৰ তেৰেঁই উল্লেখযোগ্য সম্ৰাট।



*চিত্ৰ - ১৬.১ঃ অশোক*

অশোকে প্ৰায় ৪৩ বছৰ কাল ৰাজত্ব কৰিছিল। পূৰ্বৰ মৌৰ্য সম্ৰাটসকলৰ দৰে অশোকেও প্ৰথমতে ৰাজ্য বিস্তাৰ কৰাত মনোযোগ দিছিল। অশোকে দক্ষিণ ভাৰতৰ পূব উপকূলত অৱস্থিত কলিংগ ৰাজ্য আক্ৰমণ কৰি দখল কৰিছিল। এই কলিংগ ৰাজ্য বেহা-বেপাৰৰ দিশৰপৰা যথেষ্ট গুৰুত্বপূৰ্ণ অঞ্চল আছিল। কিন্তু কলিংগ যুদ্ধত হাজাৰ হাজাৰ মানুহৰ মৃত্যুৰ বিভীষিকাই সম্ৰাট অশোকক মৰ্মাহত কৰি তুলিছিল। এই যুদ্ধৰ পাছৰপৰাই এইজনা সম্ৰাটে যুদ্ধ জয়ৰ পৰিৱৰ্তে মানুহৰ অন্তৰ জয় কৰিবলৈ প্ৰতিজ্ঞা কৰে। তেওঁ **উপগুপ্ত** নামৰ বৌদ্ধ সন্ন্যাসী এজনৰ ওচৰত দীক্ষা লয় আৰু বৌদ্ধ ধৰ্ম গ্ৰহণ কৰে। বৌদ্ধ ধৰ্ম গ্ৰহণৰ পাছত অশোকে 'শান্তি-সম্প্ৰীতি' পূৰ্ণ সমাজ এখন গঢ়াৰ বাবে চেষ্টা কৰে।




*চিত্ৰ - ১৬.২ঃ অশোক স্তম্ভ*


Tws: via Wikimedia Commons

সিপিঠিৰ মানচিত্ৰত সম্ৰাট অশোকৰ ৰাজত্বকালত মৌৰ্য সাম্ৰাজ্যৰ আনুমানিক বিস্তৃতি দেখুওৱা হৈছে। তাত তোমালোকে কলিংগ ৰাজ্যৰ অৱস্থিতি জানি ল'বা।

### অশোকৰ ধৰ্ম্ম ঃ




অশোকে সকলো ধৰ্ম আৰু সম্প্ৰদায়ৰ প্ৰজাৰ মাজত শান্তি আৰু সম্প্ৰীতি বজাই ৰাখিবলৈ কিছুমান নৈতিক নীতি নিৰ্ধাৰণ কৰিছিল। এই নীতিবোৰক অশোকৰ 'ধম্ম' বুলি জনা যায়। ধম্মৰ আদৰ্শবোৰ প্ৰচাৰ কৰিবলৈ অশোকে কিছুমান কাম হাতত লৈছিল। সৰ্বসাধাৰণ ৰাইজে বুজিব পৰাকৈ তেওঁ ধম্মৰ বাণী সমূহ স্তম্ভ আৰু শিলত **'পালি'** আৰু **'প্ৰাকৃত'** ভাষাত লিখাইছিল। শিলালিপিত দুই ধৰণৰ লিপি ব্যৱহাৰ কৰিছিল। ৰাজ্যৰ পশ্চিম অংশত **খৰোষ্ঠী** আৰু পূব অংশত **ব্ৰাহ্মী** লিপিৰ প্ৰচলন আছিল।



*চিত্ৰ - ১৬.৩(ক) ঃ ব্ৰাহ্মী লিপি*

via Wikimedia Commons



*চিত্ৰ - ১৬.৩(খ) ঃ খৰোষ্ঠী লিপি*

via Wikimedia Commons

**জানি থওঁ আহা**

- 'খৰোষ্ঠী' আৰু 'ব্ৰাহ্মী' হ'ল প্ৰাচীন ভাৰতৰ দুবিধ লিপি। খৰোষ্ঠী লিপিত সোঁফালৰপৰা বাঁওফাললৈ আৰু ব্ৰাহ্মী লিপিত বাঁওফালৰপৰা সোঁফাললৈ লিখা হয়।
- ব্ৰাহ্মী বৰ্ণমালাৰ পৰাই সময়ত দেৱনাগৰী, অসমীয়া, বাংলা, উড়িয়া আদি বৰ্ণমালাৰ সৃষ্টি হৈছে।

সম্ৰাট অশোকৰ সময়ত সাম্ৰাজ্যৰ কিছু কিছু অঞ্চলত প্ৰজাই সুকীয়া সুকীয়া নীতি-নিয়ম, যাগ-যজ্ঞ আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠান পালন কৰিছিল। দাস আৰু ভৃত্যসকলক সেই সময়ত সমাজত হেয়জ্ঞান কৰা হৈছিল। সম্ৰাট অশোকে সেইবোৰৰ নিৰাময়ৰ বাবে জনসাধাৰণক কিছুমান নীতি পালন কৰিবলৈ উপদেশ দিছিল। তেওঁ নিজেও সকলো প্ৰজাকে পুত্ৰবৎ জ্ঞান কৰিছিল।

**জানি থওঁ আহা**

অশোকে জনসাধাৰণক পালন কৰিবলৈ দিয়া নীতিসমূহ হ'ল—

⇨ শান্ত আৰু নম্র হোৱা, দাস আৰু ভৃত্যসকলৰ প্রতি সদ্ব্যৱহাৰ কৰা।

⇨ পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনক সম্মান কৰা।

⇨ কাকো হিংসা নকৰা আৰু সকলো প্রাণীকে দয়া কৰা।

⇨ ব্রাহ্মণ, ভিক্ষুসকলক দান-দক্ষিণা কৰা।

⇨ আন ধৰ্মক ঘৃণা নকৰা, আন ধৰ্মৰ মূল আদৰ্শসমূহক শ্রদ্ধা কৰা।

সম্রাট অশোকে তেওঁৰ সাম্রাজ্যখনৰ উপৰি দক্ষিণ-পূব এছিয়াৰ কেইবাখনো দেশত বৌদ্ধ ধৰ্ম প্রচাৰৰ দিহা কৰিছিল। ইয়াৰ বাবে তেওঁ **'ধম্ম মহামাত্র'** নামৰ একশ্রেণীৰ বিষয়া নিয়োগ কৰিছিল। আনকি এই ধৰ্ম প্রচাৰৰ বাবে তেওঁ পুতেক মহেন্দ্র আৰু জীয়েক সংঘমিত্রাকো সিংহল দ্বীপলৈ পঠাইছিল। ইয়াৰ উপৰি তেওঁ ভাৰতৰ কেইবা ঠাইতো বৌদ্ধ মঠ, স্তূপ আৰু স্তম্ভ সজাইছিল। তেওঁৰ পৃষ্ঠপোষকতাতে পাটলিপুত্রত (বৰ্তমান পাটনা) তৃতীয় বৌদ্ধ মহামেলৰ আয়োজন কৰা হৈছিল। এখন বিশাল সাম্রাজ্যৰ অধিপতি হৈয়ো সন্ন্যাসীৰ দৰে জীৱন-যাপন কৰা বাবে ইতিহাসত তেওঁক **'ৰাজৰ্ষি অশোক'** বুলি জনা যায়।

**জানি থওঁ আহা ঃ**

বৰ্তমানৰ শ্রীলংকাক সেই সময়ত সিংহল নামে জনা গৈছিল।

সম্রাট অশোক আধুনিক **কল্যাণকামী ৰাষ্ট্ৰ** ধাৰণাৰ প্রৱর্তক আছিল। তেওঁ প্রজাৰ সুবিধাৰ বাবে আলিবাট বন্ধাইছিল। আলিবাটৰ কাষে কাষে গছ ৰোৱা, পুখুৰী খন্দা, বাটৰুৱাৰ বাবে জিৰণি ঘৰ সজা আদি কামবোৰ কৰিছিল। বৰ্তমানৰ সামাজিক বনানীকৰণৰ ধাৰণা অশোকৰ দিনতে পাতনি মেলা হৈছিল বুলি অনুমান কৰা হয়। মুঠতে অশোক এজন বিখ্যাত বিজেতা, ৰাষ্ট্ৰ নিৰ্মাতা তথা ৰাজনীতিজ্ঞ আৰু সুশাসক আছিল। তেওঁ এগৰাকী সমাজ সংস্কাৰক, দাৰ্শনিক সম্রাট আছিল। তেওঁৰ ব্যৱহাৰপাতি, চিন্তা-চৰ্চা, কাম-কাজ এইসকলোবোৰ অতুলনীয় আছিল। সেয়েহে তেওঁক 'মহামতি অশোক' আখ্যা দিয়া হৈছে।

**ক্রিয়াকলাপ ঃ**

কল্যাণকামী ৰাষ্ট্ৰ মানে কি? আমাৰ ভাৰতক কল্যাণকামী ৰাষ্ট্ৰ হিচাপে গঢ়িবলৈ সাংবিধানিক কি কি ব্যৱস্থা আছে সেই বিষয়ে লিখা। (শিক্ষকৰ সহায়ত)

ভাৰতবৰ্ষৰ ইতিহাসত মৌৰ্যসকলৰ অৱদান অনস্বীকাৰ্য। মৌৰ্যসকলৰ অৱদানসমূহ নিম্নলিখিত ধৰণে আলোচনা কৰিব পাৰি।

## প্রশাসনিক ব্যৱস্থা ঃ

পৰৱৰ্তী যুগৰ শাসন ব্যৱস্থাৰ লগতে আধুনিক ভাৰতৰ শাসন ব্যৱস্থাত মৌৰ্যসকলৰ প্রশাসনিক ব্যৱস্থাৰ পৰোক্ষ প্রভাৱ দেখিবলৈ পোৱা যায়। মৌৰ্য সম্রাটসকলৰ ভিতৰত চন্দ্ৰগুপ্ত আৰু অশোক দুয়োজনেই সুদক্ষ শাসক আছিল। মৌৰ্য শাসন ব্যৱস্থাত সম্রাটেই সৰ্বেসৰ্বা আছিল যদিও স্বেচ্ছাচাৰী নাছিল। তেওঁলোকে সাম্রাজ্যখনৰ শাসন কাৰ্য ভালদৰে পৰিচালনা কৰিবলৈ কেইবাটাও বিভাগ সৃষ্টি কৰিছিল। প্রতিটো বিভাগ পৰিচালনা কৰাৰ বাবে একোজন অধ্যক্ষ নিয়োগ কৰিছিল। উদাহৰণস্বৰূপে, সামৰিক বিভাগ চলোৱা অধ্যক্ষগৰাকীক **'বলাধ্যক্ষ'** আৰু নগৰৰ শাসন বিভাগ চলোৱাজনক **'নগৰাধ্যক্ষ'** বুলি কোৱা হৈছিল। সাম্রাজ্যখনৰ সুপৰিচালনাৰ বাবে সম্রাটক **মন্ত্রী পৰিষদে** সততে দিহা-পৰামৰ্শ আগবঢ়াইছিল।

### সমাজ ব্যৱস্থা ঃ

মেগাস্থিনিচৰ **ইণ্ডিকা** আৰু কোটিল্যৰ **অৰ্থশাস্ত্ৰৰপৰা** মৌৰ্য যুগৰ সামাজিক অৱস্থাৰ কথা জানিব পাৰি। প্ৰচলিত চাৰি বৰ্ণ প্ৰথা তেতিয়াও চলি আছিল। অৱশ্যে মৌৰ্যসকলৰ দিনত এই বৰ্ণ প্ৰথাৰ কিছু পৰিৱৰ্তন দেখা গৈছিল। সমাজত ক্ষত্ৰিয় আৰু বৈশ্যসকলৰ প্ৰভাৱ বৃদ্ধি পাইছিল। বণিক শ্ৰেণীৰ প্ৰাধান্য বৃদ্ধি এই যুগৰ এটা উল্লেখনীয় পৰিৱৰ্তন আছিল। সাঁচী স্তুপৰ লিপিত বণিক শ্ৰেণীয়ে ধন-সম্পত্তি দান কৰাৰ কথা উল্লেখ আছে। অশোকৰ শিলালিপিত দাস প্ৰথা প্ৰচলনৰ উল্লেখ আছে। সমাজত মহিলাৰ স্থান বিশেষ উচ্চ নাছিল।



*চিত্ৰ - ১৬.৪ ঃ সাঁচী স্তুপ*

**জানি থওঁ আহা ঃ**

মেগাস্থিনিচ এজন বিদেশী পৰিব্ৰাজক আছিল। গ্ৰীক শাসক চেলুকচে তেওঁক চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভালৈ পঠাইছিল। তেওঁৱেই ইণ্ডিকা নামৰ পুথিখন ৰচনা কৰিছিল।

### শিল্পকলা ঃ

মৌৰ্যসকলে ভাৰতত এক নিজস্ব শিল্পকলা আৰু ভাস্কৰ্যৰ নিদৰ্শন দেখুৱাই থৈ গৈছে। চন্দ্ৰগুপ্ত মৌৰ্য আৰু অশোক দুয়ো শিল্পকলাৰ পৃষ্ঠপোষক আছিল। সম্ৰাট অশোকৰ শিলৰ স্তম্ভ, তাত খোদিত কৰা লিপিসমূহ, স্তুপ, বৌদ্ধ বিহাৰসমূহ আৰু সাৰনাথৰ অশোক স্তম্ভ সেই সময়ৰ উন্নত শিল্প আৰু ভাস্কৰ্যৰ উৎকৃষ্ট নিৰ্দশন। স্তুপসমূহৰ ভিতৰত সাঁচী স্তুপটো উল্লেখযোগ্য।

**মনত ৰাখিবলগীয়া কথা—**

- ৩২৪ খ্ৰীঃ পূঃত চন্দ্ৰগুপ্ত মৌৰ্যই মগধত সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।
- মাতৃ 'মুৰা'ৰ নাম অনুসৰি চন্দ্ৰগুপ্তই প্ৰতিষ্ঠা কৰা বংশটোৰ নাম মৌৰ্য হয়।
- চাণক্য বা কৌটিল্যই চন্দ্ৰগুপ্তক মৌৰ্য সাম্ৰাজ্য প্ৰতিষ্ঠা আৰু ৰক্ষণাবেক্ষণত অৰিহণা যোগাইছিল।
- চাণক্য বা কৌটিল্য নামৰ ব্ৰাহ্মণ পণ্ডিতজনে অৰ্থশাস্ত্ৰ নামৰ বিখ্যাত গ্ৰন্থখন লিখিছিল।
- মৌৰ্য বংশৰ উল্লেখযোগ্য ৰজা হ'ল মহামতি অশোক।
- কলিংগ যুদ্ধৰ পাছত অশোকে ৰাজ্য জয়ৰ পৰিৱৰ্তে ধৰ্ম জয়ৰ নীতি গ্ৰহণ কৰিছিল।
- অশোকে ধৰ্ম প্ৰচাৰৰ বাবে 'ধৰ্ম্ম মহামাত্ৰ' নামৰ এক শ্ৰেণীৰ বিষয়া নিযুক্তি দিছিল।
- মৌৰ্য শাসন ব্যৱস্থাত প্ৰশাসনৰ সুবিধাৰ অৰ্থে সাম্ৰাজ্যখনত কেইবাটাও বিভাগ সৃষ্টি কৰিছিল।
- সম্ৰাট অশোকক মহামতি অশোক আৰু ৰাজৰ্ষি আশোক নামেৰে জনা যায়।
- মৌৰ্য যুগৰ শিল্পকলা আৰু ভাস্কৰ্য অতি উন্নত মানৰ আছিল।
- খ্ৰীঃ পূঃ ২৭৩ ত অশোক মগধৰ সিংহাসনত বহে।
- অৰ্থশাস্ত্ৰত মৌৰ্য শাসন প্ৰণালীৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাসমূহৰ বিষয়ে উল্লেখ আছে।

## অনুশীলনী ঃ

১) উত্তৰ লিখা—

ক) চন্দ্ৰগুপ্তই প্ৰতিষ্ঠা কৰা বংশটোৰ নাম কি?

খ) মৌৰ্য সাম্ৰাজ্যৰ উত্থানৰ বিষয়ে আমি কি কি সমলৰ পৰা জানিব পাৰোঁ?

গ) চন্দ্ৰগুপ্ত মৌৰ্যৰ প্ৰজাহিতকৰ কামসমূহ কি কি আছিল?

ঘ) চাণক্য কোন? তেওঁ চন্দ্ৰগুপ্তক কিদৰে সহায় কৰিছিল?

ঙ) সম্ৰাট অশোকক কিয় 'ৰাজৰ্ষি অশোক' বোলা হয়?

চ) সম্ৰাট অশোকে শিলালিপিসমূহ কি কি ভাষাত লিখাইছিল?

ছ) মৌৰ্য শিল্পকলাৰ নিদৰ্শনসমূহ ক'ত ক'ত দেখিবলৈ পোৱা যায়?

জ) মৌৰ্য যুগত সমাজ ব্যৱস্থা কেনে আছিল?

**২) শুদ্ধ /অশুদ্ধ বিচাৰ কৰা—**

(ক) কৌটিল্যৰ আন এটা নাম চাণক্য আছিল।

(খ) মেগাস্থিনিচে 'অৰ্থশাস্ত্ৰ' লিখিছিল।

(গ) সম্ৰাট অশোকে নিজ সন্তানক বিদেশত বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে পঠাইছিল।

(ঘ) তৃতীয় বৌদ্ধ মহামেল চন্দ্ৰগুপ্তৰ দিনত অনুষ্ঠিত হৈছিল।

(ঙ) উপগুপ্ত সম্ৰাট অশোকৰ ধৰ্মগুৰু আছিল।

**৩) দলত আলোচনা কৰি লিখা—**

(ক) মৌৰ্য শাসন প্ৰণালীৰ লগত বৰ্তমান শাসন প্ৰণালীৰ কোনখিনিত মিল আছে?

(খ) ঐতিহাসিক সমলবোৰৰ কোনখিনি লিখিত আৰু কোনখিনি প্ৰত্নতাত্বিক সমলত পৰে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

| **লিখিত সমল** | **প্ৰত্নতাত্বিক সমল** |
|---|---|
| ১) | ১) |
| ২) | ২) |
| ৩) | ৩) |
| ৪) | ৪) |

**৪) পাঠত থকা মানচিত্ৰ পৰ্যবেক্ষণ কৰি তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা—**

(ক) চন্দ্ৰগুপ্ত মৌৰ্যৰ সাম্ৰাজ্য ক'ৰপৰা ক'লৈ বিস্তৃত আছিল?

(খ) কলিংগ, উজ্জয়িনী আৰু পাটলিপুত্ৰ বৰ্তমান ভাৰতৰ কোন কোন ৰাজ্যৰ অন্তৰ্ভুক্ত?

(গ) অতীতত মগধ ৰাজ্যৰ অন্তৰ্ভুক্ত নোহোৱা বৰ্তমান ভাৰতৰ দুখন ৰাজ্যৰ নাম লিখা।

***************

## অৰ্থনীতি আৰু ৰাজনীতি খণ্ড

# আমাৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক জীৱন

## আগকথা





সভ্যতা, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ লগে লগে মানুহৰ চিন্তা-চৰ্চাৰ পৰিসৰত আমূল পৰিৱৰ্তন পৰিলক্ষিত হৈছে। বৈজ্ঞানিক চিন্তাৰ অহৰ্নিশ অনুশীলন আৰু তাৰ প্ৰয়োগৰ অভাৱনীয় প্ৰতিফলন ঘটিছে মানুহৰ সামগ্ৰিক জীৱন-ধাৰণ প্ৰণালীত। জীৱন-ধাৰণৰ প্ৰক্ৰিয়া আৰু পৰিৱৰ্তনসমূহৰ বিষয়ে আমি প্ৰত্যেকেই ভালদৰে জনাটো নিতান্ত প্ৰয়োজনীয়। অন্যথা জীৱনক সুচাৰুৰূপে পৰিচালনা কৰাত কিছুমান ভুল হোৱাৰ সম্ভাৱনা থাকি যায়। ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতি বিজ্ঞান সমাজবিজ্ঞানৰ অন্তৰ্গত দুটা গুৰুত্বপূৰ্ণ বিষয় যাৰ অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে উল্লিখিত দিশসমূহৰ সম্যক জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়। সেয়েহে ভৱিষ্যত প্ৰজন্মৰ সুস্থ বিকাশৰ বাবে আধুনিক পাঠ্যক্ৰমত এই দুটা বিষয়ত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে।

পাঠ্যপুথিৰ এই অংশটোৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ প্ৰাৰম্ভিক স্তৰতে যাতে সুশৃংখল আৰ্থ-সামাজিক আৰু ৰাজনৈতিক চিন্তাৰ বুনিয়াদ গঢ়ি তুলিব পাৰে তাৰ যথোচিত প্ৰয়াস কৰা হৈছে। পাঠসমূহ সহজ-সৰল আৰু মনোগ্ৰাহী কৰাৰ তাগিদাত বিষয়বস্তু উপস্থাপন শৈলীত কিছু নতুনত্ব অনাৰো চেষ্টা কৰা হৈছে। ক্ৰিয়াকলাপ আৰু প্ৰশ্নসমূহৰ অৱতাৰণা কৰোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰা হৈছে যাতে, ছাত্ৰ-ছাত্ৰীসকলৰ সৃজন প্ৰতিভা আৰু কল্পনাপ্ৰসূত চিন্তাৰ স্বতঃস্ফূৰ্ত বিকাশ সম্ভৱ হয়। পাঠদান প্ৰক্ৰিয়াত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মানসিক ব্যৱধানৰ সুযোগ নথকাৰ চিন্তাকো অগ্ৰাধিকাৰ দিয়াৰ যত্ন কৰা হৈছে। পাঠৰ শিকন তথা মূল্যায়ন ব্যৱস্থা এনেদৰে সজোৱা হৈছে যাতে অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ মনত শিক্ষাৰ প্ৰতি থকা তথাকথিত ভয়, অনীহা আৰু বাধ্যবাধকতাৰ পৰিৱৰ্তে এটা সুখকৰ অনুভূতিৰ সঞ্চাৰ হয়।

আশা কৰা হৈছে, এই খণ্ডটিৰ অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে বিষয় দুটাৰ নিৰ্ধাৰিত শিকনৰ ফলাফলসমূহ সুকলমে আয়ত্ত কৰি ভৱিষ্যতে নিজকে একো একোজন আদৰ্শ নাগৰিক হিচাপে গঢ়ি তুলিব পাৰিব।

# পাঠ নং ১৭

# আমাৰ মৌলিক প্ৰয়োজনসমূহ

**শিকনৰ ফলাফল ঃ**

- মানুহৰ মৌলিক প্ৰয়োজনসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব।
- মৌলিক প্ৰয়োজনবিলাকক কিয় 'মৌলিক' বুলি কোৱা হয় সেই বিষয়ে বুজিব পাৰিব।
- মূল আহাৰ আৰু উপ আহাৰৰ পাৰ্থক্য বুজিব পাৰিব।
- আহাৰে কি দৰে আমাৰ শৰীৰৰ পৰিপুষ্টি সাধন কৰে সেই বিষয়ে বুজিব পাৰিব।
- পৃথিবীৰ ভিন ভিন অঞ্চলৰ খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ বিভিন্নতাৰ কাৰণ বুজি পাব।

আগৰ শ্ৰেণীৰ পাঠত তোমালোকে মানুহৰ বিভিন্ন ধৰণৰ জীৱিকাৰ বিষয়ে পাই আহিছা। গাঁও আৰু নগৰভেদে মানুহে ভিন ভিন জীৱিকাৰ আলমত নিজৰ উপাৰ্জন কৰিবলৈ সক্ষম হয়। এই উপাৰ্জনৰ দ্বাৰা তেওঁলোকে নিজৰ অলেখ প্ৰয়োজন পূৰ কৰিবলৈ যত্ন কৰে। সেই প্ৰয়োজনসমূহৰ ভিতৰত কিছুমান একেবাৰে এৰাব নোৱাৰা প্ৰয়োজন আছে। এই পাঠৰ সহায়ত আমি এনেধৰণৰ প্ৰয়োজনসমূহৰ আভাস লওঁ আহা।



(ক)



(খ)



(গ)

তোমালোকে ওপৰৰ ছবিকেইখনলৈ ভালদৰে মন কৰাচোন? প্ৰথম ছবি (ক)ত এটা পৰিয়ালৰ সদস্যসকলে আহাৰ গ্ৰহণ কৰি আছে অৰ্থাৎ খাদ্য খাইছে। সেইদৰে দ্বিতীয় ছবি (খ)ত অসমীয়া পৰম্পৰাগত কাপোৰ মেখেলা-চাদৰ পৰিহিতা এগৰাকী মহিলা দেখুওৱা হৈছে অৰ্থাৎ বস্ত্ৰ পিন্ধিছে আৰু একেবাৰে শেষৰ ছবি (গ)ত এটা ঘৰ বা বাসস্থান দেখুওৱা হৈছে।

মানুহ হিচাপে জীয়াই থাকিবলৈ আমাক বিভিন্ন বস্তুৰ প্ৰয়োজন হয়। যেনে — ভাত, ৰুটি, ফল-মূল, কাপোৰ-কানি, বাচন-বৰ্তন, চকী-মেজ, ঘৰ-দুৱাৰ, খেলা সামগ্ৰী, বিদ্যালয়, চিকিৎসালয় ইত্যাদি।

এই বস্তুসমূহৰ ভিতৰত কেইবিধমান বস্তু আমাৰ একেবাৰে অপৰিহাৰ্য। যেনে — খোৱাবস্তু, কাপোৰ-কানি আৰু বাসগৃহ। এইবিলাকৰ অবিহনে আমি জীয়াই থকাটো সম্ভৱ নহয়। **মানুহৰ জীৱন-ধাৰণৰ বাবে এনে**

**অপৰিহাৰ্য বা এৰাব নোৱাৰা প্ৰয়োজনকে মৌলিক প্ৰয়োজন বোলা হয়।**

আহাৰ, সাজ-পাৰ আৰু বাসস্থানৰ অভাৱ পূৰ কৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ আমি প্ৰকৃতিৰপৰা লাভ কৰোঁ। এইবিলাকক **কেঁচামাল** বোলা হয়।

মৌলিক প্ৰয়োজনসমূহ পূৰ কৰাৰ বাবে আহৰণ কৰা বস্তুৰ উৎসসমূহ তলৰ তালিকাৰপৰা জানি লওঁ আহা।

| প্ৰয়োজনসমূহ | উৎসসমূহ |
|---|---|
| খাদ্য বা আহাৰ | শস্য, ফল-মূল, মাছ-মাংস, শাক-পাচলি, গাখীৰ, কণী, পানী আদি। |
| সাজ-পাৰ | কপাহ, এৰী, মুগা, পাট, উণসূতা, মৰাপাট আদি। |
| বাসস্থান | গছ, বাঁহ, খেৰ, মাটি, শিল, বালি, লোহা, চিমেণ্ট আদি। |

**উত্তৰ লিখা ঃ**

**আহাৰ, সাজ-পাৰ আৰু বাসস্থানক আমি কিয় মৌলিক প্ৰয়োজন বুলি কওঁ, দলত আলোচনা কৰি লিখা।**

**আহাৰ ঃ**

জীয়াই থাকিবলৈ মানুহক খাদ্য বা আহাৰৰ প্ৰয়োজন। আহাৰ বুলি ক'লে সাধাৰণতে গোটা আৰু জুলীয়া দুয়োবিধ আহাৰকে বুজোৱা হয়। শৰীৰৰ বৃদ্ধি আৰু পুষ্টিৰ বাবে আমি খাদ্য আৰু পানী গ্ৰহণ কৰোঁ। শৰীৰটোক সুস্থভাৱে ৰাখিবলৈ আৰু কাম কৰাৰ শক্তি আহৰণ কৰিবলৈ গোটা আৰু জুলীয়া এই দুয়োবিধ আহাৰৰে অতি আৱশ্যক। এই দুটা বস্তুৰ অবিহনে আমি কোনোপধ্যেই শৰীৰটোক সুস্থভাৱে ৰাখি জীয়াই থাকিব নোৱাৰোঁ। **সেইবাবেই আহাৰক মৌলিক প্ৰয়োজন বুলি কোৱা হয়।** পৃথিৱীত আৱিৰ্ভাৱ হোৱা কালৰেপৰা জীয়াই থকাৰ বাবে মানুহে খাদ্য খাই আহিছে। সেই সময়ত ফল-মূল, গছৰ আলু, জীৱ-জন্তুৰ মাংস, মাছ, পানী আদিকে মানুহে খাদ্য হিচাপে গ্ৰহণ কৰিছিল।

**মূল আহাৰ আৰু উপ আহাৰ ঃ**

দিনটোৰ ভিতৰত আমি বিভিন্ন ধৰণৰ আহাৰ গ্ৰহণ কৰোঁ। তাৰে কিছুমান মূল আহাৰ আৰু আনবোৰ উপ আহাৰ। এই বিষয়ে জানিবলৈ তলৰ কাহিনীটো পঢ়োঁ আহা —



*তিনিদিন হ'ল, ফাৰহানাৰ অসুখ। তাইৰ পেটৰ বিষ; একেবাৰেই খাব পৰা নাই। ক্ৰমে তাই দুৰ্বল হৈ পৰিছে। মাকে ডাক্তৰক দেখুৱাবলৈ তাইক হস্পিতাললৈ লৈ গ'ল। ডাক্তৰে ভালদৰে চাই-মেলি মাকক সুধিলে —*

*'ফাৰহানাই ভালকৈ খোৱা-লোৱা নকৰে নেকি?'*

*'খায়। তাই লুচি-ভাজি খাই বৰ ভাল পায়। তদুপৰি আজিকালি বজাৰত পোৱা নানা ধৰণৰ বিস্কুট, চানাচুৰ, চকলেট, মেগি আদি তাই প্ৰায় খায়েই*

থাকে'— মাকে উত্তৰত ক'লে।

'পিছে তাই মূল আহাৰ ভালদৰে খায়নে?' — ডাক্তৰে পুনৰ সুধিলে।

'মূল আহাৰনো কি হ্বৰ?'— ডাক্তৰৰ কথাত ফাৰহানাৰ মাকৰ মুখেৰে প্ৰশ্নটো আপোনা-আপুনি ওলাই আহিল।

এইবাৰ ডাক্তৰে তেওঁলোককৈ চাই বুজাবলৈ ধৰিলে — 'এটা দিনত আমি বিভিন্ন বস্তু খাওঁ যদিও দুপৰীয়া আৰু ৰাতি নিয়মীয়াকৈ ভাত বা ৰুটি খাব লাগে। এইদৰে দিনত দুবেলা নিয়মীয়াকৈ খোৱা আহাৰকে **মূল আহাৰ** বোলা হয়। আনহাতে বিস্কুট, চানাচুৰ, বুট-মগু, ফল-মূল, চকলেট, বিভিন্ন জলপান যেনে— চিৰা-দৈ, লুচি-ভাজি আদিও আমি মাজেসময়ে খাওঁ। এইবিলাক হ'ল **উপ আহাৰ**।'

'তেনেহ'লে আমাৰ ফাৰহানাই দেখোন মূল আহাৰ ভালকৈ নাখায়েই। অন্য বস্তুবিলাকেৰেই তাইৰ পেট ভৰি থাকে। ভাত খাবলৈ মনেই নকৰে' — ডাক্তৰৰ কথা শুনি মাকে ক'লে।

'তাইৰ বেমাৰৰ প্ৰকৃত কাৰণ সেইটোৱেই। তাই আচলতে পুষ্টিহীনতাত ভুগিছে। মূল আহাৰে আমাৰ শৰীৰক নিয়মীয়াকৈ পৰিপুষ্টিৰ যোগান ধৰে। এনে আহাৰত লাভ কৰা বিভিন্ন প্ৰকাৰৰ প্ৰ'টিন, ভিটামিন, আইৰণ বা অন্যান্য শক্তিমূলক উপাদানসমূহে আমাৰ শৰীৰটোক যথেষ্ট সুস্থ-সবল কৰি ৰাখে। বিশেষকৈ ভিটামিন C, জিংক ইত্যাদিবোৰে আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা যথেষ্ট শক্তিশালী কৰি ৰাখে। তোমালোকে জানানে ক'ৰণা ভাইৰাছ প্ৰতিৰোধৰ ক্ষেত্ৰত ভিটামিন C এ যে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে ? কিন্তু চিপ্‌ছ, চকলেট, চানাচুৰ আদি জুতি লগা বস্তু হ'লেও আমাৰ শৰীৰৰ বাবে অপৰিহাৰ্য নহয়। বৰং এনেবোৰ খাদ্য বেছিকৈ খালে স্বাস্থ্যৰ অপকাৰ হোৱাৰহে সম্ভাৱনা থাকে। এতিয়াৰেপৰা তাইক নিয়মীয়াকৈ মূল আহাৰ খাবলৈ দিব। চিন্তা নকৰিব। তাই সোনকালেই সুস্থ হ'ব'— বুলি কৈ ডাক্তৰে তেওঁলোকক বিদায় দিলে।

ডাক্তৰৰ কথামতে মাকে তেতিয়াৰপৰা ফাৰহানাৰ খোৱা-লোৱাৰ যত্ন ল'বলৈ ধৰিলে। লাহে লাহে তাই সুস্থ হৈ উঠিল।

**উত্তৰ লিখা ঃ**

- ফাৰহানাৰ কাহিনীটোৰপৰা তোমালোকে কি শিকিলা?
- কোনবিলাক খাদ্য বেছিকৈ খালে স্বাস্থ্যৰ অপকাৰ হোৱাৰ সম্ভাৱনা থাকে?

মানুহে জীয়াই থকাৰ বাবে দিনটোত দুবেলা নিয়মীয়াভাৱে খোৱা আহাৰক **মূল আহাৰ** বা **প্ৰধান আহাৰ** বুলি কোৱা হয়। ইয়াৰপৰা আমাৰ শৰীৰে নিয়মীয়াকৈ শক্তি আৰু পৰিপুষ্টি লাভ কৰে। মূল আহাৰৰ উপৰি ৰাতিপুৱা আৰু গধূলি বা দিনটোৰ আন কোনো সময়ত যিবোৰ আহাৰ কম-বেছি পৰিমাণে খোৱা হয় সেইবোৰেই **উপ আহাৰ**।

**ক্ৰিয়াকলাপ ঃ**

- মূল আহাৰ হিচাপে তোমালোকে কোনে কি খোৱা? লগৰীয়াৰ লগত আলোচনা কৰা। সকলোৰে খাদ্যাভ্যাস একেনে? ইয়াৰ পৰা কি ধাৰণা কৰিলা?
- উপ আহাৰ হিচাপে কেনেকুৱা খাদ্য খোৱা উচিত? দলত আলোচনা কৰি তালিকা প্ৰস্তুত কৰা।
- ঘৰত খোৱা খাদ্যবস্তুৰ তালিকা প্ৰস্তুত কৰি কোনবিলাক আহাৰে আমাৰ শৰীৰৰ পৰিপুষ্টি সাধন কৰে সেই বিষয়ে আলোচনা কৰা।
- তোমালোকে ভিটামিন C থকা কেইবিধমান খাদ্য সামগ্ৰীৰ নাম ক'ব পাৰিবানে? প্ৰয়োজন হ'লে শিক্ষকৰ সহায় ল'বা।
- ক'ৰণা ভাইৰাছৰ সংক্ৰমণ আৰু প্ৰতিৰোধ সম্পৰ্কে চমুকৈ লিখা। (শিক্ষকৰ সহায় ল'বা)

অঞ্চলভেদে মানুহৰ প্ৰধান আহাৰ ভিন ভিন হ'ব পাৰে। পৃথিৱীৰ যি অঞ্চলত যিবোৰ খাদ্য সামগ্ৰী প্ৰচুৰ পৰিমাণে উৎপন্ন হয় সেইবোৰকে সেই অঞ্চলৰ মানুহে প্ৰধান আহাৰ হিচাপে গ্ৰহণ কৰে। ভিন ভিন ভৌগোলিক পৰিবেশ, মাটিৰ গুণাগুণ আৰু জলবায়ুৰ প্ৰকাৰভেদে মানুহৰ প্ৰধান আহাৰ বেলেগ বেলেগ হয়। উদাহৰণস্বৰূপে, অসমৰ জলবায়ু আৰু মাটি ধান উৎপাদনৰ বাবে উপযোগী হোৱা হেতুকে **ভাত** অসমৰ মানুহৰ প্ৰধান খাদ্য। তেনেদৰে পঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশ, বিহাৰ আদিত যথেষ্ট পৰিমাণে ঘেঁহু উৎপাদন হয় বাবে সেই ঠাইৰ মানুহৰ প্ৰধান আহাৰ হ'ল **ৰুটি**। ভাত বা ৰুটিৰ লগত আনুষঙ্গিকভাৱে যিবোৰ ব্যঞ্জন খোৱা হয় সেইবোৰো মূল আহাৰৰ অন্তৰ্ভুক্ত।

**জানি থওঁ আহা ঃ**

পুৱাৰ প্ৰথম আহাৰ হিচাপে গ্ৰহণ কৰা খাদ্যও উপ আহাৰৰ অন্তৰ্গত যদিও ইয়াৰ যথেষ্ট গুৰুত্ব আছে। ৰুটি, তৰকাৰী, পাওৰুটি, মাখন, কণী, গাখীৰ, কৰ্ণ-ফ্লেক্‌চ, কল, কেঁচা বুট, মণ্ড আদি পুৱাৰ আহাৰ হিচাপে গ্ৰহণ কৰিলে শৰীৰে শক্তি আৰু পুষ্টি লাভ কৰে। অসমৰ মানুহে এইবিলাকৰ উপৰি বিভিন্ন জলপান যেনে — কোমল চাউল, চিৰা, দৈ, গুড়, পিঠাগুড়িৰে তৈয়াৰী বিভিন্ন পিঠা-পনা যেনে — টেকেলী মুখত দিয়া পিঠা, খোলাচাপৰি পিঠা, পানী পিঠা, চুঙা পিঠা, আদি পুৱাৰ আহাৰ হিচাপে গ্ৰহণ কৰে। এনেবোৰ খাদ্যই শৰীৰক পুৱাতেই আৱশ্যকীয় বল-শক্তি প্ৰদান কৰে।





খেতি-বাতি কৰিব নোৱাৰা অঞ্চলৰ মানুহে মাছ, জীৱ-জন্তু আদি চিকাৰ কৰি আহাৰ সংগ্ৰহ কৰে। মেৰু অঞ্চলৰ মানুহে শ্লেজ গাড়ী চলাই চীল, তিমিমাছ আদি চিকাৰ কৰে। আৰবৰ অঘৰী বেদুইনবোৰে উটৰ মাংস, গাখীৰ আৰু খেজুৰ খাই জীৱন-নিৰ্বাহ কৰে।

**ক্ৰিয়াকলাপ ঃ**

পৃথিৱীৰ বিভিন্ন অঞ্চলৰ মানুহে বেলেগ বেলেগ ধৰণৰ আহাৰ খোৱাৰ কাৰণ কি কি? দলগতভাৱে আলোচনা কৰি লিখা।

### সাজ-পাৰ ঃ

শীত-তাপ, ৰ'দ-বৰষুণ ধূলি-মাকতি আদিৰপৰা ৰক্ষা পাবলৈ আৰু লজ্জা নিবাৰণৰ বাবে মানুহক সাজ-পাৰৰ প্ৰয়োজন হয়। আদিম যুগতো মানুহে গছৰ পাত বা বাকলি, জন্তুৰ ছাল আদি পৰিধান কৰি ঠাণ্ডা বা গৰমৰপৰা হাত সাৰিবলৈ চেষ্টা কৰিছিল। লাজ নিবাৰণৰ প্ৰয়োজনীয়তাও হয়তো কিছুপৰিমাণে তেওঁলোকে অনুভৱ কৰিছিল। সাজ-পাৰ অবিহনে সভ্য জীৱন-যাপন সম্ভৱ নহয়। **সেয়েহে সাজ-পাৰক মানুহৰ মৌলিক প্ৰয়োজন বুলি কোৱা হয়।** জাতীয় পৰম্পৰা, ধৰ্মীয় বিশ্বাস, ভৌগোলিক অৱস্থান, জলবায়ু, বৃত্তি, সৌন্দৰ্যবোধ আদিৰ ভিন্নতাৰ বাবে মানুহৰ সাজ-পাৰ বেলেগ বেলেগ হয়। সাজ-পাৰে মানুহৰ ৰুচিবোধ আৰু ব্যক্তিত্বৰো পৰিচয় দিয়ে। লগতে, বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ নিজ নিজ বৈশিষ্ট্যও প্ৰকাশ কৰে।



আমি পিন্ধা কাপোৰবোৰ সাধাৰণতে কপাহ, উণ, পলিয়েষ্টাৰ, এৰী, মুগা, পাট, শণ, মৰাপাট আদিৰে তৈয়াৰী। শীতপ্ৰধান অঞ্চলত উণৰ কাপোৰৰ প্ৰচলন বেছি। গ্ৰীষ্মপ্ৰধান অঞ্চলত মানুহে কপাহী কাপোৰ বেছিকৈ ব্যৱহাৰ কৰে। বৰষুণ বেছিকৈ হৈ থকা অঞ্চলৰ মানুহে প্ৰায়ে পানী নসৰকা কাপোৰ ব্যৱহাৰ কৰে ।



*কাশ্মীৰী ছোৱালী*



*নগা যুৱক*



*ৰাজস্থানী মহিলা*



*দক্ষিণ ভাৰতৰ পুৰুষ*


অসম এৰী, মুগা আৰু পাট সূতাৰ কাপোৰৰ বাবে বিখ্যাত। কামৰূপ (গ্ৰাম্য) জিলাৰ শুৱালকুছি গাঁৱৰ পাট কাপোৱে দেশ-বিদেশতো সমাদৰ লাভ কৰিছে।

**ক্ৰিয়াকলাপ ঃ**

অসমৰ মানুহে সচৰাচৰ পৰিধান কৰা সাজ-পোছাকৰ এখন তালিকা প্ৰস্তুত কৰা। সাজ-পাৰবোৰ কি সূতাৰে তৈয়াৰী দলত আলোচনা কৰি লিখা।

**বাসস্থান ঃ**

আদিম কালৰ মানুহে আজিকালিৰ দৰে ঘৰ-দুৱাৰ সাজি বসবাস কৰা নাছিল। হিংস্ৰ জীৱ-জন্তু, শীত-তাপ, ৰ'দ-বৰষুণ, শিলাবৃষ্টি, ধুমুহা, তুষাৰপাত আদিৰপৰা ৰক্ষা পাবলৈ মানুহে পৰ্বতৰ গুহা বা গছৰ খোৰোঙত আশ্ৰয় লৈছিল। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহে খেতি-বাতি কৰিবলৈ শিকিলে। ফলস্বৰূপে, খেতি পথাৰৰ আশে-পাশে নিগাজীকৈ বসবাস কৰাৰ প্ৰয়োজনীয়তা আহি পৰাত মানুহে আশ্ৰয়স্থল বা ঘৰ সাজি থাকিবলৈ ল'লৈ। বাসস্থান বা ঘৰবোৰে মানুহক প্ৰাকৃতিক বিপদৰপৰা ৰক্ষা কৰি আশ্ৰয়, নিৰাপত্তা আৰু বিশ্ৰাম প্ৰদান কৰে। সেইবাবে, **বাসস্থান বা ঘৰক মানুহৰ মৌলিক প্ৰয়োজন বুলি কোৱা হয়।**



ভৌগোলিক আৰু সামাজিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি মানুহে বেলেগ বেলেগ প্ৰকাৰৰ ঘৰ সাজে। উদাহৰণ স্বৰূপে, অসমত প্ৰচুৰ পৰিমাণৰ বাঁহ, খেৰ, কাঠ আদি পোৱা যায় বাবে সাধাৰণতে অসমৰ মানুহে এনেবোৰ সামগ্ৰীৰে ঘৰ সাজে। জাৰ আৰু জহৰ প্ৰকোপ বেছি হোৱা বাবে বিহাৰ, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ আদি ৰাজ্যৰ মানুহে মাটিৰে ঘৰ সাজে। জলমগ্ন অঞ্চল বা হ্ৰদ আদি থকা ঠাইত মানুহে নাৱতে ঘৰ সাজি লয়। এইবিলাকক **নৌকাগৃহ** বোলা হয়। কাশ্মীৰৰ ডাল লেক (হ্ৰদ)ৰ মানুহে এনেকুৱা নৌকাগৃহ ব্যৱহাৰ কৰা দেখা যায়।



via Wikimedia Commons

তুন্দ্ৰা অঞ্চলৰ এস্কিমʼসকলে বতাহৰপৰা ৰক্ষা পাবলৈ বৰফৰ টুকুৰাৰে ঘৰ সাজি লয়। এইবোৰক **ইগ্‌লু** বোলে। উত্তৰ-পূব ভাৰতৰ পাৰ্বত্য এলেকাৰ লোকসকলে সাধাৰণতে বনৰীয়া জীৱ-জন্তু, সৰীসৃপ আদিৰপৰা ৰক্ষা পাবলৈ **চাংঘৰ** সাজে।



via Wikimedia Commons

আৰবৰ মৰুভূমি অঞ্চলৰ বেদুইনসকলে বালিৰ বতাহৰপৰা ৰক্ষা পাবলৈ তম্বুৰে ঘৰ তৈয়াৰ কৰি লয়। তদুপৰি পানী আৰু ঘাঁহ বা তৰু-তৃণৰ সন্ধানত সঘনাই ঠাই সলাই থাকিবলগীয়া হোৱা বাবে তম্বুৰ ঘৰ তেওঁলোকৰ বাবে অধিক উপযোগী হয়।



via Wikimedia Commons



via pxfuel.com

**ক্ৰিয়াকলাপ ঃ**

- নিৰ্মাণ কাৰ্য চলি থকা পকীঘৰ মন কৰিছানে? এনে ঘৰ সাজোঁতে কি কি সামগ্ৰী ব্যৱহাৰ কৰা হয় আলোচনা কৰি লিখা।
- এটা পকী ঘৰ নিৰ্মাণৰ ক্ষেত্ৰত কোন কোন বৃত্তিধাৰী লোকৰ প্ৰয়োজন হয় দলীয়ভাৱে আলোচনা কৰা। প্ৰয়োজন হʼলে শিক্ষকৰ সহায় লবা।

এনেদৰে ভৌগোলিক অৱস্থান, জলবায়ু, সামাজিক পৰিৱেশ, স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী তথা জাতীয় পৰম্পৰা আদিৰ ভিন্নতাৰ বাবে মানুহে ভিন ভিন খাদ্য গ্ৰহণ কৰে, ভিন ভিন সাজ-পাৰ পৰিধান কৰে আৰু বিভিন্ন ধৰণে বাসগৃহ নিৰ্মাণ কৰি লয়। কিন্তু বৰ্তমান সময়ত উপলব্ধ হোৱা যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ সুবিধাৰ লগে লগে মানুহৰ জীৱন-ধাৰণ প্ৰণালীৰ পৰিৱৰ্তন ঘটিছে। সময় আৰু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহৰ ৰুচিবোধৰো সলনি হৈছে। এনে পৰিৱৰ্তনৰ ফলস্বৰূপে মানুহৰ খাদ্যাভ্যাস, সাজ-পাৰ আৰু বাসগৃহ নিৰ্মাণ পদ্ধতিলৈ ভালেমান নতুনত্ব আহিছে। সুবিধা অনুযায়ী এতিয়া মানুহে বিভিন্ন খাদ্য গ্ৰহণ কৰাৰ অভ্যাস গঢ়ি তুলিছে। সাজ-পোছাকৰ ক্ষেত্ৰতো আজিকালি ভিন্নতা দেখা যায়। বিভিন্ন আহিঁযুক্ত নানা ধৰণৰ পোছাক আজিৰ মানুহে পৰিধান কৰে। গৃহ নিৰ্মাণৰ বেলিকাও আজিকালি প্ৰায় সকলো ঠাইতে লোহা, চিমেণ্ট, গ্লাছ (আইনা), টিনপাত, ইটা আদি ব্যৱহাৰ কৰা হয়। এনেবোৰ ঘৰ তুলনামূলকভাৱে

পূৰ্বৰপৰা চলি অহা ঘৰতকৈ বেছি মজবুত, সুবিধাজনক আৰু দীৰ্ঘস্থায়ী। ডাঙৰ ডাঙৰ চহৰত আজিৰ মানুহে বহুমহলীয়া অট্টালিকা সাজি বাস কৰিবলৈ লৈছে। আমাৰ অসমতো আজিকালি গাঁও-চহৰ ভেদে প্ৰায়ভাগ মানুহে পকীঘৰ সাজি বাস কৰা দেখা যায়।

**মনত ৰাখিবলগীয়া কথা ঃ**

- জীৱন-ধাৰণৰ বাবে মানুহক বিভিন্ন বস্তুৰ প্ৰয়োজন হয়।
- আহাৰ, সাজ-পাৰ আৰু বাসস্থান মানুহৰ মৌলিক প্ৰয়োজনীয় বস্তু।
- মৌলিক প্ৰয়োজনসমূহ পূৰ কৰিবৰ বাবে মানুহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল।
- দেহৰ শক্তি আৰু পৰিপুষ্টিৰ কাৰণে খাদ্য অপৰিহাৰ্য।
- আমি খোৱা বিভিন্ন খাদ্যত যথেষ্ট পৰিমাণে প্ৰ'টিন, ভিটামিন, আইৰণ ইত্যাদি লাভ কৰোঁ।
- শীত-তাপ, ৰ'দ-বৰষুণ, ধূলি-মাকতি আদিৰপৰা ৰক্ষা পাবলৈ আৰু লজ্জা নিবাৰণৰ বাবে মানুহে সাজ-পাৰ পিন্ধে।
- বাসস্থানে মানুহক আশ্ৰয়, নিৰাপত্তা আৰু বিশ্ৰাম প্ৰদান কৰে।
- খাদ্যাভ্যাস, বস্ত্ৰ পৰিধান আৰু আশ্ৰয়স্থল নিৰ্মাণৰ ক্ষেত্ৰত ভৌগোলিক অৱস্থান, জলবায়ু, সামাজিক পৰিৱেশ, স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী, জাতীয় পৰম্পৰা আদিয়ে প্ৰভাৱ পেলায় যদিও সম্প্ৰতি যোগাযোগ আৰু পৰিবহণৰ সুবিধাৰ লগে লগে এইবিলাকলৈ নানা পৰিৱৰ্তন আহিছে।

**অনুশীলনী ঃ**

১) মানুহৰ মৌলিক প্ৰয়োজনসমূহ কি কি? এইবোৰক কিয় মৌলিক প্ৰয়োজন বুলি কোৱা হয়?

২) পৃথিৱীৰ বিভিন্ন অঞ্চলৰ মানুহে মুখ্য আহাৰ হিচাপে বিভিন্ন খাদ্য গ্ৰহণ কৰাৰ কাৰণ কি?

৩) অসমৰ মানুহে মুখ্য আহাৰ হিচাপে কি কি খাদ্য খায়?

৪) বিভিন্ন অঞ্চলৰ মানুহে কিয় বিভিন্ন সাজ-পাৰ পৰিধান কৰে?

৫) মানুহৰ বাসস্থানসমূহ ঠাইভেদে বেলেগ বেলেগ হয়। ইয়াৰ কাৰণসমূহ শিক্ষকৰ লগত আলোচনা কৰি লিখা।

৬) খালী ঠাই পূৰ কৰা —

(ক) আমাৰ শৰীৰৰ বৃদ্ধি আৰু পুষ্টিৰ বাবে আমি ______________ আৰু ______________ গ্ৰহণ কৰোঁ।

(খ) মানুহে জীয়াই থকাৰ বাবে দিনটোত দুবেলা ______________ ভাবে খোৱা আহাৰক ______________ আহাৰ বা প্ৰধান আহাৰ বুলি কোৱা হয়।

(গ) শীত, তাপ, ৰ'দ, ধূলি-মাকতি আদিৰপৰা ৰক্ষা পাবলৈ আৰু ______________ নিবাৰণৰ বাবে মানুহক______________ ৰ প্ৰয়োজন হয়।

(ঘ) সাজ-পাৰে মানুহৰ ______________ আৰু ______________ দাঙি ধৰে।

(ঙ) বাসস্থান বা ঘৰে মানুহক ______________ বিপদৰপৰা ৰক্ষা কৰি ______________ নিৰাপত্তা আৰু বিশ্ৰাম প্ৰদান কৰে।

(চ) উত্তৰ-পূব ভাৰতৰ পাৰ্বত্য এলেকাৰ লোকসকলে সাধাৰণতে বনৰীয়া জীৱ-জন্তু, ______________ আদিৰপৰা ৰক্ষা পাবলৈ ______________ সাজে।

৭। শুদ্ধ-অশুদ্ধ নিৰ্ণয় কৰা —

(ক) পৃথিৱীৰ সকলো ঠাইৰে মানুহৰ প্ৰধান আহাৰ ভাত।

(খ) দিনটোত দুবেলা নিয়মীয়াভাৱে খোৱা আহাৰক উপ আহাৰ বোলে।

(গ) সাজ-পাৰ অবিহনে সভ্য জীৱন-যাপন সম্ভৱ নহয়।

(ঘ) গ্ৰীষ্মপ্ৰধান অঞ্চলত কপাহী কাপোৰৰ প্ৰচলন কম।

(ঙ) মৰুভূমি অঞ্চলৰ মানুহে ঈগ্‌লু সাজি বসবাস কৰে।

(চ) উত্তৰ-পূব ভাৰতৰ পাৰ্বত্য এলেকাত চাংঘৰ দেখা যায়।

৮। **প্ৰকল্প ঃ**

- অসমীয়া মানুহে পৰিধান কৰা বিভিন্ন ধৰণৰ সাজ-পাৰৰ ছবি সংগ্ৰহ কৰি নাম সহকাৰে এখন এলবাম প্ৰস্তুত কৰা।
- তোমালোকৰ ঘৰত উৎপন্ন হোৱা সামগ্ৰীসমূহৰ এখন তালিকা প্ৰস্তুত কৰি তাৰে কোনবোৰ কি কি ভিটামিনযুক্ত দলত আলোচনা কৰি লিখা।

* * * * * * * * * *

# পাঠ - ১৮



# উন্নত জীৱনৰ প্ৰয়োজনসমূহ



## (আমাৰ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজন)

**শিকনৰ ফলাফল ঃ**

- ➢ সুস্থ আৰু শান্তিপূৰ্ণ জীৱনৰ বাবে মৌলিক প্ৰয়োজনৰ উপৰি যে আন বহুতো উন্নত সামগ্ৰী বা ব্যৱস্থাৰ প্ৰয়োজন সেই বিষয়ে অৱগত হ'ব।
- ➢ মানুহৰ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজনৰ বিষয়ে ধাৰণা লাভ কৰিব।
- ➢ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজনসমূহ পূৰণাৰ্থে ব্যৱহাৰ হোৱা সামগ্ৰী আৰু ব্যৱস্থাসমূহৰ বিষয়ে অৱগত হ'ব।
- ➢ জীৱিকা, উপাৰ্জন আৰু সামাজিক পৰিৱেশভেদে মানুহৰ প্ৰয়োজনসমূহ যে বেলেগ বেলেগ হয় তাক ধাৰণা কৰিব পাৰিব।




সিপিঠৰ ছবিকেইখন চাই তোমালোকৰ মনত কি ধাৰণা হৈছে? ইতিমধ্যে আগৰ পাঠত মানুহৰ মৌলিক প্ৰয়োজনসমূহৰ বিষয়ে জানিছাহঁক। সুখ, সমৃদ্ধি আৰু সুস্থ জীৱনৰ বাবে মৌলিক প্ৰয়োজনীয় বস্তুৰ উপৰি মানুহক আন বহুতো বস্তুৰ প্ৰয়োজন হয়। এই বস্তুসমূহে মানুহৰ জীৱন-যাপন প্ৰণালী উন্নত কৰাত সহায় কৰে। এই পাঠৰ জৰিয়তে আমি উন্নত মানৰ জীৱন-ধাৰণৰ প্ৰয়োজনসমূহৰ বিষয়ে কিছু আভাস লওঁ আহা।

সভ্যতা, সংস্কৃতি আৰু শিক্ষাৰ বিকাশৰ লগে লগে মানুহৰ জীৱন-ধাৰণ প্ৰণালীতো পৰিবৰ্তন আহে। উদাহৰণস্বৰূপে, আদিম যুগৰ মানুহে জীব-জন্তুৰ মাংস কেঁচাই খাইছিল। কিন্তু আধুনিক মানুহে বিভিন্ন ধৰণে আৰু স্বাস্থ্যসন্মতভাৱে সুস্বাদু আহাৰ তৈয়াৰ কৰি খাবলৈ শিকিছে। সেইদৰে মানুহৰ সাজ-পাৰ আৰু বাসস্থানৰ ক্ষেত্ৰতো যথেষ্ট পৰিবৰ্তন আহিছে, যেনে— গছৰ বাকলিৰ পৰিবৰ্তে আধুনিক মানুহে বিভিন্ন সূতাৰে তৈয়াৰী সাজ-পাৰ পৰিধান কৰে। ঠিক তেনেদৰে গুহা নতুবা গছৰ খোৰোঙৰ পৰিবৰ্তে এতিয়াৰ মানুহে সুসজ্জিত ঘৰ নিৰ্মাণ কৰিছে। আজিৰ যুগৰ মানুহে নিজৰ আৰাম আৰু সুবিধাৰ বাবে বিজুলীবাতি, ফেন,ৰন্ধন গেছ, ফ্ৰিজ, কাপোৰ ধোৱা মেচিন,ধুলি-বালি আৰু মকৰাজাল আঁতৰোৱা মেচিন, পাকঘৰৰ চিম্‌নি আদিৰ দৰে অনেক বস্তু ব্যৱহাৰ কৰে। জীৱন-ধাৰণৰ প্ৰণালীক উন্নত কৰাৰ বাবে মানুহৰ প্ৰয়োজনৰ সীমা দিনক দিনে বৃদ্ধি হয়।




আনহাতে, আমি সকলোৱে জানো যে মানুহে সদায় গোট বা সমাজ পাতি থাকিবলৈ ভাল পায়। সামাজিক জীৱন শান্তিপূৰ্ণ আৰু আৰামদায়কভাৱে কটাবলৈ হ'লে উল্লিখিত সামগ্ৰীসমূহৰ বাহিৰেও মানুহক সুস্থ, সুন্দৰ আৰু এটা নিৰাপদ পৰিৱেশৰ আৱশ্যক হয়। গতিকে দেখা যায় যে উন্নত জীৱন-যাপনৰ প্ৰয়োজনসমূহক আমি বহলভাৱে দুটা ভাগত ভগাব পাৰোঁ।

(ক) ব্যক্তিগত প্ৰয়োজন

(খ) সামাজিক প্ৰয়োজন।

এই দুবিধ প্ৰয়োজনৰ বিষয়ে জানিবলৈ আমি তলৰ কাহিনীটোৰ আলম লওঁ আহা—

**নৰেশ্বৰ দেউৰীৰ কথা ঃ**



*মোৰ নাম নৰেশ্বৰ দেউৰী। ঘৰ দৰং জিলাৰ পদুমবাড়ি গাঁৱত। লেখা-পঢ়া নজনা মই এজন অশিক্ষিত খেতিয়ক। দুটা ল'ৰা-ছোৱালীৰে পৰিয়ালটো পোহ-পাল দিবলৈ মোৰ জীৱিকাৰ উপায় হ'ল একমাত্ৰ খেতি। তাতে খেতি-মাটিও তাকৰীয়া। কেইবছৰমান আগলৈকে কেঁকোৰা নাঙলখনকে সাৰথি কৰি মই মোৰ মাটিত খেতি কৰিছিলোঁ। ওৰেটো বছৰ গাৰ তেজ পানী কৰি খেতি কৰোঁ যদিও ভালদৰে দুসাঁজ ভাতৰ যোগাৰ*

কৰিব পৰা নাছিলোঁ। নামত হালৰ গৰু এহাল আছিল যদিও বুঢ়া হৈ আহিছিল। ঘৰৰ আচবাব বুলিবলৈকো কাঠৰ চালপীৰা দুখন, কাঁহি-বাটি কেইযোৰমান আৰু চৰু-হাড়ী দুটা। তাতে বেমাৰ-আজাৰেও পৰিয়ালটোক প্ৰায়ে এৰা নিদিয়ে। মুঠতে ঘৰখনৰ নাজল-নাথল অৱস্থা।



কিন্তু যোৱা কেইটামান বছৰৰ পৰা মোৰ অৱস্থা কিছু উনকিয়াল নোহোৱা নহয়। এতিয়া দুবেলা দুমুঠি ভালদৰে খাই আঁতাইও ফচল বিক্ৰী কৰি বাহি হোৱা ধনখিনি বেংকত সাঁচিব-পৰা হৈছোঁ। যোৱা বছৰৰ আৰম্ভণিতে আগৰ খেৰী ঘৰটোৰ ঠাইত টিনপাত লগাই তিনিটা কোঠাৰ ঘৰ এটা সাজিলোঁ। ঘৰত বিজুলী বাতিও লগালোঁ। এতিয়া আৰু আগৰ দৰে মই তৰা-নৰা ছিঙি খোজ কাঢ়ি অ'লৈ-ত'লৈ দৌৰি ফুৰিব নালাগে। মটৰচাইকেলখনত উঠি সাউতকৈ ওলাই যাওঁ। ল'ৰা-ছোৱালী হালক আকৌ টি.ভি. লাগে। মানুহজনীয়েও বন্ধন গেছটো আৰু নতুন ডিজাইনৰ তাঁতশাল এখনৰ বাবে লাগি থাকে। যোৱাটো ব'হাগত জমা টকাৰপৰা কিছু উলিয়াই সিহঁতকেইটাক সেই বস্তু কেইটাও আনি দিলোঁ।



মই গাঁৱলীয়া অশিক্ষিত লোক হ'লেও কাম কৰি ভাল পাওঁ। আনৰ ভাল দিহাবোৰ মন দি শুনোঁ। মোৰ অৱস্থা আগতকৈ ভাল হোৱাৰ কাৰণ অইন একো নহয়, নতুন পদ্ধতিৰে কৰা খেতিৰ প্ৰতি থকা মোৰ হাবিয়াসহে। আমাৰ গাঁৱলৈ অহা গ্ৰামসেৱকজনৰ পৰামৰ্শমতে এতিয়া মই আধুনিক আৰু বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰোঁ। চৰকাৰী আঁচনিৰ সুবিধাও পাইছোঁ। আগৰ নাঙলৰ ঠাইত এতিয়া মই ট্ৰেক্টৰেৰে মাটি চহাওঁ। অৱশ্যে কৃপিত মাটিও দুবিঘা বাঢ়িল। উন্নত বীজ ব্যৱহাৰ কৰাৰ ফলত ফচল উৎপাদনো আগতকৈ বাঢ়িছে। বছৰি কমেও তিনিটা খেতি চপাব পৰা হ'লোঁ। চৰকাৰৰ কৃষি বিভাগে মোক পুৰস্কৃতও কৰিছে।



আমাৰ গাঁওখন চহৰৰপৰা ভালেখিনি আঁতৰত। আগতে বাট-পথ বুলিবলৈ নথকাৰ দৰেই। এতিয়া পিছে গাঁৱৰ উন্নতিৰ কাৰণে চৰকাৰে নানা আঁচনি ৰূপায়ণ কৰিছে। আমাৰ গাঁৱৰ ৰাস্তা-ঘাটো পকা হ'ল। চহৰলৈ বাছ চলাচল কৰে। খোৱাপানী, বিজুলী বাতিৰ ব্যৱস্থাও হ'ল। আমাৰ দিনত স্কুল বুলিবলৈ গোটেই অঞ্চলটোতে মাথোঁ এখনহে আছিল। সিও ৪/৫ কিলোমিটাৰ নিলগত। আই-পিতায়েতো আমাৰ পঢ়া-শুনাৰ নাম ল'বই নোৱাৰিলে। অশিক্ষিত হ'লেও পিছে মই শিক্ষাৰ মোল ভালদৰে বুজি পাওঁ। ল'ৰা-ছোৱালীহালক মোৰ দৰে অশিক্ষিত কৰি নাৰাখোঁ। এতিয়া আমাৰ গাঁৱৰ সোঁ-মাজতে চৰকাৰী স্কুল এখন হৈছে। ল'ৰা-ছোৱালীহালক তাতে নাম লগাই দিছোঁ। মোৰ ঘৰৰ ওচৰতে সৰু পুথিভঁৰাল

এটা আছে। স্থানীয় বিধায়কজনক লাগি-ভাগি গাঁৱৰ বাইজে নামঘৰৰ ওচৰৰ খালী ঠাইখিনিত এটা ৰাজহুৱা প্ৰেক্ষাগৃহও সাজিবলৈ লৈছে। সেইটো হ'লে আমাৰ ল'ৰা-ছোৱালীহঁতে তাত নাট-ভাওনা আদিও কৰিব পাৰিব।



পিছে আমাৰ এটা অভাব পূৰ হ'বলৈ এতিয়াও বাকী আছে। সেইটো হৈছে এখন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ। হওঁতে গাঁৱৰ মানুহে তাৰ বাবেও চৰকাৰৰ ওচৰত দাবী জনাইছে। জানো- কেতিয়াকৈ সেই সুবিধা আহে! কিন্তু এতিয়া কাৰোবাৰ বেমাৰ-আজাৰ হ'লেও মই পিছে আগৰ দৰে মূৰে-কপালে হাত দি বহি নাথাকোঁ। লৰালৰিকৈ টাউনৰ হস্পিতালললৈ লৈ গৈ ডাক্তৰক দেখুৱাওঁ। বিপদে-আপদে ওচৰ-চুবুৰীয়াইও আহি সহায় কৰেহি। আমাৰ গাঁৱৰ সমাজখনত মিলা-প্ৰীতি আছে। মানুহৰ মাজত ডাঙৰ সৰু বা জাত-পাতৰ ভেদাভেদ বৰকৈ চকুত নপৰে। উৎসৱে-পাৰ্বণে সকলোৱে সমানে সহযোগ কৰে। উঠি অহা ল'ৰা-ছোৱালীহঁতেও গাঁওখনৰ বাবে চিন্তা কৰে। মাজেসময়ে সিহঁতজাকে লগ লাগি গাঁৱৰ আলি-পদুলি, নলা-নৰ্দমা চাফা কৰে। ঘাই আলিৰ দুয়োকাষে গছ-গছনি ৰুই সিহঁতে সাৰ-পানী দি নিজেই চোৱা-চিতা কৰে। ৰাজহুৱা স্থানত ফুলৰ বাগিছাও পাতিছে। মুঠতে গাঁওখনৰ পৰিৱেশটো সুস্থ আৰু শান্তিপূৰ্ণ।

আজৰি পৰত কেতিয়াবা এইবোৰ কথাকে গুণা-গঁথা কৰোঁ। গাঁওখনৰ উন্নতিত মোৰ গৰ্ববোধ হয়। এটা কথা ভাবি মোৰ আনন্দ লাগে যে মই এতিয়া এজন সফল খেতিয়ক আৰু স্বচ্ছল গৃহস্থ। তদুপৰি ৰাইজৰ মেল-মিটিঙত মই দু-আষাৰ কথা ক'ব পৰাও হৈছোঁ। মোৰ বাটকে অনুসৰণ কৰি অঞ্চলটোৰ বহুকেইজন লোকৰ অৱস্থা এতিয়া আগতকৈ বহু ভাল হ'ল।

**উত্তৰ লিখা ঃ**

- নৰেশ্বৰ দেউৰীৰ জীৱিকাৰ উপায় কি আছিল?
- প্ৰথম অৱস্থাত তেওঁ পৰিয়ালটো ভালদৰে পোহপাল দিব পাৰিছিলনে? তেতিয়া তেওঁ কি কি বস্তু ব্যৱহাৰ কৰিছিল?
- পৰিয়ালটোক স্বচ্ছলভাৱে চলাবলৈ তেওঁক আৰু কি কি বস্তুৰ প্ৰয়োজন আছিল? দেউৰীয়ে সেইবিলাক অভাৱ কেনেকৈ পূৰ কৰিব পাৰিলে?

নৰেশ্বৰ দেউৰীয়ে জীৱনৰ আগছোৱাত অভাৱ-অনাটনৰ মাজেৰে দিন অতিবাহিত কৰিছিল। কিন্তু সেই সময়খিনিতো তেওঁ কিছুমান বস্তু ব্যৱহাৰ কৰি নিজৰ অভাৱ পূৰণৰ চেষ্টা কৰিছিল। লাহে লাহে যেতিয়া তেওঁৰ অৱস্থা ভাললৈ আহিল তেতিয়া তেওঁৰ বাবে বিভিন্ন ধৰণৰ সামগ্ৰীৰ প্ৰয়োজন আহি পৰিল। নিজৰ পৰিশ্ৰমৰ উপাৰ্জনেৰে তেওঁ সেইবিলাকো যোগাৰ কৰি ল'লে। এই আটাইবিলাক সামগ্ৰীয়ে নৰেশ্বৰ দেউৰীৰ পৰিয়ালটোক স্বচ্ছলভাৱে চলাত সহায় কৰিছে।

**এনেদৰে মানুহে নিজৰ ব্যক্তিগত জীৱনটো ভালদৰে চলাই নিবলৈ যিবিলাক সামগ্ৰীৰ প্ৰয়োজন অনুভৱ কৰে, সেইবিলাকেই হ'ল মানুহৰ ব্যক্তিগত প্ৰয়োজন।** জীৱিকা আৰু উপাৰ্জনভেদে মানুহৰ ব্যক্তিগত প্ৰয়োজনসমূহো ভিন ভিন হয়। উদাহৰণস্বৰূপে, এজন কৃষক আৰু এজন চিকিৎসকৰ নিজ নিজ প্ৰয়োজনসমূহ বেলেগ বেলেগ। এজন পুৰুষ আৰু এগৰাকী মহিলাৰ প্ৰয়োজনসমূহ ভিন্ন হ'ব পাৰে। ঠাইভেদেও মানুহৰ ব্যক্তিগত প্ৰয়োজনসমূহ ভিন ভিন হোৱা দেখা যায়। নগৰ এখনৰ মানুহৰ ব্যক্তিগত প্ৰয়োজন গাঁও এখনৰ মানুহৰ ব্যক্তিগত প্ৰয়োজনতকৈ বেলেগ হ'ব পাৰে। ঠিক তেনেদৰে ঠাণ্ডা ঠাই এখনৰ মানুহৰ ব্যক্তিগত প্ৰয়োজনসমূহ গৰম ঠাই এখনৰ মানুহৰ ব্যক্তিগত প্ৰয়োজনসমূহতকৈ বেলেগ হয়। তদুপৰি মানুহৰ ব্যক্তিগত প্ৰয়োজনৰ ভিন্নতা মানুহৰ বয়স, ৰুচি, অভ্যাস, আৰ্থিক অৱস্থা ইত্যাদি কাৰকৰ ওপৰতো নিৰ্ভৰ কৰে।

**উত্তৰ লিখা ঃ**

- নৰেশ্বৰ দেউৰীয়ে ল'ৰা-ছোৱালীহালৰ শিক্ষাৰ বাবে কি ব্যৱস্থা লৈছে?
- পৰিয়ালৰ অসুখ-বিসুখৰ সময়ত তেওঁ চিকিৎসাৰ ব্যৱস্থা কিদৰে কৰিছে?
- পুথিভঁৰাল আৰু প্ৰেক্ষাগৃহৰপৰা পদুমবড়ি গাঁৱৰ ৰাইজ কেনেদৰে লাভৱান হ'ব?
- দেউৰীহঁতৰ গাঁৱত কি অভাৱ পূৰ হ'বলৈ বাকী আছে?
- পদুমবড়ি গাঁৱৰ ৰাইজৰ মাজত সামাজিক সম্বন্ধ কেনেকুৱা?
- প্ৰকৃতি সংৰক্ষণৰ বাবে গাঁৱৰ ল'ৰা-ছোৱালীবোৰে কি কি কাম কৰে?
- গাঁৱৰ পৰিৱেশ পৰিষ্কাৰ কৰি ৰাখিবলৈ তেওঁলোকে কি ব্যৱস্থা হাতত লয়?

উন্নত জীৱন-নিৰ্বাহ কৰিবলৈ ব্যক্তিগত প্ৰয়োজনসমূহৰ উপৰি নৰেশ্বৰ দেউৰীৰ জীৱনলৈ অন্যান্য কিছুমান প্ৰয়োজনৰ কথাও আহি পৰিল। যেনে— ল'ৰা-ছোৱালীহঁতক লেখা-পঢ়া শিকাবলৈ এখন বিদ্যালয়, খোৱাপানীৰ ব্যৱস্থা, পুথিভঁৰাল, ৰাস্তা-ঘাট, বিজুলী, প্ৰেক্ষাগৃহ ইত্যাদি। এটা সময়ত চৰকাৰ আৰু পদুমবড়ি গাঁৱৰ ৰাইজৰ প্ৰচেষ্টাত গঢ়ি উঠা এনেবোৰ ব্যৱস্থাৰ সুফল নৰেশ্বৰ দেউৰীৰ লগতে গাঁৱৰ আন মানুহেও ভোগ কৰিলে। এই ব্যৱস্থাসমূহে মানুহৰ ব্যক্তিগত প্ৰয়োজনসমূহৰ উপৰি অন্যান্য প্ৰয়োজনবিলাক পূৰণ কৰাত সহায় কৰে। ফলত মানুহে এক সুচল জীৱন-যাপন কৰিবলৈ সমৰ্থ হয়।

**ক্ৰিয়াকলাপ ঃ**

এতিয়া তোমালোকৰ নিজৰ কিছুমান ব্যক্তিগত প্ৰয়োজনীয় সামগ্ৰীৰ নাম দলত আলোচনা কৰি একোখনকৈ তালিকা প্ৰস্তুত কৰা। সামগ্ৰীসমূহৰ শিতান উল্লেখ কৰিবা।

**এইদৰে সমাজত সুস্থ-সবল আৰু শান্তিপূৰ্ণভাৱে থাকিবলৈ মানুহক যিবোৰ ব্যৱস্থা আৰু সামগ্ৰীৰ প্ৰয়োজন হয়, সেইবোৰকে সামাজিক প্ৰয়োজন বুলি কোৱা হয়।** সামাজিক প্ৰয়োজনসমূহৰ ভিতৰত তলত উল্লেখ কৰা বিলাকেই প্ৰধান —

- জনস্বাস্থ্য (খোৱাপানীৰ ব্যৱস্থা, অনাময় ব্যৱস্থা, চিকিৎসালয় ইত্যাদি)
- শিক্ষা (বিদ্যালয়, মহাবিদ্যালয়, পুথিভঁৰাল আদি)
- ধৰ্ম-সংস্কৃতি (নামঘৰ, মন্দিৰ, মছজিদ, গীৰ্জা, সংঘ আদি)
- মানৱীয় গুণ (মৰম-চেনেহ, ভ্ৰাতৃত্ববোধ, সহনশীলতা, দায়বদ্ধতা, শৃংখলাবোধ আদি)
- সামাজিক নিৰাপত্তা (পুলিচ থানা, ন্যায়ালয়, মানৱাধিকাৰ আয়োগ আদি)

ভৌগোলিক অৱস্থান আৰু সামাজিক পৰিৱেশৰ ভিন্নতাৰ বাবে মানুহৰ সামাজিক প্ৰয়োজনসমূহ ভিন ভিন হ'ব পাৰে। উদাহৰণস্বৰূপে, এখন গাঁও আৰু এখন চহৰৰ সামাজিকভাৱে প্ৰয়োজনীয় ব্যৱস্থাসমূহ একে নহয়। উন্নতমানৰ পথ, খোৱাপানীৰ ব্যৱস্থা, অনাময় ব্যৱস্থা, বৈদ্যুতিকৰণ, চিকিৎসালয় ইত্যাদি এখন গাঁৱৰ সামাজিক প্ৰয়োজন। আনহাতে, এখন চহৰ বা নগৰৰ সামাজিক প্ৰয়োজনৰ ভিতৰত আমি বিশেষকৈ খেলপথাৰ, উদ্যান, ছবিঘৰ, বিবাহ ভৱন আদি অন্তৰ্ভুক্ত কৰিব পাৰো। সম্প্ৰদায় অনুসৰিও মানুহৰ সামাজিক প্ৰয়োজনসমূহ ভিন্ন হ'ব পাৰে। বিবাহ, উৎসৱ-পাৰ্বণ তথা অন্যান্য সামূহিক অনুষ্ঠানত লাগতিয়াল সামগ্ৰীসমূহ সম্প্ৰদায়ভেদে বেলেগ বেলেগ হোৱা দেখা যায়।

**ক্ৰিয়াকলাপ ঃ**

তোমালোকৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কি কি মানৱীয় গুণ আছে বাৰু? এই গুণবিলাক নাথাকিলে কি হ'লহেঁতেন? দলত আলোচনা কৰি একোটিকৈ টোকা লিখা।

উল্লিখিত সামাজিক প্ৰয়োজনসমূহৰ উপৰি বিভিন্ন আমোদ-প্ৰমোদ আৰু অৱসৰ-বিনোদনৰ ব্যৱস্থাই মানুহক শান্তি আৰু আনন্দেৰে জীয়াই থাকিবলৈ সুবিধা দিয়ে। সুস্থ, সুন্দৰ আৰু প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে সমাজত বৃক্ষৰোপণ, প্ৰকৃতি সংৰক্ষণ আৰু চাফ-চিকুণতা আদিৰো যথেষ্ট প্ৰয়োজনীয়তা আছে।

**মনত ৰাখিবলগীয়া কথা ঃ**

- জীৱন-ধাৰণৰ প্ৰণালীক উন্নত কৰাৰ বাবে মানুহৰ প্ৰয়োজনৰ সীমা দিনক দিনে বৃদ্ধি হয়।
- উন্নত জীৱন-যাপনৰ প্ৰয়োজনসমূহক আমি বহলভাৱে দুটা ভাগত ভগাব পাৰোঁ—

  (ক) ব্যক্তিগত প্ৰয়োজন

  (খ) সামাজিক প্ৰয়োজন
- মানুহে ব্যক্তিগতভাৱে জীৱন অতিবাহিত কৰিবলৈ যিবিলাক সামগ্ৰীৰ প্ৰয়োজন অনুভৱ কৰে, সেইবিলাকেই হ'ল ব্যক্তিগত প্ৰয়োজন।
- সমাজত সুস্থ, সবল আৰু শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ মানুহক যিবোৰ ব্যৱস্থা বা সামগ্ৰীৰ প্ৰয়োজন হয়, সেইবিলাকেই হ'ল সামাজিক প্ৰয়োজন।
- সুস্থ, সুন্দৰ আৰু প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে সমাজত বৃক্ষৰোপণ, প্ৰকৃতি সংৰক্ষণ আৰু চাফ-চিকুণতা আদিৰ যথেষ্ট প্ৰয়োজন আছে।

**অনুশীলনী ঃ**

১) মানুহৰ প্ৰয়োজনসমূহক প্ৰধানকৈ কেইভাগত ভগাব পাৰি আৰু কি কি? উদাহৰণসহ লিখা।

২) মানুহৰ জীৱন-ধাৰণৰ মান উন্নয়নত ব্যক্তিগত সামগ্ৰীসমূহে কেনেদৰে সহায় কৰে? শিক্ষকৰ সৈতে আলোচনা কৰি লিখা।

৩) প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে তুমি কি কি ব্যৱস্থা হাতত ল'বা?

৪) শিক্ষানুষ্ঠানৰপৰা তোমালোকে কেনেদৰে উপকৃত হ'ব পাৰিছা বহলাই লিখা।

৫) শুদ্ধ-অশুদ্ধ নিৰ্ণয় কৰা —

(ক) সুখ, সমৃদ্ধি আৰু সুস্থ জীৱনৰ বাবে মৌলিক প্ৰয়োজনীয় বস্তুৰ বাহিৰে আন কোনো বস্তুৰে প্ৰয়োজন নহয়।

(খ) আদিম যুগৰ মানুহে সূতাৰে তৈয়াৰী সাজ-পাৰ পৰিধান কৰিছিল।

(গ) জীৱন-ধাৰণৰ প্ৰণালীক উন্নত কৰাৰ বাবে মানুহৰ প্ৰয়োজনৰ সীমা দিনক দিনে বৃদ্ধি হয়।

(ঘ) পুথিভঁৰাল জনস্বাস্থ্য বিভাগৰ অন্তৰ্গত বিষয়।

(ঙ) প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে বৃক্ষৰোপণৰ প্ৰয়োজনীয়তা আছে।

(চ) সামাজিক প্ৰয়োজন হিচাপে মানৱীয় গুণৰাজিৰ কোনো আৱশ্যকতা নাই।

৬। **প্ৰকল্প ঃ**

তোমালোকৰ নিজ নিজ এলেকাত সামাজিকভাৱে প্ৰয়োজনীয় কি কি সামগ্ৰী বা ব্যৱস্থা আছে? শিক্ষকৰ সহায়ত পৰ্যবেক্ষণ কৰি তাৰ এখন তালিকা প্ৰস্তুত কৰা। সেইবিলাকে কিদৰে তোমালোকৰ জীৱনত সহায় কৰিছে লিখা।

* * * * * * * * * * *

# পাঠ - ১৯

# জীৱন-ধাৰণৰ মান উন্নয়নত প্ৰযুক্তিৰ প্ৰভাৱ

3RTPNK

**শিকনৰ ফলাফলঃ**

- 'মানুহৰ অভাৱ অসীম'— এই ধাৰণা উপলব্ধি কৰিব পাৰিব।
- অভাৱ পূৰণৰ চেষ্টাৰ ফলত যে ন ন বস্তু বা সামগ্ৰীৰ আৱিষ্কাৰ হয়, সেই বিষয়ে ধাৰণা লাভ কৰিব।
- নতুন নতুন সামগ্ৰীসমূহ ক'ৰপৰা, কিদৰে লাভ কৰোঁ, সেই বিষয়ে অৱগত হ'ব।
- প্ৰযুক্তিৰ অৰ্থ বুজি পাব।
- মানুহৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াত প্ৰকৃতি আৰু প্ৰযুক্তিৰ প্ৰভাৱ অনুভৱ কৰিব পাৰিব।

**নাটক এখনৰ এটা দৃশ্য ঃ**

(সময় ৰাতিপুৱা। ঘড়ীত ছয় বাজিছে। নিয়ৰ আৰু পাহি তেতিয়াও বিছনাত। মাক অপৰ্ণাই গা-ধুই পাকঘৰত সোমাইছে। ৰন্ধন গেছটো জ্বলাই এফালে চাহৰ কেটলী আৰু আনফালে প্ৰেছাৰ কুকাৰত চাউল বহাই তেওঁ তাৰপৰাই ল'ৰা-ছোৱালীহালক চিঞৰি আছে)।

অপৰ্ণা ঃ নিয়ৰ, পাহি, বিছনাৰ পৰা উঠি নাহা কেলেই ? মোৰ চাহ বকা হ'লেই, অলপ পিছতে তোমালোকৰ স্কুললৈ যাবৰ হ'ব। গা-পা ধুই সোনকালে আহা ইয়ালৈ।



নিয়ৰ ঃ (মাকৰ মাতত খৰ-ধৰকৈ বিছনাত উঠি বহে আৰু পাহিক জগায়)। এই পাহি, পাহি উঠা। সাত বাজিবই এতিয়া। মায়ে মাতি আছে।

পাহি ঃ (এডামুৰি দি) তুমি আগতে ব্ৰাছ কৰাচোন। মই গৈ আছোঁ।
(হাতত টুথব্ৰাছডাল লৈ নিয়ৰে পেষ্টটো টিপি চাই দেখে সেইটো শেষ হৈছে, অকণো নোলায়)।

নিয়ৰ ঃ (গা ধোৱা ঘৰৰপৰাই নিয়ৰে মাকক সোধে) মা, এইটো টুথপেষ্ট শেষ হৈছে। আৰু আছে নেকি ?

অপৰ্ণা ঃ (পাকঘৰৰপৰাই উত্তৰ দিয়ে) নাই অ'। কালিয়ে দেউতাৰাক আনিবলৈ কৈছিলোঁ। কিন্তু অফিচৰ পৰা ঘূৰি আহোঁতে বাটতে হেনো মটৰ চাইকেলখন বেয়া হ'ল। মেকানিকৰ তাত লাগি থাকোঁতে ৰাতিও হ'ল। ইফালে দোকানো বন্ধ হোৱাত আনিব নোৱাৰিলে। আজিহে আনিব।

নিয়ৰ ঃ এতিয়া তেনেহ'লে কিহেৰে দাঁত ঘঁহো ?

অপৰ্ণা ঃ আজি অকল নিমখ লৈয়ে ঘঁহাচোন। দাঁতৰ কাৰণে নিমখো ভাল। ই দাঁত চাফা কৰাৰ উপৰি বীজাণুও ধ্বংস কৰে।

(এনেতে মধুৰ সুৰত শোৱাকোঠালিত থকা অৰ্পণাৰ ম'বাইল ফোনটো বাজি উঠে। পাহিয়ে বিছনাৰ পৰা জাপ মাৰি উঠি গৈ ফোনটো ৰিচিভ কৰে।)



পাহি ঃ হেল্ল', কোনে কৈছে?

(ম'বাইল ফোনৰ পৰ্দাত পাহিহঁতৰ জেঠায়েকৰ নাম জিলিকি উঠিছিল। জেঠায়েক মানে অপৰ্ণাৰ বায়েক মিনতি। তেওঁলোকৰ ঘৰ অলপ আঁতৰৰ গাঁৱত।)

মিনতি ঃ পাহি, ভালে আছা মাজনী? মাৰা চাগৈ পাকঘৰত ব্যস্ত! অকণমান মাতি দিয়াচোন।

(ইতিমধ্যে পাহিয়ে পাকঘৰত ৰন্ধা-বঢ়াত ব্যস্ত অপৰ্ণাৰ কাষ পায় আৰু 'জেঠাদেউৰ ফোন' বুলি ম'বাইল ফোনটো মাকলৈ আগবঢ়াই দিয়ে।)

অপৰ্ণা ঃ কি হ'ল বাইদেউ, ৰাতিপুৱাতে ফোন কৰিলা যে?

মিনতিঃ এস্ নক'বা আৰু; আজি ট্ৰেক্টৰ লগাই আমাৰ গোটেইখিনি মাটি চহোৱাৰ কথা। পথাৰে- ঘৰে মিলি মানুহো হ'ব কেইজনমান। হওতে ঘৰত খৰি আছে। কিন্তু চৌকাত ইমানখিনি মানুহৰ বাবে ভাত ৰান্ধোতে মোৰ বেলি দুপৰ হ'ব। ভাবিলো গেছতে ৰান্ধো। কিন্তু পাকঘৰলৈ আহি দেখোঁ গেছ শেষ। কি কৰোঁ এতিয়া? তোমালোকৰ তাত হ'ব নেকি গেছৰ চিলিণ্ডাৰ এটা?

অপৰ্ণা ঃ এটা আছে। কিন্তু এতিয়া কোনে লৈ যাব? অইন দিনা হোৱাহেতেন নিয়ৰৰ দেউতাকেই লৈ গ'ল হয়। পিছে আজি তেখেত অফিছলৈ সোনকালে যাব। দিল্লীৰ মুখ্য কাৰ্যালয়ৰ মুৰব্বীৰ লগত ভিডিঅ' কনফাৰেঞ্চিং যোগে জৰুৰী মিটিং আছে। এতিয়া তেখেত লেপ্‌টপত তাৰেই কাম কৰি আছে।

মিনতি ঃ তুমি চিন্তা কৰিব নালাগে দিয়া। ভিন্‌দেৱেৰাই চাইকেলতে লৈ আহিব। অলপ দেৰি হ'ব, হ'লেওতো এতিয়া উপায় নাই। বাৰু, তুমি কামত ধৰাগৈ। থৈছোঁ দেই।

(ইতিমধ্যে নিয়ৰ আৰু পাহিয়ে স্কুললৈ যাবলৈ ওলাই খোৱা টেবুলত বহিছে। অপৰ্ণাই দুয়োৰে খোৱা কাঁহি আগবঢ়াই দিছে। ওচৰতে থকা টি.ভি. টোত ৰাতিপুৱাৰ বাতৰি চলি আছে)।



পাহি ঃ এই দাদা, বেলেগ চেনেল এটা দিয়ানা, অকণমান চাওঁ।

অপৰ্ণা ঃ এতিয়া টি.ভি. চাব নালাগে পাহি। দেউতাৰাই বাতৰিটো চায় বাবেহে মই টি.ভি.টো লগাওঁ। তোমালোকে সন্ধিয়া অলপ চাবা বাৰু। এতিয়া সোনকালে খাই লোৱা। সাত বাজিল। স্কুলবাছ আহি পাবৰ হ'লেই। বাছখন নাপালে তোমালোকৰ স্কুললৈ যোৱাই নহ'ব আজি।


পাহি ঃ (অলপ সজাগ ভঙ্গিত) নাই নাই দেই! আজি স্কুল খতি কৰিব নোৱাৰোঁ। আজিৰপৰা আমাৰ শ্ৰেণীত স্মাৰ্টক্লাছ আৰম্ভ হ'ব। কি যে মজা লাগিব! ব'লা দাদা, বাছ পাবহিয়ে এতিয়া।

(কিতাপৰ বেগ কান্ধত লৈ নিয়ৰ আৰু পাহি ওলাই যায়।)

**জানি থওঁ আহাঃ**

- ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাত ভিন ভিন ঠাইত থকা দুই বা তাতোধিক ব্যক্তিয়ে দৃশ্য আৰু শ্ৰাব্য উভয় মাধ্যমত ভাবৰ আদান-প্ৰদান কৰাৰ সুবিধা লাভ কৰে।
- স্মাৰ্ট ক্লাছৰূমত বিজ্ঞানসম্মত আহিলা-পাতি আৰু কৌশলৰ সমন্বয় সাধন কৰি ছাত্ৰ ছাত্ৰীৰ মনোগ্ৰাহী হোৱাকৈ পাঠদান কৰা হয়। আনকি শ্ৰেণীকোঠাৰপৰা বহু আঁতৰত থাকিও সমল ব্যক্তিয়ে ছাত্ৰ ছাত্ৰীৰ সৈতে মত বিনিময় কৰিব পাৰে অথবা পাঠদান কৰিব পাৰে। কম্পিউটাৰ, প্ৰজেক্টৰ, বিভিন্ন দৃশ্য-শ্ৰাব্য মাধ্যম ইত্যাদি হ'ল এনে আহিলা পাতিৰ উদাহৰণ। এনেবোৰ আহিলা পাতিৰ প্ৰয়োগ প্ৰণালীয়েই হ'ল তথ্য আৰু যোগাযোগ প্ৰযুক্তি (ICT: Information and Communication Technology)

নাটকখনৰ দৃশ্যটো পঢ়ি তোমালোকৰ কেনেকুৱা লাগিল ? এতিয়া ইয়াৰ আঁত ধৰি কোৱাচোন—




- গা-ধুই আহি অপৰ্ণাই কি কৰিছে?
- নিয়ৰ ৰাতিপুৱা কেইবজাত বিছনাৰ পৰা উঠিছিল?
- চাউলখিনি অপৰ্ণাই কিহত বহাই দিছে?
- নিয়ৰে ৰাতিপুৱা উঠিয়েই হাতত প্ৰথমে কি তুলি লৈছিল?
- মাকে নিয়ৰক কিয় নিমখেৰে দাঁত ঘঁহিবলৈ ক'লে?
- পাহিয়ে বিছনাৰপৰা কিয় জাঁপ মাৰি উঠি গৈছিল?
- চিলিগুৰি বিচাৰি মিনতিয়ে অপৰ্ণাক কেনেকৈ যোগাযোগ কৰিছিল?
- পাহিয়ে সেইদিনা কিয় স্কুল খতি কৰিব খোজা নাছিল?

নাটকখনত তোমালোকে এখন ঘৰৰ ৰাতিপুৱাৰ দৃশ্য দেখিবলৈ পালা। ইতিমধ্যে আগৰ পাঠত তোমালোকে ট্ৰেক্টৰ, বিজুলীবাতি, ৰন্ধন গেছ, চাইকেল আদিৰ ব্যৱহাৰৰ বিষয়ে জানিছা। নাটকখনতো তেনেধৰণৰ কিছুমান বস্তুৰ বিষয়ে উল্লেখ আছে।

**ক্ৰিয়াকলাপ ঃ**

**নাটকখনত উল্লিখিত বস্তুসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। তাত উল্লেখ কৰাৰ উপৰি তোমালোকৰ দৈনন্দিন জীৱনত তেনেধৰণৰ আৰু কি কি বস্তু ব্যৱহাৰ কৰা, লগৰীয়াৰ লগত আলোচনা কৰি তালিকা প্ৰস্তুত কৰা।**

মানুহৰ অভাৱ অসীম। আনহাতে জীৱন-ধাৰণৰ মান উন্নত কৰিবলৈ বিচৰাটো প্ৰতিজন মানুহৰে স্বাভাৱিক হাবিয়াস। কিন্তু অভাৱ পূৰ কৰাৰ উপায় বা আহিলা সীমিত। সেয়েহে আমি আমাৰ সীমিত উপাৰ্জনৰ দ্বাৰাই এই অভাৱসমূহ পূৰ কৰাৰ চেষ্টা কৰোঁ। মানুহৰ ইচ্ছাসমূহ পূৰ কৰাৰ চেষ্টাৰ ফলস্বৰূপে নিত্য নতুন বস্তুৰ আৱিষ্কাৰ হৈছে। জীৱনটোক উন্নত আৰু সুচল কৰিবৰ বাবে মানুহে এই বস্তুসমূহ ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে, প্ৰচণ্ড তাপৰপৰা ৰক্ষা পাবলৈ এতিয়া মানুহে বৈদ্যুতিন ফেনৰ লগতে এয়াৰ কুলাৰ (বতাহ শীতলীকৰণ যন্ত্ৰ), এয়াৰ কণ্ডিশ্যনাৰ (বাতানুকূল যন্ত্ৰ) আদি ব্যৱহাৰ কৰে। ঠাণ্ডা পানী গৰম কৰিবলৈ বহুতে গীজাৰ (পানী গৰম কৰা যন্ত্ৰ) ব্যৱহাৰ কৰে। ঠিক তেনেদৰে বিভিন্ন নতুন আৰু কাৰিকৰী কৌশলযুক্ত ব্যৱস্থাৰো সৃষ্টি হৈছে। যাতায়াত, যোগাযোগ, চিকিৎসা, বিদ্যুৎ সেৱা আদিৰ দৰে ব্যৱস্থাসমূহত হোৱা অভূতপূৰ্ব পৰিৱৰ্তন মনকৰিবলগীয়া। ম'বাইল, কম্পিউটাৰৰ বিপুল ব্যৱহাৰ আৰু ইণ্টাৰনেট সেৱাৰ দ্ৰুত প্ৰসাৰৰ ফলত শিক্ষাখণ্ডটো ব্যাপক উন্নতি সাধন হৈছে। ২০২০ চন আৰু ইয়াৰ পৰৱৰ্তী সময়ছোৱাত ক'ভিড ১৯ মহামাৰীয়ে সৃষ্টি কৰা অচল পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলে এই ডিজিটেল মাধ্যমসমূহ ব্যৱহাৰ কৰি উপকৃত হৈছে আৰু শিক্ষাগ্ৰহণ কৰিবলৈ সক্ষম হৈছে।

এই বস্তু আৰু ব্যৱস্থাসমূহে আমাৰ জীৱন-ধাৰণৰ প্ৰক্ৰিয়া আগৰ তুলনাত অধিক খৰতকীয়া আৰু আৰামদায়ক কৰি তুলিছে। এতিয়া মানুহে কম সময়তে কম কষ্ট আৰু কম খৰচত বহুতো কাম কৰিব পৰা হৈছে। দূৰ ঠাইলৈ যাতায়াত আৰু যোগাযোগত আজিকালি বেছি সময় নালাগে। পৃথিৱীখন এতিয়া আমাৰ বাবে সৰু আৰু চিনাকি। ফলস্বৰূপে, বিভিন্ন দেশৰ মাজত বেহা-বেপাৰ বৃদ্ধি হৈছে। মানুহৰ আয়ৰ পৰিমাণ বাঢ়িছে আৰু আজৰি সময় বৃদ্ধি হৈছে। লগে লগে অৱসৰ-বিনোদনৰ বাবে বিভিন্ন সুবিধাৰো সৃষ্টি হৈছে। ইয়াৰ ফলত মানুহে ন ন উৎপাদনমুখী কাৰ্যত আত্মনিয়োগ কৰাৰ সুযোগ লাভ কৰিছে।

**উত্তৰ লিখাঃ**

(ক) নিয়ৰহঁতৰ মাকে নিজৰ কাম কম সময়ত কৰিবৰ বাবে কি কি বস্তু ব্যৱহাৰ কৰিছে? এই বস্তুবিলাকৰ অভাৱত নিয়ৰহঁতৰ কি অসুবিধা হ'লহেঁতেন?

(খ) যোগাযোগ আৰু যাতায়াতৰ বাবে মিনতি আৰু অপৰ্ণাহঁতৰ ঘৰত কি কি ব্যৱস্থা আছে?

(গ) ক'ভিড ১৯ মহামাৰীয়ে সৃষ্টি কৰা অচল অৱস্থাত ছাত্ৰ-ছাত্ৰীয়ে কি মাধ্যমৰ সহায়ত শিক্ষাগ্ৰহণ কৰিছে?

(ঘ) গেছৰ চিলিণ্ডাৰ এটা যোগাৰ কৰিব নোৱাৰিলে মিনতি কি অসুবিধাত পৰিলেহেঁতেন?











Src : via Wikimedia Commons

**ক্ৰিয়াকলাপ ঃ**

**ওপৰৰ ছবিত দেখুওৱা সামগ্ৰী আৰু ব্যৱস্থাসমূহে আমাৰ জীৱনত কেনেদৰে সহায় কৰিছে দলত আলোচনা কৰা। এইবিলাকে আমাৰ জীৱনৰ মান উন্নত কৰিছেনে? যুক্তি দৰ্শোৱা।**

আধুনিক শিক্ষাৰ প্ৰসাৰৰ লগে লগে মানুহে বিজ্ঞানসম্মতভাৱে চিন্তা-চৰ্চা কৰি বিভিন্ন ধৰণৰ আহিলা পাতি তৈয়াৰ কৰিবলৈ শিকিছে। উপযুক্ত কৌশল প্ৰয়োগ কৰি আৰু উন্নত আহিলা-পাতি ব্যৱহাৰ কৰি প্ৰকৃতিৰপৰা আহৰণ কৰা

সম্পদসমূহক আমাৰ প্ৰয়োজনীয় উপভোগ্য সামগ্ৰীলৈ ৰূপান্তৰ কৰা হয়।

নিয়ৰহঁতৰ দৰে আমি সকলোৱে পুৰাৰপৰা ৰাতিলৈকে বিভিন্ন সামগ্ৰী আৰু সঁজুলি ব্যৱহাৰ কৰোঁ। এই বস্তু বিলাকৰ বেছিভাগেই আমি প্ৰযুক্তিৰ সহায়ত লাভ কৰিছোঁ। **কোনো কাৰ্য পৰিচালনা আৰু সম্পাদনা সুচল কৰাৰ উদ্দেশ্যে ব্যৱহৃত বিজ্ঞানসম্মত চিন্তা-চৰ্চা, আহিলাপাতি আৰু কৌশল আদিৰ সমষ্টিক প্ৰযুক্তি বুলিব পাৰি।** এতিয়া আমি নিশ্চয় ক'ব পাৰোঁ যে গম নোপোৱাকৈয়ে প্ৰযুক্তিয়ে আমাৰ দৈনন্দিন জীৱনত অহৰ্নিশে সহায় কৰি আছে। এনেদৰে প্ৰযুক্তিৰ বিভিন্ন অৱদানসমূহ ব্যৱহাৰ কৰাৰ ফলত মানুহৰ জীৱন-ধাৰণৰ মান ক্ৰমান্বয়ে উন্নত হয়।









ক্ৰিয়াকলাপ ঃ

ওপৰৰ ছবিকেইখন ভালদৰে মন কৰা। যান-বাহনকেইখনৰ আকাৰ, বহন ক্ষমতা আৰু গতিবেগ সম্পৰ্কে একোটাকৈ টোকা লিখা।

পূৰ্বৰ তুলনাত আজিকালিৰ মানুহে অধিক সুবিধাজনক আহিলা তথা যন্ত্ৰ-পাতি ব্যৱহাৰ কৰিবলৈ শিকিছে। প্ৰকৃতিৰ অৱদান আৰু প্ৰযুক্তিৰ জ্ঞানে মানুহৰ জীৱন ক্ৰমান্বয়ে উন্নতৰপৰা উন্নততৰ স্তৰলৈ লৈ গৈছে। উদাহৰণস্বৰূপে, নদীৰ পানী প্ৰকৃতিৰ দান। কিন্তু সেই পানী জলসিঞ্চন আৰু বিজুলী সৃষ্টিৰ বাবে ব্যৱহাৰ কৰিবলৈ আমাক প্ৰযুক্তি জ্ঞানৰ সমানে প্ৰয়োজন। ঠিক একেধৰণে প্ৰযুক্তিৰ সহায় লৈয়ে মানুহে গোবৰৰপৰা গোবৰ গেছ প্ৰস্তুত কৰি আৰু সূৰ্যৰ ৰশ্মিৰপৰা সৌৰশক্তি আহৰণ কৰি বিভিন্ন কামত প্ৰয়োগ কৰিছে। এনেকুৱা আৰু অনেক উদাহৰণ আছে। সেয়েহে আমি ক'ব পাৰোঁ যে, **মানৱ সভ্যতা প্ৰকৃতি আৰু প্ৰযুক্তিৰ সমন্বয়ৰ ফল।**

**মনত ৰাখিবলগীয়া কথা ঃ**

- মানুহৰ অভাৱ অসীম।
- অভাৱ পূৰণৰ চেষ্টাৰ ফলত নতুন নতুন বস্তুৰ আৱিষ্কাৰ হয়।
- কোনো কাৰ্যৰ পৰিচালনা আৰু সম্পাদন সুচল কৰাৰ উদ্দেশ্যে ব্যৱহৃত বিজ্ঞানসম্মত চিন্তা-চৰ্চা, আহিলাপাতি আৰু কৌশল আদিৰ সমষ্টিক প্ৰযুক্তি বুলিব পাৰি।
- মানৱ সভ্যতা প্ৰকৃতি আৰু প্ৰযুক্তিৰ সমন্বয়ৰ ফল।
- প্ৰযুক্তিৰ প্ৰভাৱত আমাৰ জীৱন আগৰ তুলনাত অধিক খৰতকীয়া আৰু আৰামদায়ক হৈ পৰিছে।

## অনুশীলনী ঃ

১) প্ৰযুক্তি কাক বোলে? তুমি জনা কেইবিধমান প্ৰযুক্তি সম্বলিত বস্তুৰ নাম লিখা।

২) আমাৰ জীৱন-যাপনৰ মান উন্নয়নত প্ৰযুক্তিয়ে কেনেধৰণে সহায় কৰিছে লিখা।

৩) প্ৰযুক্তি অবিহনে আমাৰ জীৱন-ধাৰণ প্ৰণালী কেনেকুৱা হ'লহেঁতেন বৰ্ণনা কৰা।

৪) 'নদীৰ পানী প্ৰকৃতিৰ দান।' এনেদৰে আৰু কি কি প্ৰকৃতিৰ দান আছে? সেইবোৰক আমি কি কামত ব্যৱহাৰ কৰোঁ? ব্যাখ্যা কৰা।

৫) খালী ঠাই পূৰ কৰা —

ক) মানুহৰ অভাৱ ______________ ।

খ) জীৱন-ধাৰণৰ মান ______________ কৰিবলৈ বিচৰাটো প্ৰতিগৰাকী মানুহৰ স্বাভাৱিক ______________ ।

গ) মানৱ সভ্যতা হ'ল ______________ আৰু ______________ সমন্বয়ৰ ফল।

ঘ) প্ৰযুক্তিয়ে আমাৰ জীৱন আগৰ তুলনাত অধিক ______________ আৰু ______________ কৰি তুলিছে।

ঙ) গোবৰৰপৰা ______________ আৰু সূৰ্যৰ ৰশ্মিৰপৰা ______________ প্ৰস্তুত কৰা হয়।

৬) অশুদ্ধ শব্দটো কাটি বাক্যটো শুদ্ধকৈ লিখা —

ক) অভাব পূৰণৰ উপায় বা আহিলা সীমিত/সীমাহীন।

খ) দূৰ ঠাইলৈ যাতায়াত আৰু যোগাযোগত আজিকালি বেছি সময় লাগে/নালাগে।

গ) প্ৰযুক্তিয়ে আমাৰ দৈনন্দিন জীৱনত অহৰ্নিশে সহায়/অসুবিধা কৰি আছে।

ঘ) প্ৰযুক্তিৰ সহায় নোলোৱাকৈ/লৈ মানুহে সূৰ্যৰ ৰশ্মিৰপৰা সৌৰশক্তি আহৰণ কৰিবলৈ সক্ষম হৈছে।

ঙ) পৃথিৱীখন এতিয়া আমাৰ বাবে সৰু আৰু চিনাকি/ অচিনাকি।

৭) **প্ৰকল্প ঃ**

তলত উল্লেখ কৰা বস্তুসমূহৰ ছবি সংগ্ৰহ কৰি প্ৰতিটোৰে তুলনামূলক মন্তব্য আগবঢ়োৱা —

(ক) চাইকেল/ মটৰ চাইকেল

(খ) টেলিফোন/ ম'বাইল ফোন

(গ) টেলিভিছন/ কম্পিউটাৰ

(ঘ) খৰিৰ চৌকা/ গেছৰ চৌকা।

* * * * * * * * * * *

# পাঠ - ২০

# কৃষি, উদ্যোগ আৰু সেৱাখণ্ডত প্ৰযুক্তিৰ প্ৰভাৱ

3S3KQ8

**শিকনৰ ফলাফলঃ**

- বৃত্তিয়ে মানুহৰ জীৱন-ধাৰণত কেনেধৰণে সহায় কৰে, তাক বুজি পাব।
- বৃত্তিসমূহ যে তিনিটা অৰ্থনৈতিক খণ্ডৰ লগত জড়িত জানিব পাৰিব।
- বিভিন্ন বৃত্তিৰ লগত জড়িত ক্ষেত্ৰসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব।
- কৃষি, উদ্যোগ আৰু সেৱাখণ্ডত প্ৰযুক্তিৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব।
- প্ৰযুক্তিৰ অদক্ষ আৰু অসাৱধান ব্যৱহাৰে যে ব্যক্তি তথা সমাজলৈ বিপদ আনিব পাৰে সেই বিষয়ে সচেতন হ'ব।

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে আগৰ পাঠত প্ৰযুক্তিৰ ধাৰণা সম্পৰ্কে পঢ়ি আহিছা। এই পাঠত তোমালোকে অৰ্থনীতিৰ বিভিন্ন ক্ষেত্ৰত এই প্ৰযুক্তিসমূহে কেনেদৰে প্ৰভাৱ পেলাইছে বা এই প্ৰযুক্তিসমূহে প্ৰয়োগৰ জৰিয়তে দেশৰ বিভিন্ন অৰ্থনৈতিক খণ্ডসমূহৰ উন্নয়ন কিদৰে সম্ভৱ হৈছে তাৰ এক চমু আভাস দিবলৈ চেষ্টা কৰা হৈছে। কৰ্মক্ষেত্ৰ অনুসৰি মানুহৰ বৃত্তিসমূহ মুলতঃ তিনিটা অৰ্থনৈতিক খণ্ডৰ লগত জড়িত। সেইকেইটা হ'ল ক্ৰমে কৃষিখণ্ড, উদ্যোগখণ্ড আৰু সেৱাখণ্ড। এই খণ্ড তিনিটাৰ অন্তৰ্ভুক্ত বিভিন্ন বৃত্তিৰ লগত জড়িত ক্ষেত্ৰসমূহ তলৰ তালিকাত দেখুওৱা হ'ল।


| খণ্ডসমূহ | বিভিন্ন বৃত্তিৰ লগত জড়িত ক্ষেত্ৰসমূহ |
|---|---|
| কৃষি | কৃষি, পশুপালন, মীন পালন, উদ্যান শস্য ইত্যাদি |
| উদ্যোগ | কল-কাৰখানা, বিভিন্ন ধৰণৰ বৃহৎ শিল্প, কুটিৰ শিল্প আদি। |
| সেৱা | শিক্ষা, যোগাযোগ, চিকিৎসা, বেংক, পৰিবহণ আদি। |


**জানি থওঁ আহা ঃ**

এখন দেশৰ উপাৰ্জন ব্যক্তিগত আৰু সামুহিক বিভিন্ন উৎসৰ ওপৰত নিৰ্ভৰ কৰে। এই আটাইবিলাক উৎসক প্ৰধানকৈ তিনিটা ভাগ বা খণ্ডত ভগাই লোৱা হয়। সেয়াই হ'ল একো একোটা **অৰ্থনৈতিক খণ্ড**। এই তিনিওটা খণ্ডৰ সন্মিলিত প্ৰচেষ্টাতহে এখন দেশৰ অৰ্থনৈতিক উন্নয়ন আৰু কল্যাণ সাধন হয়। প্ৰতিটো খণ্ডই এটা আনটোৰ পৰিপূৰক আৰু ইটো-সিটোৰ ওপৰত নিৰ্ভৰশীল।









বিভিন্ন প্ৰকাৰৰ বৃত্তি

**ক্ৰিয়াকলাপ ঃ**

চিত্ৰত দেখুওৱা বৃত্তিবোৰ আগৰ পৃষ্ঠাৰ তালিকাত দেখুওৱা কোন কোন খণ্ডত পৰে লগৰীয়াৰ লগত আলোচনা কৰি লিখা।

তোমালোকে জানা যে অতীজত মানুহে নিজ নিজ কৰ্মক্ষেত্ৰত কঠোৰ পৰিশ্ৰম কৰি নিজৰ উপাৰ্জনৰ পথ মোকলাই লৈছিল। কিন্তু, বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নৰ লগে লগে মানুহৰ শ্ৰম বহু পৰিমাণে লাঘৱ হোৱা পৰিলক্ষিত হৈছে। বিভিন্ন বৃত্তিৰ লগত জড়িত ক্ষেত্ৰসমূহত প্ৰযুক্তিয়ে কেনেদৰে সহায় কৰিছে জানি লওঁ আহা।

**কৃষি আৰু প্ৰযুক্তি ঃ**



ওপৰৰ ছবিসমূহত তোমালোকে বিবিধ যন্ত্ৰ-পাতি আৰু প্ৰযুক্তি-কৌশলৰ ব্যৱহাৰৰ বিষয়ে মন কৰিছা নিশ্চয়। প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত কৃষি ক্ষেত্ৰত ব্যাপক উন্নতি হোৱা দেখা গৈছে। বৰ্তমান কৃষকসকলে নাঙলৰ পৰিবৰ্তে ট্ৰেক্টৰ, পাৱাৰটিলাৰ আদি ব্যৱহাৰ কৰি কম সময়ৰ ভিতৰতে অধিক মাটি চহাব পৰা হৈছে। জলসিঞ্চন ব্যৱস্থাৰ ফলত বছৰৰ সকলো সময়তে সকলো ধৰণৰ খেতিৰ বাবে পানীৰ যোগান সম্ভৱ হৈছে। উন্নত মানৰ বীজ আৰু ৰাসায়নিক সাৰৰ প্ৰয়োগৰ ফলত আজিকালি কম মাটিত অধিক ফচল উৎপাদন হয়। বন নিৰোৱা, শস্য কটা আৰু মৰণা মৰা যন্ত্ৰ ব্যৱহাৰৰ ফলত কৃষকৰ শাৰীৰিক কষ্ট বহু পৰিমাণে লাঘৱ হৈছে। পোক-পতঙ্গৰ আক্ৰমণৰপৰা শস্যক ৰক্ষা কৰিবলৈ নানাধৰণৰ কীটনাশক দ্ৰব্য আজিকালি ব্যৱহাৰ কৰা হয়। এই আটাইবিলাক ব্যৱস্থা আৰু সুবিধা আমি প্ৰযুক্তি কৌশল প্ৰয়োগ কৰিহে লাভ কৰিবলৈ সক্ষম হৈছোঁহক। ভাৰতৰ পঞ্জাব, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ কৃষি ক্ষেত্ৰত ষাঠিৰ দশকতে উন্নত পানী যোগান ব্যৱস্থা, অধিক উৎপাদনক্ষম বীজ আৰু ৰাসায়নিক সাৰৰ ব্যাপক ব্যৱহাৰ কৰি **'সেউজ বিপ্লৱ'**ৰ সূচনা কৰা হয়। ফলত কৃষিজাত সামগ্ৰীৰ উৎপাদন বহুগুণে বৃদ্ধি পায়। পাছলৈ ভাৰতৰ অন্যান্য ৰাজ্যতো সেউজ বিপ্লৱৰ প্ৰভাৱ পৰে। বৰ্তমান সময়ত সেউজ বিপ্লৱৰ উপৰি কৃষিখণ্ডত বিশাল প্ৰযুক্তি প্ৰয়োগৰ ফলত আন আন কেতবোৰ বিপ্লৱেও গা কৰি উঠিছে। যেনে- মৎস্য বা মীন উৎপাদনৰ ক্ষেত্ৰত নীল বিপ্লৱ , গাখীৰ উৎপাদনৰ ক্ষেত্ৰত শ্বেত বিপ্লৱ, সৰিয়হ উৎপাদনৰ ক্ষেত্ৰত হালধীয়া বিপ্লৱ ইত্যাদি।

**জানি থওঁ আহা ঃ**

**তামিলনাডুৰ ড° এম্ এচ্ স্বামীনাথনক ভাৰতৰ 'সেউজ বিপ্লৱ'ৰ পিতৃ আখ্যা দিয়া হয়।**



চিত্ৰ : via Wikimedia Commons



চিত্ৰ : via Wikimedia Commons

গৰু, ম'হ, হাঁহ, কুঁকুৰা, মীন পালনৰ ক্ষেত্ৰতো আজিকালি নানা আধুনিক প্ৰযুক্তি কৌশলৰ ব্যৱহাৰ হয়। এনেবিলাক বৃত্তি আৰু ব্যৱসায়ৰ সম্প্ৰসাৰণৰ লগে লগে আমাৰ দেশৰ উৎপাদন বৃদ্ধি হৈছে। ইয়াৰ ফলত আৰ্থিক উপাৰ্জন বৃদ্ধি হ'বলৈ ধৰিছে আৰু মানুহে কৰ্মসংস্থানৰ সুবিধা পাইছে।

**উত্তৰ লিখা ঃ**

- মাটি চহোৱা দুবিধ আধুনিক যন্ত্ৰৰ নাম লিখা।
- কোন দশকত সেউজ বিপ্লৱৰ সূচনা হয়?

উৎপাদন বৃদ্ধিৰ লগে লগে ৰাহি হোৱা ফচলখিনি সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰে কৃষকসকলক এই সমস্যাৰপৰাও সকাহ দিছে। আজিকালি **শীতল ভঁৰাল**'ত ফচলসমূহ বহু দিনলৈ সতেজভাৱে সংৰক্ষণ কৰি ৰাখিব পাৰি। ফলস্বৰূপে এতিয়া, বছৰৰ সকলো সময়তে সকলো ধৰণৰ ফল-মূল আৰু পাচলি পোৱাৰ সুবিধা হৈছে। ইয়াৰ ফলত কৃষকসকল আৰ্থিকভাৱে লাভৱান হ'বলৈ সক্ষম হৈছে।





চিত্ৰ : via Wikimedia Commons

**জানি থওঁ আহা ঃ**

সোনকালে নষ্ট হ'ব পৰা কৃষিজাত বস্তু, ফল-মূল, খাদ্য সামগ্ৰী আদি নিয়ন্ত্ৰিত উষ্ণতাত বেছি দিনলৈ সতেজ কৰি ৰাখিব পৰা ব্যৱস্থা সম্বলিত ভঁৰাল গৃহকে **শীতল ভঁৰাল** বুলি কোৱা হয়।

**ক্ৰিয়াকলাপ ঃ**

- শীতল ভঁৰালে কৃষকসকলক আৰ্থিকভাৱে কিদৰে সহায় কৰিছে দলগতভাৱে আলোচনা কৰি লিখা।
- তোমালোকৰ ওচৰৰ অঞ্চলত যদি শীতল ভঁৰাল আছে, তাত কেনেদৰে ফল-মূল, শস্য আদি সংৰক্ষণ কৰি ৰাখে শিক্ষকৰ লগত আলোচনা কৰি এটি টোকা লিখা।

## উদ্যোগ আৰু প্ৰযুক্তি ঃ





> **ক্ৰিয়াকলাপ ঃ**
> আমাৰ জীৱন-ধাৰণৰ বাবে প্ৰয়োজনীয় সকলোবোৰ সামগ্ৰী প্ৰকৃতিৰপৰা পাওঁনে? কি কি বস্তু প্ৰকৃতিৰপৰা পাওঁ আৰু কি কি বস্তু নাপাওঁ দলগতভাবে আলোচনা কৰি তালিকাভুক্ত কৰা।

যিবিলাক বস্তু আমি প্ৰকৃতিৰপৰা প্ৰত্যক্ষভাৱে লাভ কৰিব নোৱাৰোঁ সেইবিলাক সামগ্ৰী আমি উদ্যোগৰ জৰিয়তে পাওঁ। তোমালোকে আগতে পাই আহিছা যে প্ৰকৃতিৰপৰা পোৱা কেঁচা সামগ্ৰীসমূহ কাৰখানা বা উদ্যোগত কাৰিকৰী কৌশল আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি আমাৰ উপভোগ্য সামগ্ৰীলৈ ৰূপান্তৰ কৰা হয়। উদাহৰণস্বৰূপে, কুঁহিয়াৰৰ ৰসৰপৰা চেনি প্ৰস্তুত কৰা হয়। আমি ব্যৱহাৰ কৰা কাগজসমূহ বাঁহ গছৰপৰা তৈয়াৰ কৰা হয়।

আমাৰ দেশত বিভিন্ন ধৰণৰ উদ্যোগ আৰু কল-কাৰখানা আছে। যেনে — চাহ উদ্যোগ, তেল উদ্যোগ, লো-তীখা উদ্যোগ, কাগজ উদ্যোগ, মৰাপাট উদ্যোগ, প্লাইউড উদ্যোগ, বস্ত্ৰ উদ্যোগ, তাপ বিদ্যুৎ কেন্দ্ৰ, জলবিদ্যুৎ কেন্দ্ৰ ইত্যাদি। প্ৰযুক্তিৰ সহায়ত উদ্যোগসমূহত কম খৰচতে অধিক উৎপাদন হোৱাৰ লগতে উৎপাদিত সামগ্ৰীসমূহ কৌশলযুক্ত আৰু উন্নত মানৰ হয়। উদ্যোগ স্থাপনৰ লগে লগে নিয়োগৰ সুবিধাও বৃদ্ধি পায়। এইদৰে উদ্যোগ খণ্ডৰ সামগ্ৰিক বিকাশত প্ৰযুক্তিয়ে যথেষ্ট সহায় কৰিছে।

অসমৰ কুটিৰ শিল্পৰ ক্ষেত্ৰতো বৰ্তমান যথেষ্ট পৰিৱৰ্তন আহিছে। শুৱালকুছিৰ পাট-মুগা, নলবাৰীৰ বাঁহ-বেত, সৰ্থেবাৰীৰ কাঁহ, হাজোৰ পিতল, লখিমপুৰ আৰু ধেমাজিৰ মুগা শিল্প আদিত জড়িত লোকসকলেও উন্নত প্ৰযুক্তি কৌশলৰ ব্যৱহাৰ কৰি কম খৰচ আৰু কম কষ্টত উন্নতমানৰ সা-সামগ্ৰী অধিক পৰিমাণে উৎপাদন কৰিবলৈ সক্ষম হৈছে।

> **ক্ৰিয়াকলাপ ঃ**
> - তোমাৰ ওচৰত থকা কোনো উদ্যোগ বা কুটিৰ শিল্পৰ কেন্দ্ৰলৈ গৈ তাত কিদৰে বস্তু উৎপাদন কৰা হয়, ভালদৰে চাই এটি টোকা প্ৰস্তুত কৰা।
> - উদ্যোগত ব্যৱহাৰ হোৱা কেঁচা সামগ্ৰীসমূহ আমি ক'ৰপৰা পাওঁ?
> - প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগৰ ফলত উদ্যোগ খণ্ডৰ কি লাভ হৈছে?

### সেৱাখণ্ড আৰু প্ৰযুক্তি ঃ

তোমালোকে আগতে পাই আহিছা যে সমাজৰ উন্নয়ন আৰু বিকাশৰ বাবে নানাধৰণৰ সামগ্ৰীৰ উপৰি কিছুমান ব্যৱস্থাৰ প্ৰয়োজন হয়। যেনে — শিক্ষা, চিকিৎসা, যাতায়াত, যোগাযোগ ব্যৱস্থা আদি। এই ব্যৱস্থাবোৰে পোনে পোনে কোনো সামগ্ৰী উৎপাদন নকৰে, কিন্তু উৎপাদনত পৰোক্ষভাৱে সহায় কৰে। এই ব্যৱস্থাসমূহত প্ৰযুক্তিয়ে কিদৰে অৱদান আগবঢ়াইছে সেইবিষয়ে আলোচনা কৰোঁ আহা —

### (ক) যোগাযোগ আৰু প্ৰযুক্তি ঃ

আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত যোগাযোগ ব্যৱস্থাত যথেষ্ট উন্নতি হোৱা পৰিলক্ষিত হৈছে। বাতৰি কাকত, ৰেডিঅ' আৰু টেলিফোনে যোগাযোগ ব্যৱস্থাত কিমান সহায় কৰিছে সেইবিষয়ে তোমালোকে নিশ্চয় ইতিমধ্যে বুজিব পাৰিছা। ইয়াৰ উপৰি কৃত্ৰিম উপগ্ৰহৰ নিৰ্মাণ তথা স্থাপনৰ পিছত ম'বাইল ফোন, টেলিভিছন, কম্পিউটাৰ, ইণ্টাৰনেট আদি ব্যৱস্থাৰ সহায়ত এতিয়া মানুহে ঘৰতে বহি দেশ-বিদেশৰ বাতৰি গ্ৰহণ, প্ৰেৰণ আৰু সংৰক্ষণ কৰিব পৰা হৈছে। ইণ্টাৰনেট সেৱাৰ জৰিয়তে বিভিন্ন বিষয়ৰ অলেখ তথ্য-পাতি সহজতে সংগ্ৰহ আৰু সংৰক্ষণ কৰিব পাৰি। মনোৰঞ্জনৰ কাৰ্যক্ৰমো এই সেৱাৰ জৰিয়তে উপভোগ কৰিব পৰা যায়। ই-মেইলৰ জৰিয়তে এতিয়া নিমিষতে পৃথিৱীৰ যিকোনো ঠাইলৈ যিকোনো খবৰ, তথ্য, স্থিৰ ছবি বা ভিডিঅ' ছবি (শব্দ সহকাৰে) প্ৰেৰণ কৰিব পাৰি। ফেক্স (FAX : Fascimile Automatic Xerox) মেচিনেৰে আজিকালি টেলিফোনৰ তাঁৰৰ সহায়ত যিকোনো তথ্যৰ প্ৰতিলিপি আইন ঠাইলৈ প্ৰেৰণ কৰিব পাৰোঁ। তাৰোপৰি আজিকালি স্মাৰ্ট ম'বাইল ফোনৰ জৰিয়তে ই-মেইল বাৰ্তা প্ৰেৰণ কৰিব পৰাৰ উপৰি দেশ-বিদেশৰ সকলো বা-বাতৰি ম'বাইলতে পাব পৰাৰ ব্যৱস্থা হ'ল। এইবোৰ একমাত্ৰ উন্নত প্ৰযুক্তি প্ৰয়োগৰ বাবেহে সম্ভৱ হৈ উঠিছে।













**জানি থওঁ আহা ঃ**

কৃত্ৰিম উপগ্ৰহ হ'ল পৃথিৱীৰ চাৰিওফালে কৃত্ৰিমভাৱে প্ৰদক্ষিণ কৰাই ৰখা মহাকাশত স্থাপিত এটা যন্ত্ৰ। ইয়াক মহাকাশ আৰু বতৰৰ পৰ্যবেক্ষণ, তথ্য সংগ্ৰহ, তথ্যৰ সৰবৰাহ, মহাকাশৰ জ্যোতিষ্কসমূহৰ অধ্যয়ন আদি কামত ব্যৱহাৰ কৰা হয়।

**ক্ৰিয়াকলাপ ঃ**

তোমাৰ অঞ্চলত উপলব্ধ যোগাযোগ ব্যৱস্থাসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

### (খ) যাতায়াত আৰু প্ৰযুক্তি ঃ

প্ৰযুক্তিয়ে যাতায়াত ব্যৱস্থা পূৰ্বৰ তুলনাত বহু পৰিমাণে সুচল আৰু খৰতকীয়া কৰি তুলিছে। চকাৰ আৱিষ্কাৰৰ পাছৰেপৰা মানুহে বিভিন্ন ধৰণৰ যান-বাহন প্ৰস্তুত কৰি ল'ব পৰা হ'ল। যেনে— চাইকেল, ৰিক্সা, মটৰ গাড়ী, ৰে'লগাড়ী আদি। উৰাজাহাজ, বিদ্যুৎচালিত ৰে'ল, মেট্ৰ' ৰে'ল আদিৰ সহায়ত নিমিষতে বহু যোজন বাট অতিক্ৰম কৰাটো সম্ভৱ হৈছে। ডাঙৰ ডাঙৰ জাহাজৰ সহায়ত নদী, সাগৰ, মহাসাগৰ আদিৰ জলপথেৰে বহু হাজাৰ টন গধুৰ মালবস্তু পৰিবহণ কৰিব পাৰি।

সম্প্ৰতি আমি বজাৰত নিতৌ নতুন নতুন ধৰণৰ বিলাসী গাড়ী-মটৰৰ পয়োভৰ দেখিবলৈ পাওঁ। এইবিলাক আধুনিক প্ৰযুক্তিৰ ফল।





**ক্ৰিয়াকলাপ ঃ**

তোমাৰ অঞ্চলত কি কি যাতায়াতৰ ব্যৱস্থা আছে? এই ব্যৱস্থাবোৰৰপৰা তুমি কেনেদৰে উপকৃত হৈছা?

### (গ) চিকিৎসা আৰু প্ৰযুক্তি ঃ

চিকিৎসা সেৱাৰ মান উন্নত কৰাত প্ৰযুক্তিৰ ব্যৱহাৰে যথেষ্ট অৱদান আগবঢ়াইছে। বিভিন্ন ধৰণৰ যন্ত্ৰ-পাতি যেনে— এক্স-ৰে' (X-ray), আল্ট্ৰা চাউণ্ড, চি. টি. স্কেন (C.T. Scan : Computed Axial Tomography), এম.আৰ.আই (M.R.I : Magnatic Resonance Imaging) আদিৰ সহায়ত এতিয়া যিকোনো দুৰাৰোগ্য ৰোগৰ চিনাক্তকৰণ সম্ভৱ হৈছে। প্ৰযুক্তিৰ ব্যৱহাৰে ৰোগীৰ অস্ত্ৰোপচাৰৰ ক্ষেত্ৰতো আমূল পৰিৱৰ্তন আনিছে। উন্নত ঔষধৰ আৱিষ্কাৰে ৰোগ নিৰাময়ত যথেষ্ট সহায় কৰিছে। তদুপৰি ৰুগ্ন অংগ সলনি কৰি সুস্থ অঙ্গ সংস্থাপন কৰাও সম্ভৱ হৈছে। আজিকালি ইণ্টাৰনেট সেৱাৰ জৰিয়তে দূৰ-দূৰণিৰ দেশ যেনে— ইংলেণ্ড, আমেৰিকা, জাপান আদিৰ উন্নত চিকিৎসাৰ সুফল নিজৰ ঘৰতে থাকি লাভ কৰাৰ সুবিধা হৈছে। চিকিৎসা সেৱাৰ মান উন্নয়নৰ ফলস্বৰূপে মানুহ দীৰ্ঘজীৱী হ'বলৈ ধৰিছে আৰু লগে লগে মানুহৰ মৃত্যুৰ সংখ্যাও কমিছে।



উৎস : via Wikimedia Commons


উৎস : via Wikimedia Commons

**ক্ৰিয়াকলাপ ঃ**

তোমাৰ অঞ্চলত থকা কোনো চিকিৎসালয়লৈ গৈ চিকিৎসা সেৱাত ব্যৱহাৰ হোৱা যন্ত্ৰ-পাতিসমূহ নিৰীক্ষণ কৰি তাৰ কামসমূহ ভালকৈ বুজি লোৱা।

### (ঘ) শিক্ষা আৰু প্ৰযুক্তি ঃ

আজিকালি ৰেডিঅ', টেলিভিচন আদিৰ জৰিয়তে শিক্ষা সম্বন্ধীয় বহুতো কাৰ্যক্ৰম প্ৰচাৰ কৰা হয়। তোমালোকে এনে অনুষ্ঠানসমূহ চাবলৈ যত্ন কৰিবা। টেপ ৰেকৰ্ডাৰ, ৰেডিঅ', টেলিভিচন আদি শিক্ষা প্ৰচাৰৰ একো একোটা মাধ্যম। কম্পিউটাৰ, প্ৰজেক্টৰ আদি ব্যৱহাৰৰ ফলত শিক্ষা ব্যৱস্থালৈ দ্ৰুত পৰিৱৰ্তন আহিছে। ইণ্টাৰনেট আৰু দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে এতিয়া নিজৰ ঠাইতে থাকি আঁতৰৰ শিক্ষানুষ্ঠানৰপৰা শিক্ষা লাভ কৰিব পৰা হৈছে। তোমালোকে গম পাইছা যে সমগ্ৰ দেশতে ক'ভিড ১৯ মহামাৰীয়ে সৃষ্টি কৰা দুৰ্যোগৰ সময়ত যেতিয়া দেশৰ শিক্ষা ব্যৱস্থা অচল হৈ পৰিছিল তেতিয়া একমাত্ৰ অনলাইন ব্যৱস্থাৰ জৰিয়তেহে শ্ৰেণীসমূহৰ ধাৰাবাহিকতা ৰক্ষা কৰা হৈছিল। উন্নত প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ বাবেহে এনে কাৰ্য সম্ভৱ হৈ উঠিছিল। তাৰোপৰি আজিকালি বিভিন্ন বিষয়ৰ পাঠসমূহো উন্নত প্ৰযুক্তি কৌশল প্ৰয়োগৰ জৰিয়তে ডিজিটেলাইজড (Digitalized) কৰা হৈছে যিবোৰ শিক্ষা বিভিন্ন ৰাষ্ট্ৰীয় মঞ্চ, যেনে– দীক্ষা (DIKSHA), ই-পাঠশালা (e-Pathsala), স্বয়ম প্ৰভা (SWAYAM PRABHA) আদিৰ জৰিয়তে অতি সহজে উপলব্ধ হয়। এই বিষয়ে তোমালোকক শিক্ষকে বহলাই বুজাই দিব।


উৎস : via Wikimedia Commons


উৎস : via Wikimedia Commons

**ক্ৰিয়াকলাপ ঃ**

ৰেডিঅ' আৰু টেলিভিছন যোগে প্ৰচাৰ হোৱা তুমি ভাল পোৱা কেইটামান শিক্ষামূলক অনুষ্ঠানৰ নাম লিখা।

ওপৰৰ আলোচনাৰপৰা তোমালোকে নিশ্চয় বুজিলা যে কৃষি, উদ্যোগ আৰু সেৱাখণ্ডত প্ৰযুক্তিয়ে নানাধৰণে অৱদান আগবঢ়াই দেশৰ অৰ্থনীতিৰ উৎকৰ্ষ সাধন কৰিছে। অৱশ্যে, প্ৰযুক্তিৰ সুফল লাভ কৰিবলৈ হ'লে আমি সকলোৱে এই অৱদানসমূহক শুদ্ধভাৱে আৰু দক্ষতাৰে ব্যৱহাৰ কৰিব জানিব লাগিব। অন্যথা, কেতিয়াবা বিপদৰো সন্মুখীন হ'বলগীয়া হ'ব পাৰে। সেয়েহে যথাযথ প্ৰশিক্ষণৰ সুবিধাবোৰ গ্ৰহণ কৰাটো সকলোৰে বাবে বাঞ্ছনীয়।

**মনত ৰাখিবলগীয়া কথা ঃ**

- কৰ্মক্ষেত্ৰ অনুসৰি মানুহৰ বৃত্তিসমূহ প্ৰধানকৈ তিনিটা অৰ্থনৈতিক খণ্ডৰ লগত জড়িত —

  ক) কৃষিখণ্ড খ) উদ্যোগখণ্ড গ) সেৱাখণ্ড।
- প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত কৃষি, উদ্যোগ আৰু সেৱাখণ্ডৰ ব্যাপক উন্নতি হৈছে।
- শীতল ভঁৰালত ফল-মূল, পাচলি আদি বহু দিনলৈ সংৰক্ষণ কৰিব পাৰি।
- যিবিলাক বস্তু আমি পোনে পোনে প্ৰকৃতিৰপৰা নাপাওঁ সেইবিলাক উদ্যোগৰ জৰিয়তে পাওঁ।
- বাতৰি কাকত, টেলিফোন, ম'বাইল ফোন, টেলিভিচন, কম্পিউটাৰ আদিৰ দৰে প্ৰযুক্তিৰ ফলসমূহে যোগাযোগ ব্যৱস্থা যথেষ্ট উন্নত কৰিছে।
- প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত যাতায়াত ব্যৱস্থা পূৰ্বৰ তুলনাত বহু পৰিমাণে সুচল আৰু খৰতকীয়া হৈ পৰিছে।
- এক্স-ৰে', আল্ট্ৰা চাউণ্ড, চি.টি. স্কেন, এম.আৰ.আই আদি যন্ত্ৰৰ সহায়ত যিকোনো দুৰাৰোগ্য ৰোগৰ চিনাক্তকৰণ কৰিব পাৰি।
- টে'প ৰেকৰ্ডাৰ, ৰেডিঅ', টেলিভিচন, ম'বাইল ফোন আদি শিক্ষা প্ৰচাৰৰ একো একোটা মাধ্যম।
- প্ৰযুক্তিৰ সুফল লাভ কৰিবলৈ হ'লে সকলোৰে ইয়াৰ অৱদানসমূহ শুদ্ধভাৱে আৰু দক্ষতাৰে ব্যৱহাৰ কৰিবলৈ শিকিব লাগিব।

**অনুশীলনী ঃ**

১) প্ৰযুক্তিৰ ব্যৱহাৰে মানুহৰ জীৱনত কেনেদৰে প্ৰভাৱ পেলাইছে নিজৰ ভাষাত লিখা।

২) কৃষি আৰু উদ্যোগ খণ্ডত প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত কি কি পৰিৱৰ্তন আহিছে?

৩) কম সময়ত অধিক ফচল উৎপাদন কৰিবলৈ আজিকালিৰ কৃষকে কি কি ব্যৱস্থা গ্ৰহণ কৰে?

৪) তুমি জনা অসমৰ কেইটামান উদ্যোগৰ নাম লিখা।

৫) ইণ্টাৰনেট সেৱাৰ জৰিয়তে কেনেদৰে লাভৱান হ'ব পাৰি লিখা।

৬) চিকিৎসা সেৱাত ব্যৱহাৰ কৰা কেইবিধমান যন্ত্ৰৰ নাম উল্লেখ কৰা। সেইবোৰৰ সহায়ত কি কৰা হয়? শিক্ষকৰ সহায়ত জানি লোৱা।

৭) প্ৰযুক্তিয়ে যাতায়াত ব্যৱস্থালৈ অনা পৰিৱৰ্তনসমূহ আলোচনা কৰা।

৮) কম্পিউটাৰ আৰু প্ৰজেক্টৰে শিক্ষা প্ৰসাৰত কেনেদৰে সহায় কৰিছে শিক্ষকৰ সহায়ত আলোচনা কৰি লিখা।

৯) খালী ঠাই পূৰ কৰা —

(ক) উন্নত মানৰ ____________ আৰু ৰাসায়নিক সাৰৰ প্ৰয়োগৰ ফলত আজিকালি কম মাটিতে ____________ ফচল উৎপাদন হয়।

(খ) বৰ্তমান সময়ত ____________ স্থাপন কৰি ফচলসমূহ বহুদিনলৈ ____________ সংৰক্ষণ কৰিব পাৰি।

(গ) ইণ্টাৰনেট সেৱাৰ জৰিয়তে বিভিন্ন বিষয়ৰ অলেখ তথ্য-পাতি সহজতে ____________ আৰু ____________ কৰিব পাৰি।

(ঘ) ____________ ____________হ'ল পৃথিৱীৰ চাৰিওফালে কৃত্ৰিমভাৱে প্ৰদক্ষিণ কৰাই ৰখা মহাকাশত স্থাপিত এটা যন্ত্ৰ।

* * * * * * * * * *

# পাঠ নং ২১

# চৰকাৰৰ ধাৰণা আৰু বিভিন্ন প্ৰকাৰৰ চৰকাৰ


3SCGRV

**শিকনৰ ফলাফল ঃ**

- চৰকাৰ সম্বন্ধে প্ৰাথমিক ধাৰণা লাভ কৰিব।
- চৰকাৰৰ কাৰ্যাৱলী আৰু ইয়াৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে অৱগত হ'ব।
- বিভিন্ন প্ৰকাৰৰ চৰকাৰৰ পাৰ্থক্য বুজি ব্যাখ্যা কৰিব পাৰিব।

মানুহ সমাজপ্ৰিয় প্ৰাণী। অতি প্ৰাচীন কালৰেপৰাই মানুহে সমাজ পাতি বাস কৰি আহিছে। সময়ৰ লগে লগে জনসংখ্যা বাঢ়ি যোৱাত শান্তিপূৰ্ণভাৱে সমাজত বাস কৰাৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৃষ্টি হৈছে। তেনেকুৱা এটি অনুষ্ঠান হ'ল চৰকাৰ। চৰকাৰে দেশ পৰিচালনা কৰে। যিকোনো দেশৰ বাবে চৰকাৰ এটি অপৰিহাৰ্য অংগ।

তলৰ বাক্যাংশ কেইটালৈ মন কৰাচোন —




আমি সততে ৰেডিঅ', টেলিভিচন, বাতৰিকাকত আদিত শুনা, দেখা, পঢ়া আৰু ওপৰত উল্লেখ কৰা এই বাক্যাংশবোৰে চৰকাৰৰ কামৰ এটি থূল-মূল আভাস নিদিয়েনে বাৰু? অৱশ্যে এয়াই নহয়। দেশৰ জনসাধাৰণৰ টকা-পইচা

শিক্ষা, স্বাস্থ্য, যাতায়াত, যোগাযোগ, নিৰাপত্তা আদি সকলো নীতি চৰকাৰখনে গ্ৰহণ কৰে। জনসাধাৰণৰ বাবে সুলভ মূল্যৰ সামগ্ৰী যোগান, বিদ্যুৎ যোগান, নিবনুৱা সমস্যা সমাধান, বানপানী প্ৰতিৰোধ আদি কামৰ উপৰি দেশৰ সীমা নিৰ্ধাৰণ, প্ৰতিবেশী দেশৰ সৈতে বন্ধুত্বসুলভ সম্পৰ্ক স্থাপন আদি সকলো কামৰ দায়িত্ব চৰকাৰেই লয়।

তোমালোকে বাৰু নাভাবানে যে, ইমানবোৰ কাম চৰকাৰে কেনেকৈ কৰে? তোমালোকে জানি লোৱা যে এনেধৰণৰ কামসমূহ সুচাৰুৰূপে চলাবলৈ আমাৰ ভাৰতত থকা কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত কামবোৰ নিয়াৰিকৈ ভগাই দিয়াৰ ব্যৱস্থা আছে। ইয়াৰ ভিতৰত যেনে— ৰে'লসেৱা, বিমান সেৱা, মুদ্ৰা প্ৰচলন, প্ৰতিবেশী আৰু বিদেশী দেশৰ লগত সম্পৰ্ক ৰক্ষা কৰা আদি গুৰুত্বপূৰ্ণ কামসমূহ কেন্দ্ৰীয় চৰকাৰে পৰিচালনা কৰে। ৰাজ্য চৰকাৰে নিজৰ ৰাজ্যখনৰ উন্নয়নৰ বাবে ভাষা, সংস্কৃতি, সমাজকল্যাণ (পৰিয়াল কল্যাণ আৰু শিশু বিকাশ), কৃষি, স্বাস্থ্য আদি কামসমূহ পৰিচালনা কৰে। কিছুমান কাম কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে উমৈহতীয়াকৈ কৰাৰ ব্যৱস্থাও আছে।

সম্প্ৰতি ২৮খন ৰাজ্য আৰু ৮খন কেন্দ্ৰীয় শাসিত অঞ্চলেৰে ভাৰত এখন বিশাল দেশ। এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ শাসন ব্যৱস্থাৰ বাবে দুটা পৰ্যায়ত চৰকাৰ গঠন কৰা হৈছে। কেন্দ্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যত ৰাজ্যিক চৰকাৰ। আকৌ স্থানীয় শাসনৰ বাবে গাঁও অঞ্চলত পঞ্চায়ত আৰু নগৰ অঞ্চলৰ বাবে স্থানীয় নিকায়সমূহ গঠন কৰা হৈছে।

**ক্ৰিয়াকলাপ ঃ**

শিক্ষকৰ লগত আলোচনা কৰি কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ গুৰুত্বপূৰ্ণ কামসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

### বিভিন্ন প্ৰকাৰৰ চৰকাৰ ঃ

আমাৰ দেশ ভাৰতৰ নিচিনা পৃথিৱীত আৰু বহুতো দেশ আছে। এই দেশবোৰৰ প্ৰত্যেকৰে নিজা নিজা চৰকাৰ আছে। এতিয়া কথা হ'ল— সকলো দেশৰ চৰকাৰ একে ধৰণৰ নে বেলেগ বেলেগ? আগতেই উল্লেখ কৰা হৈছে যে দেশ পৰিচালনাৰ বাবেই চৰকাৰ গঠন কৰা হয়। কিন্তু চৰকাৰ গঠন হোৱাটো আজিৰ কথা নহয়। বহু পুৰণি কালৰপৰাই বিভিন্ন দেশত বিভিন্ন ধৰণৰ চৰকাৰ গঠন হৈ আহিছে। এইখিনিতে আমি চৰকাৰৰ কেইটামান প্ৰকাৰৰ বিষয়ে আলোচনা কৰিমহঁক। যেনে— গণতন্ত্ৰ, ৰাজতন্ত্ৰ, একনায়কত্ববাদ আৰু সমাজতন্ত্ৰ।

#### গণতন্ত্ৰ ঃ

আমাৰ ভাৰত এখন গণতান্ত্ৰিক দেশ। এতিয়া আমাৰ দেশত গণতান্ত্ৰিক চৰকাৰ কিদৰে পৰিচালনা কৰা হয় তাক জানিবলৈ মণিমালা বাইদেউহঁতৰ গাঁৱলৈ যাওঁ বলা—

আজি মণিমালা বাইদেউহঁতৰ গাঁৱত উদুলি-মুদুলি পৰিৱেশ। পুৱাৰপৰা ওচৰৰ বিদ্যালয়ৰ ভোটকেন্দ্ৰত পুৰুষ-মহিলাই শাৰী পাতিছেহি।

**জানি থওঁ আহা ঃ**

জনসংখ্যাৰ ভিত্তিত ভাৰতক পৃথিৱীৰ ভিতৰতে সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ হিচাপে জনা যায়।




ওপৰৰ কথোপকথনৰপৰা তোমালোকে জানি লোৱা যে ভাৰতত গণতান্ত্ৰিক চৰকাৰ আছে। ইয়াত পুৰুষ আৰু মহিলাৰ ভোটৰ মূল্য সমান। জনসাধাৰণে নিৰ্বাচন কৰা প্ৰতিনিধিসকলে চৰকাৰ গঠন কৰে। ১৮ বছৰ বয়সৰ সকলো ভাৰতীয় নাগৰিকৰে ভোট দিয়াৰ অধিকাৰ আছে। তোমালোকে জানানে যে, এটা সময়ত পৃথিৱীৰ বহু দেশত মহিলা আৰু দুখীয়া মানুহক নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ দিয়া হোৱা নাছিল। যিসকল ব্যক্তিৰ সম্পত্তি আৰু শিক্ষা আছিল তেওঁলোকৰহে ভোটদানৰ অধিকাৰ আছিল। মহিলা, দুখীয়া, সম্পত্তিহীন আৰু অশিক্ষিত লোকক ভোট দিবলৈ দিয়া হোৱা নাছিল। কেইজনমান ব্যক্তিয়েহে দেশৰ ৰীতি-নীতি প্ৰস্তুত কৰি দেশ শাসন কৰাৰ সুবিধা পাইছিল।

স্বাধীন হোৱাৰ আগতে আমাৰ দেশ ভাৰততো অতি কম সংখ্যক লোকেহে ভোটদানৰ অনুমতি পাইছিল। মহাত্মা গান্ধীকে আদি কৰি কেইবাজনো আগশাৰীৰ বিশিষ্ট ব্যক্তিয়ে এনেধৰণৰ ব্যৱস্থাৰ প্ৰতিবাদ কৰিছিল। বৰ্তমান ভাৰতত ১৮ বছৰ বয়স হ'লেই ভোট দিয়াৰ অধিকাৰ পায়। জনসাধাৰণে এটা নিৰ্দিষ্ট সময়ৰ বাবে প্ৰতিনিধিসকলক নিৰ্বাচিত কৰে। সেয়েহে প্ৰতিনিধিসকল জনসাধাৰণৰ ওপৰত নিৰ্ভৰশীল।

**ৰাজতন্ত্ৰ ঃ**


via Wikimedia Commons

ৰাজতন্ত্ৰ বা ৰাজতান্ত্ৰিক চৰকাৰ এবিধ অতি পুৰণি চৰকাৰ। অতীত কালত এনেধৰণৰ চৰকাৰৰ প্ৰাধান্যই বেছি আছিল। এই ধৰণৰ চৰকাৰত ৰজাই সৰ্বেসৰ্বা। অৱশ্যে ৰজাক শাসন কাৰ্যত সহায় কৰাৰ বাবে ইয়াতো মন্ত্ৰী পৰিষদ থাকে। আইন, শাসন, বিচাৰ সকলো বিভাগৰ মুৰব্বী হ'ল ৰজা। তোমালোকে অসমৰ ইতিহাস পঢ়িলে আহোম ৰজাসকলৰ বিষয়ে জানিব।

আহোম ৰজাসকলে প্ৰায় ৬০০ বছৰ অসমত ৰাজত্ব কৰিছিল। স্বৰ্গদেউ চুকাফাই আহোম ৰাজ্য স্থাপন কৰিছিল। তেওঁৰ ৰাজকাৰ্যত সহায় কৰিবলৈ মন্ত্ৰী পৰিষদ আছিল যদিও ৰজাৰ ক্ষমতা সবাতেকৈ বেছি আছিল। ৰজাই দেশৰ সকলো শাসনকাৰ্য চলায় বাবে এনেধৰণৰ শাসন ব্যৱস্থাক ৰাজতন্ত্ৰ বোলা হয়। ৰাজতন্ত্ৰত ৰজাৰ পুত্ৰ বা কন্যাই উত্তৰাধিকাৰী সূত্ৰে ৰাজপাটিত বহে। বৰ্তমানো ভূটান, ইংলেণ্ডত ৰাজতন্ত্ৰৰ প্ৰচলন আছে। অৱশ্যে অতীতৰ ৰাজতন্ত্ৰ আৰু বৰ্তমানৰ ৰাজতন্ত্ৰৰ মাজত যথেষ্ট প্ৰভেদ আছে।

**একনায়কত্ববাদ ঃ**

একনায়কত্ববাদ এজন ব্যক্তিৰ দ্বাৰা পৰিচালিত শাসন ব্যৱস্থা। ই গণতন্ত্ৰতকৈ যথেষ্ট বেলেগ। জনসাধাৰণে যাতে চৰকাৰৰ বিৰুদ্ধাচৰণ কৰিব নোৱাৰে তাৰ বাবে কঠোৰ নিয়ম-নীতিৰ ব্যৱস্থা ৰখা হয়। একনায়কজনে ব্যক্তিসকলৰ জীৱন সকলো ক্ষেত্ৰতে নিয়ন্ত্ৰণ কৰে। উদাহৰণস্বৰূপে, ইটালীৰ মুছোলিনি, জাৰ্মানীৰ হিট্‌লাৰ আদিৰ নাম উল্লেখযোগ্য।

**সমাজতন্ত্ৰ ঃ**

অন্য এক প্ৰকাৰৰ চৰকাৰ হৈছে সমাজতন্ত্ৰ । এই শাসনব্যৱস্থাই ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন বিচাৰে। কাৰণ ব্যক্তিৰ স্বাৰ্থতকৈ সামাজিক স্বাৰ্থৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হয়। সেইবাবে এই ব্যৱস্থাত চৰকাৰেই সকলো ক্ষমতাৰ অধিকাৰী হয় আৰু উৎপাদিত বস্তুৰ বিতৰণো চৰকাৰে নিজে কৰে। যি চৰকাৰে সকলো শ্ৰেণীৰ মানুহৰ মাজত অৰ্থনৈতিক সমতাৰ যোগেদি সমাজত ন্যায় স্থাপন কৰিব বিচাৰে তাকে **সমাজতান্ত্ৰিক চৰকাৰ** বোলে। আমাৰ প্ৰতিবেশী চীনদেশ আৰু কিউবাত এনেধৰণৰ চৰকাৰ আছে।

**মনত ৰাখিবলগীয়া কথা ঃ**

- চৰকাৰ দেশৰ আটাইতকৈ সৰ্বোচ্চ আৰু ক্ষমতাশালী অনুষ্ঠান।
- চৰকাৰে দেশৰ জনসাধাৰণৰ উন্নয়নৰ কাৰণে সকলো আঁচনি প্ৰস্তুত কৰি কাৰ্যকৰী কৰে।
- চৰকাৰ বিভিন্ন প্ৰকাৰৰ আছে, যেনে — গণতন্ত্ৰ, ৰাজতন্ত্ৰ, একনায়কত্ববাদ আৰু সমাজতন্ত্ৰ।
- ভাৰত এখন গণতান্ত্ৰিক দেশ।
- গণতন্ত্ৰত সকলোৱে চৰকাৰ গঠনত অংশ গ্ৰহণ কৰে।
- ৰাজতন্ত্ৰত ৰজাই সৰ্বেসৰ্বা।

- একনায়কত্ববাদত জনসাধাৰণে স্বাধীনতা উপভোগ কৰিব নোৱাৰে।
- সমাজতন্ত্ৰত ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক স্বাৰ্থত অধিক গুৰুত্ব দিয়া হয়।

## অনুশীলনী ঃ

১) উত্তৰ লিখা—

(ক) চৰকাৰ বুলিলে কি বুজা?

(খ) তোমাৰ দৈনন্দিন জীৱনত চৰকাৰে আগবঢ়োৱা সেৱাৰ বিষয়ে তিনিটা বাক্য লিখা।

(গ) আমাৰ দেশত কি ধৰণৰ চৰকাৰে শাসন কৰে? আমাৰ গণতন্ত্ৰৰ তিনিটা বৈশিষ্ট্য লিখা।

(ঘ) ৰাজতন্ত্ৰ আৰু সমাজতন্ত্ৰ থকা একোখনকৈ দেশৰ নাম লিখা।

২) চমু উত্তৰ লিখা—

ক) কিমান বছৰ বয়সত ভাৰতীয় নাগৰিকে ভোটদান কৰিব পাৰে?

খ) একনায়কত্ববাদত জনসাধাৰণে স্বাধীনতা উপভোগ কৰিব পাৰেনে?

৩) পাৰ্থক্য লিখা—

ক) গণতন্ত্ৰ আৰু ৰাজতন্ত্ৰ

খ) একনায়কত্ববাদ আৰু সমাজতন্ত্ৰ

৪) শুদ্ধ-অশুদ্ধ বাছি উলিওৱা—

ক) চৰকাৰে কেৱল কেন্দ্ৰীয় পৰ্যায়ত শাসন কৰে।

খ) আমাৰ দেশত গণতান্ত্ৰিক চৰকাৰ আছে।

গ) গণতন্ত্ৰ আৰু ৰাজতন্ত্ৰৰ মাজত পাৰ্থক্য নাই।

ঘ) গণতন্ত্ৰত জনসাধাৰণে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

ঙ) গণতন্ত্ৰত পুৰুষ-মহিলাৰ ভোটৰ মূল্য সমান।

৫) নিম্নলিখিত সিদ্ধান্তসমূহ চৰকাৰৰ কোনটো পৰ্যায়ত পৰে সঠিক বাকচত (✓) চিন দিয়া—

| | কেন্দ্ৰীয় | ৰাজ্যিক |
|---|---|---|
| ক) চৰকাৰে কৃষকসকলৰ বাবে বিনামূলীয়া বীজ আৰু সাৰ যোগানৰ ব্যৱস্থা কৰিছে। | ☐ | ☐ |
| খ) চৰকাৰৰ ৰে'ল মন্ত্ৰালয়ে তিনিচুকীয়া আৰু দিল্লীৰ মাজত নতুনকৈ ৰে'লগাড়ী সংযোগৰ ব্যৱস্থা কৰিছে। | ☐ | ☐ |
| গ) চৰকাৰে পাকিস্তান চৰকাৰৰ লগত শান্তিপূৰ্ণ সম্পৰ্ক ৰখাৰ চেষ্টা চলাই আছে। | ☐ | ☐ |
| ঘ) ধেমাজি জিলাত এখন শিশু উদ্যান স্থাপন কৰিবলৈ অসম চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। | ☐ | ☐ |
| ঙ) চৰকাৰে নতুনকৈ দুহেজাৰ টকীয়া নোটৰ প্ৰচলন কৰিছে। | ☐ | ☐ |

* * * * * * * * *


# পাঠ নং - ২২
# গণতন্ত্র আৰু ইয়াৰ নীতিসমূহ

3SLCTI

**শিকনৰ ফলাফল ঃ**

- গণতন্ত্রৰ অৰ্থ বুজি ব্যাখ্যা কৰিব পাৰিব।
- গণতন্ত্র আৰু ইয়াৰ নীতিসমূহ যেনে— স্বাধীনতা, অধিকাৰ, সমতা আৰু নাগৰিকৰ কৰ্তব্য সম্পৰ্কে স্পষ্ট ধাৰণা লাভ কৰিব।
- নাগৰিকৰ অধিকাৰৰ লগতে নিজৰ দেশৰ প্ৰতি কৰিবলগীয়া কৰ্তব্যসমূহৰ বিষয়ে জানিব পাৰিব।

তোমালোকে গণতন্ত্র শব্দটো নিশ্চয় শুনিছা। গণতন্ত্র হ'ল বৰ্তমান সময়ৰ এক জনপ্ৰিয় শাসন ব্যৱস্থা। এইটো পাঠত আমি গণতন্ত্রৰ অৰ্থ, বৈশিষ্ট্য, প্ৰকাৰ আৰু নীতিবোৰ আলোচনা কৰিম। **গণ শব্দটোৰ অৰ্থ হ'ল 'জনসাধাৰণ' আৰু তন্ত্রৰ অৰ্থ হ'ল 'শাসন'। অৰ্থাৎ গণতন্ত্র বুলিলে আমি জনগণৰ শাসনক বুজো। যিখন দেশৰ শাসন ব্যৱস্থা জনসাধাৰণৰ হাতত ন্যস্ত থাকে সেইখনেই গণতান্ত্ৰিক দেশ।**



গণতন্ত্রৰ কেইটিমান উল্লেখযোগ্য বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যসমূহ হ'ল—

- গণতন্ত্রৰ দৃষ্টিত সকলো মানুহ সমান। সেয়েহে এই ব্যৱস্থাই জাতি, বৰ্ণ, ধৰ্ম, ভাষা, লিংগ নিৰ্বিশেষে সকলোকে সাঙুৰি লয়।
- এই শাসন ব্যৱস্থাত জনসাধাৰণে পোনপটীয়াকৈ বা পৰোক্ষভাৱে অংশগ্ৰহণ কৰে।
- নিৰ্বাচন গণতন্ত্রৰ এক অপৰিহাৰ্য অংগ।
- নিৰ্বাচনত উচ্চ-নীচ, ধনী-দুখীয়া নিৰ্বিশেষে সকলোৱে একেটাকৈ ভোটদানৰ অধিকাৰ পায়। অৰ্থাৎ ভোটদানৰ অধিকাৰৰ মাজেৰে এই ব্যৱস্থাই সকলো শ্ৰেণীৰ লোকৰ মাজত সমতা স্থাপন কৰে।

- এই ব্যৱস্থাত নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে নিৰ্বাচন অনুষ্ঠিত হয় য'ত প্ৰাপ্তবয়স্কসকলে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে।
- গণতান্ত্ৰিক ব্যৱস্থাত দুই বা ততোধিক ৰাজনৈতিক দল থাকে।
- জনসাধাৰণৰ মতৰ ওপৰত গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠিত। চৰকাৰৰ নীতিসমূহ জনমতৰ বিৰুদ্ধে গ'লে জনসাধাৰণে সাংবিধানিক আৰু শান্তিপূৰ্ণ উপায়েৰে চৰকাৰ পৰিৱৰ্তন কৰিব পাৰে।
- বিৰোধী দলে গণতন্ত্ৰত বিশেষ ভূমিকা পালন কৰে।
- গণতন্ত্ৰ এক জনকল্যাণমুখী ব্যৱস্থা।

'গণতন্ত্ৰ' এনে এক ব্যৱস্থা য'ত সমাজত বাস কৰা প্ৰতিজন লোকৰে অংশগ্ৰহণ কৰাৰ সুবিধা আছে। এই ব্যৱস্থাই মূলতঃ ৰাষ্ট্ৰৰ জনসাধাৰণৰ কল্যাণৰ পোষকতা কৰে।

গণতন্ত্ৰ কেৱল ৰাজনৈতিক ব্যৱস্থাই নহয় সমাজৰ লোকসকলক শিক্ষিত কৰি এই ব্যৱস্থাই এক সবল আৰু নিকা সমাজ গঠনত সহায় কৰে। এই ব্যৱস্থাত জনসাধাৰণে পূৰ্ণ সহযোগিতা কৰাৰ সুবিধা পায় বাবে তেওঁলোকে ইয়াৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আৰু আস্থা ৰাখে। সেয়েহে বৰ্তমান গণতন্ত্ৰ শব্দটো সমগ্ৰ বিশ্ববাসীৰ মনত অতি জনপ্ৰিয় হৈছে। ভাৰতৰ দৰে ছুইজাৰলেণ্ড, ইংলেণ্ড আদি ৰাষ্ট্ৰত গণতন্ত্ৰই বিশেষ কৃতকাৰ্যতা লাভ কৰিছে। বৰ্তমান পৃথিৱীৰ বহুতো ৰাষ্ট্ৰই গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবৰ বাবে অবিৰত সংগ্ৰাম চলাই আছে।

### গণতন্ত্ৰৰ প্ৰকাৰ ঃ

গণতন্ত্ৰৰ প্ৰকাৰ বুলিলে সাধাৰণতে দুই ধৰণৰ ব্যৱস্থাক বুজায়। যেনে—

(ক) প্ৰত্যক্ষ গণতন্ত্ৰ

(খ) পৰোক্ষ গণতন্ত্ৰ।

### প্ৰত্যক্ষ গণতন্ত্ৰ ঃ

যি গণতন্ত্ৰত জনসাধাৰণে চৰকাৰৰ শাসন ব্যৱস্থাত পোনপটীয়াকৈ অংশগ্ৰহণ কৰে তেনে ব্যৱস্থাক প্ৰত্যক্ষ গণতন্ত্ৰ বোলে। প্ৰাচীন গ্ৰীচৰ নগৰৰাষ্ট্ৰসমূহত প্ৰত্যক্ষ গণতন্ত্ৰৰ প্ৰচলন আছিল। আধুনিক ৰাষ্ট্ৰবোৰত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰহে প্ৰচলন আছে। ছুইজাৰলেণ্ডৰ কোনো কোনো কেণ্টনত এতিয়াও প্ৰত্যক্ষ গণতন্ত্ৰৰ প্ৰচলন আছে।

### পৰোক্ষ গণতন্ত্ৰ ঃ

যি গণতন্ত্ৰত জনসাধাৰণে প্ৰত্যক্ষভাৱে চৰকাৰ পৰিচালনা নকৰি তেওঁলোকে সময়ে সময়ে নিৰ্বাচন কৰি দিয়া প্ৰতিনিধিসকলৰ দ্বাৰা চৰকাৰ পৰিচালনা কৰা হয় তাকে পৰোক্ষ গণতন্ত্ৰ বোলে। ভাৰত, ইংলেণ্ড, মাৰ্কিন যুক্তৰাষ্ট্ৰ, ৰাছিয়া আদি দেশত পৰোক্ষ গণতন্ত্ৰৰ প্ৰচলন আছে।

### গণতন্ত্ৰৰ নীতিসমূহ ঃ

গণতন্ত্ৰত কিছুমান বিশেষ নীতি আছে। তাৰ ভিতৰত স্বাধীনতা, সমতা, ন্যায়, অধিকাৰ, চৰকাৰ গঠনত জনসাধাৰণৰ অংশগ্ৰহণ কৰাৰ সুযোগ আদি অন্যতম। এই নীতিবিলাকে এজন নাগৰিকক মুক্ত জীৱন-যাপন কৰিবলৈ সুযোগ প্ৰদান কৰে। গণতন্ত্ৰত আমি কেনেদৰে স্বাধীনতা উপভোগ কৰিব পাৰোঁ তাকে চাওঁ আহা —

ছাত্ৰ-ছাত্ৰীসকলে পূজা বন্ধ কেনেকৈ উপভোগ কৰিলে শিক্ষয়িত্ৰীয়ে জানিবলৈ বিচাৰিলে—




ছাত্ৰ-ছাত্ৰীসকলে কৰা কামবোৰৰপৰা আমি নিজৰ দেশত কেনেধৰণৰ স্বাধীনতা উপভোগ কৰিব পাৰোঁ জুকিয়াই চাওঁ আহা।

- নিজৰ মনৰ ভাব প্ৰকাশ কৰিব পাৰোঁ।
- সকলো ধৰ্মকে সন্মান জনাই প্ৰত্যেকেই নিজৰ ধৰ্ম মানি চলি থাকিব পাৰোঁ।
- আমি সকলোৱে নিজৰ দেশৰ ভিতৰত মুকলিভাৱে এঠাইৰপৰা আনঠাইলৈ যাব পাৰোঁ।
- আমি নিজৰ ৰাজ্যৰ বাহিৰে আমাৰ দেশৰ আন ৰাজ্যতো মাটি কিনি ঘৰ সাজি বাস কৰিব পাৰোঁ।
- প্ৰয়োজন অনুসৰি অনুষ্ঠান-প্ৰতিষ্ঠানত যোগ দিব পাৰোঁ।

গণতান্ত্ৰিক চৰকাৰত জনসাধাৰণক ব্যক্তিত্ব বিকাশৰ বাবে বহুতো স্বাধীনতা দিছে আৰু আমি সকলোৱে সেই স্বাধীনতাসমূহ উপভোগ কৰিব পাৰোঁহক।

### স্বাধীনতা ঃ

গণতান্ত্ৰিক দেশত স্বাধীনতা মানে নিজৰ ইচ্ছামতে সকলো কাম কৰি যোৱাকে নুবুজায়। অৰ্থাৎ স্বাধীনতা মানে কোনো এজন ব্যক্তিয়ে আন ব্যক্তিৰ অধিকাৰ ভংগ নকৰাকৈ নিজ ইচ্ছা মতে কাম কৰিব পৰাকে **স্বাধীনতা** বোলে। যেনে— ৰেডিঅ', টি.ভি. ডাঙৰকৈ বজাই আনক আমনি নকৰা, নিয়ম মানি ৰাস্তাত ফুৰা-চকা কৰা আদি।

**ক্ৰিয়াকলাপ ঃ**

নিজৰ অভিমত ব্যক্ত কৰা — "এজন ব্যক্তিৰ স্বাধীনতাই যাতে আন ব্যক্তিৰ স্বাধীনতাত বাধাৰ সৃষ্টি নকৰে তাৰ প্ৰতি সকলোৱে সচেতন হোৱা উচিত।" শিক্ষক-শিক্ষয়িত্ৰীয়ে সহায় কৰিব।

## ব্যক্তিৰ অধিকাৰ ঃ

গণতান্ত্ৰিক শাসনব্যৱস্থাত স্বাধীনতাৰ লগতে ইয়াৰ নাগৰিকে কিছুমান অধিকাৰো লাভ কৰিছে। অধিকাৰনো কি জানানে? **অধিকাৰ হৈছে ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ বাবে পোৱা সুবিধাসমূহ।** তোমালোকে সংবিধানৰ নাম নিশ্চয় শুনিছা। সংবিধান হ'ল দেশখন পৰিচালনা কৰিবলৈ প্ৰস্তুত কৰা কিছুমান নীতি-নিয়ম। উদাহৰণস্বৰূপে ভাৰতীয় গণতন্ত্ৰত এখন লিখিত সংবিধান আছে। আমাৰ সংবিধানে নাগৰিকসকলক কিছুমান মৌলিক অধিকাৰো দিছে। এই মৌলিক অধিকাৰসমূহনো কি কি জানি লওঁ আহা—




> **জানি থওঁ আহা ঃ**
> ২০১০ চনৰপৰা প্ৰাথমিক শিক্ষা শিশুৰ মৌলিক অধিকাৰ হিচাপে কাৰ্যকৰী কৰা হৈছে আৰু এই অধিকাৰটো সংবিধানৰ অনুচ্ছেদ ২১(ক)ৰ স্বাধীনতাৰ অধিকাৰৰ অন্তৰ্গত।

সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় অধিকাৰ, সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ, সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ। এই অধিকাৰসমূহে আমাক নিজৰ প্ৰাপ্যখিনিৰ বিষয়ে জানিবলৈ দিয়ে।

## সমতা ঃ

এতিয়া গণতন্ত্ৰত কিদৰে নাগৰিকে সমতাৰ অধিকাৰ লাভ কৰিব পাৰে আলোচনা কৰোঁ আহা।

তোমালোকে আগৰ পাঠত পাই আহিছা যে—

- মণিমালা বাইদেউ আৰু সোণটোৰ দেউতাকে চৰকাৰ গঠন কৰাত সমানে ভোটদান কৰিছিল। কিয়নো গণতন্ত্ৰত পুৰুষ, মহিলা, ধনী আৰু দুখীয়া সকলোৰে ভোটৰ মূল্য সমান।
- ১৮ বছৰ বয়স হ'লেহে ভোট দিয়াৰ অধিকাৰ পায়। ঠিক সেইদৰে এই বয়সৰ দেশৰ সকলো নাগৰিকেই ভোটদানৰ অধিকাৰ পায়।
- প্ৰতিজন নাগৰিকে ৰাজহুৱা খেলপথাৰ, হোটেল, দোকান, বজাৰ, বাট-পথ আদি ব্যৱহাৰ কৰিব পাৰে।

সমতাৰ দ্বাৰা সমাজত বাস কৰা মানুহৰ সমান মৰ্যাদা আৰু সম অধিকাৰক বুজোৱা হয়। এই ক্ষেত্ৰত জাতি, বৰ্ণ, ভাষা, ধৰ্ম, লিংগ বা জন্মস্থানৰ সম্পৰ্ক জড়িত নাথাকে।

মহাত্মা গান্ধীৰ বিষয়ে তোমালোকে পাই আহিছা। এই মহান নেতাগৰাকীয়ে সমাজত থকা উচ্চ-নীচ ভাব দূৰ কৰিবৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। এটা সময়ত দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় লোকসকলক সেই ঠাইৰ চৰকাৰী বিষয়ববীয়াসকলে অতি বেয়া ব্যৱহাৰ কৰিছিল। গান্ধীজীয়ে সত্যাগ্ৰহ আন্দোলন কৰি এই ভাৰতীয়সকলৰ প্ৰতি থকা বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল আৰু সমাজত সমতা স্থাপনৰ বাবে যুঁজ দিছিল।

গান্ধীজীৰ অহিংস নীতি আৰু অসহযোগ আন্দোলনে পৰাধীন ভাৰতক স্বাধীন কৰিছিল।

### ন্যায় ঃ

গণতন্ত্ৰৰ এটি প্ৰধান নীতি হ'ল ন্যায়। ন্যায়ৰ দ্বাৰা সৰ্বাংগীন কল্যাণ সাধনৰ ব্যৱস্থাক বুজোৱা হয়। অৰ্থাৎ সমাজত বাস কৰা প্ৰতিজন ব্যক্তিৰ কল্যাণৰ বাবে ৰাষ্ট্ৰই ব্যৱস্থা কৰিব আৰু কোনো ব্যক্তি বা অনুষ্ঠানে ব্যক্তিৰ কল্যাণত বাধা দিলে ৰাষ্ট্ৰই সেই ব্যক্তি বা অনুষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা ল'ব।

**জানি থওঁ আহা ঃ**

- পৃথিৱীৰ বহু দেশে গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ সংগ্ৰাম কৰিছিল।
- ভাৰতত বহু বিশিষ্ট ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত গণতন্ত্ৰ প্ৰতিষ্ঠা হয়।
- গণতন্ত্ৰত সকলোকে সমান বুলি গণ্য কৰা হয়।


### জনসাধাৰণৰ অংশগ্ৰহণ ঃ

জনসাধাৰণৰ অংশগ্ৰহণ অবিহনে গণতান্ত্ৰিক শাসন সম্ভৱ নহয়। জনসাধাৰণে বিভিন্ন প্ৰক্ৰিয়াৰে চৰকাৰত অংশগ্ৰহণ কৰিব পাৰে যেনে - ভোটদানৰ দ্বাৰা জনপ্ৰতিনিধি নিৰ্বাচন কৰি, চৰকাৰৰ সপক্ষে বা বিপক্ষে মত প্ৰকাশ কৰি, চৰকাৰৰ ভুল নীতিৰ বিপক্ষে শান্তিপূৰ্ণ বিক্ষোভ প্ৰদৰ্শন কৰি ইত্যাদি।



### ভ্ৰাতৃত্ববোধ ঃ

গণতন্ত্ৰৰ এটি অন্যতম নীতি হ'ল ভ্ৰাতৃত্ববোধ। ভ্ৰাতৃত্ববোধৰ ধাৰণাই জনসাধাৰণৰ মাজত থকা চিন্তা, আদৰ্শ, জাতিগত, ধৰ্মগত, ভাষাগত, লিংগগত ভিন্নতাক আঁতৰাই সহনশীলভাৱে একতাৰ ডোলেৰে বান্ধ খাই থকাক বুজায়। ভ্ৰাতৃত্ববোধৰ মনোভাৱে এখন সমাজত শান্তি প্ৰতিষ্ঠাৰ লগতে উন্নয়ন সম্ভৱ কৰে।



### গণতন্ত্ৰত নাগৰিকৰ কৰ্তব্য ঃ

গণতান্ত্ৰিক শাসন ব্যৱস্থাত নাগৰিকসকলে ৰাষ্ট্ৰৰপৰা ভালেমান সুবিধা বা অধিকাৰ পোৱাৰ সমান্তৰালকৈ কিছু দায়িত্ব বা কৰ্তব্যও সম্পাদন কৰিব লাগে। তেতিয়াহে দেশখনৰ উন্নতি সম্ভৱ হয়। উদাহৰণস্বৰূপে আমি ভাৰতৰ কথাই ক'ব পাৰো। তোমালোকে ইতিমধ্যে জানিছা যে ভাৰতীয় সংবিধানে নাগৰিকক ছয়টা মৌলিক অধিকাৰ দিছে। ঠিক একেদৰে সংবিধানে আমাক এঘাৰটা মৌলিক কৰ্তব্যও দিছে। তাৰ ভিতৰত কেইটামান হ'ল— দেশৰ ৰাষ্ট্ৰীয় সংগীত আৰু জাতীয় পতাকাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা, স্বাধীনতা আন্দোলনৰ মহান আদৰ্শসমূহক শ্ৰদ্ধা কৰা, প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰা, বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ সাধন কৰা ইত্যাদি।

**জানি থওঁ আহা ঃ**

আমাৰ ৰাষ্ট্ৰীয় পতাকাখন তোমালোকে দেখিছা নহয়? এই পতাকা উত্তোলনৰ (hoisting) জৰিয়তে আমি ১৫ আগষ্টত আমাৰ স্বাধীনতা দিৱস উদ্‌যাপন কৰো। ঠিক একেদৰে ২৬ জানুৱাৰীত এই পতাকা উন্মীলনৰ (unfurling) জৰিয়তে আমি গণৰাজ্য দিৱস উদ্‌যাপন কৰো।

**মনত ৰাখিবলগীয়া কথা ঃ**

- গণতন্ত্ৰ বুলিলে আমি জনগণৰ শাসনক বুজো।
- গণতন্ত্ৰত কিছুমান বিশেষ নীতি আছে। তাৰ ভিতৰত স্বাধীনতা, সমতা, ন্যায়, অধিকাৰ, চৰকাৰ গঠনত জনসাধাৰণৰ অংশগ্ৰহণ কৰাৰ সুযোগ আদি।
- বহুতো বিশিষ্ট ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত ভাৰতত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা হৈছে।

- এজন ব্যক্তিৰ স্বাধীনতাই যাতে আন এজন ব্যক্তিৰ স্বাধীনতাত আঘাত নজন্মায় তাৰ প্ৰতি সকলোৱে সচেতন হোৱা উচিত।
- ২০১০ চনৰপৰা প্ৰাথমিক শিক্ষা শিশুৰ মৌলিক অধিকাৰ হিচাপে কাৰ্যকৰী কৰা হৈছে।
- শিশুৰ প্ৰাথমিক শিক্ষাৰ মৌলিক অধিকাৰ সংবিধানৰ অনুচ্ছেদ ২১(ক)ৰ স্বাধীনতাৰ অধিকাৰৰ অন্তৰ্গত।
- আমাৰ সংবিধানে ৬টা মৌলিক অধিকাৰ আৰু ১১ টা মৌলিক কৰ্তব্য প্ৰত্যেক নাগৰিকক প্ৰদান কৰিছে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

ক) গণতন্ত্ৰৰ এটা নীতিৰ নাম লিখা।

খ) যুগলহঁতে পূজাৰ বন্ধত কি ক্লাব খুলিলে?

গ) মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত কি আন্দোলন কৰিছিল?

২। উত্তৰ দিয়া—

ক) গণতন্ত্ৰ জনপ্ৰিয় হোৱাৰ কাৰণ কি?

খ) নাগৰিকৰ অধিকাৰ কেইটা মান লিখা।

গ) তুমি দেশৰ কাৰণে কৰিব পৰা দুটা কৰ্তব্যৰ বিষয়ে উল্লেখ কৰা।

ঘ) প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰিবলৈ তোমালোকে কি কি কাম কৰিবা উল্লেখ কৰা।

ঙ) আমি আমাৰ দেশত উপভোগ কৰিব পৰা দুটা অধিকাৰ উল্লেখ কৰা।

৩। খালী ঠাই পূৰ কৰা—

ক) আমি নিজৰ ৰাজ্যৰ বাহিৰে আমাৰ দেশৰ আন ______________ মাটি কিনি ঘৰ সাজি থাকিব পাৰোঁ।

খ) শিশুৰ প্ৰাথমিক শিক্ষাৰ আইনখন ______________ চনত কাৰ্যকৰী কৰা হয়।

গ) ভাৰত এখন ______________ দেশ।

ঘ) ভাৰতৰ ______________ আৰু সংহতি ৰক্ষা কৰা আমাৰ মৌলিক কৰ্তব্য।

৪। **দলগত কাৰ্য**—

আমি মৌলিক কৰ্তব্য কিয় পালন কৰিব লাগে আলোচনা কৰা। (শিক্ষক-শিক্ষয়িত্ৰীয়ে আলোচনাৰ আঁত ধৰিব)

৫। **প্ৰকল্প ঃ**

ক) বিভিন্ন দেশৰ জাতীয় পতাকাৰ ছবিসমূহ সংগ্ৰহ কৰি এটা এলবাম প্ৰস্তুত কৰা।

খ) আমাৰ দেশৰ ৰাষ্ট্ৰীয় আৰু জাতীয় সংগীত দুটি শুদ্ধকৈ লিখি চৰ্চা কৰা।

* * * * * * * * *

# পাঠ নং - ২৩
# কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ

J6G8N1

**শিকনৰ ফলাফলঃ**

- কেন্দ্ৰীয় চৰকাৰ আৰু ইয়াৰ ভাগসমূহ যেনে— বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ বিষয়ে জানিব পাৰিব।
- ৰাজ্য চৰকাৰৰ গঠন প্ৰণালীৰ বিষয়ে অৱগত হ'ব।

আমি ভাৰতবাসীয়ে আমাৰ দেশৰ গণতন্ত্ৰক লৈ গৌৰৱবোধ কৰোঁ। কিয়নো আমাৰ জনসাধাৰণে নিজে নিৰ্বাচন কৰি পঠোৱা প্ৰতিনিধিৰে চৰকাৰ গঠন কৰা হয়। এই চৰকাৰে ৰাইজৰ কল্যাণৰ হকে কাম কৰে। চৰকাৰ কেনেকৈ গঠন হয় আৰু কেনেদৰে কাম-কাজ কৰে তলৰ কথোপকথনৰপৰা জানি লওঁ আহা—

*মাণিকৰ মাক এগৰাকী অধ্যাপিকা। তেওঁ ঘৰখনৰ কাম-কাজ কৰাৰ উপৰি ল'ৰা-ছোৱালীকেইটাৰ পঢ়া-শুনাৰ বৰ যতন লয়। এদিনাখন তেওঁলোকৰ অঞ্চললৈ **এম.পি (M.P)** আহিব বুলি বৰ আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। সকলোৰে মুখে মুখে এম.পি অহাৰ কথা শুনি মাণিকৰো মনত উৎকণ্ঠা জন্মিল আৰু মাকক সুধিলে —*



*মাণিক ঃ মা, এম.পি মানেনো কোন কোৱাচোন?*

*মাক ঃ **এম.পি মানে মেম্বাৰ অৱ পাৰ্লিয়ামেণ্ট। পাৰ্লিয়ামেণ্টক** অসমীয়াত **সংসদ** বুলি কোৱা হয় আৰু সদস্যজনক **সাংসদ** বোলা হয়।*

*মাণিকঃ সাংসদসকলনো ক'ত থাকে?*

*মাক ঃ যিহেতু সংসদ ভাৰতৰ ৰাজধানী দিল্লীত আছে, সেয়েহে সাংসদসকলো দিল্লীতে থাকে।*

*মাণিক ঃ মা, মই কেন্দ্ৰীয় চৰকাৰৰ কথা শুনিছে আছোঁ। **কেন্দ্ৰীয় চৰকাৰ** মানেনো কি?*

*মা ঃ অ' তুমি ভাল কথাকেই সুধিছা। কেন্দ্ৰীয় চৰকাৰে আমাৰ গোটেই দেশখন শাসন কৰে। চৰকাৰৰো আকৌ তিনিটা অংগ আছে — **বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকা।***

*মাণিক ঃ এনেদৰেনো কিয় ভাগ কৰা হৈছে মা ?*

*মাক ঃ দেশৰ শাসনকাৰ্য চলাবলৈ সুবিধা হ'বৰ বাবে কৰিছে, বুজিছানে? **বিধানমণ্ডলে আইন ৰচনা কৰে, কাৰ্যপালিকাই আইনসমূহ কাৰ্যকৰী কৰে আৰু ন্যায়পালিকাই আইনসমূহৰ ভিত্তিত আৰু সঠিকভাৱে কাৰ্যকৰী** হৈছেনে নাই বিচাৰ **কৰি দিয়ে।** বিধানমণ্ডলত দুখন সদন আছে — এখনক কোৱা হয় **লোকসভা** আৰু আনখনক কোৱা হয় **ৰাজ্যসভা**। লোকসভাৰ সদস্যসকলৰ কাৰ্যকাল ৫ বছৰ আৰু ৰাজ্যসভাৰ সদস্যসকলৰ ৬ বছৰ।*



**জানি থওঁ আহা**

- লোকসভাক নিম্নসদন আৰু ৰাজ্যসভাক উচ্চসদন বুলিও জনা যায়। এই দুয়োখন সদন আৰু ৰাষ্ট্ৰপতিক লৈ **সংসদ** গঠন হয়।
- লোকসভাৰ মুঠ সদস্যৰ সংখ্যা ৫৪৫ জন আৰু ৰাজ্যসভাৰ ২৫০ জন।



মাণিক ঃ মা, বিধানমণ্ডলেনো কেইখন আইন প্ৰস্তুত কৰে?

মাক ঃ বিধানমণ্ডলে বহুতো আইন প্ৰস্তুত কৰে। তাৰ ভিতৰত তুমি বুজি পোৱা আইন এখনৰ কথা কওঁ শুনা। বাৰু কোৱাচোন তোমালোকৰ বাবেও যে আইন এখন প্ৰস্তুত কৰিছে তুমি জানানে?

মাণিক ঃ নাজানো মা, কোৱাচোন।

মাক ঃ ৬ বছৰৰপৰা ১৪ বছৰ বয়সৰ সকলো শিশুৱে যাতে প্ৰাথমিক শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে **'শিশুৰ প্ৰাথমিক শিক্ষাৰ মৌলিক অধিকাৰ আইন'** এখন প্ৰণয়ন কৰিছে। এই আইনখনৰ মতে সকলো শিশুৱে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাটো বাধ্যতামূলক। কোনেও শিশুক জাতি, ধৰ্ম, লিঙ্গ ভেদে প্ৰাথমিক শিক্ষাৰপৰা বঞ্চিত কৰিব নোৱাৰিব। এই আইনখনে সকলো শিশুৰ লগতে বাধাগ্ৰস্ত শিশুসকলকো সামৰি লৈছে।

**ক্ৰিয়াকলাপ ঃ**

(ক) তোমালোকৰ অঞ্চলত ৬ বছৰৰপৰা ১৪বছৰ বয়সৰ সকলো শিশু বিদ্যালয়লৈ যায়নে? যদি নাযায়, সিহঁতে কি কি কাৰণত বিদ্যালয়লৈ নাযায় দলত আলোচনা কৰি এটি টোকা প্ৰস্তুত কৰা।

(খ) কি কি ব্যৱস্থা ল'লে সিহঁতক বিদ্যালয়লৈ আনিব পৰা যাব ছাত্ৰ-বাইদেউৰ লগত আলোচনা কৰি ব্যৱস্থাসমূহৰ তালিকা এখন প্ৰস্তুত কৰা ।

মাণিক ঃ মা, কাৰ্যপালিকাতনো কোন থাকে?

মাক ঃ কাৰ্যপালিকাত ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদ থাকে।



প্ৰথম ৰাষ্ট্ৰপতি



প্ৰথম উপ-ৰাষ্ট্ৰপতি

মাণিক ঃ ৰাষ্ট্ৰপতিয়ে কি কৰে?

মাক ঃ অ' ৰাষ্ট্ৰপতিয়েই হৈছে দেশৰ মুৰব্বী। তেওঁৰ কাম বহুত। যেনে — তেওঁ আইনত স্বাক্ষৰ কৰে, প্ৰধান মন্ত্ৰী আৰু মন্ত্ৰী পৰিষদৰ দিহা - পৰামৰ্শ অনুসৰি দেশ পৰিচালনা কৰাৰ দৰে বহুতো কাম কৰিবলগা হয়। ডাঙৰ হ'লে এই বিষয়ে বিশদভাৱে জানিব পাৰিবা। ৰাষ্ট্ৰপতিৰ পিছতে এজন উপ-ৰাষ্ট্ৰপতি থাকে।



প্ৰথম প্ৰধানমন্ত্ৰী

মাণিক ঃ মা, আমি বেছিকৈ প্ৰধান মন্ত্ৰীৰ কথাহে শুনো। তেওঁনো কি কৰে?

মাক ঃ দেশৰ শাসনভাৰ প্ৰকৃততে প্ৰধানমন্ত্ৰীয়েই পৰিচালনা কৰে। তেওঁক সহায় কৰিবলৈ এখন মন্ত্ৰী পৰিষদ থাকে। প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদৰ সদস্যসকলক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসকলৰ দপ্তৰসমূহ বিতৰণ কৰে। বিভিন্ন বিভাগ বা দপ্তৰসমূহে যাতে সমন্বয়েৰে কাম কৰে তাৰ প্ৰতি নজৰ ৰাখে, মন্ত্ৰীসভাৰ নেতা হিচাপে কাম কৰে আৰু ৰাষ্ট্ৰপতিৰ বাবেও প্ৰধান পৰামৰ্শদাতা হিচাপে কাম কৰে।

মাণিক ঃ মা, বিধানমণ্ডল, কাৰ্যপালিকাৰ কথা বুজিলোঁ। তুমি যে ন্যায়পালিকাৰ কথাও কৈছিলা সেয়ানো কি?

মাক ঃ ন্যায় পালিকাই ন্যায় আৰু অন্যায় বিচাৰ কৰি দিয়ে। ন্যায়পালিকাই দেশৰ জনসাধাৰণক স্বাধীনভাৱে জীয়াই থকাত সহায় কৰে। সেইকাৰণে ন্যায়পালিকাক কোৱা হয় জনসাধাৰণৰ ৰক্ষাৰ কৱচ। আমাৰ দেশত তিনিটা স্তৰৰ ন্যায়পালিকা আছে।

| | |
|---|---|
| উচ্চতম ন্যায়ালয় | কেন্দ্ৰত (নতুন দিল্লী) |
| উচ্চ ন্যায়ালয় | ৰাজ্যত |
| নিম্ন/জিলা আদালত | জিলাত |

মাণিক ঃ মা, বৰ ভাল লাগিল। কেন্দ্ৰীয় চৰকাৰৰ বিষয়ে বহু কথা জানিলোঁ।

মাক ঃ এয়া মাত্ৰ তোমাক এটি থুল-মূল আভাসহে দিছোঁ। ওপৰৰ শ্ৰেণীসমূহত ইয়াৰ বিষয়ে বহলাই জানিবা।




## ৰাজ্য চৰকাৰ

তোমালোকে আগৰ পাঠত পঢ়ি আহিছা যে ভাৰতৰ কেন্দ্ৰত এখন কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যসমূহত ৰাজ্যিক চৰকাৰ আছে। কাষৰ ভাৰতৰ মানচিত্ৰখনত ৰাজ্যসমূহ মন কৰাচোন।

ভাৰতত বৰ্তমান ২৮খন ৰাজ্য আছে। প্ৰত্যেকখন ৰাজ্যতে একোখনকৈ ৰাজ্য চৰকাৰ আছে। ৰাজ্য চৰকাৰে নিজৰ ৰাজ্যখনৰ শাসনকাৰ্য পৰিচালনা কৰে।

প্ৰত্যেক ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় চৰকাৰৰ দৰে তিনিটা প্ৰধান ভাগ আছে।

- বিধানমণ্ডল
- কাৰ্যপালিকা
- ন্যায়পালিকা

## বিধানমণ্ডল ঃ

আমাৰ ৰাজ্যৰ বিধানমণ্ডলক বিধানসভা বোলা হয়। অসমখনক ১২৬ টা নিৰ্বাচনী সমষ্টিত ভাগ কৰা হৈছে। এই সমষ্টিসমূহৰপৰা জনসাধাৰণে একোজনকৈ প্ৰতিনিধি বিধানসভালৈ নিৰ্বাচন কৰি পঠায়। তেওঁলোকক **বিধায়ক** বোলা হয়। এই বিধায়কসকলক লৈ বিধানসভা গঠন কৰা হয়। বিধানসভাৰ কাৰ্যকাল ৫ বছৰ। বিধানসভাৰ প্ৰধান কাম হ'ল— আইন প্ৰণয়ন কৰা, ৰাজ্যৰ আয়-ব্যয়ত অনুমোদন জনোৱা ইত্যাদি।

**জানি থওঁ আহা**

- উত্তৰ-পূবৰ সাতখন ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ কাম-কাজ গুৱাহাটী উচ্চ ন্যায়ালয়ত কৰা হয়।

### কাৰ্যপালিকা ঃ

বিধানমণ্ডলে প্ৰস্তুত কৰা আইনসমূহ কাৰ্যপালিকাই কাৰ্যকৰী কৰে। এই কাৰ্যপালিকাত ৰাজ্যৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীপৰিষদ থাকে। ৰাজ্যপালেই ৰাজ্যৰ মুৰব্বী আৰু তেওঁ ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীপৰিষদক নিযুক্তি দিয়ে।

### ন্যায়পালিকা ঃ

আমাৰ ৰাজ্যখনৰ উচ্চ ন্যায়ালয় গুৱাহাটীত আছে। প্ৰতিখন উচ্চ ন্যায়ালয়ত এজন মুখ্য ন্যায়াধীশ আৰু কেইবাজনো ন্যায়াধীশ থাকে। জিলাসমূহত জিলা আদালত থাকে।

**ক্ৰিয়াকলাপ ঃ**

শিক্ষকৰ সহায়ত ছাত্ৰ-ছাত্ৰীসকলে নকল বিধানসভা শ্ৰেণীকক্ষত প্ৰস্তুত কৰি মুখ্যমন্ত্ৰী, মন্ত্ৰী পৰিষদ আৰু বিৰোধীসকলৰ ভূমিকাৰ অভিনয় কৰিব।

**মনত ৰাখিবলগীয়া কথা ঃ**

- কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ তিনিটা অংগ আছে — বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকা।
- বিধানমণ্ডলে আইন প্ৰণয়ন, কাৰ্যপালিকাই আইন কাৰ্যকৰী আৰু ন্যায়পালিকাই আইনৰ ভিত্তি আৰু সঠিক কাৰ্যকৰী হৈছেনে বিচাৰ কৰে।
- সংসদত থকা লোকসভা আৰু ৰাজ্যসভাক ক্ৰমে নিম্ন সদন আৰু উচ্চ সদন বুলি কোৱা হয়।
- ৰাষ্ট্ৰপতি দেশৰ মুৰব্বী।
- দেশৰ প্ৰত্যেকখন ৰাজ্যত ৰাজ্য চৰকাৰ আছে।
- ৰাজ্যপাল ৰাজ্যৰ মুৰব্বী।
- আমাৰ অসমখনক ১২৬ টা নিৰ্বাচনী সমষ্টিত ভাগ কৰা হৈছে।
- বিধানসভাৰ কাৰ্যকাল ৫ বছৰ।
- উচ্চ ন্যায়ালয়ত এজন মুখ্য ন্যায়াধীশ আৰু কেইবাজনো ন্যায়াধীশ থাকে।

**অনুশীলনী ঃ**

১। উত্তৰ লিখা—

ক) কেন্দ্ৰীয় চৰকাৰৰ অংগ কেইটা আৰু কি কি?

খ) লোকসভা আৰু ৰাজ্যসভাৰ আন দুটা নাম কি?

গ) লোকসভা আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা কিমান?

ঘ) প্ৰধানমন্ত্ৰী আৰু আন মন্ত্ৰীসকলক কোনে নিয়োগ কৰে?

ঙ) কেন্দ্ৰীয় মন্ত্ৰীসকলৰ দপ্তৰসমূহ কোনে বিতৰণ কৰে?

চ) ন্যায়পালিকাৰ কাম কি?

ছ) ৰাজ্য চৰকাৰৰ প্ৰধান ভাগ কেইটা আৰু কি কি?

জ) বিধানসভালৈ নিৰ্বাচিত সদস্যজনক কি বুলি কোৱা হয়?

ঝ) ৰাজ্যৰ মুৰব্বীজন কোন?

ঞ) মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদক কোনে নিযুক্তি দিয়ে?

চ) অসমৰ উচ্চ ন্যায়ালয় ক'ত অৱস্থিত?

২। খালী ঠাই পূৰ কৰা —

(ক) বিধান মণ্ডলে ________________ প্ৰস্তুত কৰে।

(খ) কাৰ্যপালিকাই আইনসমূহ ________________ কৰে।

(গ) ন্যায়পালিকাই ______________ বিচাৰ কৰে।

(ঘ) বিধানসভাৰ কাৰ্যকাল ______________ বছৰ।

(ঙ) ৰাজ্যপালেই ৰাজ্যৰ ______________ ।

৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

| | |
|---|---|
| (ক) অসমৰ বিধানসভাৰ সমষ্টি | ১১৬/ ১২৬/ ১৩৬ টা |
| (খ) বৰ্তমান ভাৰতত ৰাজ্য | ২৫/ ২৩/২৮ খন আছে |
| (গ) লোকসভাৰ কাৰ্যকাল | ৪/ ৫/ ৬ বছৰ |
| (ঘ) উচ্চ ন্যায়ালয়ত মুখ্য ন্যায়াধীশ থাকে | ১/ ২/ ৬ জন |
| (ঙ) ৰাজ্যসভাৰ সদস্য সংখ্যা | ৫৪৫/ ২৫০/ ১২৬ জন |

৪। **প্ৰকল্প ঃ**

অসমৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলৰ নাম ফটোসহ একাদিক্ৰমে সজাই দুটা এলবাম প্ৰস্তুত কৰা।

* * * * * * * *

# পাঠ নং ২৪
# স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা

F2Y5C1

**শিকনৰ ফলাফলঃ**

- স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাৰ বিষয়ে ধাৰণা লাভ কৰিব।
- গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ গঠন প্ৰণালী আৰু কাম-কাজসমূহৰ বিষয়ে জানিব পাৰিব।
- নগৰ আৰু মহানগৰৰ স্থানীয় নিকায়সমূহৰ বিষয়ে অৱগত হ'ব।
- স্বায়ত্ত শাসিত পৰিষদসমূহৰ বিষয়ে জানিব পাৰিব।

তোমালোকে আগৰ পাঠত পাই আহিছা যে আমাৰ সমগ্ৰ দেশখন শাসনৰ বাবে এখন কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰত্যেক ৰাজ্যত একোখনকৈ ৰাজ্য চৰকাৰ আছে। ঠিক সেইদৰে আমাৰ গাঁও আৰু নগৰ অঞ্চলৰ বাবে স্থানীয় স্বায়ত্ত শাসনৰ ব্যৱস্থা আছে।


ভাৰতৰ দৰে জনবহুল ৰাষ্ট্ৰ এখনত কেৱল কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰেই জনসাধাৰণৰ সকলো সমস্যা সমাধান কৰিব নোৱাৰে। সেয়েহে ভাৰতত স্থানীয় শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। স্থানীয় লোকৰ অংশগ্ৰহণৰ দ্বাৰা স্থানীয় সমস্যা সমাধান আৰু স্থানীয় বিকাশৰ পৰিকল্পনাৰ বাবে স্থানীয় পৰ্যায়ত থকা প্ৰশাসনিক গোটটোকে স্থানীয় স্বায়ত্ত শাসন বোলে। স্থানীয় শাসন এহাতে স্থানীয় সমস্যা সমাধানত সহায় কৰে আৰু আনহাতে গণতন্ত্ৰৰ অন্যতম প্ৰয়োজনীয় দিশ প্ৰশাসনত জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰে। চমুকৈ ক'বলৈ হ'লে স্থানীয় প্ৰশাসনৰ প্ৰধান গুৰুত্ব বা তাৎপৰ্যবোৰ হ'ল—

- স্থানীয় শাসনে গণতন্ত্ৰৰ ভেটি সবল কৰে কাৰণ ই জনসাধাৰণক প্ৰশাসনত অংশগ্ৰহণৰ এক সুন্দৰ সুযোগ প্ৰদান কৰে।
- স্থানীয় শাসনে স্থানীয় সমস্যাৰ চিনাক্তকৰণ আৰু সমাধানত সহায় কৰে।
- স্থানীয় শাসনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কামৰ বোজা লাঘৱ কৰে।

ভাৰতত এই স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা প্ৰধানকৈ দুটা ভাগত ভগোৱা হৈছে — গাঁও অঞ্চলৰ বাবে স্থানীয় শাসন আৰু নগৰ অঞ্চলৰ বাবে স্থানীয় শাসন ব্যৱস্থা।



## গাঁও পঞ্চায়ত ঃ



গাঁৱৰ স্থানীয় সমস্যাসমূহ সমাধান কৰিবলৈ গঠন কৰা অনুষ্ঠানটি হ'ল **গাঁও পঞ্চায়ত**। এই গাঁও পঞ্চায়তসমূহৰ গঠন প্ৰক্ৰিয়াটো হ'ল —

- একোখন গাঁও পঞ্চায়তত প্ৰায় ৬০০০-১০,০০০ জনসংখ্যা থাকে।
- ১০ টা সমষ্টিক লৈ গাঁও পঞ্চায়ত একোখন গঠন কৰা হয়। ইয়াৰ বাবে ১০ জন সদস্যক নিৰ্বাচিত কৰা হয়।
- গাঁও পঞ্চায়তত এজন সভাপতি/ সভানেত্ৰী থাকে। তাৰোপৰি এজন উপ-সভাপতি/ উপ-সভানেত্ৰীও থাকে।
- গাঁও পঞ্চায়তত মহিলা, অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা আছে।
- গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকলক ৰাইজে ৫ বছৰৰ বাবে নিৰ্বাচিত কৰে।

**জানি থওঁ আহা ঃ**

- ভিন ভিন সময়ত ভিন ভিন উদ্দেশ্য আগত ৰাখি চৰকাৰে কাৰ্যকৰী কৰা কিছুমান দীৰ্ঘম্যাদী/ হ্ৰস্বম্যাদী আঁচনি গাঁও পঞ্চায়তৰ যোগেদি পৰিচালিত হয়।

## গাঁও পঞ্চায়তৰ কাৰ্যাৱলী ঃ

গাঁও পঞ্চায়তে নিৰ্ধাৰিত অঞ্চলৰ বিকাশ তথা কল্যাণৰ বাবে প্ৰয়োজনীয় বিভিন্ন কাৰ্য সম্পাদন কৰে যেনেঃ পঞ্চায়ত এলেকাৰ উন্নয়নৰ বাবে বছৰেকীয়া আঁচনি প্ৰস্তুত কৰে, কৃষি পশুপালন, খোৱাপানীৰ ব্যৱস্থা, শিক্ষা, জনস্বাস্থ্যৰ কল্যাণ, গ্ৰাম্য বৈদ্যুতিকৰণ, ক্ষুদ্ৰ জল-সিঞ্চন, ৰাস্তা-ঘাটৰ উন্নয়ন, খাদী আৰু কুটিৰ শিল্পৰ বিকাশ, সামাজিক বনানীকৰণ, শিশু আৰু মহিলাৰ কল্যাণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ ইত্যাদি।

**জানি থওঁ আহা ঃ**

**গাঁও সভা**

গাঁও সভা হৈছে পঞ্চায়ত ব্যৱস্থাৰ একেবাৰে নিম্নতম গোট। গাঁও এখনৰ প্ৰাপ্তবয়স্ক ভোটাৰসকলক লৈ গাঁও সভা গঠন হয়। গাঁও সভাৰ জৰিয়তে গাঁৱৰ জনসাধাৰণে স্থানীয় কাৰ্যকলাপত অংশগ্ৰহণৰ সুযোগ লাভ কৰে। গাঁও সভাই গাঁও পঞ্চায়তক ইয়াৰ কাম-কাজ সম্পাদনত প্ৰয়োজনীয় সহায় আৰু পৰামৰ্শ আগবঢ়ায়, যেনে-আঁচনি নিৰ্ধাৰণ, হিতাধিকাৰী বাছনি আৰু প্ৰয়োজনত পঞ্চায়তৰ কাম-কাজৰ পৰীক্ষাও কৰিব পাৰে বা পঞ্চায়ত সমিতিৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব পাৰে। গাঁও সভাৰ সফল আৰু সক্ৰিয় অংশগ্ৰহণৰ বাবে জনসাধাৰণৰ ৰাজনৈতিক শিক্ষা আৰু সচেতনতাৰ অতি প্ৰয়োজন। গাঁও সভা বৰ্তমান সময়ত এক সাংবিধানিক ব্যৱস্থা। সংবিধানৰ ৭৩তম সংশোধনীৰ জৰিয়তে ভাৰতৰ প্ৰায়বোৰ ৰাজ্যত গাঁও সভাৰ ব্যৱস্থা কৰা হৈছে।

**দলগত কাৰ্য ঃ**

গাঁও পঞ্চায়তে কি কি কাম কৰে তাৰ এখন তালিকা প্ৰস্তুত কৰা।



### আঞ্চলিক পঞ্চায়ত ঃ

আমাৰ দেশত প্ৰশাসনৰ সুবিধাৰ কাৰণে প্ৰত্যেকখন জিলাকে কেইবাটাও খণ্ডত ভাগ কৰা হয়। ইয়াৰ প্ৰতিটো খণ্ডকে **উন্নয়ন খণ্ড** বোলে। প্ৰতিটো উন্নয়ন খণ্ডতে একোখন আঞ্চলিক পঞ্চায়ত গঠন কৰা হয়। আঞ্চলিক পঞ্চায়তখনৰ অধীনত কেইবাখনো গাঁও পঞ্চায়ত থাকে।

### আঞ্চলিক পঞ্চায়তৰ গঠন প্ৰণালী ঃ

প্ৰত্যেকখন গাঁও পঞ্চায়তৰপৰা একোজনকৈ সদস্য নিৰ্বাচিত কৰি আঞ্চলিক পঞ্চায়তলৈ পঠায়। ইয়াৰ উপৰি গাঁও পঞ্চায়তৰ সভাপতি/ সভানেত্ৰী গৰাকী, বিধানসভাৰ বিধায়ক আৰু লোকসভাৰ সাংসদো আঞ্চলিক পঞ্চায়তৰ সদস্য হয়। আঞ্চলিক পঞ্চায়তৰ কাৰ্যকাল পাঁচ বছৰ।

### আঞ্চলিক পঞ্চায়তৰ কাৰ্যাৱলী ঃ

গাঁও পঞ্চায়তৰ দৰে আঞ্চলিক পঞ্চায়তেও নিজাববীয়াকৈ কিছুমান আঁচনি হাতত লয়, যেনে— ৰাজহুৱা পুখিভঁৰাল নিৰ্মাণ, ৰাস্তা-পদুলি নিৰ্মাণ, গ্ৰাম্য বাসভৱন নিৰ্মাণ, পৰিয়াল কল্যাণ, ভূমি সংৰক্ষণ, খোৱাপানী যোগান আদি। কিছুমান শিক্ষিত যুৱক-যুৱতীক স্বাৱলম্বী হ'বৰ বাবে আৰ্থিক অনুদানো আগবঢ়ায়। যেনে— বাঁহ-বেতৰ উদ্যোগ, মীন পালন, গো আৰু হাঁহ- কুকুৰা পালন, বৃক্ষৰোপণ, ইত্যাদি।


> **জানি থওঁ আহা ঃ**
>
> **পঞ্চায়তে সন্মুখীন হোৱা সমস্যাসমূহ ঃ**
>
> - নিৰক্ষৰতা
> - জনসচেতনতাৰ অভাৱ
> - দলীয় ৰাজনীতিৰ অত্যাধিক প্ৰবেশ
> - দুৰ্নীতি
> - বিত্তৰ অভাৱ
> - অনিয়মিত নিৰ্বাচন


### জিলা পৰিষদ ঃ

তোমালোকে ইতিমধ্যে গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ কথা জানিব পাৰিলা। এই ব্যৱস্থাৰ আটাইতকৈ উচ্চ পৰ্যায়ত **জিলা পৰিষদ** থাকে। প্ৰতিখন জিলাতে একোখনকৈ জিলা পৰিষদ আছে।

### জিলা পৰিষদৰ গঠন প্ৰণালী ঃ

জিলা পৰিষদৰ সমষ্টিসমূহ জনসংখ্যাৰ ভিত্তিত ভাগ কৰা হয়। এটা সমষ্টিত প্ৰায় ৪০ হাজাৰ জনসংখ্যা থাকে। প্ৰতিটো সমষ্টিৰ জনসাধাৰণে ভোটদান কৰি সদস্যসকলক নিৰ্বাচন কৰি জিলা পৰিষদলৈ পঠায়। আঞ্চলিক পঞ্চায়তৰ







সভাপতিসকল জিলা পৰিষদৰ সদস্য  হয়। জিলাখনত থকা সাংসদ আৰু বিধায়কসকলো জিলা পৰিষদৰ সদস্য হয়। জিলা পৰিষদবো কাৰ্যকাল পাঁচ বছৰ।

## জিলা পৰিষদৰ কাৰ্যাবলী ঃ

ইতিমধ্যে তোমালোকে পাই আহিছা যে গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তে বহুতো জনহিতকৰ কাম কৰে। জিলা পৰিষদে জিলাখনৰ সামূহিক উন্নতিৰ কাৰণে প্ৰায় ২০টা ভাগত কামসমূহ ভাগ কৰি লৈছে। তলত তাৰে কেইটামান গুৰুত্বপূৰ্ণ বিষয় উল্লেখ কৰা হ'ল —

- জিলা পৰিষদে গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ কাম-কাজবোৰ পৰ্যবেক্ষণ কৰে আৰু সমন্বয় স্থাপন কৰে।
- গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তলৈ অনুদান আগবঢ়োৱা আঁচনি প্ৰস্তুত আৰু কাৰ্যকৰী কৰে।
- আশ্ৰম, ছাত্ৰাবাস, শিক্ষানুষ্ঠান, সমবায় সমিতি, সাংস্কৃতিক বিকাশ কেন্দ্ৰ, হাট-বজাৰ আদি প্ৰতিষ্ঠা কৰিব  পাৰে।
- জলপথত নাও, ফেৰী আদিৰ ব্যৱস্থা কৰে।

**জানি থওঁ আহা—**

আসমত ১৯৯৪ চনত অসম পঞ্চায়তী আইন গ্ৰহণ কৰা হৈছিল।

১৯৯৪ চনৰ পঞ্চায়ত আইন অনুসৰি অসমত তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থাৰ সূচনা কৰা হয়।

## নগৰৰ স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা ঃ

তোমালোকে গাঁৱৰ স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাৰ বিষয়ে জানিলা। এতিয়া নগৰবোৰত থকা স্বায়ত্ত শাসন ব্যৱস্থাৰ বিষয়েও জানো আঁহা।



এখন নগৰ গাঁৱতকৈ যথেষ্ট ডাঙৰ আৰু ইয়াৰ জনসংখ্যা বহুত বেছি। ঠিক তেনেকৈ নগৰতকৈ মহানগৰ বহুত ডাঙৰ। মহানগৰত ডাঙৰ ডাঙৰ ঘৰ আৰু ৰাস্তা-ঘাট, অসংখ্য গাড়ী, বৃহৎ দোকান-বজাৰ, বিজুলি বাতি, চিকিৎসালয়, পুথিভঁৰাল, খেলপথাৰ, উদ্যান, ট্ৰেফিক সুৰক্ষাৰ ব্যৱস্থা আদি আছে।

মহানগৰৰ কামবোৰ **পৌৰনিগম** আৰু বাকী নগৰ অঞ্চলৰ কামবোৰ **পৌৰসভা**, **নগৰ সমিতি**ৰ দৰে স্থানীয় স্বায়ত্ত শাসনে কৰে। গুৱাহাটীৰ জনসংখ্যা ১৫ লাখতকৈও অধিক । সেইকাৰণে গুৱাহাটীক **মহানগৰ** বোলে। অসমৰ একমাত্ৰ গুৱাহাটীতহে পৌৰনিগম আছে। বাকী নগৰসমূহত পৌৰসভা, নগৰ সমিতিসমূহ আছে।

## নিগমৰ কাম-কাজ ঃ

গুৱাহাটী পৌৰনিগমে মহানগৰৰ বাবে কৰা কেইটামান কামৰ তালিকা তলত দিয়া হ'ল—

- নগৰখনৰ নলা-নৰ্দমা, দলং, ৰাজহুৱা প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ, ৰাস্তা-ঘাট আদি নিৰ্মাণ আৰু মেৰামতি কৰা।
- ৰাস্তা-ঘাটৰ নামকৰণ, বিজুলীবাতিৰ যোগান, হাট-বজাৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ দিয়া।
- গাড়ী-মটৰ, মটৰ চাইকেল, অটো ৰিক্সা আদি ৰখা ঠাইৰ ব্যৱস্থা কৰা।
- নগৰৰ বাহিৰে-ভিতৰে শ্মশান, কবৰস্থানৰ নিৰ্মাণ আৰু মেৰামতি কৰা।
- কচাইখানা স্থাপন আৰু ৰক্ষণাবেক্ষণ দিয়া।
- অগ্নি নিৰ্বাপন ব্যৱস্থা, ৰাজহুৱা পুথিভঁৰাল, কলা-সংস্কৃতি কেন্দ্ৰ স্থাপন কৰা।
- অনাথ শিশুসকলৰ আশ্ৰয়ালয় স্থাপন আৰু ৰক্ষণাবেক্ষণ দিয়া।

পৌৰনিগমে উক্ত কামবোৰৰ উপৰি আৰু বহুতো জন-হিতকৰ কাম কৰে। পৌৰনিগমৰ দৰে পৌৰসভা আৰু নগৰ সমিতিয়ে নিজৰ নিজৰ এলেকাৰ উন্নয়নৰ কাম-কাজসমূহ কাৰ্যকৰী কৰে।

ভাৰতীয় সংবিধানৰ ৭৩তম আৰু ৭৪তম সংশোধন ঃ ১৯৯২ চনত ভাৰতীয় সংসদে ৭৩তম আৰু ৭৪তম সংশোধনী আইন গৃহীত কৰি ভাৰতৰ স্থানীয় প্ৰশাসনক এক নতুন ৰূপ দিছিল। ৭৩তম সংশোধন গ্ৰাম্য স্থানীয় প্ৰশাসনৰ লগত জড়িত। ইয়াৰ প্ৰধান ধাৰাবোৰ হ'ল।

- পঞ্চায়ত অনুষ্ঠানসমূহক সাংবিধানিক মৰ্যাদা প্ৰদান
- গাঁওসভা গঠনৰ জৰিয়তে জনগণতন্ত্ৰ প্ৰতিষ্ঠা

- তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থা গঠন।
- মহিলা আৰু অনুসূচিত জাতি- জনজাতিৰ লোকৰ বাবে পঞ্চায়তত এক তৃতীয়াংশ আসন সংৰক্ষণ।

সংবিধানৰ ৭৪তম সংশোধনী নগৰ স্থানীয় প্ৰশাসনৰ লগত জড়িত। অৰ্থাৎ ই নগৰ অঞ্চলত থকা স্থানীয় প্ৰশাসনৰ কিছুমান সংশোধন আনিছিল, যেনে— নগৰ স্থানীয় প্ৰশাসন ব্যৱস্থাক সাংবিধানিক মৰ্যাদা প্ৰদান, মহিলা আৰু অনুসূচিত জাতি-জনজাতিৰ লোকৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণ ইত্যাদি।

## স্বায়ত্ত শাসিত পৰিষদ ঃ

অসম এনে এখন বৈচিত্ৰ্যপূৰ্ণ ৰাজ্য য'ত নানা জাতি আৰু জনজাতিৰ লোকে পাহাৰ-ভৈয়াম সকলোতে বস-বাস কৰি আহিছে। প্ৰত্যেক জাতি-জনজাতিৰ নিজা নিজা ভাষা, কৃষ্টি, সংস্কৃতি, ৰীতি-নীতি আৰু পৰম্পৰা আছে। এইবোৰৰ ৰক্ষণাবেক্ষণ আৰু উন্নতিৰ কাৰণে আমাৰ সংবিধানে কিছুমান বিশেষ সুবিধা প্ৰদান কৰিছে। সেইমতে পাহাৰীয়া কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত পঞ্চায়ত ব্যৱস্থাৰ সলনি স্বায়ত্ত শাসিত জিলা পৰিষদ আছে আৰু ভৈয়ামৰ বড়ো জনজাতি অধ্যুষিত এলেকাসমূহত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বি.টি.চি) গঠন কৰা হৈছে। কোকৰাঝাৰ, চিৰাং, বাকসা আৰু ওদালগুৰি জিলাক লৈ বি.টি.চি গঠিত। তদুপৰি ভৈয়ামৰ মিচিং, ৰাভা, দেউৰী, তিৱা আদি জনজাতিসকলৰ বাবে সুকীয়া স্বায়ত্ত শাসিত পৰিষদ আছে।

**জানি থওঁ আহা**

- ২০০৩ চনৰ ফেব্ৰুৱাৰী মাহত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু বড়ো সংগঠনৰ নেতৃবৃন্দৰ মাজত হোৱা বুজাবুজি আৰু চুক্তিৰ আধাৰত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল গঠনৰ সিদ্ধান্ত লোৱা হয়।
- ২০২০ চনৰ ২৭ জানুৱাৰীত পূৰ্বৰ বি.টি.এ.ডি. (বড়োলেণ্ড টেৰিট'ৰিয়েল এৰিয়া ডিষ্ট্ৰিকট্চ) ক বি.টি.আৰ (বড়োলেণ্ড টেৰিট'ৰিয়েল ৰিজিঅ'ন) হিচাপে নতুন নামকৰণ কৰা হয়।

**মনত ৰাখিবলগীয়া কথা ঃ**

- গাঁৱৰ স্থানীয় সমস্যাসমূহ সমাধান কৰিবলৈ গঠন কৰা অনুষ্ঠানটিয়ে হ'ল গাঁও পঞ্চায়ত।
- গাঁও স্তৰত গাঁও পঞ্চায়ত, উন্নয়ন খণ্ড স্তৰত একোখনকৈ আঞ্চলিক পঞ্চায়ত আৰু জিলা স্তৰত জিলা পৰিষদ থাকে। এইদৰে আমাৰ ৰাজ্যত তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থা কৰা হৈছে।
- একোখন গাঁও পঞ্চায়তত সাধাৰণতে প্ৰায় ৬০০০-১০,০০০ জনসংখ্যা থাকে।
- মহানগৰৰ বাবে পৌৰনিগম আৰু নগৰ অঞ্চলৰ বাবে পৌৰসভা আৰু নগৰ সমিতিয়ে নিজ নিজ এলেকাৰ উন্নয়নমূলক কাম-কাজসমূহ কৰে।
- কাৰ্বি আংলং জিলা আৰু ডিমা হাছাও জিলাত পঞ্চায়তৰ সলনি স্বায়ত্ত শাসিত জিলা পৰিষদ আছে।
- বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল বা বি.টি.চি. এটি ভৈয়ামৰ বড়ো জনজাতিসকলৰ স্বায়ত্ত শাসিত অনুষ্ঠান।
- ভৈয়ামৰ মিচিং, ৰাভা, দেউৰী, তিৱা আদি জনজাতিসকলৰ বাবে সুকীয়া স্বায়ত্ত শাসিত পৰিষদ আছে।

## অনুশীলনী ঃ

১। উত্তৰ দিয়া—

(ক) গাঁও অঞ্চলৰ স্থানীয় শাসন ব্যৱস্থা কেইটা আৰু কি কি?

(খ) গাঁও পঞ্চায়তৰ সদস্যৰ সংখ্যা কিমান?

(গ) কোন চনত অসমত তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থাৰ সূচনা হৈছে?

(ঘ) আঞ্চলিক পঞ্চায়তৰ কাৰ্যকাল কেইবছৰ?

(ঙ) জিলা পৰিষদৰ সমষ্টিসমূহ কিমান জনসংখ্যাৰ ভিত্তিত নিৰ্দ্ধাৰিণ কৰা হয়?

২। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) জিলা পৰিষদৰ কাৰ্যকাল (২/ ৩/ ৫) বছৰ।

(খ) গাঁও পঞ্চায়তত অনুসূচিত জাতি, জনজাতি আৰু মহিলাৰ বাবে সংৰক্ষিত আসনৰ ব্যৱস্থা আছে / নাই।

(গ) অসমত স্বায়ত্ত শাসিত জিলা পৰিষদ (২/৩/৪) খন।

(ঘ) আঞ্চলিক পঞ্চায়ত (নগৰ সমিতি/ গাঁও পঞ্চায়ত / জিলা পৰিষদৰ) সদস্যৰে গঠিত।

(ঙ) অসমত পৌৰ নিগম ১/ ২/ ৩ খন আছে।

৩। খালী ঠাই পুৰ কৰা—

(ক) বড়োলেণ্ড টেৰিটৰিয়েল ________________ এখন স্বায়ত্ত শাসিত পৰিষদ।

(খ) জিলা পৰিষদৰ এটা সমষ্টিত প্ৰায় ________________ জনসংখ্যা থাকে।

(গ) বি.টি.চি. ________________ খন জিলাক লৈ গঠন কৰা হৈছে।

৪। (ক) স্বায়ত্ত শাসিত জিলা পৰিষদ গঠনৰ উদ্দেশ্যৰ বিষয়ে চমুকৈ লিখা।

(খ) ভৈয়ামৰ যিকোনো দুখন স্বায়ত্ত শাসিত পৰিষদৰ নাম লিখা।

৫। জিলা পৰিষদৰ কাৰ্যাৱলী লিখা।

৬। দলগত কাৰ্য ঃ

আঞ্চলিক পঞ্চায়তৰ কামৰ এখন তালিকা প্ৰস্তুত কৰা।

* * * * * * * * *

# পথ দুৰ্ঘটনাৰ পৰা ৰক্ষা পাবলৈ ল'বলগীয়া কিছুমান সাৱধানতা

G7B1H2





**ৰাস্তাত যাওঁতে—**

- খোজ কাঢ়োঁতে সদায় নিজৰ বাওঁহাতে যাবা।
- ৰাস্তা পাৰ হওঁতে সোঁৱে-বাঁৱে চাই পাৰ হ'বা।
- ৰাস্তাত ফুটপাথ থাকিলে সদায় ফুটপাথেৰে খোজ কাঢ়িবা।
- 'জেব্ৰা চিন' থকা ৰাস্তা পাৰ হওঁতে সদায় জেব্ৰা চিন আঁকা ঠাইৰ ওপৰেদি খোজ কাঢ়ি পাৰ হ'বা।
- ৰাতি টৰ্চ লাইট ব্যৱহাৰ কৰিবা।
- চাইকেল চলাওঁতে দুজন উঠি নাযাবা।

**ৰে'ল ক্ৰছিং পাৰ হওঁতে—**

- ৰে'ল ক্ৰছিঙৰ বন্ধ গেট পাৰ হৈ যাত্ৰা নকৰিবা।
- ৰে'ল গাড়ীখন পাৰ হৈ নোযোৱালৈকে ৰে'লপথ পাৰ নহ'বা।
- ৰে'ল ক্ৰছিঙৰ দুয়োফালৰ গেট নদঙালৈকে ৰে'লপথ পাৰ নহ'বা।



**বাছত যাত্ৰা কৰোঁতে—**

- বাছত সাৱধানে উঠিবা।
- যাত্ৰীৰ সংখ্যা বেছি হলে শাৰী পাতি উঠিবা।
- বাহিৰলৈ থু-খেঁকাৰ নেপেলাবা।
- বাছৰ পাওদানিত উঠি যাত্ৰা নকৰিবা।
- হাত-ভৰি বা মূৰ খিৰিকীৰে বাহিৰলৈ নুলিয়াবা।
- বাছখন সম্পূৰ্ণৰূপে ৰখাৰ পিছতহে উঠা-নমা কৰিবা।
- বাছৰ পৰা নামোতে দুয়োদিশ ভালদৰে চাই ল'বা।



**ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে শিশু, বৃদ্ধ বা বিশেষভাবে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।**

## ক'ভিড ১৯ সংক্ৰমণৰ পৰা সুৰক্ষিত থাকিবলৈ হ'লে-



কাহ বা হাঁচি মাৰোঁতে ৰুমাল ব্যৱহাৰ কৰিব
লাগে নহিবা হাতেৰে মুখখন ঢাকি ল'ব লাগে
আৰু পাছত হাতখন ধুই চাফা কৰি ল'ব লাগে।
ৰাজহুৱা স্থানত থু, খেকাৰ পেলাব নালাগে।

সঠিকভাৱে মাস্ক পৰিধান কৰিব লাগে।
সঘনাই চাবোনেৰে হাত ধোৱাৰ লগতে চেনিটাইজাৰ ব্যৱহাৰ কৰিব লাগে।



সামাজিক ব্যৱধান বৰ্তাই চলিব লাগে।
(অতি কমেও ছ ফুট দূৰত্বৰ ব্যৱধান)



সকলোৱে টীকাকৰণ কৰা
অতি আৱশ্যক।

**শিক্ষা(প্ৰাথমিক) বিভাগ, অসম চৰকাৰ**